লোকসংস্কৃতি

ড০ নবীন চন্দ্ৰ শৰ্মা
প্ৰাক্তন বিভাগীয় প্ৰধান অধ্যাপক
লোকসংস্কৃতি গৱেষণা বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী

GOVT. OF ... DIRECTORATE OF LIBRARY SERVICES

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ : গুৱাহাটী-১

Loka Samskriti : A systematic and analytical study on the theory, concept, history, various fields of Folklore, Verbal art and Folklore studies in Assam, written by Dr. Nabin Chandra Sarma, Ex.Professor & Head, Department of Folklore Research, Gauhati University, Guwahati-14 and published by Sri Rajendra Mohan Sarma, Chandra Prakash, Guwahati-1
Price Rs. 80.00 (Eighty) only

প্ৰকাশক ঃ
ৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পানবজাৰ, গুৱাহাটী-১
দূৰভাষ-২৫১১৯৪৬

প্ৰচ্ছদপট ঃ
শ্ৰীবিনোদ ৰাজকুমাৰ

প্ৰথম প্ৰকাশ ১৯৯৭ ইং
দ্বিতীয় প্ৰকাশ ২০০৩ চন

বেচ ঃ
৮০.০০ টকা

ফিটো-টাইপ-ছেটিং ঃ
বি.জি.ডি.টি.পি.চেন্টাৰ, এ.বি.ছি.
বিল্ডিং
শৰৎ চন্দ্ৰ গোস্বামী পথ
পাণবজাৰ, গুৱাহাটী-১
দূৰভাষ - ২৫১০৬৩৭

ছপা ঃ
আদ্যাশ্ৰী প্ৰেছ
কলকাতা - ৬

উৎসৰ্গ

এম্ ইব্ৰাহীম আলি

জন্ম : ২১ জুন, ১৯১৭ ইং.

মৃত্যু : ২২ নৱেম্বৰ, ১৯৭৫ ইং.

অসমৰ বিশিষ্ট কবি-সাহিত্যিক, সাংবাদিক, শিক্ষাব্ৰতী তথা শিক্ষাসেৱী আৰু সাংস্কৃতিক চেতনাৰ প্ৰতীক স্বৰূপ— যিগৰাকী নমস্য ব্যক্তিৰ অনুপ্ৰেৰণা আৰু উদ্দীপনাই আজিও আমাৰ চিন্তা-চৰ্চাৰ গতি নিৰ্ণয় কৰি আছে— সেই গৰাকী স্বৰ্গীয় আলি চাহাবৰ পবিত্ৰ স্মৃতিত অৰ্পিত।

ক. অৱতৰণিকা

লোকসংস্কৃতিৰ পৰিসৰ অত্যন্ত বিশাল। ইয়াৰ বিভিন্ন দিশবোৰৰ চাৰিচুক মাৰি আলোচনা কৰিবলৈ বিভিন্নজনে চেষ্টা কৰি আহিছে, যদিও সম্পূৰ্ণকৈ কৃতকাৰ্য্য হ'ব পৰা নাই। প্ৰত্যেকেই ছেগাছেৰোকাকৈহে আলোচনা কৰিবলৈ বাধ্য হৈছে। ইয়াৰ বাবে ব্যক্তিগত প্ৰতিভা বা প্ৰচেষ্টাক দোষ দিব নোৱাৰি— যদি দোষ দিব লগা হয় তেনেহলে লোকসংস্কৃতি বা লোকবিদ্যাৰ বিষয়বস্তুৰ বিশাল পৰিসৰকেই দোষ দিব লাগিব। প্ৰত্যেকজন লোকবিদ্যাৰ গৱেষক, পণ্ডিত আদিয়ে ক্ষুদ্ৰৰ জৰিয়তে ভূমাৰ সন্ধান পাবৰ বাবে চেষ্টা কৰিছে, যত্ন কৰিছে।

লোকসংস্কৃতিৰ বিভিন্ন দিশত অৰ্থপূৰ্ণ আলোকসম্পাত কৰিবলৈ প্ৰয়াস কৰা হৈছে অন্ততঃ ইংৰাজী কিতাপ সহজে বিচাৰি নোপোৱাসকলেও যাতে অসমীয়া ভাষাত লিখা কিতাপ পঢ়িয়েই লোকসংস্কৃতি বা লোকবিদ্যা সম্পৰ্কে কিছু ধ্যান-ধাৰণা লাভ কৰিব পাৰে— তালৈ লক্ষ্য ৰাখি।

আমাৰ এই কিতাপখনৰো মুখ্য উদ্দেশ্য এইটোৱেই; বিশেষকৈ বি.এ. স্তৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এলেকাধীন মহাবিদ্যালয়বিলাকত লোকসংস্কৃতিয়ে অধ্যয়নৰ বিষয় স্বৰূপে স্থান লাভ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এলেকাধীন মাত্ৰ এখন মহাবিদ্যালয়ত অধ্যয়নৰ বিষয়ৰূপে লোকসংস্কৃতিয়ে স্থান লাভ কৰিছে। [এই ছেগতে সেইখন মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকীক (ড০ দয়ানন্দ পাঠক) ধন্যবাদ জনাইছোঁ।] এইখন মহাবিদ্যালয়ৰপৰা তিনিবছৰীয়া পাঠ্যক্ৰমৰ ১ম ভাগৰ পৰীক্ষাত লোকসংস্কৃতি বিষয়ৰ প্ৰথম তিনিখন প্ৰশ্ন কাকতৰ পৰীক্ষা কেইজনমান পৰীক্ষাৰ্থীয়ে দিছে। তেওঁলোকে পাঠ্য কিতাপৰ অভাৱৰ মাজেৰেই অধ্যক্ষ মহোদয় আৰু অধ্যাপিকা দুগৰাকীৰ বিশেষ যত্নত লোকসংস্কৃতিৰ পাঠ গ্ৰহণ কৰিছে। ভৱিষ্যতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এলেকাধীন আন আন মহাবিদ্যালয়তো লোকসংস্কৃতিয়ে অধ্যয়নৰ বিষয়ৰূপে স্থান পাব বুলি আশা কৰিছোঁ। তেনে অৱস্থাত তেওঁলোকো যে পাঠ্যপুথিৰ অভাৱত পৰিব লগা হ'ব তাত সন্দেহ নাই। সেই অভাৱ পূৰাবলৈ কৰা অসামান্য চেষ্টাৰ পৰিণতিত জন্ম *লোকসংস্কৃতি* নামৰ পুথিখনৰ। অৱশ্যে এই পুথিখনত ১ম প্ৰশ্ন কাকতৰ বিষয়বস্তুৱেহে স্থান পাইছে। বাকী প্ৰশ্নবোৰৰ বিষয়বস্তু সামৰি আৰু কেইবাখনি পুথি ৰচনা কৰিবৰ বাবেও পৰিকল্পনা হাতত লোৱা হৈছে।

লোকসংস্কৃতি নামৰ পুথিখন সাতোটা অধ্যায়ৰ সমষ্টি। প্ৰথম অধ্যায়ত লোকবিদ্যা ইয়াৰ স্বৰূপ, পৰিসৰ, উদ্ভৱ আৰু বিকাশৰ বিষয়ে আলোচনা উপস্থাপন কৰাৰ লগতে লোকসংস্কৃতি আৰু লোকজীৱনৰ বিষয়েও পৰিচয়মূলক টোকা এটি দিবলৈ যত্নৰ ত্ৰুটি কৰা নাই। দ্বিতীয় অধ্যায়ত লোকসংস্কৃতি বা লোকবিদ্যাৰ উপাদানসমূহৰ শ্ৰেণী বিভাজন কৰাৰ লগতে মৌখিক সাহিত্য বা বাচিক কলাৰ তত্ত্বীয় আলোচনা উপস্থাপন কৰা হৈছে— ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাৰ প্ৰতি সচেতন হৈ। লোকবিদ্যা বা লোকসংস্কৃতিৰ ইতিহাসৰ

চমু আভাস দিয়া হৈছে তৃতীয় অধ্যায়ত। এই অধ্যায়টিত গ্ৰীমভ্ৰাতৃ, মেক্সমূলাৰ আদি পুৰণি লোকবিদ্যাবিদৰপৰা আৰম্ভ কৰি সাম্প্ৰতিক কালৰ লোকতত্ত্ববিদ কেনেথ গল্ডষ্টেইন আদিলৈকে— বিভিন্ন পণ্ডিতে লোক সংস্কৃতিৰ চিন্তা-চৰ্চাত আগবঢ়োৱা বৰঙণিৰ অতি চমু বৰ্ণন উপস্থাপন কৰিবলৈ যত্ন কৰা হৈছে। লোকসংস্কৃতিৰ বিভিন্ন সিদ্ধান্তৰ বিষয় *অসমীয়া লোকসংস্কৃতিৰ আভাস* নামৰ পুথিখনত ইতিমধ্যে আলোচনা কৰা হৈছে। এই পুথিখনত ইতিমধ্যে আলোচনা নকৰা আন দুটিমান সিদ্ধান্ত যেনে ঃ তুলনামূলক পদ্ধতি, সৌৰ-পৌৰাণিক বা সৌৰ-পুৰাণগত সিদ্ধান্ত, প্ৰসাৰণবাদী মতবাদ বা প্ৰব্ৰজনগত সিদ্ধান্ত বা ঋণগত সিদ্ধান্ত আৰু নৃতাত্ত্বিক পদ্ধতিৰ আভাস দিবলৈ যত্ন কৰা হৈছে। পঞ্চম অধ্যায়ত লোকসংস্কৃতি বা লোকবিদ্যা বা Folklore ৰ পৰিভাষা আৰু বিভিন্ন লোকতাত্ত্বিক পণ্ডিতে আগবঢ়োৱা সূত্ৰবোৰৰ চমু পৰিচয় দিবলৈ চেষ্টা কৰিছোঁ। ষষ্ঠ অধ্যায়ত লোকসংস্কৃতি বা লোকবিদ্যাৰ সামাজিক প্ৰকাৰ্য্যৰাজিৰ বিষয়ে আলোচনা কৰা হৈছে। সপ্তম অধ্যায়ত অসমত সাম্প্ৰতিক কাললৈকে হোৱা লোকসংস্কৃতি বা লোকবিদ্যাৰ চিন্তা চৰ্চাৰ এটি ঐতিহাসিক বৰ্ণনা উপস্থাপন কৰিবলৈ যত্নৰ ত্ৰুটী কৰা নাই। স্নাতকপাৰ্থত এই পুথিখন পাঠ্যক্ৰমৰ সৈতে সংগতি ৰাখিহে ৰচনা কৰা হৈছে। অৱশ্যে সাধাৰণ পাঠক পাঠিকাসকলেও পুথিখন পঢ়ি উপকৃত হ'ব পাৰিব। শ্ৰদ্ধেয় পাঠক, শ্ৰদ্ধেয় পাঠিকা, শিক্ষক, অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা পুথিখন আদৃত হ'লেই আমাৰ শ্ৰম সাৰ্থক হ'ব।

পুথিখনৰ বিভিন্ন দিশত সহায় আগবঢ়োৱাসকলৰ ভিতৰত সংবাদদাতা, সংবাদদাত্ৰী আৰু গ্ৰন্থ ৰচিয়তাসকলৰ ওচৰত আমি কৃতজ্ঞতা প্ৰকাশ কৰিব লাগিব। অধ্যাপক ইদ্ৰিছ আলি, ড০ ইৰশ্বাদ আলি, ড০ বিজয় শৰ্মা, শ্ৰীকনক চন্দ্ৰ চহৰীয়া, শ্ৰীঅখিল ভট্ট, শ্ৰীভুবনেশ্বৰ শৰ্মা, শ্ৰীশিশিৰ শৰ্মা, শ্ৰীদীপক শৰ্মা, ড০ দয়ানন্দ পাঠক, অধ্যক্ষ সুৰেণ দাস মহাবিদ্যালয়; ড০ ভৃগুমোহন গোস্বামী আদিকো এই ছেগতে ধন্যবাদ জনাইছোঁ।

পুথিখনৰ প্ৰকাশক চন্দ্ৰ প্ৰকাশৰ অন্যতম স্বত্বাধিকাৰী শ্ৰীযুত ৰাজেন্দ্ৰ মোহন শৰ্মাও কৃতজ্ঞতাৰ পাত্ৰ; যিহেতু তেওঁ একেষাৰে কিতাপখন ছপাবলৈ গাত লৈছে। পুথিখনৰ ছপা আৰু ইয়াৰ লগত জৰিত বিবিধ কামত সহায়-সহযোগ আগবঢ়োৱা বাবে বি জি ডি.টি.পি. চেণ্টাৰ, এ.বি.ছি. আৰু বিছা অফছেট প্ৰিণ্টাছৰ কৰ্মচাৰীসকল, শ্ৰীবিজয় শৰ্মা আৰু প্ৰচ্ছদ-পটৰ শিল্পী গৰাকীৰ প্ৰতিও শলাগ আগবঢ়াইছোঁ।

দোষ-ত্ৰুটী, ভুল-ভ্ৰান্তিৰ বাবে আগতীয়াকৈ ক্ষমা বিচাৰিছোঁ। আশা কৰিছোঁ সহৃদয় ৰাইজ আৰু অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ মৰম-চেনেহ আৰু সহানুভূতিৰপৰা পুথিখন বঞ্চিত নহ'ব। ইতি

৬ আহাৰ, ১৯১৯ শকাব্দ
২১ জুন, ১৯৯৭ ইং
শান্তিপুৰ, হিলছাইড
দুৰ্গাসৰোবৰ, গুৱাহাটী-৯

বিষয়-সূচী

ক. অৱতৰণিকা	০.০৫ - ০.০৮
খ. বিষয়বস্তু	১-১৬৫
প্ৰথম অধ্যায়	১-১৭
লোকবিদ্যা ঃ স্বৰূপ ঃ পৰিসৰ ঃ উদ্ভৱ আৰু বিকাশ	১
লোকসংস্কৃতি আৰু লোকজীৱন	১৫
দ্বিতীয় অধ্যায়	
লোকবিদ্যাৰ উপাদানসমূহৰ শ্ৰেণীবিভাজন	১৮
ক মৌখিক সাহিত্য বা মৌখিক লোকবিদ্যা	১৮
খ ভৌতিক সংস্কৃতি	১৯
গ সামাজিক লোকাচাৰ বা লোক ৰীতি-নীতি	২১
ঘ লোকপৰিৱেশ্য কলা	২২
মৌখিক সাহিত্য বা বাচিক কলা	২৪
(ক) জাতিগত শ্ৰেণীবিভাজন	২৪
(খ) তাত্ত্বিক শ্ৰেণীবিভাজন	২৪
বেলেড বা মালিতা	২৮
বেলেডৰ শ্ৰেণীবিভাজন	২৮
(ক) পুৰাণগত মালিতা	২৮
(খ) নৈদানিক মালিতা	২৯
(ক) ঐতিহাসিক মালিতা	৩০
(ঘ) জনশ্ৰুতিগত মালিতা	৩৬
(ঙ) যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা	৩৮
(চ) ব্যংগ্যাত্মক মালিতা	৩৯
(ছ) বাস্তৱানুগ মালিতা	৪২
বাৰমাহী গীত	৪৪
কণ্টে ফেবল	৪৮
লোককাব্য বা লোকমহাকাব্য বা লোকপুৰাণ	৫০
গদ্যধৰ্মী লোককথা	৫০
গদ্যধৰ্মী লোককথাৰ শ্ৰেণীবিভাজন	৫২
(ক) পুৰাণকথা বা পুৰাকথা বা পুৰাবৃত্ত বা অতিকথা	৫২
(খ) জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী	৫৩
(গ) সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহিনী	৫৪

সাধুকথাৰ শ্ৰেণীবিভাজন ৫৭

(ক) জন্তুকেন্দ্ৰিক সাধুকথা ৫৮

(খ) যাদুমূলক বা বিস্ময়াৱহ বা ৰোমাণ্টিক বা অতিলৌকিক সাধুকথা ৫৯

(গ) নৈদানিক সাধুকথা বা ব্যাখ্যামূলক সাধুকথা ৬০

(ঘ) টেটকুঁটি ৬১

(ঙ) ক্ষুদ্ৰ সত্য কাহিনী ৬২

(চ) মূৰ্খৰ সাধুকথা ৬২

(ছ) টেটোন বা টেন্টনৰ সাধুকথা ৬২

(জ) ক্ৰমপুঞ্জিত বা নিৰ্ধাৰিতগঢ়ী সাধুকথা ৬৪

(ঝ) মিছলীয়া সাধুকথা ৬৬

(ঞ) অন্তহীন সাধুকথা ৬৬

(ট) সমস্যামূলক সাধুকথা ৬৭

(ঠ) কথা-গীত ৬৮

(ড) ধৰ্মমূলক সাধু ৬৮

(১) শ্ৰেণী আৰু কথাংগ ৬৯

(২) আৰম্ভণি আৰু শেষৰ নিৰ্ধাৰিতগঢ়ী বৰ্ণন ৬৯

(৩) প্ৰতিৰূপগত ৰূপক বা অলংকাৰৰ প্ৰয়োগ ৭১

(৪) নিৰ্ধাৰিত গঢ়ৰ বাচিক অনুক্ৰম ৭১

(৫) পুনৰাবৃত্তি ৭২

প্ৰবচন আৰু সাথৰ ৭২-৭৮

প্ৰবচন ৭২

সাঁথৰ ৭৪

. লোকভাষা ৭৯

বিষয়বস্তু আৰু অঞ্চল অনুসৰি লোকগীতৰ শ্ৰেণীবিভাজন ৭৯

তৃতীয় অধ্যায় ৮১-৯৬

লোকবিদ্যা বা লোকসংস্কৃতিৰ ইতিহাস ৮১

গ্ৰীমভ্ৰাতৃ ৮১; মেক্সমূলাৰ ৮৩; থিয়ডোৰ বেনফে ৮৪; এডৱাৰ্ড বি. টাইলাৰ ৮৬; উইলিয়াম জনথমছ ৮৬; কাৰ্লেক্ৰোহন ৮৭; বন চাইডো ৮৭; এলবাৰ্ট ৱেছলচ্কি ৮৭ আৰ্ণ্টি আৰ্নে ৮৭; ষ্টিথ থম্পছন ৮৮; প্ৰপ ৮৯; লেভিষ্ট্ৰছ ৯১; পেৰি. এলবাৰ্ট লৰ্ড ৯৩; ফ্ৰয়ড ৯৩; ভন-বেন-আমোছ, কেনেথ এছ গল্ডষ্টেইন ৯৪; হাইমছ ৯৪; জন লোকে ৯৫

চতুৰ্থ অধ্যায় ৯৭-১০৭

লোকবিদ্যাৰ নিৰ্বাচিত সিদ্ধান্ত বা মতবাদ ৯৭

(ক) তুলনামূলক পদ্ধতি ৯৭

(খ) সৌৰ-পৌৰাণিক বা সৌৰ-পুৰাণগত সিদ্ধান্ত ৯৯

(গ) প্ৰসাৰণবাদী মতবাদ বা প্ৰব্ৰজনগত সিদ্ধান্ত বা ঋণগত সিদ্ধান্ত ১০১

(ঘ) ঐতিহাসিক-ভৌগোলিক মতবাদ ১০৩

(ঙ) নৃতাত্ত্বিক পদ্ধতি ১০৫

পঞ্চম অধ্যায় ১০৮-১২৩

Folklore-ৰ পৰিভাষা আৰু সূত্ৰ ১০৮

Folklore-ৰ সূত্ৰ ১০৯

Jonas Balys ১০৯; Marius Barbeau ১০৯; William R. Bascom ১১০; B.A. Botkin ১১০; Aurelio M. Espinosa ১১১; George M. Foster ১১২; Thedor H. Gaster ১১২; M. Harman ১১৩; Melville J. Herskovits ১১৪; George Herzog ১১৫; R D. Jameson ১১৫; Gertrude P. Kurath ১১৬; Mac Enward Leach ১১৬; Katharine Luomala ১১৬; John L. Mish ১১৭; Charles Francis Potter ১১৭; Marian W. Smith ১১৮; Maurice Bloomfield ১১৯; Franz Boas ১১৯; Archer Taylor ১২০; Stith Thompson ১২১; E.W. Voegelin ১২২; Richard A. Waterman ১২৩

ষষ্ঠ অধ্যায় ১২৪-১৪৩

লোকসংস্কৃতি বা লোকবিদ্যাৰ সামাজিক প্ৰকাৰ্য্য ১২৪

ক. সংস্কৃতিৰ প্ৰতিফল ১২৫; খ. লোকবিদ্যাই ধৰ্মীয় প্ৰকাৰ্য্য সাধন কৰে ১২৮; গ. লোকবিদ্যাই নিষিদ্ধ আৰু অনুমোদিত আচৰণ অভিব্যঞ্জন কৰে ১২৮; ঘ. লোকবিদ্যাই আমোদ-প্ৰমোদ বা অৱসৰ বিনোদনত ভূমিকা গ্ৰহণ কৰে ১৩১; ঙ. লোকবিদ্যাই সংস্কৃতিৰ প্ৰমাণীকৰণ বা মান্যকৰণত ভূমিকা গ্ৰহণ কৰে ১৩২; চ. লোকবিদ্যাই আনুষ্ঠানিকভাৱে শিক্ষা প্ৰদান কৰে ১৩৩; ছ. লোকবিদ্যাই নৈতিক শিক্ষা প্ৰদান কৰে ১৩৫; জ. লোকবিদ্যাই সমাজীকৰণত ভূমিকা গ্ৰহণ কৰে ১৩৬; ঝ. লোকবিদ্যাই সমাজ নিয়ন্ত্ৰণ কৰে ১৩৭; ঞ. লোকবিদ্যাত সামাজিক প্ৰতিবাদৰ ধ্বনি প্ৰতিধ্বনিত হয় ১৩৯; ট. প্ৰচাৰ মাধ্যম স্বৰূপেও লোকবিদ্যাই ভূমিকা গ্ৰহণ কৰে ১৪১; ঠ. বৈদিকীকৰণ প্ৰকাৰ্য্যত লোকবিদ্যাৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ ১৪২; ড. লোকবিদ্যাই সমাজক সংহত কৰে ১৪৩

সপ্তম অধ্যায় ১৪৪-১৬৫

অসমত লোকসংস্কৃতিৰ চিন্তা-চৰ্চা ১৪৪

গ. গ্ৰন্থপঞ্জী ১৬৬-১৬৮

ঘ. সংবাদদাতা/দাত্ৰী ১৬৯

ঙ. নিৰ্ঘণ্ট ১৭০

আলোকচিত্ৰ

১. অপেস্বৰী নামৰ আইসকল (আৰম্ভণি স্তৰ)

২. অপেস্বৰী নামৰ আইসকল (মধ্য স্তৰ)।

৩. অপেস্বৰী নাম।

৪. আই-নাম।

৫. তিৰোতাৰ নাম।

৬. তিৰোতাৰ নাম।



৭. পুৰুষৰ নাম।

৮. চেৰা ঢেক।

৯. নাগেলী গীত।

১০. মহৌ-হো-গীত পরিবেশন

১১. লাউ টোকারী।

১২. ঢোল-তালর মুঁদেতে ঢুলীয়া।

০.১

১৩. ঢোল-তাল।

১৪ কালীয়া।

প্ৰথম অধ্যায়

লোকবিদ্যা ঃ স্বৰূপ ঃ পৰিসৰ ঃ উদ্ভৱ আৰু বিকাশ

লোকসংস্কৃতি বা লোকবিদ্যা অৰ্থাৎ Folklore মানৱ জাতিৰ সমানেই প্ৰাচীন। মানৱ জাতিৰ জন্মৰ লগে লগে লোক সংস্কৃতিৰো জন্ম। কিন্তু ইয়াৰ পদ্ধতিগত চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণ প্ৰকৃতাৰ্থত উনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ পৰাহে আৰম্ভ হয়। ৰোমাণ্টিক আন্দোলনৰ সুদূৰ প্ৰসাৰী প্ৰভাৱৰ পৰিণতি স্বৰূপে উনবিংশ শতিকাৰ আৰম্ভণিত ইংলেণ্ডৰ পুৰাতত্ত্ববিদ্ আৰু জাৰ্মানদেশীয় ভাষাতত্ত্ববিদসকলে জন সাধাৰণৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰাদিৰ ওপৰত সন্ধানী দৃষ্টি সম্পাত কৰিবলৈ প্ৰয়াস কৰাৰ লগে লগে লোকবিদ্যা বা লোকসংস্কৃতি-অধ্যয়নৰ পথ প্ৰশস্ত হৈ উঠে আৰু ইয়াৰ ফলস্বৰূপে অধ্যয়নৰ নতুন ক্ষেত্ৰ অৰ্থাৎ newfield of learning ৰূপে লোকসংস্কৃতি বা লোকবিদ্যাই আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হয়। খৃ: ১৮১২ চনত জাৰ্মান ভ্ৰাতৃদ্বয় জেকব গ্ৰীম আৰু উইলিয়াম জেকব-এ জাৰ্মানদেশৰ পৰম্পৰাগত লোককথা আৰু পুৰাতত্ত্বৰাজি সংগ্ৰহ আৰু সম্পাদন কৰি *Household Tales* (1812,1816. *Deutsche Kinder Und Housmärchen*, i.e, Tales for the children and the Family) নামেৰে প্ৰকাশ কৰে। *Teutonic Mythology* (1880-88,4 Vols) গ্ৰীম ভ্ৰাতৃদ্বয়ে কৰা সংগ্ৰহ আৰু অধ্যয়নৰ পৰিণতি। জাৰ্মান দেশীয় সেই পৰম্পৰাগত লোককথা আৰু পুৰাতত্ত্বৰাজিক বুজাবৰ বাবে গ্ৰীম ভ্ৰাতৃদ্বয়ে *VOLKSKUNDE* পদটো ব্যৱহাৰ কৰিছিল। Volk ৰ অৰ্থ লোক অৰ্থাৎ Folk আৰু *Skunde*- ৰ অৰ্থ অভিজ্ঞতা বা Lore ৰ।

লোকজ্ঞান আৰু লোক অভিজ্ঞতাক বুজাবৰ বাবে খৃ.১৮৪৬ চনৰ ২২ আগষ্টত বৃটিছ পুৰাতত্ত্ববিদ্ উইলিয়াম জন থমছ্-এ (William John Thoms) *Athenaeum*[১] নামৰ আলোচনী খনত পোনতে "Folk-lore" পদটো প্ৰয়োগ কৰে। "Popular antiquities" অৰ্থাৎ "জনপ্ৰিয় পুৰণি তথ্যাদি" বাক্যাংশটো স্বৰূপাৰ্থত অস্পষ্ট, গতিকে অস্পষ্টতা আঁতৰোৱাৰ অৰ্থে নৱনিৰ্মিত "Folk-

১. " ....William John Thoms, sent a letter to the *Athenaeum*, a magazine catering, to the intellectually curious, suggesting that the new word 'Folk-lore' be henceforth adopted in place of the cumber some phrase 'popular antiquities.',
RM. Dorson, 'Introduction' in *Folklore and Folklife*, ed, RM. Dorson, Chicago 1972, p.I.

lore"পদটো তেতিয়াৰে পৰা প্ৰয়োগ কৰিবলৈ উইলিয়াম থমছ-এ ইংগিত দিছিল। অতি কম সময়ৰ ভিতৰতে এই পৰিভাষাটোৱে পৃথিৱীৰ সৰ্বত্ৰতে জনপ্ৰিয়তা লাভ কৰে। এই প্ৰসংগত এটা কথা মনত ৰখা ইচিত হ'ব যে, উইলিয়াম জন থমছ-এ Folk-lore পদটো উদ্ভাৱন কৰাৰ বহুকাল পূৰ্বৰেপৰা লোক-সাংস্কৃতিক সমলৰ ওপৰত বিভিন্ন জনে পদ্ধতিগতভাৱে বিচাৰ-বিশ্লেষণ কৰিছিল। এই প্ৰসংগত গ্ৰীম ভ্ৰাতৃদ্বয়ৰ *House hold Tales* নামৰ গ্ৰন্থখন উল্লেখযোগ্য। আনকি থমছ-এ এই গ্ৰন্থখনক স্বীকৃতি দিবলৈ বাধ্য হৈছে। লোকবিদ্যাৰ সমল পদ্ধতিগতভাৱে সংগ্ৰহ কৰা হৈছিল এচিয়া মহাদেশত বিশেষকৈ ভাৰতবৰ্ষত। বিনাদ্বিধাই স্বীকাৰ কৰিব লাগিব যে, গ্ৰীম ভ্ৰাতৃদ্বয়ৰ পাণ্ডিত্যপূৰ্ণ সংগ্ৰহ আৰু সংকলনৰ পূৰ্বেই ভাৰতবৰ্ষত *কথাসৰিৎ সাগৰ*, *পঞ্চতন্ত্ৰ*, *জাতক* আদি সংগৃহীত আৰু সংকলিত হৈছিল পৰম্পৰাগত মৌখিক কাহিনীৰ অৱলম্বনত।

গ্ৰীম ভ্ৰাতৃদ্বয়ে লোকবিদ্যাৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিক উইলিয়াম জন থমছ-এ প্ৰশংসা কৰি কৈছিল যে, তেওঁলোকৰ নিচিনাকৈ আন কোনোবাইয়ো বৃটিছ দ্বীপপুঞ্জৰ পৌৰাণিক কথাবৃত্তৰাজি সংগ্ৰহ আৰু সম্পাদন কৰিব পাৰে। তেখেতে কৈছিল যে, কোনোবা জেমছ গ্ৰীম-এ বৃটিছ দ্বীপপুঞ্জত প্ৰবহমান পৌৰাণিক কথাবৃত্ত ৰাজিৰ (Mythology) ওপৰত কাম কৰিব পাৰে- যি দৰে পুৰাতত্ত্ববিদ আৰু ভাষা বিজ্ঞানী সকলে জাৰ্মান দেশীয় পুৰাতত্ত্বৰ ওপৰত কাম কৰিছে। পণ্ডিতমানী লেখকৰ দৃষ্টিত বৰ্তমান শতিকাত *Deutsche Mythologie*-ৰ দ্বিতীয় সংস্কৰণৰ তুলনাত তাৎপৰ্য্যপূৰ্ণ গ্ৰন্থ ৰচিত হ'ব পাৰে, অথবা সেইবোৰ তেওঁলোকৰ বিবেচনাত তুচ্ছ বা অৰ্থহীন হ'ব পাৰে, কিন্তু কি পদ্ধতি উদ্ভাৱন কৰি সেই সমলবোৰ সংগ্ৰহ কৰি পোনতে লিপিবদ্ধ কৰা হৈছিল তাৰ ওপৰত গুৰুত্ব দিবলৈ সেই পণ্ডিত সকলে মুঠেই প্ৰয়াস কৰা নাই।[২]

উপৰৰ আলোচনাই লোকবিদ্যা বা লোকসংস্কৃতিৰ চিন্তা-চৰ্চাৰ আৰম্ভণিৰ সন্দৰ্ভত কোনো কোনো পণ্ডিতে পোষণকৰা ভুলধাৰণা আঁতৰ কৰাত বিস্তৰভাৱে সহায় কৰিব পাৰে। মুঠতে এইটো নিশ্চিত যে, উইলিয়াম জন থমছ- এ Folk-lore পদটো উদ্ভাৱন কৰাৰ পূৰ্বৰেপৰা লোকবিদ্যা-অধ্যয়নৰ শুভাৰম্ভ হৈছিল।

উইলিয়াম জন থমছ- এ যিহেতু Folk-lore পদটো উদ্ভাৱন কৰিছে, গতিকে

২.William Thoms : "Folklore" in *The Study of Folklore*, ed. Alan Dundes, University of California, Berkeley, 1965, pp. 4-6 (Reprinted from *The Athenaeum*, No. 942, August 22, 1846, pp. 862-63)

আমি সহজেই অনুমান কৰিব পাৰোঁ যে, তেওঁ ইয়াৰ অৰ্থাৎ Folk-lore -ৰ সূত্ৰ সম্বন্ধেও এটি ধাৰণা পোষণ কৰিছিল। পিছে-এইটোও সত্য যে, তেওঁ Folk-lore সম্পৰ্কে কোনো ধৰণৰ সূত্ৰ উদ্ভাৱন কৰা নাই। তত্ৰাচ তেওঁ ব্যৱহাৰ কৰা 'manners' (আচৰণ), customs (লোকাচাৰ), 'neglected customs' (অৱহেলিত লোকাচাৰ), 'fading legends' (মৃতপ্ৰায় জনশ্ৰুতি), 'fragmentary ballads' (ভগ্ন বেলেড) আদি শব্দ বা বাক্যাংশৰ সংযোগত থমছ্-এ লোকবিদ্যা অৰ্থাৎ Folk-lore বুলিলে নো কি ধাৰণা কৰিছিল তাৰ সংকেৎ পোৱা যায়। ডাণ্ডেজৰ মতে থমছ্-ৰ এই ধাৰণা খৃঃ উনবিংশ শতিকাৰ ৰোমাণ্টিছিজিম অৰ্থাৎ নৱন্যাসবাদ আৰু জাতীয়বাদৰ সৈতে সম্পৃক্ত বৌদ্ধিক চিন্তাধাৰাৰ লগত ঘনিষ্ঠভাৱে জৰিত।[৩]

উইলিয়াম থমছ্-বদ্বাৰা উদ্ভাৱিত আৰু সূচিত Folklore পৰিভাষাই সমগ্ৰ বিশ্বৰ লোকসংস্কৃতিৰ চিন্তা-চৰ্চাৰ ক্ষেত্ৰত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলায়। এই প্ৰভাৱ অন্ততঃ দুটা দিশত বিশেষ ভাৱে স্পষ্ট। প্ৰথমতে, বিদ্যায়তনিক দিশত লোকসংস্কৃতিয়ে স্বকীয় সত্ত্বা লাভ কৰে; অৰ্থাৎ অধ্যয়নৰ নতুন ক্ষেত্ৰ ৰূপে লোকবিদ্যা বা লোক সংস্কৃতিয়ে স্বীকৃতি লাভ কৰে। দ্বিতীয়তে, এই পৰিভাষাটোৱে বিভিন্ন জনৰ মনত নানা সন্দেহৰ সৃষ্টি কৰে, বিশেষকৈ Folk-lore-ৰ সূত্ৰ (definition) আৰু পৰিসৰৰ বিষয়ত।[৪]

থমছ্-এ Folk-lore পৰিভাষাটি উদ্ভাৱন কৰাৰ পিছৰেপৰা বিভিন্ন পণ্ডিতে বিভিন্ন সমল ইয়াৰ পৰিসৰৰ ভিতৰত সামৰিবলৈ যে যত্ন কৰি আহিছে- ই ঐতিহাসিকভাৱে সত্য। ইয়াৰ পৰিণতি স্বৰূপে বিভিন্ন বিষয়বস্তাৰা লোকবিদ্যাৰ পৰিসৰ কিছুপৰিমাণে আচ্ছাদিত নোহোৱাকৈও নাথাকিল; যিহেতু বিভিন্ন বিষয় একে সাংস্কৃতিক ব্যাপাৰৰ পটভূমিত অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰা হ'ল। ইয়াৰ ফলত লোকবিদ্যাৰ চাৰিসীমাৰ ক্ষেত্ৰতো বিতৰ্কই দেখা দিবলৈ ধৰিলে। উদাহৰণ স্বৰূপে লোকসাহিত্য (অৰ্থাৎ পাঠ নিৰ্ভৰশীল বেলেড, মহাকাব্য, মিথ, লেজেণ্ড ইত্যাদি) আদি, সাহিত্যৰ পণ্ডিত আৰু লোকবিদ্যাৰ পণ্ডিত উভয়ে নিজৰ নিজৰ বিদ্যায়তনিক দিশৰ লগত সম্পৰ্ক ৰাখি বিচাৰ-বিশ্লেষণ কৰিছিল। লোকবিদ্যা বা লোকসাহিত্য, সাহিত্যৰ এটা দিশ ৰূপেই অধ্যয়ন কৰা হৈছিল আৰু এই প্ৰসংগত লোকবিদ্যাক সুকীয়া অস্তিত্ব বা মৰ্য্যাদাও দিয়া হোৱা নাছিল। অৱশ্যে এইটোও ঠিক যে, সাহিত্য-অধ্যয়নৰ বিভাগবোৰ স্থাপিত হোৱাৰ অনেক কালৰ পিছতহে লোকবিদ্যাৰ চিন্তা-চৰ্চা আৰম্ভ হৈছিল। লোকবিদ্যা

৩ Alan Dundes (ed.) : *The Study of Folkore*, p. 4

৪ J. Handoo : *Folklore : An Introduction*, Mysore, 1989, p.3

সাহিত্যৰ অন্যতম অংশ ৰূপে বিবেচিত হোৱাৰ প্ৰৱণতা পৃথিৱীৰ অনেক সুসভ্য জাতিৰ মাজত বৰ্তমানো লক্ষ্য কৰিব পাৰি। তেনেদৰে সাহিত্যৰ বহিৰ্ভুত কোনো এটা শিল্পকৰ্মৰ বিষয়ে লোকবিদ্যাবিদ্ এগৰাকীয়ে চিন্তা-চৰ্চা কৰাৰ প্ৰসংগতো নৃতত্ত্ববিদ্সকলে সাহিত্যৰ পণ্ডিতসকলৰ নিচিনাকৈ আচৰণ প্ৰকাশ কৰা দেখা যায়। ইয়াৰ মূলতে হ'ল লোকবিদ্যাৰ পৰিসৰে অন্যান্য অধ্যয়নৰ ক্ষেত্ৰৰো সমল সামৰি লয়। এই কাৰণেই লোকবিদ্যা বা লোকসংস্কৃতিৰ পৰিসৰ বা চাৰিসীমাৰ বিষয়টো বিতৰ্কমূলক হৈ আছে। ইয়াৰ বাহিৰেও স্থানীয় পদ্ধতি আৰু নিজা নিজা অধ্যয়নৰ ক্ষেত্ৰ অনুযায়ী- একে বিষয়কে সময়ে সময়ে প্ৰত্যেকটো বিভাগে (branch) বিচাৰ-বিশ্লেষণ কৰিছিল। বিজ্ঞানৰ ক্ষেত্ৰত একে বিষয়বস্তু বিভিন্ন বিভাগে অধ্যয়ন বা বিচাৰ-বিশ্লেষণ কৰিলেও বিতৰ্কই স্থান পোৱাৰ আশা মুঠেই কম। অন্যহাতে সমাজ বিজ্ঞানীসকলে (Social Scientists) সম্পূৰ্ণ বিপৰীত কাৰ্য্যপন্থা গ্ৰহণ কৰিছিল। তত্ত্বীয়দিশত তেওঁলোকে নিজৰ মাজত থকা বৈপৰীত্যৰ প্ৰতি আওকাণ কৰি সম্মিলিত প্ৰচেষ্টাৰে কোনো এটা বিষয়ৰ বিচাৰ-বিশ্লেষণ কৰিবলৈ আগবাঢি অহা দেখা গলেও প্ৰায়োগিক স্তৰত তেওঁলোকে সেই অভিধাৰণাৰ প্ৰতি বীতশ্ৰদ্ধ হোৱা দেখা যায়। দুৰ্ভাগ্যৱশতঃ এই দ্বিত্বমানৰ (double standard) বলি হ'ব লগীয়া হৈছে লোকবিদ্যা।[৫]

লোকবিদ্যাৰ লগত সাহিত্য দৰ্শন-ইতিহাস আৰু সমাজ-বিজ্ঞানৰ সম্পৰ্ক কিমান গভীৰ আৰু এই সম্পৰ্কৰ বিষয়ে ভালদৰে উপলব্ধি কৰিব নোৱাৰিলে যে, অকল লোকবিদ্যাকেই নহয় ইয়াৰ লগত সম্পৰ্কযুক্ত আন আন বিষয়কো বিপদত পেলোৱা হ'ব- এই বিষয়ে নিচেই কম সংখ্যক পণ্ডিতেহে বুজিব পাৰিছে। লোকবিদ্যা অধ্যয়নৰ পৰিসৰ যথাসম্ভৱ সুনিৰ্দিষ্ট কৰিবলৈ লোকবিদ্যাবিজ্ঞানীয়ে যিমানেই চেষ্টা নকৰক কিয় ইয়াৰ পৰিসৰে দৰ্শন-ইতিহাস-সাহিত্য আৰু সমাজ বিজ্ঞানৰ পাৰ্ঘধি অতিক্ৰম কৰি যোৱা স্বাভাবিক। উদাহৰণ স্বৰূপে এগৰাকী নৃতত্ত্ববিদে নিৰ্দিষ্ট সাংস্কৃতিক ব্যাপাৰৰ বিষয়ে অধ্যয়ন কৰাৰ প্ৰসংগত লোকবিদ্যাগত সমলৰ সহায় লবলৈ বাধ্য হয়। তেনেদৰে সাহিত্যৰ পণ্ডিত এজনেও সাহিত্যৰ কিবা এটা বিষয় অধ্যয়ন কৰিবলৈ হ'লে লোকসাংস্কৃতিক সমলৰ সহায় নোলোৱাকৈ থাকিব নোৱাৰে। ঐতিহাসিক পণ্ডিতেও তেওঁৰ ইতিহাসৰ পৰিপূৰ্ণতাৰ বাবে লোকবিদ্যাৰ অন্যতম সমল লোকইতিহাস বা মৌখিক ইতিহাসৰ (folk-history) সহায় লবলৈ বাধ্য হয়। লিখিত ইতিহাসৰ পুনৰ্গঠনৰ (reconstruction) বাবেও মৌখিক ইতিহাসৰ প্ৰয়োজন। যি

৫ J. Handoo, *op-cit.* p,5

সমাজত লিখিত ইতিহাস নাই সেই সমাজত মৌখিক ইতিহাস জনগণৰ মুখপৰম্পৰা প্ৰচলিত হৈ থাকে। সেই সমাজৰ ইতিহাস লিখিব লগীয়া হ'লে ইতিহাসবিদে নিশ্চিতভাৱে সেই মৌখিক ইতিহাসৰ ওপৰত নিৰ্ভৰ কৰিবই লাগিব। এই প্ৰসঙ্গত ৰিচাৰ্ড এম্ ডৰছন-এ সমীচিন মন্তব্য আগবঢ়াইছে "...........folklorists by their work greatly enrich the source materials of the social historian" ৬ লোকবিদ্যাগত সমলৰ অনুশীলনৰ জৰিয়তে ইতিহাসৰ বিস্মৃত প্ৰায় অনেক তথ্য উদ্ধাৰ কৰাৰ লগে লগে লোক-ঐতিহ্য বা পৰম্পৰাৰপৰাও ইতিহাসৰ মূল্যবান সম্পদৰাজি সংগ্ৰহ কৰিব পাৰি।৭ মুঠতে কোনো এটা জাতিৰ জাতীয় ইতিহাস ৰচনাত সেই জাতিৰ লোক সাংস্কৃতিক সমলৰাজিৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ : "Folklore can play in the building up the general history of nation." ৮ এই প্ৰসংগত ইতিহাসবিদৰ লক্ষ্য ইতিহাস নিৰ্মাণ, লোক সংস্কৃতি অধ্যয়ন নহয়।

ভাষাতত্ত্ববিদ বা ভাষাতাত্ত্বিকেও লোকসাংস্কৃতিক সমলৰপৰা ভাষাৰ সমল সংগ্ৰহ কৰিব পাৰে। অকল ইমানেই নহয়-কোনো এটা ভাষাৰ বিষয়ে প্ৰণালীবদ্ধ আৰু বিজ্ঞান সম্মত অধ্যয়নৰ বাবেও সেই ভাষা-সম্প্ৰদায়ৰ লোক সাংস্কৃতিক সমল সংগ্ৰহ আৰু চৰ্চাযে অপৰিহাৰ্য্য তাৰ স্পষ্ট আভাস পোৱা যায় ভাষাতত্ত্ববিদ্ মেক্সমূলাৰৰ এটি উক্তিৰ পৰা : "...........to represent the Supreme God as committing every kind of crime, as being deceived by men, as being angry with his wife and violent with his children, is surely proof of disease of language" ৯

তদ্ৰূপ সমাজ-বিজ্ঞানীয়েও সমাজ-বিজ্ঞানৰ অনেক সমল লোকসাংস্কৃতিক সমলৰপৰা পোৱা স্বাভাবিক; যিহেতু লোকবিদ্যা লোকজীৱনৰ হৃদয় স্পন্দন ("the Pulse of the people")। লোকসংস্কৃতিয়ে সামাজিক সম্পৰ্ক স্থাপন কৰাৰ বাহিৰেও জন-গণ-মন আৰু জীৱনৰ অভিবৃত্তি প্ৰকাশ কৰে। নগৰ, চহৰ, গাঁও আদি বিভিন্ন সমাজৰ জাতি-বৰ্ণ-পুৰুষ-স্ত্ৰী- নিৰ্বিশেষে সৰ্বস্তৰৰ লোকে সংস্কৃতিৰ ধাৰক আৰু বাহকৰূপে ভূমিকা গ্ৰহণ কৰি আহিছে। গতিকে সমাজৰ বিভিন্ন জনৰ মানসিক অভিবৃত্তিৰ প্ৰকাশ সম্ভৱ হয় লোকবিদ্যাত বিশেষকৈ বাচিক লোকবিদ্যাত। গতিকে

৬ R.M. Dorson : "Is Folklore a Discipline ?" in *Folklore*, London, Vol. 84, 1973, p.203

৭ Robert H. Lowie : *Oral Tradition and History*, 1947, pp, 161, 167

৮ Marrel Roinx : ' Folk and Folkore' in *Journal of American Folklore*, Vol. 72, No 284, 1959, pp, 282-83

৯ Max Müller : *Contributions to the Science of Mythology*, Vol.1, 1897, p 69

লোকবিদ্যাৰ চিন্তা-চৰ্চাৰ জৰিয়তে সামাজিক সংযুতি সমূহৰ মাজত থকা সূক্ষ্মতৰ সম্পৰ্কৰ আভাস পোৱা যায়। ইন্দ্ৰদেৱৰ ভাষাত : "Folklore is actively shared by both men and women of even lower castes. Not only the rural people, but a large part of the population of the pre-industrial urbean centres are active bearers of the oral tradition. This wide sharing is brought by the selection of themes and their treatment in various genres of folk literature. The attitudes of different castes towards each other, including that of the lower castes towards the higher; the nature of the diverse relationships in the particular joint family, they built in tensions in them and the resentment of the women operative religious and magical beliefs and practices among the folk, and even the impact of modern social forces and ample expression in the folk literature of variors regions of India. A systematic analysis of oral tradition can, therefore, yield useful hypothesis about any subtle aspects of social relationships and attitudes of the common people." [১০]

তেনেদৰে মনোবৈজ্ঞানিক বা মনোসমীক্ষকৰ বাবেও লোকবিদ্যাৰ চিন্তা-চৰ্চা অতিকৈ প্ৰয়োজনীয়; কিয়নো মনোবিজ্ঞান বা মনোসমীক্ষণৰ বাবে প্ৰয়োজনীয় সমল লোকবিদ্যা বিশেষকৈ মিথ-লেজেণ্ড আৰু টেইলছ্-ত পোৱা যায়।

উপৰৰ আলোচনাৰপৰা সহজে অনুমান কৰিব পাৰি যে, বিভিন্ন বিষয়ৰ বিভিন্ন পণ্ডিতে নিজৰ নিজৰ বিষয়ৰ স্বাৰ্থত লোকসাংস্কৃতিক সমল ব্যৱহাৰ কৰে।এই পণ্ডিত সকলৰ প্ৰাথমিক লক্ষ্য হ'ল তেওঁলোকৰ নিজা নিজা ক্ষেত্ৰৰ পৰিসৰৰ ভিতৰত সীমিত থাকি কোনো এক নিৰ্দিষ্ট ব্যাপাৰৰ বিচাৰ-বিশ্লেষণ কৰা আৰু তেওঁলোকৰ অধ্যয়নৰ সামৰ্থিক প্ৰমাণ স্বৰূপে লোকসাংস্কৃতিক সমল প্ৰয়োগ কৰা। লোকবিদ্যাবিদ্ বা লোকবিদ্যাৰ পণ্ডিত এজনে ইয়াৰ বিপৰীতে লোকবিদ্যাৰ কোনো এক নিৰ্দিষ্ট বিষয়ৰ অধ্যয়ন কৰে নিজৰ বাবে আৰু এই অধ্যয়নৰ জৰিয়তে তেওঁ সংস্কৃতিৰ জগত সামগ্ৰিকভাবে এই বিষয়টোৰ সম্পৰ্ক দেখুৱাই দিয়ে। ইয়াৰপৰা দেখা যায় যে, সাহিত্য-দৰ্শন-ইতিহাস, সমাজ-বিজ্ঞান আৰু লোকবিদ্যা-চৰ্চাকাৰী দুয়ো শ্ৰেণীৰ পণ্ডিতসকল প্ৰায় একে ধৰণৰ অনুশীলনতে ব্যস্ত থাকে; তথাপি প্ৰকৃত লোকবিদ্যাৰ চৰ্চাকাৰী পণ্ডিতজনে তেওঁৰ নিজা পদ্ধতি আৰু কলা-কৌশল প্ৰয়োগ কৰি

১০ Indradeva : "*Methodological Perspective for the Study of Society*" in *Contemporary India*, ed. GiriRaj Gupta, New Delhi, 1976, pp. 88-89

লোকবিদ্যাৰ কোনো এটা বিষয় বা শ্ৰেণীৰ বিষয়ে গভীৰভাৱে চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণ কৰে। উদাহৰণ স্বৰূপে ধৰা হ'ল তেওঁ এ'বাকী লোকবিদ্যাবিদ্ আৰু ধৰাহ'ল তেওঁ বৰ্ণনা ধৰ্মী কাহিনী প্ৰধান লোকসাহিত্যৰ বিশেষজ্ঞ। তেনে অৱস্থাত তেওঁক যদি নিৰ্দিষ্ট এটা মিথ অৰ্থাৎ পুৰাণ-কথা বিচাৰ-বিশ্লেষণ কৰিবলৈ দিয়া হয়, তেন্তে তেওঁ এই মিথ বা পুৰাণ-কথাটিৰ সংযুতি (Structure), ভাষা, কথাংশ (motifs), শৈলী (style) আদিৰ বিষয়ে অধ্যয়ন কৰাৰ বাহিৰেও মিথটো কিদৰে প্ৰব্ৰজিত হৈছিল, অথবা কেনেদৰে প্ৰসাৰিত হৈছিল, ইয়াৰ আবৃত্তিগত শৈলী আৰু আবৃত্তিকাৰী, অথবা বৰ্ণনাকাৰী, অথবা কাহিনী-কথক আদিৰ বিষয়েও অধ্যয়ন কৰিব লাগিব। ইয়াৰপৰা সহজে কব পাৰি যে, সাহিত্যৰ পণ্ডিত এজনৰ চিন্তা-চৰ্চাৰ ধৰণ আৰু শৈলীৰ লগত লোকবিদ্যাবিদ্ এগৰাকীৰ চিন্তা-চৰ্চাৰ ধৰণ আৰু শৈলীৰ মাজত বৈসাদৃশ্য থকা স্বাভাৱিক। তেনেদৰে ঐতিহাসিক বা ভাষাতাত্ত্বিক এগৰাকীৰ বিচাৰ-বিশ্লেষণৰ ধৰণৰ সৈতে লোকবিদ্যাবিদ্ এগৰাকীৰ চিন্তা-চৰ্চাৰ ধৰণৰ মিল নাই। ইয়াৰ পৰা বুজিব পাৰি যে, লোকসাংস্কৃতিক সমল বিশেষৰ অধ্যয়নৰ বাবে কেৱল লোকবিদ্যাবিদ্ হ'লেই নহয়, ইয়াৰ লগতে আন বিষয়ৰো জ্ঞান পৰিহাৰ্য্য।[১১] ভাৰতৰ নিচিনা এখন দেশৰ লোকবিদ্যাৰ সমল অধ্যয়নৰ বাবে লোকবিদ্যাবিদ্‌সকলৰ এনে সংহতিত দৃষ্টিভংগী আৰু বিষয়-জ্ঞানৰ প্ৰয়োজন, যিহেতু ভাৰতীয় লোকবিদ্যাই ভাৰতীয় ঐতিহ্য, ইতিহাস আৰু সাংস্কৃতিক পদ্ধতিক প্ৰতিনিধিত্ব কৰে।[১২]

লোকবিদ্যা-বিজ্ঞান নিশ্চিতভাৱে ঐতিহাসিক বিজ্ঞান; যিহেতু ই মানৱ জাতিৰ কালগ্ৰস্ত অতীতৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰে। লোকবিদ্যাক বিজ্ঞান বোলা হয়; যিহেতু লোকবিদ্যাই আন পদ্ধতিগত গৱেষণাত প্ৰয়োগ কৰা আগমনাত্মক পদ্ধতিৰ সহায়ত নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ যত্ন কৰে। এইবিধ বিজ্ঞানে কল্পনা অথবা প্ৰাগানুভৱিক সিদ্ধান্তৰ নিগমনৰ ওপৰত নিৰ্ভৰ কৰি কেতিয়াও নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ যত্ন নকৰে। লোকবিদ্যাক পৰম্পৰাৰ বিজ্ঞানো আখ্যা দিব পাৰি; যিহেতু এই বিধ বিজ্ঞানে পৰম্পৰাৰ বিষয়ে পদ্ধতিগতভাৱে বিচাৰ-বিশ্লেষণ কৰে।

কোনো কোনো অনুষংগত আকৌ elite বা অভিজাত পদৰ বিপৰীতে folk বা 'লোক' পদটো ব্যৱহাৰ কৰা দেখা যায়। সাধাৰণতে খেতিয়ক (Peasant), গঞা, নিৰক্ষৰ, সমাজৰ নিম্নস্তৰ, কৃষিজীৱী, হস্ত শিল্পৰ ওপৰত নিৰ্ভৰশীল, অনগ্ৰসৰ, মৌখিক পৰম্পৰা আশ্ৰয়ী, বিশ্বাস পৰায়ণ, যাদু আশ্ৰয়ী, গ্ৰাম্যীয় আদিক লোক বা জন

---

১১. I Handoo, op-cit. p.7

১২. RM Dorson : "Introduction" in Folklore and Folklife · An Introduction, ed RM. Dorson Chicago, 1972, P 3

বোলে। খৃঃ উনবিংশ শতিকাৰ পণ্ডিতসকলে folk বা 'লোক' বা 'জন' ৰ সন্দৰ্ভত উল্লেখকৰা সূত্ৰৰ আধাৰত লোক/জন আৰু অভিজাত/শিষ্টৰ প্ৰধান বিশ্লেষত্ব সমূহ তলত দিয়াৰ নিচিনাকৈ দেখুৱাব পাৰি; যেনে ঃ

লোক/জন		*অভিজাত/শিষ্ট*
লোক/জন	বনাম	অভিজাত/শিষ্ট
গওঁলীয়া	বনাম	চহৰীয়া বা নগৰীয়া
কৃষিজীৱী	বনাম	শিল্পজীৱী
কৃষক	বনাম	কাৰখানা কৰ্মী
নিৰক্ষৰ	বনাম	সাক্ষৰ
হস্তশিল্পী	বনাম	যন্ত্ৰশিল্পী
মৌখিক পৰম্পৰা আশ্ৰয়ী	বনাম	লিখিত পৰম্পৰা আশ্ৰয়ী
অনগ্ৰসৰ	বনাম	আধুনিক বা উন্নত
বিশ্বাস পৰায়ণ	বনাম	যুক্তি পৰায়ণ
যাদু আশ্ৰয়ী	বনাম	বিজ্ঞান আশ্ৰয়ী
সমাজৰ নিম্নস্তৰ	বনাম	সমাজৰ উচ্চস্তৰ
প্ৰান্তীয়	বনাম	কেন্দ্ৰীয় [১০]

এই সূত্ৰটোত 'অভিজাত' পদৰ লগত সংগতি ৰাখিহে 'লোক' পদটোৰ ব্যাখ্যা কৰিবৰ্লৈ যত্ন কৰা হৈছে। 'অভিজাত' বা 'শিষ্ট' অৰ্থাৎ "elite" -ৰ ধাৰণা অবিহনে "folk" বা 'লোক'ৰ ধাৰণা অৰ্থহীন হ'ব; যদিহে এই পণ্ডিতসকলে 'লোক' অভিধাৰ অনুকূলে আগবঢ়োৱা সূত্ৰ গ্ৰহণ কৰিবৰ্লৈ তৎপৰ হয়। কিন্তু ঐতিহাসিকভাৱে 'লোক'বা 'জন'ধাৰণা, শিষ্ট বা অভিজাত ধাৰণাৰ ওপৰত কোনো প্ৰসংগতে নিৰ্ভৰশীল নহয়। শিষ্ট বা অভিজাত সমাজ অবিহনেও লোকসমাজ জীয়াই থাকিব পাৰে; অথবা লোকসমাজৰ লগত সম্পৰ্ক নৰখাকৈও শিষ্ট সমাজ বৰ্তি আছে বা থাকিব। অন্যহাতে লোক আৰু কৃষকৰ মাজতো অনেক পাৰ্থক্য দেখা যায়। চহৰত বাস কৰা অনেককেই 'লোক' বা 'জন' বুলিব পাৰি। ইয়াৰ বিপৰীতে নগৰ বা চহৰত বাসকৰাসকলক কৃষক আখ্যা দিব নোৱাৰি। চহৰ বা নগৰত বাসকৰা চহৰীয়া বা নগৰীয়া লোকো লোকবিদ্যাৰ সমলৰ প্ৰসংগত চহকী। লোকবিদ্যা বা লোকসংস্কৃতিৰ

১০. RM. Dorson : "Folklore in the Modern World" in Folklore in the Modern World, ed. RM. Dorson, The Hague, 1978, p.12

সমলবাজি দূৰ অতীতত লোকসমাজে সৃষ্টি কৰিছিল আৰু বৰ্তমান লোকবিদ্যাৰ বিবোৰ সমল সমাজত বৰ্তি আছে সেইবোৰ সম্পূৰ্ণভাৱে ভগ্নউত্তৰ জীৱিতা (fragmentary survivals) স্বৰূপে বিসকলে ক'ব খোজে, তেওঁলোকৰ অনুমান নিশ্চিতভাৱে বিভ্ৰান্তিকৰ। এই সকল পণ্ডিতৰ মতে বৰ্তমান লোকবিদ্যাৰ সমল আৰু সৃষ্টি হ'ব নোৱাৰে, আনকি সমসাময়িক লোকজীৱনেও লাহে লাহে লোকবিদ্যাৰ উপাদানবাজি পাহৰি যাবলৈ উপক্ৰম কৰিছে আৰু অনতি পলমে লোকবিদ্যাৰ সমলবাজি নিঃশেষহৈ যাব। স্বৰূপাৰ্থত এই অনুমান সম্পূৰ্ণৰূপে অযুক্তিকৰ; বিহেতু আধুনিক যুগতো লোকবিদ্যাৰ সমলৰ জন্ম হৈয়ে আছে। প্ৰকৃতাৰ্থত লোকসংস্কৃতি জীৱন্ত এক পৰম্পৰা।

ৰেডফিল্ড-ৰ মতে লোকবিদ্যা বা লোকসংস্কৃতি কোনো এক সংস্কৃতিৰ পৰিপূৰ্ণ (whole) ৰূপ নহয়, অৰ্ধসমাজ (half society), সংস্কৃতিৰ পৰিপূৰ্ণৰূপৰ অংশ বিশেষহে। তেওঁৰ মতে লোকবিদ্যা বা লোকসংস্কৃতি 'লিটল ট্ৰেডিছন'-ৰ (Little Tradition) নামান্তৰ মাথোন আৰু অভিজাত বা শিষ্টসংস্কৃতি "গ্ৰেট ট্ৰেডিছন'-ৰ (Great Traditon) অন্যৰূপ।[১৪] কোনো কোনো পণ্ডিতৰ মতে কোনো এটা সম্প্ৰদায়ৰ সামগ্ৰিক জীৱন পদ্ধতিয়েই লোকসংস্কৃতি। সমাজৰ সৰ্বস্তৰৰ লগত ইয়াৰ সম্পৰ্ক নিবিড়। মুঠতে ন্যূনতম এটা উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জন সমষ্টিয়েই লোক বা folk। এলান ডাণ্ডেজ-ৰ ভাষাত : ""The term 'folk' can refer to any group of people whatsoever who share at least one common factor."".[১৫] এই ন্যূনতম উমৈহতীয়া উপাদানটো বিয়েই নহওক লাগে তাত কথা নাই, কেৱল ই, সেই জনসমষ্টিৰ মাজত সংযোগ ৰক্ষা কৰিব লাগিব। ব্যৱসায়, ভাষা, ধৰ্ম আদিয়ে উমৈহতীয়া উপাদানৰ ভূমিকা গ্ৰহণ কৰিব পাৰে। এই সন্দৰ্ভত অতি প্ৰয়োজনীয় চৰ্ত হৈছে- বি উমৈহতীয়া উপাদানৰ কাৰণে সেই জনগোষ্ঠী গঠিত নহওক কিয় তাত বৰ্তমান থাকিব লাগিব পৰম্পৰা আৰু এই পৰম্পৰাক

১৪ "Let us begin with a recognition, long Present in discussions of Civilizations, of the difference between a great tradition and a little tradition. (This pair of phrases is here chosen from among others, including "high culture" "and low culture", "folk and classic cultures" or " popular and learned traditions." I shall also use "hierarchic" and lay culture"). In a civilization there is a great tradition of the reflective few, and there is a little tradition of the largely unreflective many. The great tradition is cultivated in schools or temples; The little tradition works itself out and keeps itself going in the lives of the unlettered in their village communities."

Robert Redfield : *Peasant Society and Culture*, Chicago, 1973, pp.41-42

১৫. Alan Dundes : *Essays in Folkloristics*, Meerut, 1978, p.7

(ed) : *The Study of Folklore*, London, 1965, p.2

তেওঁলোকে নিজৰ বুলি গ্ৰহণ কৰিবলৈ সক্ষম হ'ব লাগিব। তাত্ত্বিক দিশৰ ফালৰপৰা দুজন মানুহেও এটা গোষ্ঠী গঠন কৰিব পাৰে; কিন্তু সাধাৰণতে গোষ্ঠী বুলি কলে তাত অনেক মানুহ থাকে। কোনো এক জনগোষ্ঠীৰ অংগীভূত কোনো এজন ব্যক্তিয়ে , সেই জনগোষ্ঠীৰ ভিতৰৰা প্ৰত্যেকজন মানুহকে নাজানিব পাৰে বা জনাবো প্ৰয়োজন নাই; কিন্তু তেওঁ যি জনগোষ্ঠীৰ অংগীভূত সেই জনগোষ্ঠীক এক কৰি ৰখাৰ পৰম্পৰাৰ বিষয়ে সম্যকভাৱে জানিলেই হ'ল। পৰম্পৰাই কোনো এক জনগোষ্ঠীৰ সামূহিক পৰিচয় প্ৰদানত অন্যতম ভূমিকা গ্ৰহণ কৰে।

আধুনিকযুগৰ লোকতত্ত্ববিদ্সকলে ঊনবিংশ শতিকাৰ ইউৰোপীয় পণ্ডিতসকলে লোকবিদ্যাৰ সন্দৰ্ভত আগবঢ়োৱা আৰু অতীতত্ব (Pastness), অনগ্ৰসৰত্ব আৰু কৃষকত্ব ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত সূত্ৰ বা ব্যাখ্যা গ্ৰহণ নকৰে। তেনেদৰে বৃটিছ ঔপনিবেশিক শাসন-যন্ত্ৰই উত্তৰজীৱিতাৰ আধাৰত উপস্থাপন কৰা লোকবিদ্যাৰ সূত্ৰও আধুনিক পণ্ডিতসকলে অগ্ৰাহ্য কৰিছে। সন্দেহ নাই লোকবিদ্যা বা লোকসংস্কৃতি পৰম্পৰা আশ্ৰয়ী; কিন্তু পৰম্পৰাও কোনো দিনে স্থবীৰ নহয়, ই গতিশীল আৰু সময় বা যুগ সাপেক্ষ। গতিকে আধুনিক সমাজতো পৰম্পৰাৰ স্থিতি একোতে অস্বীকাৰ কৰিব নোৱাৰি; যিহেতু পৰম্পৰা আশ্ৰয়ী সমাজেই লোকসমাজ আৰু লোকসমাজৰ সামাজিক আচৰণেই লোক সংস্কৃতি, গতিকে আধুনিক সমাজতো লোকসংস্কৃতি জীৱন্ত পৰম্পৰা স্বৰূপে নিৰৱচ্ছিন্ন গতিত চলি থাকিব পাৰে।

লোকসংস্কৃতি অতীতৰ লগত সম্পৃক্ত হলেও ইয়াত বৰ্তমান সাময়িক বৈশিষ্ট্য। নগৰ বা চহৰৰ কেন্দ্ৰ সমূহ, শিল্প বিপ্লৱ, বৰ্তমানৰ বিভিন্ন সমস্যা আৰু জীৱন তথা দৰ্শনতো লোকসংস্কৃতিৰ ভূমিকা স্পষ্ট। এই দৃষ্টিভংগীৰ ফালৰপৰা ক'ব পাৰি যে, আধুনিক জগতত লোকবিদ্যা বা লোকসংস্কৃতিৰ কাৰ্য্য বা ক্ৰিয়াৰ ওপৰতহে গুৰুত্ব দিয়া হয়, সাম্প্ৰতিক ঘটনাৰ প্ৰভাৱমুক্ত কাল্পনিক কাহিনী-সমষ্টিৰ ওপৰত মুঠেই গুৰুত্ব দিয়া নহয়।

"Folk" বা 'লোক' বা 'জন' অভিধাটিয়ে কেৱল গঞা, নিৰক্ষৰ বা অনগ্ৰসৰ লোককেই নুবুজায়- পৰম্পৰা আশ্ৰয়ী সকলো লোককেই বুজায়। সাধাৰণতে দেখা যায় যে, গঞালোকসকল চহৰ বা নগৰত নানা কাৰণবশতঃ স্থায়ীকৈ বাস কৰিবলৈ লয় আৰু তেওঁলোকৰ জৰিয়তে লোকসাংস্কৃতিক সমলবাজি চহৰ-নগৰ বা ৰাজধানীতো বৰ্তি থাকে বা থাকিব পাৰে। নগৰ, চহৰ, ৰাজধানী আদিত স্থায়ীভাৱে বাস কৰি থকা গঞা লোকসকলৰ বংশধৰসকলক লোক বা folk আখ্যা দিয়া অনেক ক্ষেত্ৰত টান হলেও তেঁওলোকৰ জীৱন-পদ্ধতি, আচৰণ, পোছাক-পৰিচ্ছদ, ৰন্ধন

প্ৰণালী, অভিব্যঞ্জন, জাগতিক দৃষ্টি ভংগী আদিৰ ক্ষেত্ৰত পৰম্পৰাগত ৰীতি-নীতি অনুসাৰে পৰিচালিত হ'ব পাৰে। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্থৰ লোকবিদ্যাবিদ্‌সকলে লোকবিদ্যাক সূচাবৰ বাবে প্ৰয়োগ কৰা জনপ্ৰিয় পুৰাবৃত্ত অভিধাটিৰ পৰিবৰ্তে মৌখিক বা বাচিক সংস্কৃতি বা পৰম্পৰাগত সংস্কৃতি ; অথবা অনানুষ্ঠানিক সংস্কৃতি পৰিভাষা প্ৰয়োগ কৰিলে সাম্প্ৰতিক কালৰ লোকবিদ্যাবিদ্‌সকলৰ বাবে সুবিধা হয়। পৰম্পৰাক আধুনিক জগতৰ বাস্তৱ অনুষংগৰ প্ৰতি সচেতন হৈ পুনঃ মূল্যায়ন কৰা উচিত; যিহেতু সময়ৰ অগ্ৰগতিৰ লগে লগে পৰম্পৰাও প্ৰগতিশীল হোৱাৰ ক্ষেত্ৰত আপত্তি কৰিব লগীয়া একো নাই। হাৰ্টলেণ্ড- এ খৃঃ ১৮৮৫ চনতে কৈছিল যে, সময়ৰ অগ্ৰগতিৰ লগে লগে পৰম্পৰাও পৰিবৰ্তিত হয়। আধুনিক পৰম্পৰা প্ৰচিন পৰম্পৰাৰেই এক নতুন অভিব্যক্তি। তেওঁৰ ভাষাত : "I contend that Tradition is always being created anew, and that traditions of modern origin wherever found are as much within our province as ancient ones.".[১৬]

অনানুষ্ঠানিক সংস্কৃতিৰ সৈতে পৰিমাৰ্জিত বা সমাজৰ উচ্চস্তৰ, পৰিদৃশ্যমান আৰু আনুষ্ঠানিক সাংস্কৃতিৰ পাৰ্থক্য স্পষ্ট। অনানুষ্ঠানিক সংস্কৃতি লোকধৰ্ম, লোকঔষধ, লোকসাহিত্য, লোককলা আৰু লোকদৰ্শনৰ মাধ্যমেৰে অভিব্যঞ্জিত হলেও অনানুষ্ঠানিক সংস্কৃতিয়ে আনুষ্ঠানিক সংস্কৃতিৰ নিচিনাকৈ সমাজৰ মানসিক অৱস্থা প্ৰকাশ কৰিব পাৰে; যিহেতু উভয়কে একে ঐতিহাসিক সময়ে স্থিৰতা প্ৰদান কৰি আহিছে। অনানুষ্ঠানিক আৰু আনুষ্ঠানিক উভয় সংস্কৃতিৰদ্বাৰা আত্মভূত পুৰাবৃত্তই সাম্প্ৰতিক কালত জাতীয়তাবাদৰ বিকাশত ইন্ধন যোগাব পাৰে।

সাম্প্ৰতিক কালৰ সামাজিক দৰ্শন, শিক্ষা ব্যৱস্থা, বৈশিষ্ট্যপূৰ্ণ ৰচনা আৰু সংস্কৃতি-নায়কৰ প্ৰসংগতো লোকবিদ্যাৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। ধৰ্মবিশ্বাস, ঈশ্বৰ বিশ্বাস, যাদু-মন্ত্ৰত আস্থা-স্থাপন আদি লোকসাংস্কৃতিক সমলৰ জনপ্ৰিয়তা সাম্প্ৰতিক সমাজত টুটিব ধৰা বাঢ়িছেহে। আধুনিক সমাজৰ শিক্ষিত শ্ৰেণীয়ে যাদু-মন্ত্ৰৰ ওপৰত যে, গভীৰ আস্থা স্থাপন কৰি আহিছে-তাৰ উদাহৰণ স্বৰূপে বিভিন্ন ৰত্নযুক্ত (Gem) আঙঠি পৰিধান (হাতৰ আটাইকেইটা আঙুলিতে আনকি এটা আঙুলিতে একাধিক আঙঠি পৰিধান) , হাত, ডিঙি, কৰ্কালত তাবিজ ধাৰণ, জিন আদিত বিশ্বাস, বিভিন্ন গুৰুত আশ্ৰয় গ্ৰহণ আদিৰ জৰিয়তে সহজে বুজিব পাৰি। অতীতৰ পৰম্পৰাগত পুৰাণ-কথা, জনশ্ৰুতিগত কাহিনী, সাধুকথা আদি বাচিক কলাৰ বিভিন্ন উপাদানে আধুনিক কালৰ সাহিত্যিক নিৰ্মিতি,

১৬. Edwin Sidney Hartland : *Folk-Lore Journal* 3, 1885, p. 117

আকাশবাণী, দূৰদৰ্শন, কথাছবি আদিৰ মাধ্যমেৰে নতুন ৰূপত আধুনিক সমাজত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। যুবক-সংস্কৃতিৰ অন্যতম অংগ ড্ৰাগ-ল'ৰ (drug-lore), ৰেগিং-ল'ৰ (ragging-lore), পিকনিক-ল'ৰ (Picnic-lore) আদি সাম্প্ৰতিক কালৰ সামাজিক ব্যাপাৰে ক্ৰমশঃ পৰম্পৰাত পৰিণতি লাভ কৰিছে। আনকি বাচিক কলাৰ অন্যতম অংগ টেটোন-পৰম্পৰাই বৰ্তমান কালত মাদকদ্ৰব্যৰ প্ৰতিনিধি (narcotic agents), ডিটেক্‌টিভ পুলিচ আদিৰ মাধ্যমেৰে নবৰূপত আত্মপ্ৰকাশ কৰিছে। মুঠতে যুগে যুগে প্ৰচীন পৰম্পৰাই ন ন ৰূপত আধুনিক জগতত আত্মপ্ৰকাশ কৰিয়েই আছে - তাত তিলমানো সন্দেহ নাই।

জন গ্ৰিণওৱে নামৰ এগৰাকী পণ্ডিতে খৃঃ ১৯৬৪ চনত লোকসংস্কৃতিৰ সূত্ৰ এনেদৰে দিছে ঃ ৰাজনৈতিকভাৱে পৰিচিহ্নিত উন্নত সাংস্কৃতিক অঞ্চলত বসবাস কৰি অহা, অথচ ভূসংস্থান, ভৌগোলিক পৰিৱেশ, ধৰ্ম, কথিত ভাষা, অৰ্থনীতি আৰু প্ৰজাতিৰ ফালৰপৰা পৃথক হৈ থকা জনসমষ্টিক "folk" বা লোক বুলিব পাৰি।

" .... the folk as ' an unsophisticated, homogeneous group living in a politically bounded advanced culture but isolated from it by such factors as topography, geography, religion, dialect, economics and race." [১৭]

এই সূত্ৰটোৰপৰা সহজে অনুমান কৰিব পাৰি যে, এলান ডাণ্ডেজৰ নিচিনাকৈ *গ্ৰিণওৱেয়ো পৰম্পৰাৰ* ওপৰতেই গুৰুত্ব দিছে।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে "Folk-lore" অভিধাটি দুটা শব্দৰ সমষ্টি 'folk' অৰ্থাৎ 'লোক' বা 'জন' আৰু 'lore' অৰ্থাৎ জ্ঞান বা বিদ্যা বা মৌখিক পৰম্পৰা। 'Folk' বা জন বা লোকৰ বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছে। এতিয়া 'Lore' বা জ্ঞান বা বিদ্যাইনো কি অৰ্থ সূচায় আৰু ইয়াৰ পৰিসৰে কি কি বিষয় সামৰে সেই বিষয়ে আলোচনা কৰা উচিত হ'ব।

'Lore' বা জ্ঞান বা বিদ্যা অভিধাটিৰ অৰ্থ ব্যাপক। লোকবিদ্যা অৰ্থাৎ 'Folk-lore'ৰ প্ৰসংগত 'Lore' পদটিয়ে জনসাধাৰণৰ কৃতি, তেওঁলোকৰ বিভিন্ন আচৰণ, তেওঁলোকৰ জ্ঞান-বিদ্যা আদি সূচায়। কোনো কোনোৱে সেইহে 'Folk-lore' অভিধাক সূচাবৰ বাবে লোকজ্ঞান অভিধানটি প্ৰয়োগ কৰে। লোকসাধাৰণৰ জ্ঞান বা বিদ্যাই লোকজ্ঞান বা লোক-বিদ্যা; নাইবা 'Lore'ৰ অৰ্থ বুজাবৰ বাবে কৃষ্টি আৰু সংস্কৃতি পদ দুটাও (লোক/জন কৃষ্টি; লোক/জন সংস্কৃতি) ব্যৱহাৰ কৰিব পাৰি।

১৭. John Greenway : *Literature Among the Primitives*, Hatboro, 1964, p. xii

'Lore' বা 'জ্ঞান' বা 'বিদ্যা' বা 'যান'ৰ পৰিসৰে বাচিক-কলা (লোক কবিতা, লোকগীত, গদ্যধৰ্মী বৰ্ণনাত্মক লোককথা ঃ পুৰাণ-কথা, জনশ্ৰুতিগত কাহিনী, সাধুকথা; প্ৰবচন-পটন্তৰ-যোজোনা-সাঁথৰ বা দিষ্টান); সামাজিক লোকপ্ৰথা বা লোকাচাৰ (লোকবিশ্বাস, লোকধৰ্ম; উৎসব- অনুষ্ঠান; অবসৰ বিনোদন আৰু খেল-ধেমালি, লোক ঔষধ); ভৌতিক লোক সংস্কৃতি (লোক কলা, লোকশিল্প, লোক স্থপতিবিদ্যা, লোক আভৰণ, লোক ৰন্ধন প্ৰণালী); লোক পৰিৱেশ্য কলা (লোকসংগীত, লোক নৃত্য, লোক নাটক) আদি সামৰে।

লোকবিদ্যাৰ অংগীভূত বিষয়বোৰৰ প্ৰণালীবদ্ধ উল্লেখেই ইয়াৰ সন্তোষজনক সংজ্ঞা নহ'ব পাৰে। পিছে লোকবিদ্যাৰ সংজ্ঞা সামগ্ৰিক আৰু নিৰ্ভুলভাৱে দিব লাগিলে ইয়াৰ অংগীভূত বিষয়বোৰৰো যথাযথ সংজ্ঞা নিৰূপণ কৰা অতিকে প্ৰয়োজনীয়; কিন্তু এই বিষয়বোৰৰ আকৌ অনেকৰেই দীৰ্ঘ পৰিসৰ বিশিষ্ট সংজ্ঞা বা সূত্ৰৰ প্ৰয়োজন হ'ব নিশ্চিতভাৱে। উদাহৰণ স্বৰূপে লোকবিদ্যাৰ অতিকে প্ৰয়োজনীয় বিষয় 'মিথ' বা পুৰাণ-কথা (Myth), জনশ্ৰুতি (Legend), সাধুকথা (Tales) আদিৰ নাম উল্লেখ কৰিবই লাগিব।[১৮] ইয়াৰ বহিৰেও টেটকুটি (jokes) লোকোক্তি-প্ৰবচন-যোজোনা, সাঁথৰ, আবৃত্তি (chant), মন্ত্ৰ (charms), আশীৰ্বাদ (blessings), অভিশাপ-গালি (curses), শপত (oaths), অপমান-অমৰ্য্যাদা (insult), প্ৰতিশোধ (retorts), উপহাস (taunts), উক্ত্যক্তকৰণ (teases), সুস্বাস্থ্য কামনা কৰি বা সন্মানৰ বাবে মদ্যপান (toasts), দুৰুচ্চাৰ্য্য শব্দ (tongue-twisters), সম্বৰ্ধনা আৰু বিদায় গ্ৰহণৰ লগত জৰিত আচৰণাদি, পোছাক-পৰিচ্ছদ, বেশ-ভূষা, অয়-অলংকাৰ, লোকনৃত্য আৰু নাট, লোককলা, লোকবিশ্বাস (অন্ধ বিশ্বাস), লোক-ঔষধ পাতি, লোক বাদ্যযন্ত্ৰগত সংগীত (folk instrumental music), লোকগীত (folksongs), লোকভাষা, লোক উপমা, লোক ৰূপক, নাম (উপনাম, স্থাননাম), লোক কবিতা (folk poetry), লোক পুৰাণ, সমাধিস্তম্ভত উৎকীৰ্ণ লিপি (epitaphs), ৰাজহুৱা ঘৰৰ বেৰ বা ৰাজহুৱা পায়খানা, স্নানগৃহ আদিৰ বেৰলেখা (latrinalia, writings on the walls of public bathroom), পঞ্চপদী অৰ্থহীন কবিতা (limericks), আঙুলি বা বুঢ়া আঙুলি বা দেহৰ অংগী-ভংগী, খেলা-ধূলা, নিচুকনি গীত, মুদ্ৰা, প্ৰাৰ্থনা, লোকব্যুৎপত্তি, খাদ্য-ৰন্ধন প্ৰণালী (food recipes), গাৰু-তুলি, কঠা- খণ্ডা আদিৰ নিৰ্মাণ প্ৰণালী, এমব্ৰয়ডাৰিৰ অভিকল্প (embroidery designs), গৃহ-বাৰী, বেৰ-হেঙাৰ, দুৱাৰ-খিৰিকি আদিৰ নিৰ্মাণ প্ৰণালী, ৰাস্তাৰে

১৮. Alan Dundes [ed.] *The Study of Folklore*, p.3

গৈ থকা বস্তু বিক্রেতাৰ চিঞৰ-বাখৰ, ঘৰচীয়া জন্তুক মাতোতে আৰু আদেশ দিয়াৰ প্ৰসংগত প্ৰয়োগ কৰা ধ্বনি, স্মৃতি সহায়ক উপায় (mnemonic devices), হাঁমি-হাঁচি-হেকতি আদিৰ অন্তত কৰা পৰম্পৰাগত মন্তব্য, উৎসৱ-অনুষ্ঠান, ব্ৰত-উপবাস, পৱিত্ৰ-দিবস, দৃশ্য-শ্ৰব্য কলা আদিকেই লোকবিদ্যাৰ পৰিসৰে সামৰে।[১৯]

উপৰোল্লিখিত বিষয়সমূহৰ বাহিৰেও লোকবিদ্যা বা লোকসংস্কৃতিৰ চাৰি সীমাৰ ভিতৰত আৰু অনেক বিষয় সামৰিব পাৰি। এই বিষয়সমূহ আৰু এইবোৰৰ অনুশীলন তথা চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণেই লোকবিদ্যা বা লোকসংস্কৃতি। লোকসংস্কৃতিৰ অংগীভূত বিষয়বস্তু আৰু এইবোৰৰ অধ্যয়ন-অনুশীলনৰ মাজত দেখা দিব পৰা খেলি-মেলি আঁতৰ কৰিবৰ বাবে লোকবিদ্যাৰ বিভিন্ন শ্ৰেণী আৰু ইয়াৰ অধ্যয়ন — এই দুয়োটাকে সুকীয়াকৈ সূচাবৰ বাবে ক্ৰমে লোকবিদ্যা অথবা লোকসংস্কৃতি (folk-lore) আৰু লোকবিদ্যা বিজ্ঞান বা লোকসংস্কৃতি বিজ্ঞান (folkloristics) পৰিভাষা দুটি প্ৰয়োগ কৰা উচিত।[২০]

লোকসংস্কৃতি বা লোকবিদ্যা অথবা folklore পৰিভাষাই লোকসংস্কৃতিৰ বিভিন্ন সমল যেনে ঃ বাচিক কলা, সামাজিক লোকপ্ৰথা বা লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু পৰিৱেশ্য লোককলা আদিক সামৰে। মুঠতে পৰম্পৰাগত সমাজৰ বিবিধ সমলৰ সমষ্টিয়েই folklore। ক্ষেত্ৰসমল আৰু ইয়াৰ অধ্যয়নেই লোকবিদ্যা বা folklore।

সমাজতত্ত্ব, ভাষাতত্ত্ব, নৃতত্ত্ব আদি বিষয় বিজ্ঞান সন্মত পদ্ধতিৰে বিচাৰ-বিশ্লেষণ কৰা হয়; তদ্ৰূপ লোকবিদ্যা বা লোকসংস্কৃতিৰো অধ্যয়ন আৰু বিচাৰ-বিশ্লেষণ কৰা হয় বিজ্ঞান সন্মত পদ্ধতিৰে। যি বিজ্ঞান সন্মত পদ্ধতিৰে লোকসংস্কৃতিৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণ কৰা হয় সেই পদ্ধতি বা বিজ্ঞানৰ নামেই লোকসংস্কৃতি বিজ্ঞান বা folkloristics।

স্বৰূপাৰ্থত লোকবিদ্যাৰ পূৰ্ব প্ৰস্তুত পৰিসৰৰ ভিতৰত পৃথিৱীৰ সৰ্বদেশৰ লোকসাংস্কৃতিক সমল সুনিৰ্দিষ্টকৈ ৰখা টান; যদিও আন্তৰ্জাতিকভাৱে গ্ৰহণযোগ্য এটা পৰিসীমা নিৰ্ধাৰণ কৰিব পাৰি- সামান্য ইফাল সিফাল হ'লেও। এই পৰিসৰৰ প্ৰতি সজাগ-সচেতন হৈ পৃথিৱীৰ লোকসাংস্কৃতিক সমলৰাজি সংগ্ৰহ কৰি সিবিলাকৰ অনুক্ৰমণিকা (index) প্ৰস্তুত, সংৰক্ষণগাৰত (archieve) ৰক্ষণ আৰু বিচাৰ-বিশ্লেষণ আদি কৰিব পাৰি। অৱশ্যে প্ৰয়োজনীয় তাগিদাত লোকসংস্কৃতিৰ এই পৰিসৰ সম্প্ৰসাৰিত হ'ব পাৰে। পৃথিৱীৰ সৰ্বজাতিৰ মাজত সাধুকথা, পুৰাণ-কথা (Myth),

১৯. *Ibid.* ;
২০. *Ibid* ;

লোকগীত, প্ৰবচন, দিষ্টান বা সাঁথৰ, বেলেড, লোকনৃত্য আদি বৰ্ত্তমান থকাৰ প্ৰমাণ পোৱা যায়। এইকালৰপৰা নিশ্চিতভাৱে ক'ব পাৰি যে, পৃথিৱীৰ সৰ্বসংস্কৃতিত লোকসংস্কৃতি বিদ্যমান। লোকসংস্কৃতিৰ এই বিশ্বজনীন বৈশিষ্ট্যৰ বাহিৰেও আৰু এনে কিছুমান শ্ৰেণী (genre) পোৱা যায়, যিবোৰক স্বৰূপাৰ্থত সংস্কৃতি-সুনিৰ্দিষ্ট অৰ্থাৎ culture specific আখ্যা দিব পাৰি। উদাহৰণ স্বৰূপে দেখা যায় যে, বিশেষ কিছুমান সংস্কৃতিতহে লোকসংস্কৃতিৰ বিশেষ এটা শ্ৰেণীৰ (genre) প্ৰচলন লক্ষ্য কৰা যায়। বৰ্ণনামূলক কাহিনীৰ বিশেষ এক শ্ৰেণী মাৰখেন (märchen) বা পৰীৰ কাহিনী (fairy tales) যাৰ জন্ম হৈছিল ইন্দো-ইউৰোপীয় সংস্কৃতিত আৰু তাৰপৰা 'মাৰখেন'বোৰ অন্য সংস্কৃতিলৈ প্ৰসাৰিত হৈছে। এই প্ৰক্ৰিয়াৰ পৰিণতিত 'মাৰখেন'বোৰৰ সাধাৰণ পৰিৱৰ্তন নোহোৱাকৈও থকা নাই। তেনেদৰে দক্ষিণ ভাৰতৰ দ্ৰাবিড়ীয় সংস্কৃতি লোকসংস্কৃতিৰ আন আন দিশতকৈ লোকনৃত্য আৰু লোকনাট্যৰ ক্ষেত্ৰত তুলনামূলকভাৱে চহকী। ইয়াৰ বাহিৰেও প্ৰসাৰণ আৰু বিভিন্নমুখী প্ৰসাৰণ প্ৰক্ৰিয়াৰ ফলত লোকসাংস্কৃতিক সমলবাজি সংমিশ্ৰিত হৈ এক নতুন শ্ৰেণীত (genre) পৰিণতি লাভ কৰিছে। অন্যহাতে লোকসংস্কৃতিৰ দুটা বা তাতকৈ অধিক শ্ৰেণীয়ে (genre) স্বকীয় বৈশিষ্ট্য হেৰুৱাই এটা সুকীয়া শ্ৰেণীৰ সৃষ্টি কৰে। এই পৰিৱৰ্তন প্ৰকাৰ্য্যাত্মক বা সাংযুতিক অথবা উভয়ৰ কাৰণে হ'ব পাৰে। উদাহৰণ স্বৰূপে কোনো কোনো পৰিস্থিতিত তামিল আৰু কৰ্ণাটকত প্ৰবচন আৰু সাঁথৰবোৰৰ মাজত বিশেষ পাৰ্থক্য নাথাকে।[২১] জনজাতীয় সমাজত মন্ত্ৰ আৰু গীতৰ মাজত পাৰ্থক্য ৰক্ষিত হোৱা দেখা নাযায়।

লোকসংস্কৃতি আৰু লোকজীৱন (Folklore and Folklife):

লোকসংস্কৃতিৰ সূত্ৰ দিবলৈ বিভিন্ন পণ্ডিতে বিভিন্নভাৱে চেষ্টা কৰিছে। এই চেষ্টাৰ বিনিময়ত বৰ্ত্তমানলৈ আমি লোকসংস্কৃতিৰ একুৰি এটা সূত্ৰ পাইছোঁ।[২২] এই সূত্ৰবোৰৰ জৰিয়তে লোকসংস্কৃতিৰ ব্যাখ্যা দিয়াৰ উপৰিও ইয়াৰ বিভিন্ন শ্ৰেণীৰ বিষয়েও ইংগিত দিছে। কিন্তু সমস্যা হ'ল সাংস্কৃতিক নৃতত্ত্ব (cultural anthropology) আৰু লোকসংস্কৃতিৰ মাজত সীমাৰেখা নিৰ্ণয় কৰাৰ প্ৰসংগত। পণ্ডিতসকলে সাধাৰণতে বাচিক কলা (verbal art) বা লোক সাহিত্যকেই লোকসংস্কৃতি বা লোকবিদ্যা বা folklore বুলি ক'ব খোজে আৰু সাংস্কৃতিক নৃতত্ত্বৰ লগত ইয়াৰ সম্পৰ্ক স্থাপন কৰিবলৈ যত্ন নকৰে। কিন্তু লোকবিদ্যা বা folklore-ৰ বিস্তৃত পৰিসৰে

২১. *Ibid.*

২২. অনুগ্ৰহ কৰি Maria Leach-ৰ দ্বাৰা সম্পাদিত *Standard Dictionary of Folklore Mythology and Legend* (1972) গ্ৰন্থৰ পৃ. 398-403 চাওক।

সামৰি লোৱা বাচিক কলা বা মৌখিক সাহিত্য বা লোক সাহিত্যৰ সৈতে ভৌতিক সংস্কৃতি, সামাজিক লোক ৰীতি-নীতি আৰু লোক পৰিবেশ্য কলাৰ সমষ্টিয়েই হ'ল Folklife বা লোকজীৱন। ৰিছাৰ্ড এম. ডৰছন-এ লোক জীৱনক নিৰ্দেশ কৰিবলৈ Physical folklife অৰ্থাৎ প্ৰাকৃতিক লোকজীৱন পৰিভাষাটি প্ৰয়োগ কৰিছে।[২৩] 'লোকজীৱন' লোকসংস্কৃতিৰ অবিচ্ছেদ্য অংগ হোৱা উচিত বুলি ভবাসকলৰ মতে লোকবিদ্যা-বিজ্ঞানীসকলে কেৱল বাচিক কলা ৰূপৰ (verbal forms) ওপৰত আপেক্ষিকভাৱে অধিক গুৰুত্ব আৰোপ কৰিছে আৰু লোকশিল্পীসকলৰ অধিগম্য বা বাস্তৱ সৃষ্টিৰ প্ৰতি অনাদৰ ভাৱ প্ৰদৰ্শন কৰিছে। তেওঁলোকে মত পোষণ কৰে যে, লোকজীৱনে পৰম্পৰাগত সংস্কৃতি (traditional culture) আৰু বাচিক কলা ৰূপৰ (verbal forms) পূৰ্ণ চিত্ৰ ৰূপায়ণ কৰে।[২৪]

লোকবিদ্যা বা লোকসংস্কৃতিৰ বিস্তৃত পৰিসৰে লোকজীৱনক (folklife) সামৰি লোৱাৰ ফলস্বৰূপে পণ্ডিতসকলৰ মাজত বাদানুবাদে দেখা দিছে। সেই পণ্ডিতসকলে সন্দেহ পোষণ কৰি ক'বলৈ ধৰিলে যে, লোক সংস্কৃতি আৰু সাংস্কৃতিক নৃতত্ত্ব (cultural anthropology) উভয় বিষয়ৰ ছাত্ৰসকলে প্ৰায় একে নিচিনা সৈদ্ধান্তিক (theoretical) সন্দৰ্ভত একে বিষয়বস্তুকেই অধ্যয়ন কৰিবলগীয়া হয়— প্ৰায় একে নিচিনা সিদ্ধান্তত উপনীত হোৱাৰ উদ্দেশ্যাৰে। তলত দিয়া উক্তিটোত এই সন্দেহৰ আভাস পোৱা যায় ঃ "আমি এনে এটা অৱস্থাত উপনীত হৈছোঁহি— য'ৰ পৰা আমি ক'ব পাৰোঁ যে, লোকজীৱনে সাংস্কৃতিক নৃতত্ত্বৰ সেই দিশটোকে প্ৰতিনিধিত্ব কৰে-যিটোৱে কোনো এজনৰ নিজৰ জাতীয় সাংস্কৃতিক ঐতিহ্য অধ্যয়নত মনোযোগ দিয়ে। আমেৰিকাৰ এগৰাকী লোকে জাপানী সমাজৰ বিষয়ে অধ্যয়ন কৰিলে সি হয় নৃতত্ত্ব; আনহাতে তেওঁৰ জাপানী বন্ধুৱে সেই বিষয়ে অধ্যয়ন কৰিলে সি হয় লোকজীৱনৰ অধ্যয়ন। আকৌ জাপানী নৃতত্ত্ববিদ এজনে আমেৰিকাৰ কোনো এটা জাতিৰ বিষয়ে অধ্যয়ন কৰিলে, সি হয় নৃতত্ত্বৰ অধ্যয়ন; কিন্তু আমেৰিকাৰ কোনো এজন নৃতত্ত্ববিদে সেই বিষয়ত অধ্যয়ন কৰিলে সি হয় লোকজীৱনৰ অধ্যয়ন।[২৫]

---

২৩. R.M. Dorson [ed] *Folklore and Folklife An Introduction*, Introduction, p.2 ; ২৪. *Ibid.*

২৫. "We are reaching a point where we can say that folklife represents that aspect of cultural anthropology which concentrates on the study of one's own national cultural heritage When an American studies Japanese community he is doing anthropology, where as his Japanese colleague is studying folklife When a Japanese anthropologist studies an American community, he is doing anthropology, but an American working in same community is studying folklife"

Ward H. Goodenough : 'Folklife Study and Social Change' in *American Folklife*, ed. Don Yonder, Austin, 1976, p 20

উপৰোল্লিখিত মন্তব্যটিত অনেক নৃতত্ত্ববিদে বা লোকবিদ্যাবিদে হয়তো আপত্তিৰ থল বিচাৰি পাব; তথাপি ইয়াত নৃতত্ত্ব আৰু লোকবিদ্যাৰ নিজা নিজা ক্ষেত্ৰৰ সীমাৰেখা চিহ্নিত হৈছে। মন্তব্যটিত স্থানীয় আৰু বিদেশী পণ্ডিতে কৰা সাংস্কৃতিক অধ্যয়নৰ ভিত্তিত সাংস্কৃতিক নৃতত্ত্ব আৰু লোকজীৱন উভয়ৰে সীমা নিৰ্ধাৰণ কৰিবলৈ প্ৰয়াস কৰা দেখা যেন লাগে। অন্যহাতে সাংস্কৃতিক নৃতত্ত্ব আৰু লোকজীৱনৰ বিষয়বস্তু আৰু বিচাৰ পদ্ধতিয়ে, কম-বেছি পৰিমাণে একে তাৰো আভাস এই মন্তব্যটিৰপৰা পাব পাৰি। অৱশ্যে উভয়ৰে বিষয়বস্তু যে, একে হ'ব পাৰে তাত আপত্তি নাই; কিন্তু উভয়ৰে বিচাৰ-পদ্ধতি একে বুলি কোৱাৰ প্ৰসংগত আপত্তি উঠা স্বাভাৱিক, কাৰণ নিৰ্দিষ্ট এটা বিষয় যদি নৃতত্ত্ব আৰু লোকবিদ্যাৰ বিশেষজ্ঞই বিচাৰ-বিশ্লেষণ কৰে তাৰ ফল বা পৰিণতিও বিভিন্ন হ'ব।

সাংস্কৃতিক নৃতত্ত্ব আৰু লোকবিদ্যাৰ মাজত পাৰ্থক্য মূলত উপাগম পদ্ধতিত। লোকবিদ্যাৰ বিশেষজ্ঞই নিজৰ ('own') বুলি লক্ষ্য কৰে আৰু 'স্বীয়' ('self') বুলি কোনো এটা উপাদানক, কোনো সাংস্কৃতিক ব্যাপাৰৰ অংশ বাপে বিবেচনা কৰে।[২৬] ইয়াৰ বাহিৰেও সেই সাংস্কৃতিক ব্যাপাৰক 'অতীত'ৰ (past) বুলি ক'বলৈ সংকোচ কৰে আৰু ইয়াৰ বিপৰীতে ইয়াক 'বৰ্তমান'ৰ অংশ তথা সভ্যতা বহিৰ্ভূত নহয় বুলি বিবেচনা কৰাৰ উপৰিও ইয়াক সভ্যতাৰ এক জীৱন্ত দিশ বুলিও ভাবে। মুঠতে লোকবিদ্যা বিশেষজ্ঞৰ দৃষ্টিত কোনো এটা সাংস্কৃতিক উপাদান-জীৱন্ত ব্যাপাৰ, আৰু ইয়াত বৰ্তমান আছে বৰ্তমান আৰু ভৱিষ্যতৰ আশা-আকাংক্ষা।[২৭]

২৬. J. Handoo, *op-cit.*, p.11
২৭. *Ibid*, p.12

দ্বিতীয় অধ্যায়

লোকবিদ্যাৰ উপাদান সমূহৰ শ্ৰেণীবিভাজন

ৰিচাৰ্ড এম. ডৰছন-এ লোকবিদ্যা আৰু লোকজীৱনক চাৰিটা শ্ৰেণীত ভাগ কৰিছে ঃ

ক. মৌখিক সাহিত্য বা মৌখিক লোকবিদ্যা (Oral literature),

খ. ভৌতিক সংস্কৃতি (material culture),

গ. সামাজিক লোকাচাৰ বা লোক ৰীতি-নীতি (Social folk custom),

ঘ. লোক পৰিৱেশ্য কলা (Folk Performing art form) [১]

ক. মৌখিক সাহিত্য বা মৌখিক লোকবিদ্যা ঃ

মৌখিক সাহিত্যক ইয়াৰ ৰূপগত আৰু সাংস্কৃতিক দিশৰফালৰপৰা বাচিক কলা বা মৌখিক কলা (verbal art) আখ্যা দিব পাৰি। উইলিয়াম ৰিচাৰ্ড বেচকম-এ মৌখিক সাহিত্যক নিৰ্দেশ কৰিবলৈ 'verbal art' অৰ্থাৎ বাচিক কলা বা মৌখিক কলা অভিধা বিশেষ ব্যৱহাৰ কৰিছে।[২] তেওঁৰ মতে অলিখিত সাহিত্য (unwritten literature), জনপ্ৰিয় সাহিত্য (popular-literature), জন সাহিত্য (folk-literature), আদিম সাহিত্য (primitive literature) আৰু মৌখিক সাহিত্য (oral-literature) আদি পৰিভাষাই সাহিত্যৰ লগত থকা বাচিক বা মৌখিক কলাৰ সম্পৰ্কৰ ওপৰত গুৰুত্ব আৰোপ কৰে; কিন্তু লিখিত সাহিত্যৰ লগত থকা অসংগতি সম্পৰ্কেও ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি; যিহেতু সাহিত্য ধ্বনি আৰু লেখাৰ ওপৰত প্ৰতিষ্ঠিত, অন্যহাতে লোকবিদ্যা ইয়াৰ ব্যতিক্ৰম।[৩] দ্বিতীয়তে, Redfield-ৰদ্বাৰা প্ৰয়োগিত 'লোক' অথবা 'folk' পদটোৰ অৰ্থ সম্পৰ্কেও পণ্ডিতসকল ঐক্যমতত উপনীত হ'ব পৰা নাই। মৌখিক কলা (oral art) পদটোৰ লক্ষ্যাৰ্থ একে হলেও আন যি কি নহওঁক এই পদটোৱে 'অলিখিত সাহিত্য' পদটোত থকা অসংগতিখিনি দূৰ কৰে। Verbal art অৰ্থাৎ বাচিক বা মৌখিক কলা পৰিভাষাই সকলো ধৰণৰ অসুবিধা দূৰ কৰে আৰু লোক কথা, পুৰাবৃত্ত বা পুৰাণ-কথা অৰ্থাৎ

---

১. RM. Dorson (ed): *Folklore and Folklife*: An Introduction, P.2

২. WR. Bascom: *Contributions to Folkloristics*, P.67

৩. *Ibid* ;

Myth, লোকোক্তি আদি বিভিন্ন ৰূপৰ মাজত থকা পাৰম্পৰিক পাৰ্থক্যবোৰো স্পষ্টভাৱে দেখুৱাই দিয়ে। উইলিয়াম আৰ. বেছকমৰ ভাষাত ক'বলৈ গ'লে : "The concept of verbal art avoids all of these difficulties, and has the further advantage of emphasizing the essential features which distinguish the folk tale, myth, proverb and related forms".[৪]

মৌখিক সাহিত্যক বুজাবলৈ 'অভিব্যঞ্জক-সাহিত্য' অৰ্থাৎ 'expressive literature' পৰিভাষাটোও ব্যৱহাৰ কৰা দেখা যায়।[৫] 'পুনৰাবৃত্তিক প্ৰতিদৰ্শ' (repetitive patterns) নিদৰ্শনকাৰী কথিত, গেয় (sung) আৰু বাচিক-শ্ৰব্য-ৰূপ আদি পৰম্পৰাগত উক্তি আদি মৌখিক সাহিত্যৰ ভিতৰত পৰে। ইয়াৰ উপশ্ৰেণীবোৰ হ'ল ভাষা, লোক-কাহিনী, লোককাব্য, যোজোনা (যোজনা ?) পটন্তৰ আদি। মন্ত্ৰ, প্ৰাৰ্থনা, শোক প্ৰকাশ, কান্দোন, চিঞৰ-বাখৰ আদিকো বাচিক কলাৰ ভিতৰত ধৰিব পাৰি।[৬] লোকভাষা (folk speech) স্থানীয় আৰু আঞ্চলিক জতুৱা ঠাঁচলৈ ৰূপান্তৰিত হ'ব পাৰে আৰু লাহে লাহে ই মান্যভাষাৰপৰা আঁতৰি আহিবলৈ বাধ্য হয়। তেনে পুৰণি আৰু উপভাষিক শব্দ, লোকবিদ্যা বিজ্ঞানীৰ বাবে আকৰ্ষণীয় সম্বল। মৌখিক সাহিত্য বা পৰম্পৰাই সঘনে লিখিত পৰম্পৰা বা সাহিত্যত প্ৰৱেশ কৰিব পাৰে।[৭] ইয়াৰ বিপৰীতে লিখিত সাহিত্যয়ো মৌখিক পৰম্পৰা বা সাহিত্যত প্ৰৱেশ কৰা দেখা যায়।

খ. ভৌতিক সংস্কৃতি :

মৌখিক বা বাচিক কলা বা মৌখিক লোকবিদ্যাৰ প্ৰত্যক্ষ তুলনামূলক বৈসাদৃশ্যৰ দৃষ্টান্ত স্বৰূপে আমি প্ৰাকৃতিক লোকজীৱন (physical folklife) লৈ আঙুলিয়াব পাৰোঁ। প্ৰাকৃতিক লোকজীৱনক সাধাৰণতে ভৌতিক সংস্কৃতি (material culture) আখ্যা দিব পাৰি। যুগে যুগে প্ৰবহমান পৰম্পৰা আৰু ৰক্ষণশীল ঐতিহ্যৰ অংগীভূত বাচিক কলা-কৌশল, পাৰদৰ্শিতা, পদ্ধতি আদিক সাধাৰণতে ভৌতিক সংস্কৃতি বোলে। পৰম্পৰা আশ্ৰয়ী সমাজৰ পুৰুষ-স্ত্ৰী আদিয়ে কেনেকৈ ঘৰ-দুৱাৰ নিৰ্মাণ কৰে, কেনেকৈ কাপোৰ বোৱে অথবা খাদ্য দ্ৰব্য প্ৰস্তুত কৰে, খেতি-বাতি কৰে, মাছ-কাছ পোহে আৰু ধৰে, মাটি-পানীৰ ব্যৱস্থা কৰে, যন্ত্ৰ-পাতি নিৰ্মাণ কৰে, সাজ-সৰঞ্জাম, বাচন-বৰ্তন প্ৰস্তুত কৰে— আদিৰ চৰ্চাই ভৌতিক সংস্কৃতিৰ অন্যতম লক্ষ্য।[৮]

---

৪. *Ibid*, ৫. RM. Dorson, *op-cit*, p.2.; ৬. J. Handoo, *op-cit*, p.15
৭. RM. Dorson, *op-cit*, ; ৮. *Ibid*, p.3

ভৌতিক সংস্কৃতিক সাধাৰণভাৱে পাঁচোটা উপভাগত বিভক্ত কৰিব পাৰি :

(i) লোক কলা (folk art),

(ii) লোক শিল্প (folk crafts),

(iii) লোক স্থপতি বিদ্যা (folk architecture),

(iv) লোক আভৰণ (folk costume), আৰু

(v) লোক ৰন্ধন প্ৰণালী (folk cookery)।

ভৌতিক সংস্কৃতি লোক সংস্কৃতি বা লোকবিদ্যাৰ দৃশ্যমান দিশ। জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সমল নিৰ্মাণ; অথবা খাদ্যদ্ৰব্য প্ৰস্তুতকৰণ আদিত নান্দনিক দিশতকৈ জীৱনৰ অতি প্ৰয়োজনীয় দিশৰ ওপৰতহে গুৰুত্ব দিয়া হয়; কিন্তু প্ৰয়োজনীয় দাবীৰ পৰিপূৰ্তিতো কেতিয়াবা জীৱনৰ মধুৰ-কোমল-আবেগ-চঞ্চল দিশৰো আভাস পাব পাৰি। শিল্পীৰ হাতৰ পৰশত শিল্পৰ সংযোগত জীৱন কবিতাও মূৰ্ত হৈ উঠে। দলিচা-প্ৰস্তুত কৰণ, হীৰা আৰু কুমাৰৰ মাটিৰ বাচন-বৰ্তন, পুতলা, শৰাই, কমাৰ-কঁহাৰ আদিৰ মনোমোহা দা-কটাৰী, কুঠাৰ; সুগঢ়ী বাচন-বৰ্তন, মালিয়া-কাৰিকৰ বা চিটিকৰ আদিৰ মূৰ্ত্তি নিৰ্মাণ, বাঁঢ়ে-সূতাৰ আদিৰ কাঠৰ বস্তু, কুঁহিলাৰপৰা প্ৰস্তুত কৰা পুতলা, হাতীৰ দাঁতৰপৰা নিৰ্মাণ কৰা বিবিধ অলংকাৰ আদি লোক শিল্পৰ পৰিসৰত ধৰিব পাৰি।

লোককলা আৰু লোকশিল্পৰ ভিতৰত প্ৰথমটোৰ উদ্দেশ্য জীৱনক আনন্দ প্ৰদান আৰু দ্বিতীয়টোৰ উদ্দেশ্য জীৱনৰ বাস্তৱ দিশ অৰ্থাৎ সামাজিক আৰু অৰ্থনৈতিক দাবী পূৰণ কৰা। আনন্দদানৰ প্ৰকাৰ্য্য সম্পৃক্ত নিৰ্মিতিয়েই (artifact) কলা আৰু জীৱনৰ বাস্তৱিক প্ৰকাৰ্য্য সম্পৃক্ত নিৰ্মিতেই শিল্প (craft)।[৯] এটা বাসগৃহৰ ভিতৰভাগ পৰিকল্পনা কৰা হয় মুখ্যতঃ ব্যৱহাৰৰ বাবে, ইয়াৰ প্ৰকাৰ্য্য মুখ্যতঃ অৰ্থনৈতিক আৰু বহিৰ্ভাগ পৰিকল্পনা কৰা হয় চাবৰ বাবে, ইয়াৰ প্ৰকাৰ্য্য মুখ্যতঃ নান্দনিক।[১০] যি নিৰ্মিতিৰ পৰিকল্পনাত আনন্দ লাভ কৰা আৰু দিয়াৰ প্ৰৱণতা থাকে সেয়ে কলা আৰু যি নিৰ্মিতিৰ পৰিকল্পনা পৰম্পৰাগত সেই কলাক লোককলা আখ্যা দিয়া হয়।[১১] অসমৰ পুথিচিত্ৰত লোককলাৰ অপূৰ্ব নিদৰ্শন পোৱা যায়। তেনেদৰে গোসাঁইঘৰ, নামঘৰ, সত্ৰ আদিত থকা সিংহাসন, গৰুড়, জাম্বৱন্ত, হনুমান আদি কাঠ নিৰ্মিত নিৰ্মিতিৰ জৰিয়তেও লোককলাৰ আভাস পাব পাৰি।

৯."If a pleasure-giving function predominates, the artifact is called art; if a practical function predominates, it is called craft " Henry Glassie " Folk Art" in *Folklore and Folklife*, ed.RM-Dorson, p.253

১০. *Ibid* ; ১১. *Ibid*

গ. সামাজিক লোকাচাৰ বা লোক ৰীতি-নীতি ঃ

মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজতে পৰম্পৰাগত জীৱন। পৰম্পৰাগত জীৱন, মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজৰ সংযোগ সেতু। পৰম্পৰাগত জীৱনক এক প্ৰকাৰে সামাজিক লোকাচাৰ (social folk custom) আখ্যা দিব পাৰোঁ। লোকাচাৰৰ অনুষংগত ব্যক্তিগত অন্যান্য ক্ৰিয়াতকৈ সমাজগত অন্যোন্য ক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপিত হয়। সমাজ আৰু পৰিয়ালৰ মাজত উদ্‌যাপিত কৃষি, জন্ম, বিবাহ, মৃত্যু আদি বিষয়ক ৰীতি-নীতি আদি পৰম্পৰাগত জীৱনৰ পৰিসীমাত সামৰিব পাৰি। এনে ধৰণৰ ৰীতি-নীতি আৰু আচাৰ-ব্যৱস্থা সমূহ মুখ্যতঃ লোক বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত— যিবোৰে লোকবিদ্যাৰ এটা নতুন শ্ৰেণীৰ (Genre) জন্ম দিছে। কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ (custom) সুনিৰ্দিষ্ট আৰু স্থানীয়। সাধাৰণ আৰু বিশেষ বিধৰ ধৰণ-কৰণ, আচাৰ-ব্যৱহাৰ আদিত সচৰাচৰ শাৰীৰিক কাৰ্য্য (physical action), লোক বিশ্বাস আৰু ভৌতিক পদাৰ্থৰ বৰ্ত্তমানতা লক্ষ্য কৰা যায়। যিবিলাক আচাৰ-ব্যৱহাৰ, ৰীতি-নীতিত কিছুপৰিমাণে ঐন্দ্ৰজালিক (magical) আৰু ধৰ্মীয় প্ৰছন্ন শক্তি অংগীভূত হৈ আছে সেইবিলাকক সাধাৰণতে ক্ৰিয়া-কাণ্ড বা আচাৰ-পদ্ধতি (rituals) বোলে।

ৰাজহুৱা উদ্‌যাপন আৰু আমোদ-প্ৰমোদত সমাজৰ অধিকাংশ লোকে যোগ দিয়ে। ইয়াৰ পৰিণতি স্বৰূপে অন্য এবিধ সামাজিক লোক প্ৰথাৰ (social folk custom) জন্ম হৈছে আৰু এইবিধ লোক প্ৰথাক নিৰ্দেশ কৰিবৰ বাবে উৎসৱ-অনুষ্ঠান পদ দুটি সাধাৰণতে প্ৰয়োগ কৰা হয়। গীত, নৃত্য, আভৰণ (পোছাক-পৰিচ্ছদ, অস্ত্ৰ-অলংকাৰ আদি), শোভাযাত্ৰা আদি বিভিন্ন আচৰণ, উৎসৱ-অনুষ্ঠানৰ পৰিধিয়ে সামৰে।[১২] উৎসৱ-অনুষ্ঠান সাধাৰণতে ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ ঐতিহ্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব পাৰে। খেলা-ধূলা, অৱসৰ-বিনোদন আদিও লোকাচাৰ পৰম্পৰাৰ ভিত্তকৰা। সামাজিক লোক-প্ৰথাৰ ধৰ্মীয় দিশটো উপাসনা-পদ্ধতিৰ গতি নিৰ্ণায়ক। নানা ধৰণৰ পূজা-উপাসনা আদি লোক প্ৰথা বা লোকাচাৰৰ অংগীভূত। উপাসনা-পদ্ধতিত স্থানীয় আৰু বহিৰাগত দেৱ-দেৱীৰ মাজত সমন্বয়-প্ৰক্ৰিয়া চলি থাকে।

লোকধৰ্ম (folk religion) আৰু লোক-ঔষধপাতিৰ (folk medicine) মাজত অনেক ক্ষেত্ৰত প্ৰাধান্য সৃষ্টি হোৱা দেখা যায়; কাৰণ বিশ্বাসত যাদুকৰ বা বেজে

---

১২. *Ibid*, p.3.

লোকধৰ্মক উপেক্ষা কৰি যাদুৰ সহায়ত জীৱন ৰক্ষা কৰে, শৰীৰ আৰোগ্য কৰে।[১৩]

লোকাচাৰৰ লগত লোকগীত, মিথ, জনশ্ৰুতি, সাধুকথা, মন্ত্ৰ আদি লোক সাহিত্যৰ সমল সদা-সৰ্বদাই সম্পৃক্ত। পৰম্পৰাগত পোছাক-পৰিচ্ছদ, অলংকাৰ-পাতি, বাদ্য-যন্ত্ৰ, নানাবিধ শিল্প বস্তু, খোৱা-লোৱা, ঘৰ-দুৱাৰ নিৰ্মাণ কৰা আদি ভৌতিক সংস্কৃতিৰ সমল লোকাচাৰৰ লগত নিয়তভাৱে জৰিত হৈ থাকে। তেনেদৰে গীত-নৃত্য, লোক নাটক আদি লোক পৰিৱেশ্য কলাৰ সমল লোকাচাৰৰ সৈতে জৰিত হৈ থকা দেখা যায়।

সামাজিক লোকাচাৰ বা লোক ৰীতি-নীতিক চাৰিটা উপভাগত ভাগ কৰিব পাৰি। যেনে ঃ

(i) উৎসৱ-অনুষ্ঠান,

(ii) অৱসৰ-বিনোদন আৰু খেল-ধেমালি,

(iii) লোক-ঔষধ, আৰু

(iv) লোকধৰ্ম (folk religion)।

ঘ. লোক পৰিৱেশ্য কলা ঃ

লোকবিদ্যা আৰু লোকজীৱনৰ চতুৰ্থ অংগ স্বৰূপে আঙুলিয়াব পাৰি লোক পৰিৱেশ্য কলাক। পৰম্পৰাগত সংগীত, নৃত্য আৰু নাট, লোক পৰিৱেশ্য কলাৰ অংগীভূত। কোনো এটা সাধুকথা কোৱা; অথবা লোকগীত গোৱাকে পৰিৱেশন (performance) কৰা বোলে; কিন্তু এনেধৰণৰ পৰিৱেশন পদ্ধতি এজন বা কেইবাজনো লোকে লোক বাদ্য-যন্ত্ৰ, নৃত্যৰ পোছাক-পৰিচ্ছদ আৰু দৃশ্য বিৱৰণী সহ ৰূপায়ণ কৰা পদ্ধতিৰ তুলনাত আকস্মিক ধৰণৰ।[১৪] লোক নাটৰ (folk drama) প্ৰধান বিশেষত্ব অসি-নৃত্য, যৌথ-নৃত্য, অংশ বিন্যস্ত গতি (concerted movements) আদি। এই সন্দৰ্ভত T.F. Ordis-ৰ মন্তব্য এটি মন কৰিবলগীয়া ঃ "The shaping factor in folk drama was the sword dance with its circle, chorus and carefully concerted movements."[১৫] লোক পৰিৱেশ্যকলা আৰু ঔপচাৰিক (formal) পৰিৱেশ্য কলাৰ মাজত পাৰস্পৰিক অন্যোন্যক্ৰিয়াৰ বিদ্যমানতা লক্ষ্য কৰা যায়।[১৬] সাম্প্ৰতিক কালত আঞ্চলিক কৃষক আৰু জনজাতীয় নৃত্য-গীত আৰু সংগীত (music) নগৰীয়া দৰ্শকৰ বাবে আকৰ্ষণীয় হোৱাৰ প্ৰৱণতা লক্ষ্য কৰা

১৩. *Ibid*, p.4, ১৪. *Ibid*,

১৫. Quoted from Violet Alford's *Sword Dance and Drama*, RM. Dorson, *op-cit*, pp.4-5

১৬. RM. Dorson, *op-cit*, p.5

যায়। ইয়াৰ পৰিণতি স্বৰূপে নৃত্য-প্ৰৱন্ধ কলা প্ৰদৰ্শন কৌশলৰ মাজত আৰু সূক্ষ্ম (sophisticated) কৌশল আৰু ব্যৱহাৰ-বৈচিত্ৰ (মুদ্ৰাদোষ, mannerism) আদি প্ৰয়োগ নকৰাকৈ থকা নাই। ইয়াৰ উদাহৰণ স্বৰূপে অসমৰ পুতলা নাচ, খুলীয়া-ভাওৰীয়া, কুশান-গান, ভাৰী-গান, ওজাপালি আদিলৈ আঙুলিয়াব পাৰি এই জাতীয় পৰিবেশ্য কলাৰ জৰিয়তে শিষ্টসংস্কৃতিয়ে (elite culture) লোকসংস্কৃতিৰ উপাদান ক্ৰমশঃ পৰিশ্ৰুত কৰাৰ প্ৰধাণতাও প্ৰকাশ নকৰাকৈ থকা নাই। [১৭]

পৰম্পৰাগত সংগীত লিখিত বা ছপা সাংগীতিক স্বৰগ্ৰামৰ ওপৰত প্ৰতিষ্ঠিত নহয়, কৰ্ণ-পৰম্পৰা এই জাতীয় সংগীত চলি থাকে আৰু এইবোৰ স্মৃতিৰ পৰাই পৰিবেশন কৰা হয় : "passed on by ear and performed by memory rather than by the written or printed musical score".[১৮] লোকসংগীত আৰু জনপ্ৰিয় সংগীত (popular music) একে নহয়। সাধাৰণতে নৃত্যৰ সংযোগত গীতে চাক্ষুষ ৰূপ লাভ কৰে। নৃত্য নোহোৱাকৈও গীত পৰিবেশিত হ'ব পাৰে; কিন্তু নৃত্যৰ লগত প্ৰায়ে গীত থাকে। 'লোক-নাট' অভিধাটিৰদ্বাৰা দুটা অৰ্থ সূচিত হ'ব পাৰে : (ক) যি নাট লোক জীৱনৰ বাবে ৰচিত; অথবা (খ) যি নাট লোকমানসে মৌখিকভাৱে ৰচনা কৰে। সাধাৰণতে লোক সমাজত মৌখিকভাৱে প্ৰচলিত নাটকেই লোক-নাট ৰূপে পৰিচিত। লোক-নাট লোকধৰ্মী আৰু লিখিত নাট নাট্যধৰ্মী। লোক-নাট্যৰ অন্যতম বৈশিষ্ট্য সংলাপ আৰু ইয়াৰ কাৰ্য্যাত্মক প্ৰদৰ্শন। লোক-নাটৰ এই অন্যতম বৈশিষ্ট্যটি সংস্কৃতিৰ অভ্যুত্থানৰ প্ৰতিটো স্তৰতে অন্তৰ্হিত হৈ থকা দেখা যায়।[১৯] আদিম সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত মন্ত্ৰ, আবৃত্তি, চিকাৰ প্ৰক্ৰিয়া অনুকৰণ, মাছমৰা, সমৰসজ্জাৰ অনুকৰণ, যাদুমূলক কৃত্যাদি সম্পাদন আদি বিবিধ কাৰ্য্যত নাটকীয় সমল বৰ্ত্তমান। জীৱন আৰু প্ৰকৃতিৰ সমন্বয়ৰ ভিত্তিত নাটকীয় সমলৰ জন্ম আৰু এই সমন্বয়ৰ ভিত্তিত জন্ম লোকনাটৰ।

লোকনাট, গীত আৰু নৃত্যৰ সমষ্টি। আনকি সংলাপৰ তুলনাত গীত আৰু নৃত্যৰ আধিক্য- এই বিধ নাটৰ অন্যতম বৈশিষ্ট্য। দ্বিতীয়তে, ধৰ্মীয় কৃত্য আৰু উৎসৱ-অনুষ্ঠানৰ লগতো গীত-নৃত্য আৰু লোক-নাট বিশেষভাৱে জৰিত। মুখা, পোছাক-পৰিচ্ছদ, মঞ্চ বা অভিনয়ৰ স্থান বৈশিষ্ট্য সম্বলিত ক্ৰিয়া আদি লোক-নাটৰ সাংস্কৃতিক একক। খেলাৰ আচৰণো এইবিধ নাটত পুঞ্জীভূত হৈ থাকে।

---

১৭. *Ibid*

১৮. Handoo, *op-cit* p.22

১৯. Y.M. Sokolov : *Russian Folklore*, New York, 1950. p. 499

লোকবিদ্যা আৰু লোকজীৱনৰ অধ্যয়ন অসম্পূৰ্ণ হৈ থাকিব যদিহে পৰম্পৰাগত অংগ বিক্ষেপ, সংকেৎ ভাষা (gestures), লোকভাষা আদিৰ বিষয়ে চিন্তা-চৰ্চা কৰা নহয়।

মৌখিক সাহিত্য বা বাচিক কলা :

মৌখিক সাহিত্য বা লোক সাহিত্য বা বাচিক কলাক বিভিন্ন দৃষ্টিভংগীৰ ফালৰপৰা প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি; যেনে

(ক) জাতিগত শ্ৰেণী বিভাজন (ethnic genres) আৰু

(খ) তাত্ত্বিকভাৱে কৰা শ্ৰেণী বিভাজন (analytical categories)।

(ক) **জাতিগত শ্ৰেণী বিভাজন :** জাতিগত শ্ৰেণী বিভাজনৰ উদ্দেশ্য হৈছে সাংস্কৃতিক পদ্ধতিৰে বাচিক কলাক অভিজ্ঞাপন কৰা। প্ৰত্যেকটো জাতি বা নৃগোষ্ঠীৰ মাজতে লোক সাহিত্যৰ বিভিন্ন শ্ৰেণীক সূচাবৰ বাবে বিভিন্ন কিছুমান পদ বা পৰিভাষা ব্যৱহাৰ কৰা হয়; যেনে : গীত, গীদ, পদ, নাম, বৰদৈগীত, সাধুকথা, সাধু, সাজোকথা, উককথা, উপকথা, গোসাঁই কথা, কিচ্চা, কাহিনী, প্ৰবাদমূলক সাধু, জনশ্ৰুতিমূলক সাধু, কিম্বদন্তীৰ সাধু, বচন, প্ৰবচন, যোজোনা, প্ৰবাদ, ফকৰা, দিষ্টান, সাঁথৰ ইত্যাদি।

(খ) **তাত্ত্বিক শ্ৰেণী বিভাজন :** (Analytical categories) আন্তৰ্জাতিক শ্ৰেণী বিভাজনৰ প্ৰতি দৃষ্টি ৰাখি বাচিককলাৰ বিভিন্ন উপাদান বিভিন্ন শ্ৰেণীত ভাগ কৰা পদ্ধতিৰ নাম তাত্ত্বিক শ্ৰেণী বিভাজন। তাত্ত্বিক শ্ৰেণী বিভাজনৰ উদ্দেশ্য হ'ল বাচিক কলাৰ পাঠৰ (text) সুসংবদ্ধ সংগঠনৰ আহি প্ৰদৰ্শন কৰা। তাত্ত্বিক শ্ৰেণী বিভাজনৰ আহি অনুসৰি বাচিক কলাৰ পাঠ তলত দিয়াৰ দৰে শ্ৰেণী বিভাজন কৰিব পাৰি; যেনে :

(ক) লোকগীত, (খ) গদ্যধৰ্মী লোককথা, (গ) প্ৰবচন, সাঁথৰ, (ঘ) লোকভাষা

(১) লোকগীত : (ক) বেলেড বা মালিতা, (খ) ধৰ্মীয় গীত, (গ) প্ৰণয় গীত, (ঘ) কৰ্ম গীত, (ঙ) উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত, (চ) তত্ত্বপূৰ্ণ গীত, (ছ) চিকাৰ আদিৰ লগত জড়িত গীত, (জ) বিদ্ৰূপাত্মক গীত, (ঝ) কেঁচুৱা ল'ৰা-ছোৱালীৰ লগত জড়িত গীত— টোপনি নিওৱা গীত (Lullabies)— নিচুকনি গীত (Nursery rhymes)— শিশুৰ খেল-ধেমালিৰ লগত জড়িত গীত (Children game songs)।

বেলেড বা মালিতা : বেলেড বা মালিতা বৰ্ণনাত্মক গীত। বেলেডৰ প্ৰধান বৈশিষ্ট্য : (ক) বেলেড বৰ্ণনামূলক; অৰ্থাৎ ই কাহিনী প্ৰধান। (খ) বেলেড গেয় অৰ্থাৎ বেলেড সুৰ লগাই গোৱা হয়। (গ) কথা বস্তু, শৈলী, আৰু নাম বা আখ্যাৰ কাৰণস্বৰূপে ই লোক সমাজৰ লগত জৰিত। (ঘ) বেলেডত একক ঘটনাৰ বৰ্ণনা থাকে। (ঙ) বেলেড নৈৰ্ব্যক্তিক অৰ্থাৎ বস্তুনিষ্ঠ; ঘটনাৰ গতি, কাহিনী, কথোপকথন আদিৰ সহায়তই ক্ষিপ্ৰ গতিত উপসংহাৰৰ ফালে গতি কৰে।[২০]

বেলেড মুখ্যতঃ কাহিনী। সাধুকথা বা লোককথাতো কাহিনী থাকে। বেলেডৰ কাহিনী বৰ্ণিত হয় পদ্যৰূপত বা 'পদবন্ধে'। অন্যহাতে লোককথাৰ কাহিনী বৰ্ণিত হয় গদ্যৰূপত বা 'কথাবন্ধে'। বেলেড গেয়, অন্যহাতে লোককথা কথিত (told)।

কাহিনী প্ৰবাহ, চৰিত্ৰ, পৰিবেশ আৰু কথাবস্তুৰ স্থিতি কাহিনী প্ৰধান বাচিক কলাত লক্ষ্য কৰা যায়। বেলেডত এই চাৰিটা বৈশিষ্ট্যৰ ভিতৰত কাহিনী প্ৰবাহৰ ওপৰত তুলনামূলকভাৱে অধিক গুৰুত্ব দিয়া হয়। পৰিৱেশৰ বৰ্ণনা আকস্মিক, কথাবস্তু অপৰিহাৰ্য্য, বেলেডৰ চৰিত্ৰবোৰ প্ৰায়ে নিৰ্ধাৰিত গঢ়ৰ (type)। বেলেডৰ কাহিনী প্ৰবাহ নাটকীয় গুণ সম্পন্ন।

বেলেড গেয়। বাদ্যযন্ত্ৰৰ সৈতে বেলেড গোৱা হয়। বেলেডৰ কথাবস্তু নৃত্যৰ মাধ্যমেৰে চাক্ষুষ ৰূপ দিয়া হয়। বেলেড গাওঁতে পৰম্পৰাগত সুৰ, তাল আদিৰ প্ৰাধান্য পৰিলক্ষিত নোহোৱাকৈ নাথাকে। কাহিনী আৰু সুৰৰ ভিতৰত বেলেডত প্ৰাধান্য লাভ কৰে কাহিনী বা কথাবস্তুৱে।

বেলেড লোক সমাজৰ সৃষ্টি। সেইবুলি এইবিধ বাচিক কলাক আদিম সমাজৰ সৃষ্টি বুলিব নোৱাৰি, যিহেতু বেলেডবোৰ মাৰ্জিত ৰুচি সম্পন্ন আৰু সাহিত্যিক চেতনা সম্পন্ন কবিৰ সৃষ্টি যেনহে লাগে। মৌখিক বেলেড লিখিত সাহিত্য পৰম্পৰাত প্ৰৱেশ কৰা দেখা যায়। সুদীৰ্ঘ বেলেড-পৰম্পৰা, সচেতন আৰু মাৰ্জিত সংস্কৃতিদ্বাৰা অনুবৰ্তিত হ'ব পাৰে। লোক জীৱনৰ পটভূমিত বেলেডবোৰ ৰচিত হোৱা বাবে এইবিধ কলাত লোক জীৱনত প্ৰচলিত পুৰাণ-কথা, জনশ্ৰুতিমূলক কথা, স্থানীয় ইতিহাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ প্ৰতিফলন হোৱা স্বাভাৱিক।

বেলেডত চুটি গল্পৰ দৰে একক ঘটনাইহে স্থান লাভ কৰে। গতিকে সাধুকথা বা লোককাব্য বা লোক মহাকাব্যৰ দৰে একাধিক ঘটনাৰ বৰ্ণন বেলেডত প্ৰায়ে লক্ষ্য কৰা নাযায়।

---

২০ Maria Leach [ed.] *Standard Dictionary of Folklore*, p. 106

উপৰোল্লিখিত বৈশিষ্ট্যসমূহৰ বাহিৰেও বেলেডত আন কেইটামান বৈশিষ্ট্য থাকিব পাৰে। এই বৈশিষ্ট্য কেইটাৰ বিষয়ে তলত আলোচনা কৰা হ'ল; যেনে ঃ (ক) দিহা বা ঘোষা, (খ) পদ বা পদাংশৰ পৌনঃপুনিকতা, (গ) পূৰ্ণ স্তৱকৰ পৌনঃ পুনিকতা, (ঘ) বৃদ্ধিগত পৌনঃপুনিকতা, (ঙ) পদ্য-ৰূপৰ প্ৰাধান্য, (চ) মংগলাচৰণ আৰু (ছ) বিভিন্ন অংশত বিভাজন।

(ক) দিহা বা ঘোষা (Refrain) ঃ বেলেড গীত, গতিকে ই গেয়। বাদ্য-যন্ত্ৰৰ সহায়ত এজন বা এদল গায়কে নাচি নাচি বেলেড গায়। সাধাৰণতে দলগত গীতত মুখ্য গায়কে (ওজা) দিহাটো লগাই দিয়ে আৰু মূল গায়কৰ সহায়কসকলে (পালি) বাদ্যযন্ত্ৰ বজাই, নৃত্য-ভংগীসহ দিহাটো দোহাৰে। ইয়াৰ পিছত মুখ্য গায়কে পৰৱৰ্তী পদবোৰৰ দুটা বা চাৰিটা শাৰী গায়, আৰু সহায়কাৰী বা পালিসকলে সেই পদৰ শেষাংশ টানি আনি দিহাটো সম্পূৰ্ণৰূপে গায়। এইদৰে বেলেডটো গোৱা হয়।

অসমীয়া বেলেডৰ কিছুমানত দিহাৰ প্ৰয়োগ দেখা যায়; আৰু কিছুমানত দেখা নাযায়। বিবিলাক বেলেডত বৰ্তমান দিহাৰ প্ৰয়োগ নাই সেইবোৰত আদিতে দিহাৰ ব্যৱহাৰ আছিল যেন লাগে। পূৰ্বৰ দৰে গায়কে সেই বেলেডবোৰ গাবলৈ এৰাৰ লগে লগে হয়তো দিহাৰ প্ৰয়োজনীয়তা নোহোৱা হ'ল আৰু সেইবোৰ বেলেডৰ পাঠৰপৰা দিহা অংশটো হেৰাই গ'ল। ওজাপালি, ঢুলীয়া আদি পৰিৱেশ্য কলাৰ পৰম্পৰাত চলি থকা বেলেডবোৰত পূৰ্বৰ দৰেই দিহা অক্ষুন্নভাৱে ৰক্ষিত হৈ আছিছে।

(খ) পদ বা পদাংশৰ পৌনঃপুনিকতা (Recurrent Passages) ঃ পদ বা পদাংশৰ পৌনঃপুনিকতাক এক প্ৰকাৰে জতুৱা ঠাঁচ ("idiomatic phrases") বুলিব পাৰি। পৃথিৱীৰ বিভিন্ন সংস্কৃতিত প্ৰচলিত বেলেডত কিছুমান পদ বা পদাংশ; অথবা জতুৱা ঠাঁচৰ প্ৰয়োগ দেখা যায়— যিবোৰ হয়তো গীতটোৰ ঘটনা-প্ৰবাহৰ ফালৰপৰা মুঠেই প্ৰয়োজনীয় নহয়। অসমীয়া বেলেডত এই বৈশিষ্ট্যটোৰ প্ৰয়োগ সঘনে লক্ষ্য কৰা যায়। বেলেড-স্ৰষ্টা বা গায়কে মুখে মুখে বেলেড ৰচনা কৰে বা গায়। মাজে মাজে তেওঁ হয়তো পাহৰি যায়; তেনে অৱস্থাত ইতিমধ্যে ৰচনা কৰা বা আবৃত্তি কৰি অহা গীতৰ অংশ বিশেষ পুনঃ আবৃত্তি কৰে। এইদৰে বেলেডৰ পাঠত পদ বা পদাংশ বা জতুৱা ঠাঁচ পুনঃ পুনঃ প্ৰয়োগিত হ'ব পাৰে।

(গ) পূৰ্ণ স্তৱকৰ পৌনঃপুনিকতা (Simple repetition) ঃ কিছুমান বেলেডত সম্পূৰ্ণ স্তৱক এটি অথবা গীতৰ সম্পূৰ্ণ অংশ এটি পুনঃ পুনঃ ব্যৱহাৰ কৰা দেখা যায়। 'বৰফুকনৰগীত'ত এনে ধৰণৰ পুনঃ পুনঃ প্ৰয়োগৰ উদাহৰণ পোৱা যায়। এনে ধৰণৰ পৌনঃপুনিকতা আকস্মিক বা আলংকাৰিক নহয়; উদ্দেশ্য প্ৰণোদিতহে।

সাধাৰণতে গীতৰ বিষয়বস্তু স্পষ্ট আৰু প্ৰাণৱন্ত কৰাই এই জাতীয় পৌনঃপুনিকতাৰ অন্যতম উদ্দেশ্য।[২১]

(ঘ) বৃদ্ধিগত পৌনঃপুনিকতা (Incremental repetition) : বেলেডৰ কোনো কোনো পদৰ শাৰী বা স্তৱকৰ পুনঃ পুনঃ আবৃত্তিয়ে কাহিনীভাগৰ অগ্ৰগতি বৈশিষ্ট্য পূৰ্ণ আৰু প্ৰভাৱশালী কৰি তোলে। এই জাতীয় পৌনঃপুনিকতাত পূৰ্বৰ শাৰী বা স্তৱকৰ পাঠান্তৰ দেখা যায়। 'সাউদৰ গীত', 'পগলা-পাৰবতীৰ গীত' আদি অসমীয়া বেলেডত বৃদ্ধিগত পৌনঃপুনিকতাৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। নিৰ্ধাৰিত গদ্যৰ সাধুকথাতো (formula tale) এই জাতীয় পৌনঃপুনিকতাৰ প্ৰয়োগ দেখা যায়।[২২]

(ঙ) পদ্যৰূপৰ প্ৰাধান্য (the verse form) : বেলেড ৰচিত হয় পদ্য ৰূপত।[২৩] সৰহভাগ বেলেডেই চাৰিশৰীয়া স্তৱক কিছুমানৰ সমষ্টি। চাৰিশৰীয়া স্তৱকবোৰ নৃত্যৰ ছান্দিক দিশৰপৰা প্ৰয়োজনীয়। বেলেড গেয় অৰ্থাৎ গীতৰ নিচিনাকৈ গোৱা হয়। গীতবোৰ সদাসৰ্বদাই পদ্য ছন্দত ৰচিত। চাৰিশৰীয়া স্তৱকবোৰৰ দ্বিতীয় আৰু চতুৰ্থ শাৰীৰ শেষ অক্ষৰ দুটা মিলনান্ত। কোনো কোনো বেলেডত দুশৰীয়া পদৰ ভিতৰতে স্তৱকটো পৰিপূৰ্ণ হৈ উঠা দেখা যায়। এনে স্তৱকৰ প্ৰতিটো শাৰীত চৈধ্যটাকৈ অক্ষৰ থাকে আৰু প্ৰথম শাৰীৰ শেষ অক্ষৰ আৰু দ্বিতীয় শাৰীৰ শেষ অক্ষৰ মিলনান্ত। অসমীয়া বেলেডটো চৈধ্য অক্ষৰ বিশিষ্ট দুশৰীয়া স্তৱক লক্ষ্য কৰা যায়— বিশেষকৈ 'ভূঁইকপৰ-গীত', 'কপাহৰ-জুনা' আদি বেলেডত। পুৰণি অসমীয়া কবিসকলে তেওঁলোকৰ ৰচনাত প্ৰয়োগ কৰা পয়াৰ বা পদ ছন্দৰ প্ৰভাৱ 'ভূঁইকপৰ-গীত', 'কপাহৰ-জুনা' আদি বেলেডৰ ছন্দত পৰা স্বাভাৱিক।

বেলেডৰ ছন্দ তেন্তে চাৰিশৰীয়াই হওঁক অথবা দুশৰীয়াই হওঁক সকলো ক্ষেত্ৰতে নিয়মীয়া বুলিব নোৱাৰি।

(চ) মংগলাচৰণ (Invocation) : মংগলাচৰণ পৰম্পৰাগত মৌখিক বা লিখিত সাহিত্যৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। বেলেডত বিশেষকৈ দীঘলীয়া বেলেডত মংগলাচৰণৰ প্ৰয়োগ দেখা যায়। অৱশ্যে চুটি বেলেডত মংগলাচৰণৰ ব্যৱহাৰ প্ৰায়ে দেখা নাযায়। গায়কসকলে সমৱেত শ্ৰোতা বা দৰ্শকৰ মাজত বেলেড আবৃত্তি কৰে। গতিকে গীত-নৃত্যৰ প্ৰাৰম্ভণিতে গায়কে নিজৰ ইষ্ট দেৱতা বা দেৱীক বন্দনা কৰাৰ লগতে সভাসদকো বন্দনা কৰে। এইদৰে বন্দনা পৰম্পৰাই বেলেডত প্ৰৱেশ কৰে।

---

২১. P. Goswami . *Ballads and Tales of Assam*, p. 71
২২. *Ibid*, p 72
২৩. ইতিমধ্যে আলোচনা কৰা হৈছে।

অসমীয়া বেলেড যেনে : 'ৰবফুকনৰ গীত', 'জনা গাভৰুৰ গীত' আদিত মংগলাচৰণ লক্ষ্য কৰিব পাৰি।

(ছ) বিভিন্ন ছেদ বা অংশত বিভাজন (Division into fits) : বেলেডৰ বিশেষকৈ দীঘলীয়া বেলেডৰ আন এটি বৈশিষ্ট্য হৈছে বিভিন্ন ছেদ বা অংশত বিভাজন। ইংৰাজী বেলেড 'The Gest of Robin Hood' আঠোটা ছেদ বা অনুচ্ছেদত বিভক্ত। ছেদ অথবা অনুচ্ছেদবোৰে বেলেডৰ কথাবস্তুৰ সংযুতিত বিশেষ কিবা অবিহণা যোগাব নোৱাৰিলেও ইয়াৰ গায়ক; অথবা আবৃত্তিকাৰীক কোনো কোনো বিষয়ত সহায় কৰিব পাৰে। প্ৰথম ছেদ বা অনুচ্ছেদৰ আবৃত্তিৰ অন্তত দ্বিতীয় ছেদ বা অনুচ্ছেদৰ আৰম্ভণিত গায়কে বা আবৃত্তিকাৰীয়ে দ্বিতীয়বাৰৰ বাবে মংগলাচৰণ আবৃত্তি নকৰে। 'ৰবফুকনৰ গীত', 'মণিকোঁৱৰৰ গীত', 'ফুলকোঁৱৰৰ গীত' আদি অসমীয়া বেলেডত ছেদ বা অনুচ্ছেদ দেখা যায়।

বেলেডৰ শ্ৰেণী বিভাজন :

বেলেডৰ কথাবস্তু বা কাহিনীৰ বিষয়বস্তু অনুসৰি এইবিধ বাচিক-কলাক কেইটামান শ্ৰেণীত উপ বিভক্ত কৰিব পাৰি; যেনে :

(ক) পুৰাণগত মালিতা (Mythical ballad),

(খ) নৈদানিক মালিতা (Etiological ballad),

(গ) ঐতিহাসিক মালিতা (Historical ballad),

(ঘ) জনশ্ৰুতিমূলক মালিতা (Legendary ballad),

(ঙ) যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা (Magical or Wonderous or Supernatural ballad),

(চ) ব্যংগাত্মক মালিতা (Satirical ballad),

(ছ) বাস্তবানুগ মালিতা (Realistic ballad)

ইয়াৰ বাহিৰেও 'বাৰমাহী-গীত'কো মালিতাৰ শ্ৰেণীত সামৰিব পাৰি; কিয়নো এইবিধ গীততো কাহিনী একোটি বা কাহিনীৰ আভাস থাকে।

(ক) পুৰাণগত মালিতা (Mythical ballad) : পুৰাণগত মালিতাক অতিকথা জাতীয় মালিতাও বুলিব পাৰি। এইবিধ মালিতাৰ কথাবস্তু বা কাহিনী মিথধৰ্মী। সাধাৰণতে মিথধৰ্মী কাহিনীত দূৰ অতীতৰ ঘটনা এটি বৰ্ণিত হয়। ইয়াৰ চৰিত্ৰবোৰ মানুহ নহয়, অতিমানবহে। পুৰাণগত মালিতাৰ কাহিনীভাগ পবিত্ৰ আৰু বিশ্বাসযোগ্য বুলি বিবেচনা কৰা হয়। এইবিধ মালিতাৰ কাহিনীত এনে এখন জগতৰ বৰ্ণনা দিয়া হয়, যিখন জগত আমাৰ বৰ্তমানৰ জগতখনতকৈ সম্পূৰ্ণ বেলেগ। পুৰাণগত মালিতাবোৰ

প্ৰায়ে ধৰ্মীয় অনুষংগৰ লগত জৰিত। অনেক ক্ষেত্ৰত পুৰাণগত মালিতাই কোনো এটা ধৰ্মীয় কৃত্যৰ চনদ, হুকুম নামা আৰু পথপঞ্জী স্বৰূপে কৰ্ম সম্পাদন কৰে। জগত সৃষ্টিৰ বৰ্ণনা, ধৰ্মীয় কৃত্য আৰু ইয়াৰ লগত জৰিত সমলৰাজিৰ উৎপত্তিৰ বিষয়ে এইবিধ মালিতাত পোৱা যায়।

পুৰাণগত মালিতাৰ প্ৰচলন অসমীয়া ভাষাত নাই বুলি কোনো কোনো পণ্ডিতে ক'ব খোজে; যদিও এই অনুমান সম্পূৰ্ণ সত্য বুলি ক'ব নোৱাৰি; যিহেতু মৌখিক পৰম্পৰাত প্ৰচলিত কিছুমান কাহিনী-গীতত জগৎ সৃষ্টিৰ বৰ্ণন, শিৱ-মহাদেৱ, কুবেৰ, বিষ্ণু আদি দেৱতা, দুৰ্গা, পদ্মাৱতী, শীতলা, নেতা, শুভাচেনী আদি দেৱীৰ উৎপত্তিৰ বৰ্ণনা পোৱা যায়। এইবোৰ মালিতা মনসা-পূজা বা বিষহৰী-পূজা, শীতলা-পূজা আদি বিবিধ ধৰ্মীয় অনুষংগত ওজাপালিৰ নিচিনা পৰিৱেশ্য কলাই বাদ্যযন্ত্ৰসহ আবৃত্তি কৰে। 'আই-নাম'ত গায়িকাসকলে আইৰ জন্মমূলক কাহিনী বিশিষ্ট গীত অৰ্থাৎ মালিতা আবৃত্তি কৰে। 'বাসুদেৱ-পূজা'ৰ অনুষংগত বা সভাৰ প্ৰসংগত ব্যাস-ওজাপালিৰ ওজা আৰু পালিয়ে তালযন্ত্ৰ বজাই জগৎ সৃষ্টি, দেৱ-দেৱীসকলৰ জন্ম, ৰভাৰ জন্ম, আম-গছ, ঘিউ আদিৰ জন্ম সম্পৰ্কীয় মৌখিক মালিতা আবৃত্তি কৰে। এই জাতীয় বেলেড বা মালিতা বিলাকেই পুৰাণগত মালিতা।

সোণোৱাল কছাৰীসকলে চ'তমাহত অনুষ্ঠিত 'বাইথ পূজাৰ প্ৰসংগত 'হাইদাং-গীত' বাদ্যযন্ত্ৰসহ আবৃত্তি কৰে। এই গীতটি অসমীয়া ভাষাত ৰচিত। পৰম্পৰামতে সাতদিন-সাতৰাতি আবৃত্তি কৰিলেহে গীতটো শেষ হয়। এই গীতটিত জগৎ-সৃষ্টি আৰু শিৱাদি দেৱতাসকলৰ জন্মৰ বৃত্তান্ত পোৱা যায়। গতিকে গীতটিক পুৰাণগত মালিতা আখ্যা দিব পাৰি। 'হাইদাং' পৰিভাষাটিৰ অৰ্থ হা = মাটি, পৃথিৱী, জগৎ; ই = সৃষ্টি, দাং = গীত; অৰ্থাৎ 'হাইদাঙ'ৰ অৰ্থ পৃথিৱী বা জগৎ-সৃষ্টিৰ গীত। সোণোৱালসকলৰ মাজত প্ৰচলিত পৰম্পৰাগত বিশ্বাসমতে 'দাইদাং-গীত' আবৃত্তি কৰিলে বৰষুণ হয়।

(খ) নৈদানিক মালিতা (Etiological ballad) : পুৰাণগত মালিতাৰ সৈতে নৈদানিক মালিতাৰ বিষয়বস্তু, সংযুতি আৰু অনুষংগৰ ক্ষেত্ৰত সাধাৰণ মিল নথকা নহয়। এই মালিতাত জগৎ সৃষ্টি, বিভিন্ন বস্তুৰ উৎপত্তি, প্ৰাকৃতিক ব্যাপাৰৰ ব্যাখ্যা, *পৰ্বত-পাহাৰ আদিৰ জন্ম, গছ-বৃক্ষ, লতা-লতিকা আদিৰ উৎপত্তিৰ বৰ্ণনা পোৱা যায়। নৈসৰ্গিক জগৎ সম্পৰ্কীয় লোকসমাজৰ জ্ঞান আৰু অভিজ্ঞতাৰ আভাস এই* গীতবোৰৰ জৰিয়তে পোৱা যায়। অসমীয়া ভাষাত নৈদানিক মালিতাৰ সংখ্যা তেনেই কম নহয়। মনসা-পূজা বা বিষহৰী-পূজাৰ প্ৰসংগত ওজাপালিয়ে গোৱা ঢেকীৰ জন্ম,

পিঠা-গুৰিৰ জন্ম, তালৰ জন্ম, ঢোলৰ জন্ম, তামোল-পাণৰ জন্ম, পটাৰ জন্ম, কুমাৰৰ জন্ম, কুমাৰৰ চকৰ জন্ম, কুহিয়াৰৰ জন্ম আদি বিষয়ক মালিতাবোৰেই নৈদানিক মালিতা। 'বাসুদেৱ-পূজা', 'জাগৰ-পূজা' আদিৰ অনুষংগত ব্যাস-ওজাপালি আদিয়ে আবৃত্তি কৰা জাগৰৰ জন্ম, মুদ্রা বা তৌৰ্য্যত্ৰিকযন্ত্ৰৰ জন্ম, ৰামগিৰি, অহিৰ, সুহাই, ধনশ্ৰী, ভৈৰৱ আদি ৰাগ-ৰাগিণীৰ জন্ম সম্পৰ্কীয়, ঢুলীয়াই গোৱা ঢোল-তালৰ জন্ম বিষয়ক মালিতা আদিক নৈদানিক মালিতা বোলা হয়। জনজাতীয় ভাষাতো নৈদানিক মালিতাৰ প্ৰচলন লক্ষ্য কৰিব পাৰি। .

(গ) ঐতিহাসিক মালিতা (Historical ballad) : ঐতিহাসিক মালিতাৰ কাহিনী বা কথাবস্তু কোনো ঐতিহাসিক ঘটনাৰ আধাৰত পল্লবিত হৈ উঠে। লিখিত বুৰঞ্জী বা ইতিহাস ৰচনাত ঐতিহাসিক মালিতাই বিশেষভাৱে সহায় কৰিব পাৰে। ঐতিহাসিক মালিতাত নায়ক বা নায়িকাৰ বীৰত্বপূৰ্ণ চাৰিত্ৰিক বিশেষত্ব বাজিয়ে স্থান লাভ কৰে। সেইহে ঐতিহাসিক মালিতাক বীৰ ৰস প্ৰধান কবিতা (Heroic Poetry) আখ্যা দিয়া হয়। ঐতিহাসিক মালিতাই জাতীয় চৈতন্য জাগৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। লিখিত কাব্য, নাটক, উপন্যাস আদি সৃজনমূলক সাহিত্যৰ (creative literature) ৰচনাৰ প্ৰসংগতো ঐতিহাসিক মালিতাই সাহিত্যিকসকলক যুগে যুগে সমল যোগাই আহিছে। পৃথিৱীৰ যিবোৰ জাতিৰ মাজত লিখিত ইতিহাস নাই, ঐতিহাসিক মালিতাবোৰেই তেওঁলোকৰ সমাজত মৌখিক ইতিহাস ৰূপে ভূমিকা গ্ৰহণ কৰি আহিছে। অসমীয়া ভাষাত ৰচিত আৰু বৰ্তমানলৈ সংগৃহীত ঐতিহাসিক মালিতাৰ ভিতৰত 'বৰফুকনৰ গীত', 'পদ্মকুমাৰীৰ গীত', 'মণিৰাম দেৱানৰ গীত', 'জয়মতী কুঁৱৰীৰ গীত', 'আজান ফকিৰৰ গীত', 'বাখৰ বৰাৰ গীত', 'পথকঘাটৰ ৰণ', 'ফুলগুৰিৰ ধেৱা', 'বণ্ডিয়াৰ কৃষক বিদ্ৰোহ', 'গান্ধীৰ গীত' আদিয়েই উল্লেখযোগ্য। উদাহৰণ স্বৰূপে বাৰমাৰা অঞ্চলত প্ৰচলিত 'গান্ধীৰ গীত'টি তলত দিয়া হ'ল :

গান্ধী নামৰ নাউ খেনি জহৰলাল বৈঠা।
স্বাধীন আমি পালো ভগ্নী সূতা কাটি উঠা ॥
একশত দুইশত তিনিশত বৰে।
গুজৰাটে জন্ম পাইছিল গান্ধী মহাবীৰে ॥
গান্ধীহে লিখিলা হৰিবে নাম।
কি কৰা জহৰলাল ভাবত্ৰ কাম ॥
বিদেশী যাব বলি (বুলি) মনতে আশা (আশা)।
বন্দী কৰি মল্লীক জেলতে ৰাখা ॥

জেলৰ ভিতৰে মন্ত্ৰীহে ভাবে মনে মনে।
মৈ (মই) থাক্‌লো জেলতে বিদেশী খেদে কোনে ?
লক্ষ্মী বীণাপাণি দুই যে গান্ধীৰে নাতিনী।
তাহঁন দুই স্বৰাজ লঁই গেল টানাটানি ॥
দহজন ডকাইতে বমা (বোমা) তৈয়াৰ কৰ্‌লা।
গান্ধীক গুলী দেং বুলি থঁই দিলা ॥
গান্ধীৰ বুকে দিলা গুলী হ'ল তেজেৰে বাঙলি
বই গেল তেজৰে নই।
যমুনা নইৰ পাৰে চিতা তৈয়াৰ কৰি
গান্ধীক থৰি দিলা ভাই ॥
ঘিউ ঢালি ঢালি অগনি জ্বালিলা
চন্দন কাঠৰে খৰি।
অকালতে গান্ধী বাজাই আমাক এৰি থঁই
স্বৰ্গলে গেল ৰথে চৰি ॥[২৪]

'কৃষক-বিদ্ৰোহ'ৰ লগত জৰিত ঐতিহাসিক মালিতাৰ অংশ বিশেষ তলত দিয়া হ'ল— উদাহৰণ স্বৰূপে; যেনে ঃ

(ক) বড়িয়াৰ কৃষক বিদ্ৰোহৰ লগত জৰিত গীত ঃ

কি মতে ৰক্ষিবো হৰি কোম্পানি শাসনে।
বুদ্ধি কৰে লৰে মাৰি প্ৰজা গণে ॥
কেম্বেল চাহাবে পুৰাত পাচ আধলি লই।
চাৰি টকা লৰে এৱে নতুন চাহাব হই ॥
চাৰি টকা নেদেও বুলি ৰাইজে ওজৰ দিলা।
তথাপিতো কোম্পানিৰ দয়া নজন্মিলা ॥
পাছে ৰাইজে খাজনা নেদি আছে ঠেহ পাতি।
কোম্পানিৰ চাহাবগণৰ হৰিলা চুকতি ॥
হেন দেখি পাছে আহি চাহাব ডেপুটি।
ওজৰ শুনো বুলি ৰাইজক বড়িয়াক নিলা মাতি ॥
জ্ঞানী গুণী পণ্ডিত মহন্ত আছে যত।

২৪. সংগ্ৰাহক : শ্ৰীমতী কমলা (৫০), কাঁঠালগুৰি, বাগমাৰা, ১১/১/৮৭

চাহাবৰ আগত সৱে হৈলা উপস্থিত ॥
মুখ্য মুখ্য প্ৰজাগণৰ ওজৰ শুনিলা।
জনে জনে ৰাইজক চাহাবে বিদায় দিলা ॥
হেন দেখি ৰাইজে তথা আলোচিয়া বৈলা।
ধাৰা দিব বুলি চাহাবৰ মহা ভয় হৈলা ॥
তাৰ পাছে চাহাবে চিপাহী পঠাই দিলা।
সুদা বন্দুক উকৰাই ৰাইজক পৰীক্ষা কৰিলা ॥
পাছে ৰাইজে বন্দুক উকৰা দেখা পাই।
ঘাৰ মোটকা মাৰি সৱে ভুকু ধল্লেক যাই ॥......[২৫]

(খ) 'পথৰুঘাটৰ ৰণ' (পথৰুঘাটৰ ৰণৰ লগত জৰিত মালিতা) ঃ

নমো নমো নাৰায়ণ নিত্য নিৰঞ্জন।
ব্ৰহ্মা হৰে চিন্তে যাৰ অৰুণ চৰণ ॥
নমো নমো নাৰায়ণ চৰণ যুগল।
যাহাক সেৱিলে পায় মোক্ষ পদ ফল ॥.....
সাধু মহন্তক মই কৰো নমস্কাৰ।
দলি পুৰাণৰ পদ কৰিবো প্ৰচাৰ ॥
তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত।
কালেইগাঁৱৰ বৰ বাগিছাত হৈলা হাট ॥
কতই বেছে আলু কচু কতই বেছে পাণ।
এইদৰে কালেইগাঁৱৰ হৈলা হাট খান ॥
কতই বেছে হাহ-পাৰোৱা কতই বেছে ডিমা।
ৰাজ খাজনা বঢ়াৰ কথা কৈ নাপাও সীমা ॥
শিলেইকুছিৰ গাঠিয়া বুঢ়াই আলু বেছৰা যায়।
সদায় আলু বেছি বুঢ়াই পইচা থাকে পায় ॥
কিমানত কিমান দৰ চাহাবে নেই লেখি।
সদায় আলু বেছা বুঢ়াক চাহাবে আছে দেখি ॥
এক পইচাৰ আলু ডোখোৰ ভাগ প্ৰাতি থলা।

২৫. শ্ৰীচিত্ৰাহৰণ কলিতাই শালপুৰ গাঁৱৰ এগৰাকী কণা ভকতৰপৰা সংগ্ৰহ কৰা আৰু প্ৰফুল্ল কুমাৰ ৰায়চৌধুৰীৰ 'উত্তৰ কামৰূপ আৰু দৰঙত কৃষক বিক্ষোভ' নামৰ প্ৰবন্ধত প্ৰকাশিত, প্ৰবাহ, কেশৱ মহন্ত সম্পা, ১ম/৮ম, গুৱাহাটী, ১৯৫৩, পৃ.৪১০

হাট ফুৰি চাহাবে যাই বুঢ়াক দেখা পালা ॥
এইটো কি বুলি চাহাবে বুঢ়াক সোধেই ।
ইয়াৰ নাম আলু বুলি বুঢ়াই কয়েই ॥
বুঢ়াই পাছে ছল পাই কথা কয় ভাঙি ।
মোৰ আলু হৈছিল হজুৰ দুই মুহনিৰ সাঙী ॥
চাহাবে বোলে বুঢ়া তুমি শুনা দিয়া মন ।
আজি আলু বেছি বুঢ়া কিমান পালি ধন ॥
দাত চেলেই চেলেই বুঢ়াই কোৱাৰ ছল পাই ।
আজি আলু বেছা হজুৰ একো পইচা নাই ॥
পইচাৰ আলু ডোখৰ ভাগ পাতি থলো ।
কোনো মতে আলু বেছি টকা তিনটা পালো ॥
বছৰত মাটি বুঢ়া ৰোৱা কেই দোণ ।
ভাৰখানত আলু বুঢ়া আনাহ কেই মোন ॥........
ভাবি চিন্তি চাহাবে উপায় নাপাই ।
ভালেতো বাগিছাত কুলিক নাপাই ॥
গায়ে গায়ে ধনী হ'ল কুলি আন্‌বা নৰো ।
যেন্‌কে তেন্‌কে দুখীয়া হক খাজানা বেছি কৰো ॥
এই বুলি মহাৰাণীক ৰিপোৰ্ট দিলা লিখি ।
মহাৰাণী হুকুম দিলা কাগজ খান দেখি ॥
মহাৰাণীৰ হুকুম আহি মঙ্গলদেই পালা ।
চাহাবে দস্তখত কৰি তহচিলদাৰক দিলা ॥
তহচিলদাৰে পৰনা লিখি গাওবুঢ়াক দিলা ।
গাওবুঢ়াই আহি পাছে ঘৰে ঘৰে কলা ॥
গাওবুঢ়াই বোলে ৰাইজ হৱালাগা হ'ল ।
পাচ সিকীয়া প্ৰতি খাজনা পাচ টকীয়া হ'ল ॥
দুতিৰাম বামুণে চিঠি লেখেই গাত নাই উলি ।
মঙ্গলবাৰে পথৰুঘাটত মেল হবো বুলি ॥
এই বুলি বাঘে খাৱাই চিঠি লিখিলা ॥
তিনি দিনৰ মূৰত যাই মঙ্গলবাৰ হৈলা ॥
সেই দিনা ওলাল ৰাইজ ভাত-পানী খাই ।

সকলো ৰাইজে ওজৰ কৰো তহচিলদাৰক যাই ॥
ৰাইজে উঠি বোলে হুজুৰ খাজনা দিবা নৰো ।
পাচ টকীয়া খাজনা আমি কেন্‌কে আদায় কৰো ॥
পাচ সিকীয়া খাজানাকে দিবাৰ উপায় নাই ॥
এই বুলি ৰাইজে কয় আগবাঢ়ি যাই ॥
কথা শুনি তহচিলদাৰে ৰাইজৰ দিকি চাই ।
হাঁহি মাৰি কথা কয় মুখ পিৰিকাই ॥
তহচিলদাৰে বোলে ৰাইজ কিনো উপায় কৰো ।
মহাৰাণীৰ হুকুম মই লৰাব যে নৰো ॥
যি হৌক সি হৌক ৰাইজ ঘৰলৈ যাৱা ।
পৰহি চাহাবত আসি সবে কথা কৰা ॥.....
কৈৰ পৰা কোন মেনা গেল সাৱধানে ।
শুনাহা সকলো কথা একচিত্ত মনে ॥
বৰাবেৰীযা যুগী গৈলা হাতত টোকান ধৰি ।
বিয়াহুপেৰীয়া গণক গৈলা দীঘল ফোটা মাৰি ॥
ঠেক্ৰাবেৰীয়া ধনী গৈলা চাউলৰ বেপাৰী ।
পদীপৰায় পাটগিৰি গৈলা গোফ মোচাৰি ॥....
কোন কিমান মানুহ গেল তাৰ সীমা নাই ।
কৰপেৰে কোন গেল সীমা সংখ্যা নাই ॥
কতো গেল কোচ কলিতা কতো গেল হীৰা ।
দুৰেইবেটীয়া বাপুসৰে কিনি নিলা চিৰা ॥
কতো গেল বামুণ গণক কতো গেল সুৰী ।
এইদৰে মেলক মেনা গেল চৌদ্ধ কুৰি ॥.....
সকল ৰাইজে ওজৰ কৰেই চাহাবত যাই ॥
ৰাইজে উঠি বোলে হুজুৰ খাজনা দিবা নৰো ।
পাচ টকীয়া খাজনা কেন্‌কে আদায় কৰো ॥
পাচ সিকীয়া খাজনাকে দিবাৰ উপায় নাই ।
কলাজেৰীয়া মাণিকে আগবাঢ়ি কয় যাই ॥
হেন শুনি চাহাবে মনে গুনি চাই ।
হাতযোৰ কৰি কয় ৰাইজৰ দিকি চাই ॥......

চাহাবক ঠেলি বাইজ আগবাঢ়ি গৈলা ॥......
হেন দেখি চাহাবৰ মনে ভয় ভৈলা ।
হাতে হাতে বন্দুক লই চিপাহী ওলাইলা ॥
হাৱালদাৰ চাহাব ওলাল কৰি গুপ্ গুপ্ ।
বাইজৰ দিকি চাই বোলে থাক চুপ্ চুপ্ ॥
এই বুলি চাহাবে কথা কয় ভেদি ।
চিপাহীয়ে বাইজক পাছে নিলা খেদি ॥
খেদা খাৱা বাইজৰ গাত নাই উলি ।
ঢেকী থোৰা লই গেল উজাৰ কৰো বুলি ॥
হেন দেখি চাহাবৰ গাত তৎ নাই ।
চিপাহীক হুকুম দিলা বন্দুক দিয়া যাই ॥
কথা শুনি বাইজেও মনে শুনি চাইলা ।
মনে মনে ভাবি-চিন্তি হাতে ফৰ্বট লৈলা ॥
ৰঙাই মাৰে দলি চপৰা লয়নে মাৰেই খৰি ।
ফৰ্বট পৰি চাহাবৰ টুপি গেল উৰি ॥
তেতিক্ষণে চিপাহীয়ে বন্দুক মাৰিলা ।
বন্দুকৰ চোটত কতো বাগৰি পৰিলা ॥.....
প্ৰথমতে শিশু মৰিল গলত পৰি গুলি ।
বাইজসকল লৰ মাৰেই খাৱা দিলা বুলি ॥
প্ৰাণহৰি মৰি গেল বুকুত পৰি গুলি ।
সকল বাইজ লৰ দিলা মানুহ মাৰে বুলি ॥
লয়নু কোচ লৰ মাৰেই বৰ কথা কই ।
ৰঙা সোলোং লৰ মাৰেই হাতে ফৰ্বট লই ॥
পথৰু সেখ লৰ মাৰেই কেনে পালি জুতি ।
খাতু সুৰী লৰ মাৰেই কৰি আতিমুতি ॥
জুৰণ কোচ লৰ মাৰেই লৰৌ ফৰৌ কৰি ।
সাত কুৰি বাইজ মৰি থাকিল দাত চেলেই পৰি ॥.....
ভাঠিবাই গাওবুঢ়াৰ ছিঙি গেল গোৰা ।
গুলি পৰি মৰিল অজান বামুণৰ ঘোৰা ॥......
বাটত আহা ভিখুকে আছিল মেলু চাই +-

গুলি পৰি মৰি থাকিল হামকুৰি খাই ॥
চাউল গেল চৰু গেল আৰু গেল চিৰা।
পেটত গুলি পৰি মৰিল মিঞা ৰৰালিকিৰা ॥......[২৬]

(ঘ) জনশ্ৰুতিমূলক মালিতা (Legendary ballad) ঃ যি মালিতাত জনশ্ৰুতিগত কাহিনী একোটি বৰ্ণিত হয় সেই মালিতাক জনশ্ৰুতিমূলক মালিতা বোলে। জনশ্ৰুতিগত কাহিনী আৰু পুৰাণগত কাহিনীৰ মাজত অনেক ক্ষেত্ৰত মিল দেখা যায়। পুৰাণ-কাহিনীৰ দৰে জনশ্ৰুতিগত কাহিনীটো-যি অঞ্চলত বা যি সমাজত প্ৰচলিত সেই সমাজৰ জনগণে সেই কাহিনীটো সত্য ঘটনাৰ ইতিবৃত্ত বুলি ভাবে। জনশ্ৰুতিগত কাহিনীত এনে এছোৱা সময়ৰ পৰিচয় পোৱা যায়-যি সময় বৰ্ত্তমানৰ সময়তকৈ কিছু বেলেগ। জনশ্ৰুতিগত কাহিনীত বৰ্ত্তমান জগতৰ লগত সাদৃশ্য থকা স্থানৰ বৰ্ণনা পোৱা যায়। এই জাতীয় কাহিনীত ধৰ্মীয় বা ধৰ্মনিৰপেক্ষ অভিবৃত্তি অভিব্যঞ্জিত হ'ব পাৰে। জনশ্ৰুতিগত কাহিনীৰ প্ৰধান চৰিত্ৰবোৰ মানৱৰ ভিতৰতে প্ৰায়ে সীমিত থাকে।

জনশ্ৰুতিগত কাহিনীৰ উপৰোল্লিখিত বৈশিষ্ট্য ৰাজি জনশ্ৰুতিগত মালিতাতো পৰিলক্ষিত হয়। ইয়াৰ বাহিৰে স্থানীয় ঐতিহাসিক বৰ্ণনায়ো জনশ্ৰুতিগত মালিতাত স্থান পাব পাৰে। প্ৰত্যেকটো অঞ্চলতে সুকীয়া সুকীয়া কিছুমান লোক ইতিহাস বিষয়ক ঘটনা বা কাহিনী মুখ-পৰম্পৰা প্ৰচলিত। এনে জাতীয় বিষয় বা ঘটনাৰ আধাৰতো জনশ্ৰুতিগত মালিতা ৰচিত হয়। জাতীয় আৰু সামাজিক নায়ক ঃ ন্যায়বান নায়ক অথবা অৰ্ধামিক নায়ক, স্থান, নদী, পৰ্বত-পাহাৰ, হ্ৰদ-পুখুৰী, অতীতৰ ভাস্কৰ্য্য আদি বিষয়ক কেন্দ্ৰ কৰিয়ো জনশ্ৰুতিগত মালিতা ৰচিত হ'ব পাৰে।

জনশ্ৰুতিগত মালিতাই লোক ইতিহাসৰ বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব পাৰে। লিখিত ইতিহাস নোহোৱা জন সমষ্টিৰ মাজত জনশ্ৰুতিগত মালিতাই লোক ইতিহাসৰ প্ৰকাৰ্য্য সাধন কৰি অহা দেখা যায়। এই জাতীয় মালিতাৰপৰা লিখিত ইতিহাসৰ অনেক সমল গ্ৰহণ কৰা হয়।

জনশ্ৰুতিগত মালিতাৰ উদাহৰণ স্বৰূপে অসমীয়া ভাষাত প্ৰচলিত 'সতী ৰাধিকাৰ গীত', 'পাৰিজাতীৰ গীত', 'কেন্দুকলাইৰ গীত', 'বেউলা-লখাইৰ গীত', 'বৰনদীৰ গীত', 'ভৰলীৰ গীত' আদিলৈ আঙুলিয়াব পাৰি। অসমৰ জনজাতীয় ভাষাতো জনশ্ৰুতিগত মালিতা পোৱা যায়। জনশ্ৰুতিগত মালিতাৰ উদাহৰণ স্বৰূপে তলত 'সতী

২৬. দীনেশ্বৰ শৰ্মা [সম্পা]. *পথকথাটিৰ বণ*, ব্যসপাৰা, ছপাধাব, ১৯৫৭, পৃ. ১৬-২৭)

বাধিকা' বা 'বাধিকা শান্তিৰ গীত'টো দিয়া হ'ল :

দিহা : অ নাম বয়বে।
অ নাম বয়বে ॥

পদ : নামাতিয়া ডেকাগিৰি মৌনে বহি আছে।
শঙ্কৰ গোমোস্তাই যাই শান্তি বিচাৰিছে ॥
সেহি সময়ে নদীয়াল ভাৰ্য্যাসমে গৃহে চলি যায়।
হাসিতে হাসিতে সিটো স্বামীত কই যায় ॥
মাটি পানী তুমি ভাল কৰি লবা।
মোত কৰি শান্তি তুমি আৰ কৈত পাইবা ॥
ভাৰ্য্যাৰ কথা নদীয়াল পেলাইতে নোৱাৰিলা।
দুয়ো যায় শঙ্কৰৰ থানে উপস্থিত ভৈলা ॥
শঙ্কৰে বোলে আই নদীয়ালৰ জীয়া।
নদী হন্তে এক পলো জল আনি দিয়া ॥
পাৰা কি নোৱাৰা জল আনিব ভাবি চোৱা।
পাৰো কি নোৱাৰো তুমি পৰমাণ লোৱা ॥
এহিবুলি শান্তি শঙ্কৰৰ আগে প্ৰণাম কৰিলা।
দুইহাতে তুলি পলো কান্ধে তুলি লৈলা ॥
ব্ৰহ্মকুণ্ড নামে নদী দক্ষিণ দিশে আছে।
শঙ্কৰক স্মৰিয়া জলে বুৰাইলা পলো পাছে ॥
দুইহাতে তুলি পলো কান্ধে তুলি লৈলা।
শঙ্কৰৰ আগে শান্তি চাণ্ডে তুলি থৈলা ॥
শঙ্কৰে দেখিলা জল আনিলা পলোত।
কিন্তু চাৰি আঙুল জল কমিল কিমত ॥
শঙ্কৰে বোলে শান্তি নদীয়ালৰ জী।
এক গুটি পাপ তুমি কৰি আছা কি ॥
শান্তি বোলে মই কৰি আছো পাপ গুৰুতৰ।
এক দিনা ৰান্ধি আছো ভাত গৃহৰ ভিতৰ ॥
ভাত দিতে কলপাত লাগয় কাটিতে।
কিন্তু সেহি সময়ে স্বামী নাছিল বাৰীতে ॥
হেন সময়তে আসিলা আমাৰ বন জোৱাই।

এতেকে কাটি আনি তাহাৰ সমুখে দিলোহো পেলাই ॥
কাটি দিওতে মোৰ মুখ খান জোৰাই দেখিলা ।
সেই গুটি পাপ আহি আমাত সিজিলা ॥
শঙ্কৰে বোলে শান্তি শুনিলো ইটো পাপ ।
পুনৰ জল আনা যায় এৰিয়া তাপ ॥
শুনিয়া আদেশ শান্তি মনে চিন্তি হৰি ।
হাতে লৈলা পলো শঙ্কৰক সেৱা কৰি ॥
ব্ৰহ্মকুণ্ড নামে নদী দক্ষিণ দিশে আছে ।
হাতে পলো ধৰি শান্তি চলিলা পাছে ॥
শঙ্কৰক স্মৰি শান্তি পলো বুৰাইলা জলত ।
দুই হাতে তুলি ধৰি পলো লৈলেক কান্ধত ॥
শঙ্কৰৰ আগে শান্তি চাণ্ডে তুলি থৈলা ।
দেখে জল চাৰি আঙুল লক মোৰা (বেছি) ভৈলা ॥
দেখা দেখা বিপ্ৰসৱ দেখা কিনো বিপৰীত ।
অজাতিতো শান্তি আছে দেখা ইপুৰীত ॥.
দেখা দেখা বিপ্ৰগণ দেখা কিনো অশোভন ।
বৈশ্যৰ হাতে তোম্ৰা কৰি আহাহা ভোজন ॥
শঙ্কৰ মাধৱৰ কথা মাঠে তুলি লৈলা ।
এহিবুলি ৰাখিকাই জানত মাটি দিলা ॥
শঙ্কৰে বোলে শান্তি মোৰ কথা শুন ।
তোমাৰ সাতাম পুৰুষৰ হৈয়ে বৈকুণ্ঠে গমন ॥
শঙ্কৰে বোলে শান্তি মোৰ কথা ধৰ ।
তোমাৰ স্বামী থাকন্তোক যাবৎ চন্দ্ৰ দিবাকৰ ॥ [২৭]

এই গীতটো শুৱালকুছিত প্ৰতি বছৰে অনুষ্ঠিত 'মাধৱদেৱৰ কীৰ্ত্তন'ৰ প্ৰসংগত আইসকলে (মহিলাসকলে) কৰতাল বজাই আৰু চাপৰি মাৰি সুৰ লগাই আবৃত্তি কৰে । বৰ্ত্তমানো ই জীৱন্ত পৰম্পৰা ৰূপে চলি আছে । পুৰাণগত মালিতাৰ দৰে জনশ্ৰুতিগত মালিতা ধৰ্মীয় অনুষংগত আবৃত্ত হ'ব পাৰে ।

(ঙ) যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা (Magical or Wonderous or Supernatural ballad) : যি মালিতাৰ মাধ্যমেদি যাদুমূলক বা বিস্ময়াবহ বা

২৭. সংবাদদাত্রী : শ্ৰীমতী হেমলতা ভকালী (৪৫), বাঘোৰী, শুৱালকুছি, ২১/৩/৮৬ । সংবাদদাত্রীয়ে এই গীতটো মাকৰপৰা শিকিছিল ।

আলৌকিক কাহিনী এটি বৰ্ণিত হয় সেই মালিতাৰ নাম যাদুমূলক বা বিস্ময়াৱহ বা অলৌকিক মালিতা। অথবা যি মালিভাত যাদুমূলক বা বিস্ময়াৱহ বা অলৌকিক উপাদানে প্ৰাধান্য লাভ কৰে সেই মালিতাক যাদুমূলক বা বিস্ময়াৱহ বা অলৌকিক মালিতা বোলা হয়। কোনো কোনো পণ্ডিতৰ মতে যাদুমূলকতা মালিতাৰ অন্যতম উপাদান। যাদুমূলক মালিতাৰ প্ৰকৃতিত যি ৰহস্য বা প্ৰহেলিকা ৰক্ষিত হৈ আছিছে সেই ৰহস্য বা প্ৰহেলিকা আজিলৈকে কোনোৱে সমাধান কৰিব পৰা নাই। সাধাৰণতে এজন সাধাৰণ মানুহৰ অলৌকিক জগতৰ সৈতে সংঘটিত সংঘৰ্ষ আৰু অলৌকিক শক্তিৰ সহায়ত তেওঁ অলৌকিক কাৰ্য্য সম্পাদন কৰাৰ বৰ্ণনাই যাদুমূলক মালিতাত প্ৰাধান্য লাভ কৰে। সেইফালৰপৰা যাদুমূলক মালিতাক ৰোমাঞ্চ আখ্যা দিব পাৰি। এইবিধ মালিতাত একক নায়কৰ প্ৰাধান্য পৰিলক্ষিত।

দ্বিতীয়তে, যাদুমূলক মালিতাত প্ৰতি নায়কো থাকিব পাৰে। তেনেদৰে এইবিধ মালিতাত নায়িকা আৰু প্ৰতিনায়িকাৰ স্থিতিয়ো অস্বীকাৰ কৰিব নোৱাৰি।

তৃতীয়তে, যাদুমূলক মালিতাত এখন আচৰিত জগতৰ প্ৰতিফলন লক্ষ্য কৰা যায়; যিখন জগতত আদিম সমাজে সৰ্বজীৱবাদত বিশ্বাস স্থাপন কৰিছিল। যাদুমূলক মালিতাত আদিম সমাজে বিশ্বাস স্থাপন কৰা সৰ্বজীৱবাদত গুৰুত্ব দিয়া দেখা যায়।

চতুৰ্থতে, যাদুমূলক মালিতাত জীৱ-জন্তু, প্ৰাকৃতিক শক্তি আৰু বস্তুক মানৱীকৰণ কৰিবলৈ প্ৰয়াস কৰা দেখা যায়।

অসমীয়া ভাষাত ৰচিত আৰু বৰ্তমানলৈকে সংগৃহীত যাদুমূলক মালিতাসমূহৰ ভিতৰত 'মণিকোঁৱৰৰ গীত', 'ফুলকোঁৱৰৰ গীত', 'কমলাকুঁৱৰীৰ গীত', 'তেজীমলাৰ গীত', 'জনা গাভৰুৰ গীত', 'চিকণ সৰিয়হৰ গীত' আদি উল্লেখযোগ্য। ডিমাছা-সংস্কৃতিতো যাদুমূলক মালিতাৰ প্ৰচলন লক্ষ্য কৰা যায়; যেনে ঃ 'স্নেমদুৰী', 'আমালুহ-ডিমালুহ' ইত্যাদি।

(চ) ব্যংগ্যাত্মক মালিতা (Satirical ballad) ঃ সামাজিকভাবে অন্যায় বা অশোভন বা অনুচিত আচৰণ বা কাৰ্য্যাৱলীক ব্যংগ্য কৰি ৰচিত হোৱা মালিতাবোৰক ব্যংগ্যাত্মক মালিতা বুলিব পাৰি। ব্যংগ্যাত্মক মালিতাৰ উদ্দেশ্য সমাজ সংশোধন বা সংস্কাৰ। সাধাৰণতে এই জাতীয় মালিতাবোৰ মুখে মুখে ৰচনা কৰে— ভাউৰা, ভাউৰীয়া, ভাইৰা, বহুৱা, ওজাপালি, ঢুলীয়া আদি চৰিত্ৰই। ব্যংগ্যাত্মক মালিতাৰ সংখ্যা কম নহয়; কিন্তু পৰম্পৰাত এইবোৰৰ প্ৰচলনহে কম। মালিতাৰ অন্যতম প্ৰধান বৈশিষ্ট্য কাহিনী; কাহিনীৰ ওপৰত কিন্তু ব্যংগ্যাত্মক মালিতাই তুলনামূলকভাৱে কম

গুৰুত্ব দিয়ে। এইবিধ মালিতাত সম্পূৰ্ণ কাহিনী এটি নাথাকিলেও কাহিনীৰ আভাস পাব পাৰি। সেইবাবে এইবোৰকো মালিতা বোলাত বাধা নাই। কানীয়া, চাহৰ অপকাৰিতা, চাৰ্কাচদলৰ টকা ঘটা উপায়, মন্ত্ৰী, এম. এল. এ, বিষয়া, মৌজাদাৰ, গাঁওবুঢ়া আদিৰ অসামাজিক কাৰ্য্যাবলী, ৰোৱা-কটাত অসাঠন মহিলা, স্বামীক হত্যা কৰা নাৰী, শাক-পাচলি, মাছ-মঙহ নোপোৱা দুৰ্দিন সময় আদি ব্যংগ্যাত্মক মালিতাৰ বিষয়বস্তু হ'ব পাৰে। নিংনা ভাউৰাৰ নামত প্ৰচলিত ৰুচিবিহীন গীতবোৰকো ব্যংগ্যাত্মক মালিতাৰ পৰিসীমাত সামৰিব পাৰি। নামনি অসমৰ ঢুলীয়াসকলে প্ৰদৰ্শন কৰা ছঙবোৰ প্ৰায়ে ব্যংগ্যাত্মক মালিতাৰ আবৃত্তি আৰু তাৰ লোকধৰ্মী নাট্যানুষ্ঠানৰ ওপৰত নিৰ্ভৰশীল। শোষিত আৰু নিৰ্য্যাতিত জন-সম্প্ৰদায়ে ব্যংগ্যাত্মক মালিতা আৰু তাৰ অভিনয়ৰ সংযোগত শোষক আৰু অত্যাচাৰীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে।

ব্যংগ্যাত্মক মালিতাৰ পৰিসীমাত সামৰিব পৰা অসমীয়া মালিতাৰ ভিতৰত 'ভূইকঁপৰ গীত', 'ভাউৰাৰঘৰ', 'মলুৱাৰ গীত', 'নাহৰৰ জুনা', 'যতনৰ গীত', 'ওকণিৰ যম', 'চাহ-পুৰাণ', 'বেল্‌গা-পুৰাণ', 'পচলা-পুৰাণ' আদি সামৰিব পাৰি। ব্যংগ্যাত্মক মালিতাৰ উদাহৰণ স্বৰূপে তলত এটি বানপানী বিষয়ক মালিতা দিয়া হ'ল। মনসা-পূজাৰ লগত সম্পৃক্ত ওজাপালি অনুষ্ঠানে তাল বজাই এই গীতটি আবৃত্তি কৰে।

বানপানীৰ গীত

দিহা ঃ *অ মোৰ ভাইহত ঐ*
ৰাইজৰ কি বিলাই হ'ল ॥

পদ ঃ *পুহৰ মাহত কংগ্ৰেছ গবৰ্ণমেণ্টৰ*
মনত লাগিল দুখ।
বানপানী দেখি মথাউৰি দিলা
ৰাইজৰ হৈব সুখ ॥
মাঘৰ মাহত কংগ্ৰেছ গবৰ্ণমেণ্টে
মনে মনে ভাবি আছে।
পছিমৰ বঙালে অসমত আহি
পুৰাণ খণ্টাবোৰ চাচে ॥
ফাগুন মাহত কংগ্ৰেছ গবৰ্ণমেণ্টে
বান্ধি দিলা মথাউৰি।

চৈত্ৰৰ মাহত ধুমুহা বতাহে
ধূলি কৰি লৈ গেল উৰি ॥
বহাগৰ মাহত দেউতাৰ গৰ্জনি
মনত লাগিল ভয় ।
পাব্লিক সকলে মনে মনে গুণে
বাইজৰ কি বিলাই হয় ॥
জেঠৰ মাহত ইন্দুৰ বগুৰাই
খান্দি কৰে গৰাগৰি ।
আহাৰ মাহত বানপানী আহি
ভাঙি দিলা মাথাউৰি ॥
ঘৰো দুবিলা চোতালো দুবিলা
ধানৰ খেতি হৈলা নষ্ট ।
পুৰাণ কালৰ তামোল পাণৰ
বাৰী সবে হৈলা ভ্ৰষ্ট ॥
হাহ ভাহি গৈলা পাৰা উৰি গৈলা
আৰু ভাহি গৈলা গৰু ।
কাহীয়ো দুবিলা বাটিও দুবিলা
ভাহি গেল ভাতৰ চৰু ॥
উপৰে উৰি যায় হেলিকপ্টাৰ গাড়ী
উপৰে ঘূৰে চকৰি ।
পাবলিক সকল ভয় নকৰিবা
আমি হৈবো সহায়কাৰী ॥
চাউল দিলা চিৰা দিলা আৰু দিলা মিঠৈ ।
তাকে খাব পাই পাবলিক মাথাউৰিত উঠৈই ॥
চাউল দিলা চিৰা দিলা আৰু দিলা কল ।
খাবা নাপাই ৰবৰ বুঢ়ী কৰে ধৰ্ফৰ্ ॥
তেলৰ পোৱাই হৈলা আঠ টকা কৰি
ধানৰ মোনে হৈলা আঠি (আশি) ।

এই সংসাৰত থাকিম কেন্‌কে

ভাইহত গলে লগাই মৰো ফাচী ॥ [২৮]

(ছ) বাস্তৱানুগ মালিতা (Realistic ballad) : যিবিলাক মালিতাত কম-বেছি পৰিমাণে জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ প্ৰতিফলন ঘটে আৰু সৰু-সুৰা ঘটনা আৰু প্ৰেম-প্ৰীতিৰ পৰিচয় পোৱা যায় তেনে মালিতাক বাস্তৱানুগ মালিতা বুলিব পাৰি। এইজাতীয় মালিতাত বিস্ময়াবহ ঘটনায়ো কেতিয়াবা স্থান পাব পাৰে। [২৯] বাস্তৱানুগ মালিতা নামনি অসমৰ বিশেষকৈ অবিভক্ত কামৰূপ জিলা আৰু নৱগঠিত দৰং জিলাত পোৱা যায়। কামৰূপ জিলাত সাম্প্ৰতিককালে সংগৃহীত বাস্তৱানুগ মালিতাৰ ভিতৰত 'দুবলা শান্তিৰ গীত', 'সাউদৰ গীত', 'কন্যা বাৰমাহী', 'হৈদোৰ গাজীৰ গীত', 'পগলা-পাৰৱতীৰ গীত', 'ন-বোৱাৰীৰ বুকুৰ সুৰ-গীত'; আৰু দৰঙৰ 'বামুণ-পোৱাৰ গীত' বা 'বামুণ-পুৰাণৰ গীত' বিশেষকৈ উল্লেখযোগ্য। 'বামুণ-পোৱাৰ গীত' বা 'বামুণ-পুৰাণৰ গীত'ৰ কিছু অংশ তলত দিয়া হ'ল; যেনে :

এহিমানৰ কথাগিলা সেহিমানে থও।
বামুণ-পুৰাণৰ কথা দুই চাৰিষাৰ কও ॥
ভাটী দেশৰ বামুণ ঠাকুৰ উজান দেশে যায়।
উজান দেশে যাই বামুণে বহু টকা পায় ॥
টকা পাই বামুণে মনে হৈলা বুধি।
উজান দেশে যাই বামুণে ঝীয়া পেল্লা সুধি ॥
বিয়া হৈ বামুণে খাই-লই আছেই।
পৰৰ দেশত থাকা ঠাকুৰ পৰৰ গালি খাই ॥
আপোন দেশে যাৱা ঠাকুৰ কহিলো বুঝাই।.....
আপোন দেশে যাও বুলি ডাক-মহৰীক কলা।
বাৰ আনা এক পইচা দি টিকট কিনি ললা ॥
আগে নিলা বামুণক বামুণীক নিলা পাছে।
খোটেলি খোটেলি কৰি বামুণ-বামুণীক বহাইলা ॥
পূব পচিম উত্তৰ দক্ষিন চকু ফুৰাই চাল্লা।
পচিম কোণাৰ দিকি চাহাবে বামুণীক দেখা পালা ॥
বামুণীৰ ৰূপ দেখি চাহাবে আছেই চাই।
মাচিয়াবপে নামি চাহাব খালাচিৰ প্ৰোবক যায় ॥

২৮. সংবাদদাতা : শ্ৰীকুশল চন্দ্ৰ শৰ্মা, বিজুলপাৰ, কামৰূপ, ১১/১/৮৮
সংগ্ৰাহক : শ্ৰীপুৰুষোত্তম গোস্বামী, অধ্যাপক, উত্তৰ গুৱাহাটী কলেজ
২৯. P. Goswami, *op-cit*, p.51

চাহাবে বোলে খালাচিহত মোৰ কথা বুজি লউ ।
বামুণক মাৰি বামুণীক মেম কৰি থউ ॥
কাবৌ কচ্ছু কাটাৰ কচ্ছু দুই চৰণে ধৰো ।
বামুণ মাৰা পাপ হুজুৰ আমি লবা নৰো ॥
হেৰৌ হেৰৌ খালাচিহত টকা বক্‌চিচ দেও ।
বামুণক মাৰি বামুণীক মেম কৰি নেও ॥
এহিমতে খালাচিহত বামুণৰ গোৰক যায় ।
হয়নে হয়নে ঠাকুৰ তুমি ইনজিন্‌ দেখা নাই ॥
বামুণে কয় ভাই মই কিনো চাও ।
যদি ইনজিন দেখ্‌বা নে তাকে চাবা যাও ॥
এহিমতে বামুণক ইনজিন দেখ্‌বা নিলা ।
কয়লা দিয়া কোঠাটোত বামুণক ঢকা মাৰি দিলা ॥
ঢকা মাৰি দি বামুণক কয়লা জাপি দিলা ।
লৰালৰি কৰি দজ্‌জা বন্ধ কৰি থলা ॥......
হেৰৌ হেৰৌ খালাচি মোৰ বুধি লউ ।
জাহাজত কৰ মানুহ মচ্ছি মোৰ আগত কউ ॥.....
হেৰেই হেৰেই বামুণী তই মোৰ বুধি লউ ।
কি অথন্তৰ হৈছে তোৰ মোৰ আগত কউ ॥
এইখিনি বয়সে হুজুৰ বান্দী হলো বাৰী ।
অকাৰণে জাহাজত মোৰ স্বামীক পেল্লা মাৰি ॥
হেৰৌ হেৰৌ বামুণী মোৰ বুধি লউ ।
তোৰ স্বামীৰ কি চিন আছিল মোৰ আগত কউ ॥
হেৰেই হেৰেই হুজুৰ চাহাব কও শুন মই ।
মোৰ স্বামীৰ বাও ভৰিত ছয় আঙুলি আছেই ॥
এহিমতে বৰ চাহাবে চাবি আন্‌বা দিলা ।
নিজ হাতে বৰ চাহাবে দজ্জা খুলি পেল্লা ॥
পূব পচিম উত্তৰ দখিন চখু ফুৰেই চালা ।
ছয় আঙুলীয়া ভৰিখান জুইত দেখা পালা ॥
ছয় আঙুলীয়া ভৰি আনি বামুণীৰ আগে দিলা ।

হা স্বামী বুলি বামুণী হুক্‌হুকুকে কান্দবা ধল্লা ॥
হেৰেই হেৰেই বামুণী তোৰ এইখান হ'ল গতি ।
তিনিদিনীয়া কাজৰ তই কিনো কচ্ছা মতি ॥.......
চাহাবে বোলে টকা দিলো পইচা দিলো আৰু দিলো থই ।
তাত কৰি আৰু মোৰ একো দিবৰ নাই ॥
এহিমতে বামুণী পাতিলা বামুণৰ দহা কাজ ।
গাজি কল খাই উঠি মানুহগিলা দহাদিহি যায় ॥ [৩০]

বাৰমাহী গীত : বাৰমাহী গীতবোৰ মালিতাৰ এটি বিশেষ অংশ । ভাৰতৰ আন আন প্ৰদেশত বাৰমাহী গীত, 'বাৰমাসী' বা 'বাৰমাসা' গীত ৰূপে পৰিচিত । অসমৰ বাহিৰে ভাৰতৰ আন আন অঞ্চলত চৌমাসা (অৰ্থাৎ চাৰিমাহ) আৰু 'ছয়মাসা' (অৰ্থাৎ ছয়মাহ) গীতৰ পৰম্পৰাও প্ৰচলিত । 'বাৰমাহী' নামটো এই জাতীয় গীতৰ বিষয়বস্তুৰ সংযুক্তিৰ প্ৰতি লক্ষ্য কৰিহে দিয়া হৈছে । এইবিধ মালিতাত বছৰটোৰ বাৰমাহৰ বৰ্ণনা দিয়া হয় । বাৰমাহৰ প্ৰাকৃতিক পৰিৱৰ্তনে বিৰহিণীৰ মনোজগতত কৰা প্ৰতিক্ৰিয়াৰ বৰ্ণনেই বাৰমাহী গীতৰ মূল লক্ষ্য । বাৰমাহী গীত সাধাৰণতে মহিলাসকলে গায় । অৱশ্যে ওজাপালি অনুষ্ঠানৰ নিৰ্বাহিকাসকলেও বাৰমাহী গীত বাদ্য-যন্ত্ৰসহ আবৃত্তি কৰে । দুৰ্গেশ্বৰ নাথ ওঝাৰ মতে ব্যাস-ওজাপালিয়েও হেনো বাৰমাহী গীত গাইছিল । প্ৰাণেশ্বৰ ৰাভাৰ মতে 'মাৰে-গান'ৰ ওজা আৰু পালিসকলৰ মাজতো বাৰমাহী গীত গোৱাৰ পৰম্পৰা প্ৰচলিত । অসমীয়া ভাষাত বাৰমাহী গীতৰ সংখ্যা বৰ বেছি নহয় । বঙলা, ভোজপুৰী, মৈথিলী আদি ভাষাত বাৰমাহী (বাৰমাসা) গীতৰ সংখ্যা সৰহ । নামনি অসমত বাৰমাহী গীতৰ প্ৰচলন বেছি ।

বাৰমাহী গীতৰ বিষয়বস্তুৰ বিষয়ে ক'বলৈ গৈ ড° প্ৰফুল্লদত্ত গোস্বামীয়ে এনেদৰে কৈছে : "এজনী গাভৰুৱে হয়তো বিদেশত থকা গিৰিয়েকক স্মৰণ কৰি প্ৰত্যেক মাহৰ নিসৰ্গ জীৱনৰ পৰিৱৰ্তন আৰু নিজ অন্তৰৰ ক্ৰিয়া বৰ্ণনা কৰি গৈছে, নতুবা কোনো সাউদে ঘাটত নাও বান্ধি অজ্ঞাতভাৱে নিজৰ ঘৈণীয়েককে মাহৰ পাছত মাহ প্ৰণয় যাচি গৈছে— এয়ে বাৰমাহী গীতৰ সাধাৰণ বিষয়বস্তু ।"[৩১]

বাৰমাহী-গীতত কাহিনী বা কাহিনীৰ আভাস থাকে । সেইবাবে এইবিধ গীতক মালিতা বোলা হয় । কাহিনীৰ কথা নধৰিলে বাৰমাহী গীতক ঋতুগীত বা বিলাপ-গীত অথবা প্ৰেম-প্ৰণয় প্ৰধান গীত নাইবা বিৰহ-গীত বোলাত আপত্তি উঠিব নোৱাৰে ।

৩০. নবীন চন্দ্ৰ শৰ্মা : *অসমীয়া লোক সংস্কৃতিৰ আভাস*, গুৱাহাটী, ১৯৯৫, পৃ. ৩৬৭-৭০
৩১. প্ৰফুল্ল দত্ত গোস্বামী : *অসমীয়া জন-সাহিত্য*, গুৱাহাটী, ১৯৯৪, পৃ. ১৫-১৬

লিখিত সাহিত্যতো বাৰমাহী গীত-পৰম্পৰাৰ প্ৰচলন দেখা যায়। উদাহৰণ স্বৰূপে ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ৰাজত্বকালৰ কবি কবিৰাজ ৰাম নাৰায়ণ চক্ৰবৰ্তীৰ 'শকুন্তলা কাব্য'ত 'কামকলা-আখ্যান' বৰ্ণনাৰ প্ৰসংগত এটি বাৰমাহী গীত (বিৰহ বিষয়ক) উপস্থাপন কৰা হৈছে। তেনেদৰে হিন্দী কবি জায়সীৰ 'পদুমাৱত' কাব্যত নাগমতীৰ বিৰহ-বেদনাৰ বৰ্ণনা দিয়াৰ ক্ষেত্ৰত বাৰমাহী গীতৰ আংগিকৰ সহায় লোৱা দেখা যায়। 'নেপাল'তো বাৰমাহী গীতৰ পৰম্পৰা প্ৰচলিত। অৱশ্যে এই দেশত বাৰমাহী গীতক সূচোৱাৰ প্ৰসংগত 'সাচাঁ' অভিধাটিহে প্ৰয়োগ লক্ষ্য কৰা যায়। অসমীয়া বাৰমাহী-গীত আৰম্ভ হয় আঘোণ মাহৰপৰা। অন্যহাতে মৈথিলী, ভোজপুৰী বা হিন্দীভাষী অঞ্চলত আহাৰ মাহৰ পৰাহে 'বাৰহমাসী' বা 'বাৰহমাসে' গীত আৰম্ভ হয়। অৱশ্যে 'বাৰমাহী' বা 'বাৰহ মাসী' গীত কোন মাহৰপৰা আৰম্ভ হ'ব লাগে এই বিষয়ক কোনো পৰম্পৰাগত বা শাস্ত্ৰীয় নিয়মৰ চলতি নাই; যদিও এই গীতবোৰ সাধাৰণতে হয় চ'ত মাহৰপৰা নহয় আহাৰ মাহৰপৰা নাইবা আঘোণৰপৰা আৰম্ভ হোৱা ৰীতি পৰম্পৰাগতভাৱে চলি আহিছে।

মালৱ অঞ্চলত পৰম্পৰাগতভাৱে প্ৰচলিত 'বাৰহ মাসী' গীত এটি তলত দিয়া হ'ল। খেতি নিৰোৱা আৰু মাহ দলাৰ সময়ত নাৰীসকলে এই গীতটি গায়; যেনে :

সখি, লাগো অসাঢ়ে মাস, প্ৰভু বন চাল্যা ৰে।
চাল্যা, চাল্যা ৰে দুৱাৰ কানায়, হৰি মন্দৰ সূনো ৰে॥
ম্হাৰা প্ৰভুজী নে ৰাখ্যা বিলমায় কামণী কৰিয়া ৰে।
সখি, একসো দাসী নে সাথে, দূজী কুবজা ৰে॥
সখি, লাগো সাৱণ মাস, বিজেলা চমকে ৰে।
ঝীণী-ঝীণী পড় ৰহী বুন্দ সালুড়া ভীজে ৰে॥
সখি, লাগো ভাদৰ মাস, ঘটা ঘনঘোৰ হুই ৰে।
হুই ৰে, হুই ৰে দুখাৰী ৰাত, হৰি মন্দৰ সূনো ৰে॥
সখি, লাগো কুঁৱাৰে মাস, দসেৰো আয়ো ৰে।
ম্হাৰা প্ৰভুজী বিনা বো কুণ দসেৰো মনাৱে ৰে॥
সখি, লাগো কাৰ্ত্তিক মাস, দিপালী আই ৰে।
সখি, ঘৰে ঘৰে গোবৰ্ধন পুজায়, হৰি মন্দৰ সূনো ৰে॥
সখি, লাগো অগণে মাস, সিয়ালো আয়ো ৰে।
ম্হাৰা প্ৰভুজী বিনা বো কুণে সোড় পথাৱে ৰে॥

সখি লাগো পোসজ মাস, আঁগিয়া ফাটী ৰে ।
ম্হাৰা কিসনজী বিনা যো কুণ আঁগিয়া সিবাড়ে ৰে ॥
সখি, লাগো ম্হাৰজ মাস বসন বিতু অই ৰে ।
ম্হাৰা প্ৰভুজী বিনা যো কুণ বসন ৰমাৱে ৰে ॥
সখি, লাগো ফাগন মাস হোলী আই ৰে ।
সখি, ঘৰ ঘৰ ফাগে খেলায়, হৰি মন্দৰ সূনো ৰে ॥
সখি, লাগো চেতজ মাস গণগোৰ আই ৰে ।
সখি, ঘৰ ঘৰ গণগোৰ পুজায়ে, হৰি মন্দৰ সূনো ৰে ॥
সখি, লাগো বৈসাখ মাস, উণালো আয়ো ৰে ।
ঘৰ ঘৰ পংখা ডোলায়, প্ৰভু মন্দৰ সূনো ৰে ॥
সখি, লাগো জেঠজ মাস, প্ৰভু ঘৰ আয়া ৰে ।
আয়ো আয়ো সে জবানী ৰো জোস কসেনা টুটে ৰে ॥ [৩২]

বিৰহ সম্পৰ্কীয় বাৰমাহী গীত বিষয়বস্তুৰ ফালৰপৰা দুটা শ্ৰেণীত ভাগ কৰিব পাৰি ঃ (ক) আদিৰপৰা অন্তলৈকে বিৰহৰ বৰ্ণনা আৰু (খ) প্ৰথম এঘাৰ মাহত বিৰহৰ বৰ্ণন, শেষৰ অৰ্থাৎ দ্বাদশ মাহত নায়কৰ সৈতে নায়িকাৰ মিলন ।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, অসমীয়া বাৰমাহী গীত আঘোণ মাহৰপৰা আৰম্ভ হয়; কিন্তু বহাগ মাহৰপৰা আৰম্ভ হোৱা বাৰমাহী গীতৰ উদাহৰণো অসমীয়া ভাষাত নোহোৱা নহয় । উদাহৰণ স্বৰূপে তলত দিয়া বাৰমাহী গীতটো আৰম্ভ হৈছে বহাগ মাহৰপৰা । এই গীতটো 'মাৰে গান'ৰ ওজা আৰু পালিসকলে বৰমানী-পূজাৰ প্ৰসংগত আবৃত্তি কৰে । গীতটো তলত দিয়া হ'ল ঃ

বেউলা বাৰমাহী

বহাগৰ মাহতে প্ৰভু শিলে বৰহিলে ।
সেই ন- পানীৰ গুণে নানা ফুল ফুলে ॥
জেঠৰ মাহতে ৰ'দে কৰে হুৰাহুৰি ।
বৰ ঘৰটো ভাঙাইলে সে বিনা বাও মুৰালি ॥
আহাৰ মাহত প্ৰভু আকাশে কৰে আশা ।
বনেৰ ঢলিয়া চোকা সিও বান্ধে বাসা ॥
বন্ধু বন্ধু কৰে প্ৰভু থাকক যোৰক যোৰে ।
ময়ো অভাগিনী নাৰী ভাসি যাও অকলচৰে ॥

৩২. শ্যাম পৰমাৰ ঃ ভাৰতীয় লোক সাহিত্য, দিল্লী, ১৯৫৪, পৃ. ১১২

শাওণৰ মাহতে প্ৰভু বইছে নানা শালি ।
ন- ঘৰত লাগি আছে ইনা কুমুৰাৰ জালি ॥
ভাদৰ মাহতে প্ৰভু সকলো ফুলে কাহি ।
অভাগিনী বেউলাৰ জীৱন পৰি গেল বাহি ॥
আশিন মাহতে প্ৰভু সকলো টাঙ্গা ফুলে ।
অভাগিনী বেউলাৰ জীৱন হালি-জালি পৰে ॥
কাতিৰ মাহতে প্ৰভু কাটে নানান ঠানি ।
ঘুৰি ঘুৰি উঠে প্ৰভু মনৰে আগুনি ॥
আঘোণৰ মাহতে প্ৰভু কাটে নানা ধান ।
আনে খাই ঘাৰিয়া চোকা পাতে পৰে নয়ান ॥
পুহৰ মাহতে প্ৰভু শীতে বৰষিত ।
শীতৰ আগমনে প্ৰভু মুখে নহয় থিত ॥
মাঘৰ মাহতে প্ৰভু সকলো বলে মাথ ।
মৰা স্বামী ভাসাই লৈ যাও কায়ো নেদে মাত ॥
ফাগুনৰ মাহতে প্ৰভু পচোৱা বতাহ বয় ।
টোৰ কুৰতে ভেল কাষৰি নাচাপয ॥
চৈ'তৰ মাহতে প্ৰভু চিতলে চলায় বাও ।
জিভা তালু শুখাই যায় মুখে নাহে ৰাও ॥
উজানে বাজায় ঢাক-ঢোল ভাটিত বাজায় বাঁশী ।
ইয়াকে বৰ্ণাই থৈছি বেউলা বাৰমাসী ॥
বাৰ মাহে তেৰ খান লগিবে বুনিয়া ।
মই নাৰী ভাসি যাও উজান বানিয়া ॥ ৩৩

তলত দিয়া বাৰমাহী গীতটো আৰম্ভ হৈছে— চ'ত মাহৰ পৰা :

চৈত্ৰতে চকোৰাই কান্দে উজাগৰে ৰাতি ।
বহাগে বিনাৰে কুলি ঘনে উঠে মাতি ॥
জেঠৰে খৰতে শুখেই তিএলৰ জালি ।
আহাৰৰ আকাশে মেঘে দিয়ে কৰতালি ॥
শাওণে সঘনে পৰে বৰষুণৰ পানী ।

---

৩৩. সংবাদদাতা : শ্ৰী ধৰ্মেশ্বৰ সুত্ৰধাৰ (৬০), বংজুলি, গোৱালপাৰা

ভাদৰে বাৰিষাৰ বানে আহে মনজানি ॥
আহিনে সাদৰি আনে কুঁৱলিৰে ৰাতি ।
কাতিৰ তুলসীৰে তলে জ্বলি থাকে বাতি ॥
আঘণে বিহানে টানে পথৰৰে মাটি ।
পুহৰে চোতালত শোভে পকাধানৰ আটি
মাঘৰে দিনতে আহে চেচা বাৰে হাটি ।
ফাগুনৰ পৰাণে উঠে উলাহতে মাতি ॥ [৩৪]

এই গীতটিত বছৰৰ বিভিন্ন মাহৰ নৈসৰ্গিক পৰিবৰ্তনৰ বৰ্ণন চিত্ৰিত হৈছে; কিন্তু এই প্ৰাকৃতিক পৰিবৰ্তনে বিৰহিণীৰ অন্তৰত কি ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে তাৰ বৰ্ণন পোৱা নাযায় । দ্বিতীয়তে, গীতটিত পূৰ্ণ কাহিনী বা কাহিনীৰ সমলো ৰক্ষিত হোৱা নাই । গতিকে গীতটিক যথাৰ্থতে মালিতা বুলিব নোৱাৰি । বছৰটোৰ বিভিন্ন মাহ বা ঋতুৰ প্ৰাকৃতিক বৰ্ণনাই গীতটিত প্ৰাধান্য লাভ কৰিছে, এতেকে গীতটিক ঋতুগীত আখ্যা দিয়াহে উচিত ।

অসমীয়া ভাষাত ৰচিত আৰু বৰ্তমানলৈকে সংগৃহীত বাৰমাহী গীতৰ ভিতৰত 'মধুমতীৰ গীত', 'সীতাৰ বাৰমাহী', 'জয়ধন বনিয়াৰ গীত', 'তাৰা পটেশ্বৰীৰ বিলাপ', 'শান্তি বাৰমাহী', 'ৰাম বাৰমাহী', 'কন্যা বাৰমাহী' আদি উল্লেখযোগ্য ।

কণ্‌টে ফেবল (Cante-Fable) **:** যিবিলাক মালিতাৰ ঘটনা প্ৰবাহ প্ৰশ্ন আৰু উত্তৰৰ মাধ্যমেৰে পৰিণতিৰ ফালে অগ্ৰসৰ হয়, তেনে মালিতাক 'কণ্‌টে ফেবল' আখ্যা দিয়া হয় । উদাহৰণ স্বৰূপে 'কমলা কুঁৱৰীৰ গীত', 'তেজীমলাৰ গীত', 'পগলা-পাৰৱতীৰ গীত' আদি মালিতাৰ নামোল্লেখ কৰিব পাৰি ।

মালিতাৰ গায়ক : ভাৰতীয় পৰম্পৰামতে দূৰ অতীতৰপৰা মালিতা বা গাঁথাবোৰ সূত, গাঁথক, পৌৰাণিক, পাঠক আদি গায়কৰ জৰিয়তে আবৃত্ত হৈ আহিছে । সূত, গাঁথক, পৌৰাণিক, পাঠক আদি কথকৰ সুযোগ্য উত্তৰাধিকাৰী ওজাপালি অনুষ্ঠানে বৰ্ত্তমানো মালিতা বা গাঁথাৰ স্ৰষ্টা আৰু আবৃত্তিকাৰীৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণভাৱে পালন কৰি আহিছে । 'নাগাৰা-নাম', 'খুলীয়া ভাওৰীয়া', 'ঢুলীয়া', 'কুশান-গান', 'ভাৰীগান' আদি বিভিন্ন পৰিৱেশ্য কলাই বৰ্ত্তমানো মালিতা বা গাঁথাৰ সৃষ্টিত অবিহণা আগবঢ়াই অহাৰ লগে লগে গায়ক বা আবৃত্তিকাৰী ৰূপেও প্ৰকাৰ্য্য সাধন কৰি আহিছে । 'ব'ৰাগী' বা 'বীণ-ব'ৰাগী' সকলে বীণ বা বীণা বা টোকাৰী সংগত কৰি

---

৩৪ সংবাদদাত্ৰী : শ্ৰী পৰিমা দেৱী (১৭) চাওদাঙ্গিক্কাপাৰা, মঙ্গলদৈ ৫/৯/৯৫

মালিতা গাই গাই বিভিন্ন অঞ্চলত ঘুৰি ফুৰি জীৱিকা নিৰ্বাহ কৰিছিল। বংগদেশত বাউলসকলে মালিতা বা গাথাৰ স্ৰষ্টা আৰু গায়ক উভয়ৰে প্ৰকাৰ্য্য সম্পন্ন কৰাৰ অনুকূলে মত পোষণ কৰিব পাৰি। কোনো কোনো ধৰ্মীয় কৃত্য বা উৎসৱ অনুষ্ঠানৰ প্ৰসংগতো মালিতাৰ উদ্ভৱ হোৱা দেখা যায়। বিবাহ কৃত্যৰ সন্দৰ্ভত নামতী বা গীদেলী বা পদেতীহঁতেও মালিতাৰ লক্ষণ বিশিষ্ট বিয়ানাম বা বিয়াগীত বা বিয়াপদ গায়। এনেজাতীয় এটি গীত তলত দিয়া হ'ল ঃ

দিহা ঃ *ক'লা তুলেহী দোনালৈ দলিযেই*
অ মোৰ মন হৰি।

পদ ঃ *আই ওলেহ চাইছি, মোৰ মাঁয়া আহ্‌ইছি*
টিঙৰে জহা চাউল বান্ধো মোৰ মন হৰি।
পিতাই ওলেহ চাইছি, মোৰ মাযা আহ্‌ইছি
কোনাৰে নাৰিকল যোৰ কাটো, মোৰ মন হৰি ॥
বৌ ওলেহ চাইছি, মোৰ ননন্দ আহ্‌ইছি
বুকতে কলাখাৰ ঢালো মোৰ মন হৰি।
দাদাই ওলেহ চাইছি, মোৰ বৈনী আহ্‌ইছি
থালতে মাছকে বাকো মোৰ মন হৰি।
ধাই ওলেই চাইছি, মোৰ বৈনী আহ্‌ইছি
বাহাৰ পাকি কোৰ মাৰো, মোৰ মন হৰি।
[illegible] ওলেহ চাইছি, মোৰ [illegible] আহ্‌ইছি
[illegible] মোৰ [illegible] হৰি।
[illegible] ওলেই চাইছি, [illegible] আহ্‌ইছি
[illegible] মোৰ মন হৰি।
খুড়ী ওলেই চাইছি মোৰ ভাইজা ঝী আহ্‌ইছি
[illegible] আনো মোৰ মন হৰি ॥

এই গীতটিৰ লগত ইংৰাজী ভাষাত প্ৰচলিত "The Cruel Brother" শীৰ্ষক গীতটিৰ বিষয়বস্তু আৰু সংযুক্তিৰ সাদৃশ্য পৰিলক্ষিত।

বিভিন্ন প্ৰসংগত জাৰা-ফুকাৰ বাবে প্ৰয়োগ কৰা মৌখিক মন্ত্ৰবোৰৰ মাজতো সৃষ্টিমূলক পুৰাণগত মালিতা আৰু লৌকিক মালিতাৰ স্থিতি লক্ষ্য কৰা যায়।

Ballads And Tales of Assam পৃষ্ঠা [illegible]

লোককাব্য বা লোকমহাকাব্য বা লোকপুৰাণ : যি কাব্য বা মহাকাব্য অথবা পুৰাণ মৌখিক পৰম্পৰাত প্ৰচলিত, সেই কাব্য বা মহাকাব্য বা পুৰাণৰ লোককাব্য বা লোকমহাকাব্য বা লোকপুৰাণ ৰূপে পৰিচিত। সাধাৰণতে দীৰ্ঘপৰিসৰ বিশিষ্ট মালিতা বা বেলেডকেই লোককাব্য বা লোকপুৰাণ বা লোকমহাকাব্য আখ্যা দিব পাৰি। মৌখিক মালিতা বা বেলেডৰ দৰেও লোককাব্য বা লোকমহাকাব্য বা লোকপুৰাণত ৰচয়িতাৰ নাম-ধাম নাথাকে। পৰৱৰ্তী কালতহে ই লিখিত ৰূপ লয়। লোককাব্য বা লোকমহাকাব্য বা লোকপুৰাণৰ অন্যতম বৈশিষ্ট্য হৈছে মহাকাব্যীয় সাংকেতিক চিহ্ন অৰ্থাৎ epic formulae-ৰ স্থিতি। কথক বা গাঁথক আৰু তেওঁৰ কথন বা পৰিবেশনৰ আধাৰতহে লোকমহাকাব্য বা লোকপুৰাণৰ জন্ম হয়।

'ৰামায়ণ', 'মহাভাৰত' আৰু বিভিন্ন 'পুৰাণ'ৰাজি আদিতো দীৰ্ঘ পৰিসৰ বিশিষ্ট মালিতাৰ ৰূপত প্ৰচলিত আছিল। পৰৱৰ্তী কালত এই মালিতাবোৰে লিখিত ৰূপ লাভ কৰিছে। মনকৰ আৰু দুৰ্গাবৰৰ নামত প্ৰচলিত 'মনসা-কাব্য' আদিতো মৌখিক কাব্য অৰ্থাৎ দীঘলীয়া মালিতা ৰূপত ওজা আৰু পালি পৰম্পৰা সঞ্চালিত হৈছিল। তেনেদৰে সুকবি নাৰায়ণ দেৱৰ নামত প্ৰচলিত 'পদ্মা-পুৰাণ'খনো দীৰ্ঘ পৰিসৰ বিশিষ্ট মালিতাৰ ৰূপত ওজা আৰু পালিৰ জৰিয়তে মুখে মুখে চলি আছিল আৰু পৰৱৰ্তী কালত ই লিখিত ৰূপ পায়। প্ৰাণেশ্বৰ ৰাভাদত্তাৰা সংগৃহীত, সংকলিত আৰু সম্পাদিত 'মায়ামতী বিষহৰি'ৰ বিষয়বস্তু আদিও ওজাপালিৰ জৰিয়তে মুখে মুখে চলি আহিছিল। কাৰ্বিসকলৰ উল্লেখযোগ্য মালিতা 'ছাবিন-আলুন'এ লিখিত ৰূপ গ্ৰহণ কৰিলে বেছি দিন হোৱা নাই। 'ছাবিন-আলুন' মৌখিক বা লোকমহাকাব্যৰ উজ্জ্বল চানেকি। তেনেদৰে 'বৰফুকনৰ গীত', 'জনা গাভৰুৰ গীত', 'পথৰুঘাটৰ ৰণ' আদি মালিতাক লোককাব্য বা মহাকাব্য বা পুৰাণ আখ্যা দিয়াত আপত্তি থাকিব নোৱাৰে।

গদ্যধৰ্মী লোককথা : গদ্যৰূপত বা 'কথনৰে' মুখ পৰম্পৰা প্ৰচলিত কথা বা কাহিনীক গদ্যধৰ্মী লোককথা বোলে। গদ্য-পদ্য উভয় ৰূপতে কাহিনী বা কথা ৰচিত হয়। লোককথা পৃথিৱীৰ সৰ্ব সমাজত, সৰ্ব সংস্কৃতিত জনপ্ৰিয়। জনপ্ৰিয়তাৰ বাবেই লোককথা যুগে যুগে সৃষ্টি হৈ আহিছে আৰু নিৰবচ্ছিন্নভাৱে তিষ্ঠি আছে। লোককথাৰ কথক যিদৰে সৰ্ব সংস্কৃতিত বিদ্যমান, তেনেদৰে লোককথা শুনা লোকৰো কোনো দেশতে অভাৱ নাই। কথকে যি ধৰণৰ কাহিনীকে নকওক কিয় — শ্ৰোতাৰ অভাৱ কোনো দিনে নহয়। তেওঁৰ কাহিনী বা কথা সাম্প্ৰতিক কালৰ ঘটনাৰ বৰ্ণনাই হওঁক বা অতি পুৰণি কালৰ পুৰাণ কথা বা জনশ্ৰুতিমূলক কাহিনীয়েই হওঁক নাইবা

মনেসজা কাহিনীয়েই হওঁক পুৰুষ-স্ত্ৰী, বালক-বালিকা নিৰ্বিশেষে আনন্দ লাভ বা ৰোমাঞ্চপূৰ্ণ ঘটনাৰদ্বাৰা উত্তেজিত হ'বৰ বাবে বা ধৰ্মীয় শিক্ষা লাভৰ বাবে নাইবা অৱসাদ দূৰ কৰিবৰ বাবে সেই কাহিনী মনোযোগেৰে শুনে। পৃথিৱীৰ বিভিন্ন সমাজত প্ৰচলিত পৰম্পৰাগত সাধুকথা বা লোককথাবোৰৰ সহজে অনুমান কৰিব পাৰি যে, অন্ততঃ তিনিহাজাৰ, চাৰিহাজাৰ বছৰৰ পূৰ্বৰেপৰা লোককথাৰকথন শৈলীৰ উৎকৰ্ষ সাধিত হৈ আহিছে। আধুনিক সমাজতো কথা বা কাহিনীৰ সমাদৰ অনস্বীকাৰ্য্য।

পৰম্পৰাগত মৌখিক কথা মুখ পৰম্পৰা পুৰুষানুক্ৰমে চলি থাকে। এনে কথা বা কাহিনী লিখিত পৰম্পৰাত প্ৰৱেশ কৰিলেও ই লোককথাই। মালিতা, লোককাব্য, লোকমহাকাব্য, লোকপুৰাণ আদি ৰূপতো কথা বা কাহিনী বৰ্ণিত হয়। লোককথাবোৰ স্থিৰীকৃত বা অপৰিবৰ্ত্তনীয় শ্ৰেণী বা ব্যাপাৰ নহয়; যিহেতু এইবোৰ পৰিবৰ্ত্তনশীল; অথবা লোককথাবোৰ পৰিবৰ্ত্তনীয় বচন-শ্ৰৱণ (oral-aural)পদ্ধতিৰ ওপৰত নিৰ্ভৰশীল। প্ৰাক্-সাক্ষৰ বা সাক্ষৰতা বিহীন সমাজত স্বাভাৱিকতে আলোচ্য সকলো ধৰণৰ সমলেই বচন-শ্ৰৱণ পদ্ধতিৰ মাধ্যমেৰে চলি থাকে।

পোনতে লোককথাৰ পদ্ধতিগত বিচাৰ-বিশ্লেষণ কৰিছিল গ্ৰীম ভ্ৰাতৃদ্বয়ে। গ্ৰীম ভ্ৰাতৃয়ে লোককথা অধ্যয়ন কৰিছিল ভাষাৰ দৃষ্টিভংগীৰ কালৰপৰা; অৰ্থাৎ তেওঁলোকৰ লোককথা-অধ্যয়ন আছিল ভাষা ভিত্তিক। মেক্সমূলাৰে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে, ভাষাৰ বিকৃতিৰ বাবেহে লোককথাৰ জন্ম হৈছিল। লোককথা বিশেষকৈ মিথ বা পুৰাণ-কথাৰ ব্যাখ্যা মেক্সমূলাৰে সৌৰজগতৰ জ্যোতিষ্কমণ্ডলীৰ প্ৰসংগৰ আধাৰত দিবলৈ প্ৰয়াস কৰিছিল। তেওঁ আৰু তেওঁৰ অনুৱৰ্তীসকলৰ মতে পুৰাণ-কথাবোৰৰ মাজত বংশগত সম্পৰ্ক (generic relationship) ৰক্ষিত হৈ আহিছে। প্ৰসাৰণবাদীতত্ত্বৰ মতে লোককথা কোনো এঠাইত, কোনো এটা নৃ-গোষ্ঠীৰ মাজত উৎপত্তি হৈ মানৱ-সমাজৰ প্ৰব্ৰজনৰ হেতু অথবা সাংস্কৃতিক প্ৰসাৰণৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন স্থানত বিয়পি পৰে। থিয়ডোৰ বেনফে-ৰ মতে ভাৰতবৰ্ষৰপৰাই লোককথা ইউৰোপ-এচিয়াৰ প্ৰায়বোৰ অঞ্চল পৰ্যন্ত জনপ্ৰব্ৰজনৰ হেতু প্ৰসাৰিত হৈছে। নৃতাত্ত্বিকসকলে পোষণ কৰিছিল যে, লোককথাৰ উৎপত্তি স্থানীয় ব্যাপাৰহে, জনপ্ৰব্ৰজন আৰু সাংস্কৃতিক সংক্ৰমণৰ বাবে লোককথাৰ উদ্ভৱ হোৱা নাই। দুয়োটা নৃতাত্ত্বিকসকলে সাধুকথাৰ একাধিক বা বহু উদ্ভৱ ধাৰণাৰ ওপৰত গুৰুত্ব দিয়ে। মনোবিজ্ঞানীসকলৰ মতে যৌন প্ৰতীকৰ আধাৰত লোককথাৰ জন্ম। তেওঁলোকৰ মতে একোটি লোককথাৰপৰা একোখন সমাজৰ অন্তৰ্নিহিত মানসিক প্ৰবৃত্তি আৰু

অতীতৰ [illegible] পৰিচয় পোৱা যায়। লোক-কাহিনীৰ মৌলিক উপাদান আৰু সাংস্কৃতিক বিশ্লেষণ কৰিলেহে ইয়াৰ অন্তর্নিহিত অর্থ বুজিব পাৰি।

গদ্যধর্মী লোককথাৰ শ্ৰেণী বিভাজন : গদ্যধর্মী লোককথাক ইয়াৰ বিষয়বস্তু, সংস্কৃতি আৰু প্ৰসংগ অথবা অনুষংগৰ কালৰ পৰা প্ৰধানভাৱে তিনিটা শ্ৰেণীত বিভক্ত কৰিব পাৰি, যেনে :

(ক) পুৰাণকথা বা পুৰাকথা বা পুৰাবৃত্ত বা অতিকথা (Myth),

(খ) জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী (Legend), আৰু

(গ) সাধুকথা, সাধু, সাজোকথা, উপকথা, উকথা, কিচ্ছা, কাহনী (Tale)।

(ক) পুৰাণকথা বা পুৰাকথা বা পুৰাবৃত্ত বা অতিকথা (Myth) :

প্ৰাচীন কালত উৎপত্তি হোৱা আৰু সত্য বুলি ঠাৱৰ কৰা বা গণ্য কৰা পৰম্পৰাগত কাহিনীয়েই মিথ। কোনো জনগোষ্ঠীৰ সৃষ্টিতত্ত্ব আৰু অলৌকিক পৰম্পৰা, তেওঁলোকৰ বিশ্বাসত স্থান পোৱা দেৱ-দেৱী আৰু বীৰপুৰুষৰ কাৰ্য্যাৱলী তথা সেই জনগোষ্ঠীৰ সাংস্কৃতিক [illegible], [illegible] বিশ্বাস আদিয়েই মিথৰ প্ৰধান উপজীব্য।[৩৭]

পুৰাণকথা বা মিথবোৰ সাধাৰণতে গদ্য-পদ্য উভয়তে ৰচিত হ'ব পাৰে (এই প্ৰসংগত গদ্যত ৰচিত মিথৰ বিষয়ে আলোচনা কৰা হৈছে)। যিখন সমাজত পুৰাণ কথাবোৰ প্ৰচলিত সেই সমাজৰ জনসাধাৰণে এইবোৰ পূৰ্ব অতীতত সংঘটিত ব্যাপাৰৰ যথাযথ বৰ্ণন স্বৰূপে বিবেচনা কৰে আৰু সেই সমাজৰ অংগীভূত সদস্যসকলে বিশ্বাসৰ আধাৰত পৰম্পৰাগতভাৱে পুৰাণকথাবোৰৰ প্ৰতি শ্ৰদ্ধাভক্তি মনোভাব পোষণ কৰি আহিছে। অজ্ঞান, সন্দেহ অথবা অবিশ্বাস আদি [illegible] বাবে প্ৰয়োজনীয় প্ৰামাণিক ব্যাখ্যাৰ সমল স্বৰূপেও পুৰাণকথাবোৰ গ্ৰহণ কৰা দেখা যায়। পুৰাণ কথাবোৰ সাধাৰণতে ধৰ্মতত্ত্বৰ (dogma) মূৰ্ত [illegible]। এইবোৰ সৃষ্টিতত্ত্ব সম্পৰ্কীয় বৰ্ণনামূলক [illegible]। পুৰাণকথাবোৰ প্ৰায়ে ধৰ্মীয় অনুষ্ঠানৰ লগত সম্পৃক্ত। এইবিলাক লোককথাৰ প্ৰধান চৰিত্ৰবোৰ সাধাৰণতে দেৱ-দেৱী [illegible] জগৎ সৃষ্টি, মানৱ উৎপত্তি, মৃত্যু [illegible] আৰু [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

---

৩৭. E.W Voegelin : "Myth" in *Standard Dictionary of Folklore*, ed. M. Leach, p. 778

অন্তর্নিহিত অর্থ আৰু [illegible] জৰিত নিষিদ্ধ আচৰণৰ সম্যক পৰিচৰ্যা দিব পাৰে।[৩৮] পুৰাণ কথাক সুচাৰৰ বাবে [illegible] বিশেষে [illegible] প্ৰয়োগ কৰা দেখা যায়।

(খ) জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী (Legend)[illegible]

ধৰ্মীয় প্ৰসংগ বা ভেঙ্কামেলত [illegible] সাধুকথা বা [illegible] বৰ্ণনক জনশ্ৰুতি বা জনশ্ৰুতিগত কথা বা কাহিনী [illegible]। [illegible] পৰম্পৰাগত আৰু বৰ্ণনাত্মক [illegible] বা উপাদান সংযোজন কৰি ব্যক্তি, স্থান বা ঘটনা আদিৰ বৰ্ণনা [illegible] কথা আৰু জনশ্ৰুতিগত কথা [illegible] জনশ্ৰুতিগত কথাবোৰ [illegible] অৰ্থ [illegible] আৰু। [illegible] সামাজিক [illegible] [illegible] জনশ্ৰুতিগত [illegible] কথা [illegible] পুৰাণ [illegible] জনশ্ৰুতিগত কথা [illegible] [illegible] কাহিনী [illegible] পাৰে। প্ৰসংগ বা অনুষংগ অনুযায়ী [illegible] কথা [illegible] হিচাবে বিবেচিত হ'ব [illegible] জনশ্ৰুতিগত কথা; কিন্তু বাহিৰ বিয়াৰ অনুসৰিত [illegible] কথা। [illegible] কথাক আৰু শ্ৰেণীগত [illegible] জনশ্ৰুতিগত কথাবোৰ [illegible] জনশ্ৰুতিগত কথাৰ বিষয়বস্তু [illegible] পুৰাণ কথা, জনশ্ৰুতিগত [illegible] বেলেগ [illegible] কাহিনীত আজিৰ জগতৰ সেতেলীয়া [illegible]। জনশ্ৰুতিগত কথাত [illegible] পুৰাণ কথাত [illegible] [illegible] [illegible] জনশ্ৰুতিগত কথাত [illegible] কাহিনী, [illegible]-প্ৰেত, [illegible] আদি [illegible]।

[illegible] W. R. Bascom, "Contributions to Folkloristics" [illegible]

[illegible]

গ্রীম্‌ ভ্রাতৃদ্বয়ে তিনিপ্ৰকাৰৰ জনশ্ৰুতিগত কথাৰ উল্লেখ কৰিছে ঃ স্থানীয়, নৈদানিক আৰু ঐতিহাসিক।

(গ) সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহনী (tale)ঃ

ইংৰাজী 'tale' পৰিভাষাৰ অৰ্থ বুজাবৰ বাবে অসমৰ বিভিন্ন অঞ্চলত সাধুকথা, সাধু, সজোকথা, উপকথা, উককথা, কিচ্ছা, কাহনী, চলোবাতা আদি অভিধা প্ৰয়োগ কৰা হয়। এই অভিধাকেইটিৰ ভিতৰত তুলনামূলকভাৱে অধিক প্ৰয়োগ হোৱা অভিধাটি হৈছে সাধু বা সাধুকথা। ড° প্ৰফুল্লদত্ত গোস্বামীৰ মতে সাধু অৰ্থাৎ সদাগৰবিলাকে বেপাৰ কৰিবলৈ বিভিন্ন অঞ্চল বা দেশলৈ গৈছিল। তেওঁলোকে সেইবোৰ অঞ্চলত বা দেশত বিভিন্ন পৰম্পৰাগত মৌখিক কথা শুনিছিল আৰু ঘূৰি আহি নিজ অঞ্চলত সেই কথাবোৰ কৈছিল। গতিকে সাধুৱে কোৱা কথাবোৰেই সাধুকথা, চমুকৈ সাধু। ড° গোস্বামীৰ ভাষাতঃ The Assamese for an oral tale is *Sadhukatha*, usually derived from the Sanskrit *Sadhu*, a merchant, and *Katha*, a tale. meaning there by that the *Sadhukatha* is a tale told by a wandering merchant [৪০]

সাধুকথা গদ্যধৰ্মী কাহিনী আৰু ইয়াক কাল্পনিক বুলি বিবেচনা কৰা হয়। সাধুকথাই প্ৰায়ে স্বমতাগ্ৰহ প্ৰকাশ নকৰে আৰু ইতিহাসৰ সময়ো এইবিধ বাচিক কলাই নিৰ্দ্দিষ্ট নোহোৱাবে যেন লাগে। সাধুকথা কৰবাত সংঘটিত হোৱা বুলি কোৱা টান। এইবিধ কলাত ধৰ্মীয় ভাবৰ ওপৰত বৰ বেছি গুৰুত্ব দিয়া নহয় যেন লাগে। আনন্দ প্ৰদানৰ বাবেই সাধুকথা কোৱা হয় বুলি বহুতে ভাৱে; যদিও সাধুকথাই বিভিন্ন সামাজিক প্ৰকাৰ্য্য সাধন কৰি আহিছে। নীতিশিক্ষা দানত কেইবাবিলাকৰ ভূমিকা স্বীকাৰ কৰিবই লাগিব। সাধুকথা যিকোনো সময় আৰু যিকোনো ঠাইতে ৰচিত হ'ব পাৰে। সেই কাৰণে এইবিধ লোককথাক প্ৰায়ে সময় আৰু স্থান নিৰপেক্ষ বুলিব পাৰি। সাধুকথাবোৰ ল'ৰা-ছোৱালীৰ বাবেই নহয়; বয়স প্ৰবীণসকলেও ইয়াৰপৰা সমাজৰ বিভিন্ন আচৰণৰ আভাস পায়। সাধুকথাবোৰ সামাজিক ৰূপকৰ ভিত্তিত ৰচিত, গতিকে এইবোৰৰ জৰিয়তে সামাজিক জীৱন প্ৰতিফলিত হয়। 'পৰীৰ সাধু' (fairy tales) নামেও সাধুকথা পৰিচিত। পৰীৰ সাধুত বৰ্ণিত কাহিনী সত্যৰ ওপৰত প্ৰতিষ্ঠিত বুলি কোৱা হয়; কিন্তু সাধুকথাত পৰীয়ে দেখা নিদিয়ে। 'পৰী' মানৱৰ খেয়ালি মন আৰু বাসনাৰ অভিব্যক্তি। খেয়ালি মন আৰু বাসনা সামাজিক নিয়মপৰা সজা; যিহেতু এইবোৰে মানৱৰ আচৰণ ভিন্ন আৰু একো নহয়। পৰী, ৰাক্ষস, দেৱ-

৪০ P. Goswami, *op-cit.*, p. 80

দেৱী আদিৰ স্থান সাধুকথাত নাই বুলি ক'ব নোৱাৰি; তথাপি এইবিধ লোককথাই মুখ্যতঃ জন্তু আৰু মানৱ চৰিত্ৰৰ দুঃসাহসিক কাৰ্য্যাৱলীৰ চিত্ৰণৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। কোনো কোনোৱে সাধুকথাক পুৰাণ-কথা আৰু জনশ্ৰুতিগত কথাৰ উপশ্ৰেণী বুলিও ক'ব খোজে।

গদ্যধৰ্মী লোককথাৰ তিনিটা শ্ৰেণীৰ সূত্ৰগত পাৰ্থক্য তলত দিয়াৰ দৰে দেখুৱাব পাৰি ঃ[৪১]

ৰূপ (form)	বিশ্বাস (belief)	কাল বা সময় (time)	স্থান (place)	অভিবৃত্তি (attitude)	প্ৰধান চৰিত্ৰ (principal characters)
পুৰাণ-কথা (myth)	সত্য	দূৰ অতীত	বৰ্তমানৰ জগত খনতকৈ অন্য এখন জগত বিধৰ জগত প্ৰাচীন কালত আছিল।	ধৰ্মীয়	মানৱ ভিন্ন অন্য চৰিত্ৰ, দেৱ-দেৱী, দৈত্য-ৰাক্ষস আদি।
জনশ্ৰুতিগত কথা (legend)	সত্য	সদ্য অতীত	বৰ্তমানৰ জগতখন	ধৰ্মীয় বা ধৰ্ম নিৰপেক্ষ	মানৱ
সাধুকথা (folktale)	কাল্পনিক	যিকোনো সময়	যিকোনো স্থান	ধৰ্ম নিৰপেক্ষ	মানৱ বা মানৱ ভিন্ন

পুৰাণ-কথা, জনশ্ৰুতিগত কথা আৰু সাধুকথা— এই তিনিটা শ্ৰেণী সাৰ্বজনীনভাৱে স্বীকৃত শ্ৰেণী বুলিব নোৱাৰি; কিন্তু তাত্ত্বিক ধাৰণা স্বৰূপে এই তিনিটা শ্ৰেণী বিভিন্ন সংস্কৃতিত প্ৰয়োগ কৰিব পাৰি। স্থানীয় ধৰণে লোককথা শ্ৰেণী বিভাজন কৰাৰ পদ্ধতি থাকিব পাৰে; তেনেক্ষেত্ৰতো এই তিনিটা শ্ৰেণী বিনাদ্বিধাই ব্যৱহাৰ কৰিব পাৰি। কোনো কোনো সংস্কৃতিত লোককথা দুটা শ্ৰেণীতহে বিভক্ত। যেনেঃ 'মিথ-লেজেণ্ড' (myth-legend) আৰু সাধুকথা। পুৰাণ-কথা আৰু জনশ্ৰুতিগত কথাক বুজাবলৈ তেওঁলোকে 'মিথ-লেজেণ্ড' এটা শ্ৰেণীহে প্ৰয়োগ কৰে।

পুৰাণ-কথা, জনশ্ৰুতিগত কথা আৰু সাধুকথা এই তিনিবিধেই গদ্যধৰ্মী লোককথাৰ প্ৰধান শ্ৰেণী নহয়; যিহেতু এই তিনিটাৰ বাহিৰে আন আন উপশ্ৰেণীয়ো গদ্যধৰ্মী লোককথাৰ পৰিসীমাত সামৰিব পাৰি। একক ঘটনা বিশিষ্ট কাহিনী অৰ্থাৎ এনেকুৱাটোহ

৪১ W R Bascom. *op-cit* p 99

(anecdotes), টেটোকুটি আৰু ব্যংগ্যাত্মক সাধুক ধৰিলে গদ্যধর্মী লোককথাৰ হয়তো আৰু দুই এটা উপশ্ৰেণী বাঢ়িব; অৰ্থাৎ উপৰোল্লিখিত তিনিটা উপশ্ৰেণীৰ ভিতৰতে গদ্যধর্মী লোককথাৰ শ্ৰেণী বিভাজন সীমিত নাথাকিব। স্মৃতি-ব্যঞ্জক সাধু বা এনেক্‌ডোটছবোৰ প্ৰায়ৰ চৰিত্ৰৰ লগত সম্পৰ্কযুক্ত আৰু এই চৰিত্ৰবোৰৰ বিষয়ে কথক আৰু শ্ৰোতাসকলে কম-বেছি পৰিমাণে জানে আৰু এইবোৰ, সাধুকথাৰ নিচিনাকৈ ক'ব পাৰি। এই জাতীয় কথাৰ চৰিত্ৰবোৰৰ স্মৃতি সমাজৰ পৰা নোহোৱা হৈ যোৱাৰ পিছতো সেই কথাবোৰ পুনঃ পুনঃ ক'ব পাৰি। সেইবাবে এনেক্‌ডোটছবোৰ সত্য ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত বুলি গ্ৰহণ কৰা হয়। গতিকে এইবিধ কাহিনীক জনশ্ৰুতিগত কথাৰ এটা উপ-শ্ৰেণী বুলিব পাৰি টেটোকুটি, ব্যংগ্যাত্মক কথা বা কাহিনী সত্য ঘটনাৰ সৈতে জৰিত নহয় যেন লাগে। সেইবাবে এইবোৰক সাধুকথা আখ্যা দিয়াত আপত্তি নুঠে।

সাধাৰণতে পৰম্পৰাগত সাধুকথা কিছুমানৰ আৰম্ভণিত নাইবা শেষত অথবা উভয়তে মূল কাহিনীভাগৰ সৈতে সম্পৰ্ক বিহীন কেইটামান বাক্য বা উক্তি থাকে। কোনো কোনো পণ্ডিতে এনে বৰ্ণন বা উক্তিৰ নাম দিছে আৰম্ভণিৰ সাংকেতিক চিহ্ন অৰ্থাৎ opening formula আৰু পৰিসমাপ্তিৰ সাংকেতিক চিহ্ন অৰ্থাৎ closing formula। কোনো কোনো পণ্ডিতে আকৌ এনে বৰ্ণন বা উক্তিৰ নাম দিছে মুক্ত উপাদান অৰ্থাৎ free element। অসমীয়া সাধুকথাৰ দুই এটাত এনে মুক্ত উপাদানে স্থান লাভ কৰিছে। আৰম্ভণি বা পৰিসমাপ্তিৰ সাংকেতিক চিহ্ন বা মুক্ত উপাদানৰ জৰিয়তে কথকে শ্ৰোতাসকলক সজাগ কৰি দিয়ে যে, যিটো সাধুকথা ক'ব বা ইতিমধ্যে কোৱা হৈ গ'ল সেই সাধুকথাটো সত্য ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত নহয়। অৱশ্যে পুৰাণ-কথা বা জনশ্ৰুতিগত কথাত এনে মুক্ত উপাদান নাথাকে; যিহেতু পুৰাণ-কথা বা জনশ্ৰুতিগত কথা সত্য ঘটনাৰ সৈতে সম্পৃক্ত।

সাধুকথা কোৱাৰ সময়, কথক, শ্ৰোতা আদিৰ ক্ষেত্ৰতো কিছুমান বাধা-নিষেধ নথকা নহয়। কোনো কোনো সাধুকথা ৰাতিপুৱা ক'ব পাৰি; কোনো কোনো সাধুকথা আবেলি ক'ব পাৰি; কিছুমান সাধুকথা আকৌ গধূলিহে ক'ব পাৰি; আন কিছুমান আকৌ ৰাতিহে ক'ব পাৰি। কোনো কোনো সাধুকথা আকৌ ৰাতি ক'ব নোৱাৰি, দিনতহে ক'ব পাৰি। কিছুমান সাধুকথা বাৰিষা কালত কোৱা নহয়; কিছুমান আকৌ খৰালি কালতহে কোৱা হয়। সেইদৰে কোনো কোনো সাধুকথাৰ কথক পুৰুষ; শ্ৰোতাও পুৰুষ; কিছুমান সাধুকথা আকৌ মহিলাই মহিলা শ্ৰোতাৰ মাজতহে ক'ব পাৰে। কিছুমান সাধুকথা কোৱা আৰু শুনাৰ ক্ষেত্ৰত কোনো ধৰণৰ বাধা-নিষেধ আৰোপ কৰা নহয়।

তলত দিয়া তালিকাখনৰ সহায়ত পুৰাণ-কথা, জনশ্ৰুতিগত কথা আৰু সাধুকথাৰ মাজত থকা বৈসাদৃশ্য সমূহৰ বিষয়ে সাধাৰণ আভাস পোৱা যাব;[৪২] যেনে :

৪২ *Ibid* p 101

১	আনুষ্ঠানিক ৰূপ (form)	গদ্যধৰ্মী লোককথা		
২	ৰীতিগত আৰম্ভণি	কৰা নহয়		কৰা হয়
৩	গধূলিৰ পিছত কথিত	বাধা-নিষেধ নাই		বাধা-নিষেধ আছে
৪	বিশ্বাস	সত্য		কাল্পনিক
৫	পৰিৱেশ	নিৰ্দিষ্ট সময় আৰু নিৰ্দিষ্ট স্থানত		নিৰ্ধাৰিত সময় বা স্থান নাই
৫ক	সময়	দূৰ অতীত	সদ্য অতীত	যি কোনোসময়
৫খ	স্থান	বৰ্তমানৰ জগতৰ লগত মিল নথকা অন্য এখন জগত	বৰ্তমানৰ জগতৰ সৈতে মিল থকা	যি কোনোসময় সময়
৬	অভিবৃত্তি	ধৰ্মীয়	ধৰ্মীয় অথবা ধৰ্ম নিৰপেক্ষ	ধৰ্ম নিৰপেক্ষ
৭	প্ৰধান চৰিত্ৰ	মানৱ ভিন্ন অন্য চৰিত্ৰ, দেৱ-দেৱী, দৈত্য-ৰাক্ষস ইত্যাদি	মানৱ	মানৱ বা মানৱ ভিন্ন
	গদ্যধৰ্মী লোককথা	পুৰাণ-কথা (myth)	জনশ্ৰুতিগত কথা (legend)	সাধুকথা (folktale)

সাধুকথাৰ শ্ৰেণী বিভাজন : বিষয়বস্তুৰ ফালৰপৰা সাধুকথাক কেইটামান উপশ্ৰেণীত ভাগ কৰিব পাৰি; যেনে :

(ক) জন্তু কেন্দ্ৰিক সাধুকথা (Animal tale);

(খ) যাদুমূলক বা বিস্ময়াবহ বা ৰোমাণ্টিক বা অতিলৌকিক সাধুকথা (Magical or Wonderous or Romantic or Supernatural tale);

(গ) নৈদানিক সাধুকথা বা ব্যাখ্যামূলক সাধুকথা (Etiological or Explanatory tale),

(ঘ) টেটোকুঁটি (Jokes or Humorous tale);

(ঙ) টেটোন বা টেটোনৰ সাধুকথা (Trickster tale);

(চ) ক্ৰম পুঞ্জিত বা নিৰ্ধাৰিত গঠী সাধুকথা (Cumulative or Chain or For-

mula tale);

(ছ) সমস্যামূলক সাধুকথা (Dilemma tale);

(জ) কথা-গীত (Cante fable);

(ঝ) অন্তহীন সাধুকথা (Endless tale); আৰু

(ঞ) ধৰ্মমূলক সাধুকথা (Religious tale)।

(ক) **জন্তুকেন্দ্ৰিক সাধুকথা** (Animal tale, types 1-299) : জন্তুকেন্দ্ৰিক সাধুকথা অতিয়বৰ ফলবৰ্ণৰা বৰ দীঘলীয়া নহয়। এইবিধ সাধুকথাৰ মুখ্য চৰিত্ৰ জন্তুৰ মাজতে সীমিত আৰু জন্তু-চৰিত্ৰৰ দুঃসাহিক ঘটনাৰ বৰ্ণনে ইয়াত প্ৰাধান্য লাভ কৰে। জন্তুকেন্দ্ৰিক সাধুকথাত স্থান পোৱা জন্তুবোৰে মানুহৰ দৰে ভূমিকা গ্ৰহণ কৰে আৰু এই জন্তুবোৰৰ জগতখনো মানুহৰ জগতৰ দৰে। জন্তুকেন্দ্ৰিক সাধুকথাৰ কথাবস্তুৰ সংযুতি আৰু শৈলী সৰল আৰু কাহিনী বা কথাবস্তুত পূৰ্বপক্ষ আৰু প্ৰতিপক্ষৰ মাজত সমান্তৰালতা বৈশিষ্ট্য লক্ষ্য কৰা যায়। চালাক বা মূৰ্খ টেটোনে অন্য এটা জন্তুক ঠগাবলৈ চেষ্টা কৰি কৃতকাৰ্য্যতা লাভ কৰে; অথবা নিজে ফান্দত পৰে। সাধাৰণতে বান্দৰ/শিয়াল; কুকুৰনেচীয়া বাঘ/গাহৰি; শহা/শিয়াল; শিঙাল হৰিণ/নাহৰফুটুকীয়া বাঘ; বান্দৰ/বাঘ; শিয়াল/কাছ, কেঁকোৰা/বাঘ; বগলী/বাঘ, শিয়াল/ঘৰিয়াল, টুনী/ ঢোৰা কাউৰী আদিৰ মাজত বিৰোধ সংঘটিত হোৱাৰ পৰিচয় জন্তুকেন্দ্ৰিক সাধুকথাত পোৱা যায়। ইউৰোপ আৰু ভাৰতত কেইটিমান জন্তুৱেহে সাধাৰণতে সাধুকথাৰ চৰিত্ৰৰূপে দেখা দিয়ে। ভাৰতৰ দৰে মধ্যযুগৰ ফ্ৰান্স আৰু জাৰ্মানীত শিয়াল অতিকৈ ধূৰ্ত, ভালুক অঁকৰা, সিংহ শক্তিশালী; কিন্তু চৈতন্য নহয়; কুকুৰা অনভিজ্ঞ। 'পঞ্চতন্ত্ৰ'ৰ সাধুকথাবিলাকতো শিয়াল আৰু কাউৰীৰ ভূমিকা চাৰ লগীয়া। ভাৰতীয় সাধুকথাত শিয়াল ধূৰ্ত, বান্দৰ লুভীয়া আৰু বাঘ অঁকৰা।[৪০] আৰণে-থম্পছনৰ সূচীত (index) জন্তুৰ বিভিন্ন প্ৰকাৰ অনুসৰি জন্তুকেন্দ্ৰিক সাধুকথাবোৰ তলত দিয়াৰ দৰে শ্ৰেণী বিভাজন কৰিছে; যেনে :

বনৰীয়া জন্তু— বনৰীয়া জন্তু আৰু ঘৰচীয়া জন্তু— মানুহ আৰু
বনৰীয়া জন্তু— ঘৰচীয়া জন্তু— চৰাই— মাছ— অন্য জন্তু আৰু
বিভিন্ন বস্তু।

পাশ্চাত্যৰ লোক সমাজত সৰু সৰু ল'ৰা-ছোৱালীৰ চিত্ত বিনোদন বা মনোৰঞ্জনৰ বাবে জন্তুকেন্দ্ৰিক সাধুকথা কোৱা হয়। জন্তুকেন্দ্ৰিক সাধুকথাত নীতিমূলক উপদেশৰ বীজ নিহিত থাকে। 'জাতক', 'পঞ্চতন্ত্ৰ', 'ঈছপৰ সাধুকথা' আদিৰ অন্যতম উদ্দেশ্য আছিল নৈতিক শিক্ষা প্ৰদান। জন্তুকেন্দ্ৰিক নীতিমূলক সাধুকথা ইংৰাজী ভাষাত ফেইবল্ (F able) নামেৰে পৰিচিত।[৪১] ফেইবল্ শব্দটো আহিছে লেটিন ভাষাৰ শব্দ। এই শব্দটোৱে

---

৪০. প্ৰফুল্ল দত্ত গোস্বামী : অসমীয়া জন সাহিত্য, পৃ. ৭০
৪১. উক্ত গ্ৰন্থ, পৃ. ৬১

নীতিমূলক সাধুকথাৰ বাহিৰে আন সাধুকথাকো সূচাব পাৰে। অৱশ্যে বীষ্ট ফেইবল্ বা ফেইবল্ পৰিভাষাই বিশেষকৈ এক শ্ৰেণীৰ জন্তুকেন্দ্ৰিক সাধুকথাকেই বুজায়। ফেইবলৰ পৰম্পৰা অতিকৈ প্ৰাচীন। খৃঃপূ. ৪ৰ্থ শতিকাত সংগৃহীত ঈছপৰ নামত প্ৰচলিত সাধুকথা আৰু ইয়াৰ কিছু বছৰৰ পিছত সংগৃহীত 'পঞ্চতন্ত্ৰ'ৰ সাধুকথাবোৰ ফেইবলৰ পৰিসীমাত সামৰিব পাৰি। 'শিয়াল-বান্দৰ', 'শিয়াল-ঘৰিয়াল' আদি সাধুকথা ফেইবল্ শ্ৰেণীৰ। নীতিমূলক সাধুকথা বা ফেইবল্-এ জন্তুৰ চৰিত্ৰৰ মাজেৰে মানৱ প্ৰকৃতিৰ দুৰ্বলতাবোৰ আঙুলিয়ায়।

(খ) যাদুমূলক বা বিস্ময়াগ্ৰহ বা ৰোমাণ্টিক বা অতিলৌকিক সাধুকথা (Magical or Wonderous or Romantic or Supernatural tale, Types 300-749) ঃ যাদুমূলক সাধুকথা জাৰ্মান ভাষাত 'মাৰখেন' (Märchen) ৰূপে পৰিচিত। ইংৰাজী ভাষাত এইবিধ সাধু যাদুমূলক সাধুকথা, পৰীৰ সাধু আৰু বীৰৰ সাধু (Hero tale) ৰূপে জনাজাত। 'মাৰখেন'ৰ শ্ৰেণী বিষয়ক সাধুকথাৰ চিন্তা-চৰ্চা, বিচাৰ-বিশ্লেষণ চলিয়েই আছে। এইবিধ সাধুকথাৰ সমাদৰ বৰ্তমানো কমা নাই, বাঢ়িছেহে। যাদুমূলক সাধুকথাত সন্নিবিষ্ট অতিলৌকিক সমলৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আৰ্নে-থম্পছনৰ সূচীত ইয়াৰ শ্ৰেণী বিভাজন তলত দিয়াৰ দৰে কৰা হৈছে; যেনে ঃ

অতিলৌকিক প্ৰতিনায়ক—— অতিলৌকিক অথবা সম্মোহিত স্বামী (পত্নী) নাইবা অন্য সম্পৰ্কীয় লোক—— অতিলৌকিক কাৰ্য সম্পাদন—— অতিলৌকিক সহায়কাৰী—— যাদুমূলক বস্তু—— অতিলৌকিক শক্তি আৰু জ্ঞান।

অতিলৌকিক দুঃসাহসিক কৰ্ম সম্পাদনৰ প্ৰতি মানৱৰ আকৰ্ষণ—— যাদুমূলক সাধুকথাৰ বিষয়বস্তুৰ অন্যতম বিশেষত্ব। যাদুমূলক সাধুকথাত আমি পাওঁ সাধাৰণ মানুহ এগৰাকীৰ অতি মানৱীয় শক্তিৰ সৈতে সংঘৰ্ষ আৰু অতিলৌকিক কাৰ্য সম্পাদনৰ বাবে তেওঁৰ প্ৰয়োজনীয় শক্তি লাভ। যাদুমূলক সাধুকথা একক নায়ক বিশিষ্ট আৰু ই যথাৰ্থতে দুঃসাহসিক কাহিনী। নায়কৰ (অথবা নায়িকাৰ) জীৱন আৰম্ভ হয় দুখ-দুৰ্ভাগ্যৰ মাজেৰে। হঠাতে অতিলৌকিক শক্তিয়ে তেওঁক প্ৰত্যাহ্বান জনায়। সুখৰ সন্ধানত তেওঁ আৰম্ভ কৰে দিগ্বিজয়ী যাত্ৰা। অদ্ভুত অৰণ্যত তেওঁ প্ৰৱেশ কৰে। মানুহৰ শক্তিয়ে ঢুকি নোপোৱা অসৎ শক্তিয়ে তেওঁক যুঁজে। অতিমানৱীয় শক্তিৰ সহায়ত তেওঁ অসৎ শক্তিক পৰাভূত কৰে। নানা বিপদ-বিঘিনি তেওঁ অতিক্ৰম কৰিব লগা হয়। তেওঁক হত্যা কৰা হয়; অথবা নিৰ্বাসন দিয়া হয়, অত্যাচাৰ কৰা হয়। তেওঁক নিষ্ঠুৰভাৱে হত্যা কৰা হয়; যদিও তেওঁ পুনৰ জীৱন লাভ কৰে। সীমাহীন নিৰ্যাতনে তেওঁক প্ৰকৃত নায়কৰ ৰূপত প্ৰতিষ্ঠা কৰায়। বিভিন্ন নিৰ্যাতনে (যেনে: নায়কক অন্ধ কৰা হয়, অথবা টুকুৰা টুকুৰা কৰি কটা হয়, শিলি পেলোৱা হয়, প্ৰতাৰণা কৰা হয় ইত্যাদি) তেওঁক অধিক শক্তিশালী, গুণৱান আৰু অধিক মৰ্যাদা সম্পন্ন কৰি তোলে। তেওঁ নিজ [illegible] বৈভবশালী

অৱস্থালে অতিক্রমণ কৰে আৰু অৱশেষত ৰূপৱতী-গুণৱতী নায়িকাৰ সৈতে তেওঁৰ বিবাহ সম্পাদিত হয়। আনকি তেওঁ ৰাজ্যও লাভ কৰে। নায়িকাৰ সৈতে তেওঁ মানৱ জগতলৈ প্ৰত্যাবৰ্তন কৰে আৰু দুষ্টক দমন আৰু শান্তক ৰক্ষণৰ জৰিয়তে ন্যায় প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়।[৪৮]

যাদুমূলক সাধুকথাত প্ৰতীকী অৰ্থ থাকিব পাৰে বুলি কোনো কোনো পণ্ডিতে কয়। কোনো কোনোৰ মতে যাদুমূলক সাধুকথা বাস্তৱ জগতৰ উদ্ভট কল্পনাৰ প্ৰতিফলন মাথোন। আন এদল পণ্ডিতৰ মতে যাদুমূলক সাধুকথা সপোনৰ ৰূপকৰ সমষ্টি। কোনো কোনোৰ মতে মানৱৰ অৱদমিত বাসনাই যাদুমূলক সাধুকথাৰ জৰিয়তে বাঙ্ময়ৰূপ পৰিগ্ৰহ কৰে। সামাজিক অন্যায়ৰ বিৰুদ্ধে শোষিতৰ অন্তৰত সুপ্ত হৈ থকা বিদ্ৰোহ আকাংক্ষাই যাদুমূলক সাধুকথাৰ জৰিয়তে মূৰ্তৰূপ লাভ কৰে বুলি কিছুমান পণ্ডিতে ভাবে। পণ্ডিতসকলে যাদুমূলক সাধুকথা সম্পৰ্কে আগবঢ়োৱা বিভিন্ন মন্তব্যবোৰৰ মূল্যায়ন কৰিবলৈ নগৈয়ো আমি ক'ব পাৰোঁ যে, এইবিধ সাধুকথা মানৱ-ইতিহাসৰ এক মূল্যবান দলিল। মানৱ সমাজৰ সাংস্কৃতিক ক্ৰম বিকাশৰ আভাস যাদুমূলক সাধুৰপৰা পোৱা যায়। আদিম সমাজে সৰ্বজীৱবাদত বিশ্বাস স্থাপন কৰা এখন আচৰিত জগতৰ প্ৰতিফলন যাদুমূলক সাধুকথাত পৰিদৃষ্ট হয়। অন্যহাতে এইবিধ সাধুকথাত জীৱ-জন্তু, প্ৰাকৃতিক শক্তি আৰু বস্তুক মানৱীকৰণ কৰিবলৈ বহু কৰা দেখা যায়।

অসমীয়া ভাষা আৰু অসমৰ জনজাতীয়লোকসকলৰ ভাষাত ৰচিত কেইবাটিয়ো যাদুমূলক সাধুকথা সংগৃহীত হৈছে। অসমীয়া ভাষাত প্ৰচলিত যাদুমূলক সাধুকথা সমূহৰ ভিতৰত 'ফুলকোঁৱৰৰ সাধু', 'মণি কোঁৱৰৰ সাধু', 'তেজীমলাৰ সাধু', 'কমলাকুঁৱৰীৰ সাধু', 'তেজা আৰু তেজীৰ সাধু', 'পানেচৈ', 'চম্পাৱতী', 'সোণবাহী ৰাজীৰ সাধু', 'ৰাক্ষস জ্যোতিষী', 'চিলনী-জীয়েকৰ সাধু', 'চোৰক মোৰে পালে', 'চিন্তামণিৰ সাধু', 'মা-মৰীয়াৰ সাধু', 'দুজন ৰাজকোঁৱৰৰ সাধু', 'পিঠা খোৱা নাতি', 'সুখৰ মুখ', 'বান্দৰৰ সাধু', 'সদাগৰৰ পুতেকৰ সাধু', 'লখিমীৰ সাধু', 'কপালৰ লিখন' আদি উল্লেখযোগ্য।

(গ) নৈদানিক সাধুকথা বা ব্যাখ্যামূলক সাধুকথা (Etiological or Explanatory tale, Types 2000-2399) : নৈদানিক বা ব্যাখ্যামূলক সাধুকথাত সাধাৰণতে জগৎ সৃষ্টি, বিভিন্ন বস্তুৰ উৎপত্তি যেনে : পৃথিৱী, ধৰ্মীয় অনুষ্ঠানৰ জগত সৃষ্টি বিভিন্ন বস্তু যেনে : আম-গছ, থিউ, আমোলা-পাণ, পিঠাগুৰি আদি; প্ৰাকৃতিক ব্যাপাৰৰ ব্যাখ্যা, পৰ্বত-পাহাৰ আদিৰ জন্ম, নদ-নদী, পুখুৰী-হ্ৰদ আদিৰ উৎপত্তি, গছ-গছনি লতা-লতিকা আদিৰ উৎপত্তি বা জন্মৰ বৰ্ণনা পোৱা যায়। হৃদ, ফেঁচা, বগলী, মতাহিলৈ, কেতেকী, ফেঁচৌ, মইনা আদিৰ জন্ম সম্পৰ্কীয় সাধুকথা অসমৰ বিভিন্ন জনজাতীয় ভাষা

৪৮. Linda Degh ; "Folk Narrative in Folklore and Folklife : An Introduction, p 63

আৰু অসমীয়া ভাষাত পোৱা যায়। কিয় হ'ল ? বা কেনেকৈ হ'ল ? এনে প্ৰশ্নৰ উত্তৰ বা ব্যাখ্যা সন্নিবিষ্ট সাধুকথাবোৰকেই নৈদানিক বা ব্যাখ্যামূলক সাধুকথা বোলা হয়। সাধাৰণতে স্থানীয় জনশ্ৰুতিগত কাহিনীয়েই ব্যাখ্যামূলক সাধুকথা। ইয়াৰ আন এটা নাম নৈদানিক সাধুকথা অৰ্থাৎ *Etiological tale, Natursage, Pourquoi Story*।[৪৬]

(ঘ) **টেটোকুঁটি (Jokes and Humorous tale, Types 1200-1999) :**

টেটোকুঁটি অভিধাটিৰে সাধাৰণতে হাস্য-ব্যংগ্য প্ৰধান সাধুকথাবোৰ সূচিত হয়। হাস্য-ব্যংগ্য প্ৰধান সাধুকথাৰ পৰিসৰ বহল। সাধুকথাৰ এই উপশ্ৰেণীটোৰে ঠাট্টা-মস্কৰা বিষয়ক সাধুকথা (Jest), ক্ষুদ্ৰসত্তা কাহিনী (Anecdote), ব্যংগ্যাত্মক সাধুকথা (Joke) আদিক সামৰে। অৱশ্যে এই তিনিয়োটা অভিধাই হাস্য-ব্যাংগ্য প্ৰধান সাধুকথাকেই সূচায়। গতিকে Jest, Anecdote আৰু Joke অভিধা তিনিটি প্ৰায়ে এটাৰ সলনি আনটো ব্যৱহাৰ হোৱা দেখা যায়।

অসমীয়া ভাষাত Joke বা humorous tale-ৰ প্ৰতিশব্দ ৰূপে 'টেটোকুঁটি' পদটো পোনতে প্ৰয়োগ কৰিছে ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে তেওঁৰ 'টেটোকুঁটি' নামৰ গ্ৰন্থখনত। Joke পদটো পোনতে ব্যাখ্যা কৰিছিল দাৰ্শনিক কুনো ফিচ্ছাৰ-এ (Kuno Fischer)। তেওঁ উল্লেখ কৰিছে যে, joke অৰ্থাৎ টেটোকুঁটিবোৰ কৌতুকপূৰ্ণ বিচাৰ "a playful judgment", আৱয়িক দিশত এইবিধ সাধুকথা চুটি আৰু শব্দৰ একাধিক অৰ্থ যৰকৰ আধাৰত টেটোকুঁটি বা Joke- একোটি পল্লৱিত হৈ উঠে, গতিকে সকলোৱে এইবিধ বাচিক কলাৰ অৰ্থ বুজি নাপায়। অৱশ্যে ছিগমাণ্ড ফ্ৰয়ড-এ Joke-ৰ সূত্ৰ বিস্তৃতভাৱে দিছে তেওঁৰ Jokes and *Their Relation to the Un conscious* (New York, 1963) নামৰ গ্ৰন্থত।[৪৭] টেটোকুঁটিৰ হাস্য-ব্যাংগ্য নিৰ্ভৰ কৰে ইয়াত স্থান পোৱা কথোপকথনৰ আধাৰতহে। এই প্ৰসংগত কাহিনীভাগে বিশেষ সমল যোগাব নোৱাৰে। Joke বা টেটোকুঁটিত পৰিৱেশন কৰা ব্যাখ্যামূলক বৰ্ণনায়ো তেনেই সীমিত, কেৱল এই জাতীয় সাধুকথাৰ শেষৰ অংশ বা বাক্যৰ তৎকালিক আশ্বৰ্য্যভাৱহে প্ৰকাশ কৰে। টেটোকুঁটিবোৰ তেনেই চুটি ইয়াৰ ব্যংগ্য-হাস্যও অনেক পৰিমাণে মসৃণ। নাটকীয় উক্তি-প্ৰত্যুক্তি আৰু প্ৰশ্ন-উত্তৰ আদিয়েও টেটোকুঁটিত স্থান পায়। Joke বা টেটোকুঁটি বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে; যেনে : গোসাঁই প্ৰভুৰ টেটোকুঁটি, ব্ৰাহ্মণ-ঠাকুৰৰ টেটোকুঁটি, চৰিত্ৰৰ টেটোকুঁটি, [illegible] এম. এল. এ-ৰ টেটোকুঁটি, মৌজাদাৰৰ টেটোকুঁটি, [illegible]। এনে টেটোকুঁটিবোৰ প্ৰায়ে বাস্তৱানুগ। মানৱ সমাজত [illegible], [illegible] আদিত টেটোকুঁটিয়ে আলোকপাত কৰে। [illegible] টেটোকুঁটিৰ [illegible]

৪৬. Stith Thompson, *The Folktale*, p. 9
৪৭. Linda [illegible]

প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি নতুন সমল সংযোগ কৰে।

(ঙ) **ক্ষুদ্ৰ সত্য কাহিনী** (Anecdote) : এনেকডোট বা ক্ষুদ্ৰসত্য কাহিনী পল্লবিত হয় ব্যক্তি, জন্তু, স্মৰণযোগ্য ঘটনা, স্থান আদিক কেন্দ্ৰ কৰি। সাহিত্যিক আৰু মৌখিক-এই দুপ্ৰকাৰ এনেকডোট প্ৰচলিত। অৱশ্যে দুয়োবিধৰে বিষয়বস্তুৰ ক্ষেত্ৰত পাৰ্থক্য নাই। ‘গাজা-খুৰি’ কথাৰ যেনেকৈ নিৰ্দিষ্ট ৰূপ (form) নাই তদ্ৰূপ এনেকডোটৰো নিৰ্দিষ্ট ৰূপ নাই। লিণ্ডা ডেঘৰ ভাষাত : "Because of its gossip-like formlessness, the quality of the anecdote as a folk narrative is seldom recognized"[৪৮] স্মৰণযোগ্য বাগ্বৈদগ্ধ্যপূৰ্ণ উক্তি, মূৰ্খামি, ভ্ৰমণ, যুদ্ধ, কৰ্ম, দুঃসাহসিক ঘটনা, দুৰ্ঘটনা, মিছাকথা আদি বাস্তৱানুগ হাস্যাত্মক কাহিনী এনেকডোটৰ ৰূপত প্ৰচলিত।

(চ) **মূৰ্খৰ সাধুকথা** (Numskull stories, Types 1200-1349) : সাধুকথাৰ আন এটি উপশ্ৰেণী মূৰ্খৰ সাধুকথাৰ জৰিয়তে কোনো এটি জনগোষ্ঠীৰ মূৰ্খামিক সামগ্ৰিকভাৱে বিদ্ৰূপ বা ঠাট্টা কৰা হয়। মূৰ্খৰ সাধুকথাৰ আংগিকৰ সৈতে এনেকডোটৰ আংগিকৰ সাদৃশ্য লক্ষ্যণীয়। অসমীয়া ভাষা আৰু অসমৰ জনজাতীয় ভাষাত মূৰ্খৰ সাধুকথাৰ প্ৰচলন আছে। অসমীয়া ভাষাত প্ৰচলিত এনেবিধৰ সাধুকথাৰ ভিতৰত ‘সাত-মূৰ্খ’, ‘বামুণৰ বহুৱা’, ‘মূৰ্খ জোৱাই’, ‘অজলা টৌমূৰা’, ‘ফৰিং সৰবজান’, ‘জ্যোতিষী’ ইত্যাদি।

(ছ) টেটোন বা টেন্টনৰ সাধুকথা (Trickster tale, Motif J 1100-1699) : টেটোন বা টেন্টন জাতীয় সাধুকথাবিলাক ইংৰাজীত ট্ৰিকষ্টাৰ টেইলছ (Trickster tales) নামেৰে পৰিচিত। টেটোন জাতীয় সাধুকথাৰ অন্যতম প্ৰধান চৰিত্ৰ বা নায়কে আন চৰিত্ৰক প্ৰতাড়না কৰে বা ঠগায়। সমাজৰ পটভূমিত জেদী আৰু অনমনীয় চাৰিত্ৰিক বৈশিষ্ট্য সম্বলিত টেটোনৰ জন্ম। টেটোন অসংযত আৰু সাংঘাতিক ধৰণৰ চৰিত্ৰ।[৪৯] আদিম অধিবাসী, কৃষক, নগৰীয়া আদিসকলো শ্ৰেণীৰ লোকক বিমল আনন্দ যোগাই অহা টেটোন চৰিত্ৰই মকৰা বা শহাপহু অথবা সিংহ বা বাঘ নাইবা বান্দৰ বা পৰিহাস্যকাৰক (Jester) বা মূৰ্খ ৰূপত আত্ম প্ৰকাশ কৰে। এনে চৰিত্ৰই হাস্যোদ্দীপক অভিনয় বা ভাওনা কৰে শ্ৰোতাৰ মনোৰঞ্জনৰ বাবে। অৱশ্যে এই অভিনয় বা ভাওনাৰ অন্তৰালত সামাজিক প্ৰকাৰ্য্য অংগীভূত হৈ নথকা নহয়। উত্তৰ আমেৰিকাৰ ইণ্ডিয়ানসকলৰ পৰম্পৰাত প্ৰচলিত পৌৰাণিক নায়ক দণ্ডকাক (Raven) বা কুকুৰনেচীয়া বাঘ (Coyote) আদিয়েও টেটোনৰ ভূমিকা গ্ৰহণ কৰা দেখা যায়। ভাৰতীয় পৰম্পৰাত বিশেষ স্থান লাভ কৰিবলৈ সক্ষম ‘হোৱা’ পৌৰাণিক চৰিত্ৰ নাৰদৰ চাৰিত্ৰিক বৈশিষ্ট্যত টেটোনৰ বিশেষত্ব

---

৪৮. Linda Dégh, op. cit, p.70

৪৯ Roger D. Abrahams : "Trickster, the Outrageous Hero" in *American Folklore*, p 198

পৰিলক্ষিত নোহোৱাকৈ নাথাকে। নিগ্ৰো সমাজত শহাপহু আৰু মকৰাই টেটোনৰ ভূমিকা গ্ৰহণ কৰা দেখা যায়। টেটোন শ্ৰেণীৰ সাধুকথাই প্ৰায়ে বিদ্ৰূপাত্মক বা হাস্যাত্মক সাধুকথাৰো প্ৰকাৰ্য সাধন কৰিব পাৰে; যিহেতু টেটোনে বিদ্ৰূপাত্মক আৰু হাস্যাত্মক কাৰ্যাৱলী সম্পাদন কৰে। মিথ, সাধাৰণ সাধুকথা, টেটকুঁটি আদি বাচিককলাৰ বিভিন্ন শ্ৰেণীৰ জনপ্ৰিয়তা অৰ্জনত টেটোনৰ যি ভূমিকাই নাথাকক কিয়– এই চৰিত্ৰটোৰ পৰিকল্পনাবোৰ প্ৰায়ে দুঃসাহসিক; বিদ্ৰোহ, অৱাধ্যতা আৰু অহংভাৱ প্ৰধান। দ্বিতীয়তে, দলীয় নিষিদ্ধ ভাৱ মাজতো এই চৰিত্ৰটোৱে ব্যক্তিগত কাৰ্যাৱলীক অনেক পৰিমাণে স্বাধীনতা দিয়াৰ অনুকূলে বিবিধ কৰ্ম সম্পাদন কৰে।[৫০]

মনস্তাত্ত্বিক দৃষ্টিভংগীৰ যথাযথভাৱে টেটোন-চৰিত্ৰ বিশ্লেষণ কৰিব পাৰি বিশেষকৈ মানুহ আৰু তেওঁৰ পৰিবেশৰ অপৰ্যাপ্ততা কোনো এটা ক্ষুদ্ৰ প্ৰাণীৰ জৰিয়তে প্ৰকাশ কৰাৰ ক্ষেত্ৰত। এই ক্ষুদ্ৰ প্ৰাণীটোৱেই টেটোন চৰিত্ৰ স্বৰূপে ভূমিকা গ্ৰহণ কৰি তাৰ বিৰুদ্ধবাদীক পৰাভূত কৰে।[৫১] টেটোন জাতীয় সাধুকথাৰ প্ৰধান চৰিত্ৰ অৰ্থাৎ টেটোনৰ ভূমিকা মানুহ অথবা অন্য প্ৰাণীয়েও গ্ৰহণ কৰিব পাৰে আৰু এই চৰিত্ৰটোৱে মানুহ বা আন জন্তু বা প্ৰাণীক ঠগাই ফুৰে। শক্তি বা বুদ্ধি পৰিণতিৰ সন্মুখীন নোহোৱাকৈ নহ'ব নলগীয়াকৈ টেটোনে আনক ঠগাব খোজে। টেটোনৰ চাৰিত্ৰিক চাতুৰ্যৰ অন্যতম লক্ষণ আনক ঠগোৱা।[৫২] অৱশেষত আনক ঠগাবলৈ গৈ টেটোনেও যে ঠগ খাব লগীয়া হয় তাৰ দৃষ্টান্ত স্বৰূপে 'নীল বৰণীয়া শিয়াল' নামৰ সাধুটোকে আঙুলিয়াব পাৰি। বিভিন্ন পৰিস্থিতিত টেটোনে বহুৱা, মূৰ্খ, পৰিহাসকাৰক, প্ৰৱৰ্তক, সংস্কৃতি-নায়ক, আনকি যাদুকৰ আদিৰ ভূমিকা গ্ৰহণ কৰা দেখা যায়। টেটোন এহাতে স্ৰষ্টা, অন্যহাতে ধ্বংসকাৰী; একালে প্ৰদাতা আনকালে নিষেধ ভংগকাৰী আৰু প্ৰতাৰক। আনকি কোনো কোনো ক্ষেত্ৰত নিজৰ কাৰ্যৰ জৰিয়তেও এই চৰিত্ৰটি প্ৰতাড়িত হয়। সংস্কৃতি-নায়ক স্বৰূপে টেটোনে জুই বা খাদ্য আনে জনসাধাৰণৰ বাবে আৰু সেইবোৰৰ ব্যৱহাৰৰ বিষয়েও জনসাধাৰণক শিকায়। টেটোনৰ চৰিত্ৰত অভাৱ নৈতিকতাৰ এ যুঁতে নিজৰ আসক্তি আৰু ভুখাৰ তাড়নাত টেটোনে ভাল-বেয়া সকলো কাম কৰিব পাৰে। প্ৰকৃতাৰ্থত প্ৰায়বিলাক সামাজিক জীৱ-জন্তুৰ মনত সুপ্ত হৈ থকা আদিম প্ৰবৃত্তিবিলাকৰ প্ৰতীক প্ৰকাশেই টেটোন চৰিত্ৰ। গজমূৰ্খৰ ৰূপত আত্মপ্ৰকাশ কৰা টেটোনে অৱস্থাৰ পৰিণতিত চতুৰ বা সিয়ানৰ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হোৱাৰ উদাহৰণো পোৱা যায়। ফ্ৰয়ডীয় বিশ্লেষণত টেটোন চৰিত্ৰই পুৰুষ-লিংগৰ প্ৰতীক স্বৰূপে আত্মপ্ৰকাশ কৰিছে। ৰেডিন-এ ফ্ৰয়ডীয় আৰু যুঙীয় ধাৰণাৰ সমন্বয়ৰ ভিত্তিত বুকলো বস্তুৰ সকলো মানুহৰ বুকুত টেটোনৰ অৱস্থিতি লক্ষ্য কৰা

---

৫০. *Ibid.*

৫১. G.P. Kurath : "Trickster" in *Standard Dictionary of Folklore Mythology and Legend*, p. 1123

৫২. P. Goswami . *Ballads and Tales of Assam*, p. 106

যায় আৰু যুগে যুগে আৰু পুৰুষে পুৰুষে টেটোনৰ বিষয়ে [illegible] ব্যাখ্যা কৰি অহা হৈছে বুলি কৈছে।[৫০]

টেটোন জাতীয় সাধুকথাৰ পৰম্পৰা অসমীয়া ভাষাৰ উপৰিও অসমৰ আন আন জনজাতীয় ভাষাতো প্ৰচলিত। অসমীয়া ভাষাত প্ৰচলিত টেটোনৰ সাধুকথাৰ ভিতৰত 'টেটোন-তামুলী', 'টেটোন', 'বামুণৰ [illegible]', 'বান্দৰ আৰু শিয়াল', 'শিয়াল [illegible] ঘৰিয়াল', 'শিয়াল আৰু হাতী', 'বামুণ আৰু বাঘ', 'শিয়াল আৰু বাঘ' আদি উল্লেখযোগ্য। জনজাতীয় ভাষাত প্ৰচলিত টেটোনৰ সাধুকথাৰ মাজত 'বান্দৰ আৰু শিয়াল', 'বান্দৰ আৰু শহা' (বৰো), [illegible], 'শিয়ালৰ বুদ্ধি' ([illegible]), 'টেটন' (কাৰ্বি) আদি উল্লেখ কৰিব পাৰি। নগাসকলৰ মাজতো এইবিধ সাধু প্ৰচলিত। [illegible] নগাসকলৰ মাজত টেটোনৰ নাম [illegible]।

(জ)। ক্ৰমপুঞ্জিত বা নিৰ্ধাৰিতগতি সাধুকথা (Cumulative or Chain or Formula tale, Types 2000-2399) : ক্ৰমপুঞ্জিত বা নিৰ্ধাৰিতগতি সাধু কৌতুকপূৰ্ণ, হাস্যকৰ আৰু খেল-ধেমালিৰ বৈশিষ্ট্য সম্বলিত। কাহিনী বা কথাকাহুৰে এই বিধ সাধুত প্ৰাধান্য লাভ নকৰে। এইবিধ সাধুত এটা পৰিস্থিতিৰে আন এটা পৰিস্থিতিক ঠেলি দিয়ে, সেইটো পৰিস্থিতিয়ে আকৌ [illegible] এটা পৰিস্থিতিক ঠেলি দিয়ে। এইদৰে বিভিন্ন পৰিস্থিতি বিশেষ ক্ৰমত মিলিত হৈ সাধুটোৰ সৃষ্টি হয়। সেইবাবে এই শ্ৰেণীৰ সাধুৰ নাম ক্ৰমপুঞ্জিত সাধু। দ্বিতীয়তে এই জাতীয় সাধুৰ গঠন বা সংযুক্তি নিৰ্ধাৰিত। সেইবাবে ক্ৰমপুঞ্জিত সাধুক নিৰ্ধাৰিতগতি সাধুও বোলা হয়। নিৰ্ধাৰিতগতি সাধুৰ উদাহৰণ স্বৰূপে তলত এটি সাধু দিয়া হ'ল।

"ভেকুলীৰ পিঠিত খহুৱা [illegible] কিয় হ'ল" বিষয়ক এটি ইমেজিক সাধুকথা কাৰ্বিসকলৰ মাজত প্ৰচলিত। সাধুটো তলত দিয়া হ'ল :

"পকৰা এটাই মুখত চাউল এটা লৈ আহি আছিল। বাটতে এটা ভেকুলীয়ে পেট পেলাই পৰি আছিল। পকৰাটোৱে ভেকুলীটোক বাটৰপৰা আঁতৰি দিবলৈ ক'লে। ভেকুলীটোৱে তাৰ পেটৰ ওপৰেৰে যাবলৈ পকৰাক ক'লে। পকৰাটোৱে ভেকুলীটোৰ কথামতে কাম কৰিলে। ভেকুলীটোৱে তাৰ পেটটোৰে পকৰাটোক হেঁচা মাৰি ধৰিলে। পকৰাটোৱে ভেকুলীৰ পেটত কামোৰ মাৰি দিলে। ভেকুলীটোৰ বৰ খং উঠিল আৰু খড়ৰ ডমকত সি জাপ মাৰি দিলত কেকেঁটুৱাৰ জখলা এডাল ভাঙিল। খড়ৰ কোবত কেকেঁটুৱাই লাউ এডাল ছিঙিলে। খড়ত লাউ এটা উকৰি আহি বৰা এটাৰ পিঠিত পৰিল। খড়ৰ কোবত বৰাই কলগছ এডাল উভালি পেলালে। খড়ৰ ডমকত

৫০ R M Dorson [ed] : Folklore and Folklife : An Introduction, p 39

৫১ প্ৰফুল্ল দত্ত গোস্বামী : অসমীয়া জনসাহিত্য, পৃ. ৫৬

কলগছডাল ঘনচিৰিকাৰ বাহত পৰিল। খঙত ঘনচিৰিকাই হাতী এটাৰ কাণত পৰিল। খং উঠি হাতীটোৱে শিল এটা বগৰাই দিলে। খঙৰ ভমকত শিলটো পৰিল ৰজাৰ পুতেকৰ গাত আৰু ৰজাৰ পুতেক মৰিল।

ৰজাই পুতেকৰ মৃত্যুৰ বাবে কোন দায়ী তাৰ বিচাৰ কৰিবলৈ ওলাল। তেওঁ সুধিলে বোলে 'মোৰ ল'ৰাজন কেনেকৈ মৰিল ?" আটায়ে ক'লে বোলে "শিল পৰি মৰিল।'

ৰজাই শিলক সুধিলে : "মোৰ ল'ৰাৰ ওপৰত পৰিলি কিয় ?"

শিল : "হাতীটোৱে মোক বগৰাই পঠিয়ালে কাৰণে।"

ৰজা : "হাতী, তই শিলটো বগৰালি কিয় ?"

হাতী : "ঘনচিৰিকা মোৰ কাণত পৰাৰ কাৰণে।"

ৰজা : "ঘনচিৰিকা, তই হাতীৰ কাণত পৰিলি কিয় ?"

ঘনচিৰিকা : "কলগছজোপা মোৰ বাহত পৰিল কাৰণে।"

ৰজা : "কলগছ, তই ঘনচিৰিকাৰ বাহত পৰিলি কিয় ?"

কলগছ : "বৰাই মোক উভালি পেলোৱা বাবে।"

ৰজা : "বৰা, তই কলগছজোপা উভালিলি কিয় ?"

বৰা : "মোৰ পিঠিত লাউ পৰিল কাৰণে।"

ৰজা : "লাউ, বৰাৰ পিঠিত পৰিলি কিয় ?"

লাউ : "কেৰ্কেটুৱাই মোৰ গছডাল ছিঙি দিলে কাৰণে।"

ৰজা : "কেৰ্কেটুৱা, তই লাউডাল ছিঙিলি কিয় ?"

কেৰ্কেটুৱা : "ভেকুলীয়ে জাপ মাৰি মোৰ জখলাডাল ভাঙিলে কাৰণে।"

ৰজা : "ভেকুলী, তই জখলাডাল ভাঙিলি কিয় ?"

ভেকুলী : "পকৰাই মোক কামুৰি দিলে কাৰণে।"

ৰজা : "পকৰা, তই ভেকুলীক কামুৰিলি কিয় ?"

পকৰা : "ভেকুলীয়ে মোক বাট এৰি নিদি ক'লে — মোৰ [illegible] যা। ক মতে মই গ'লো আৰু তেতিয়াই ভেকুলীটোৱে মোক পেটেৰে হে[illegible] ধৰিলে। তেতি মই তাক কামুৰিলোঁ।'

ৰজাই এইদৰে বিচাৰ কৰি পকৰা আৰু ভেকুলী উভয়কে জগৰীয়া পালে। যে মানুহৰ চুলি এডালেৰে পকৰাৰ কঁকালখন আঁটি আঁটি বান্ধি দিয়ালে। তাৰ ফলত পকৰা কঁকালটো চিঙা হৈ পৰিল। কাঁইট এজোপাৰে ভেকুলীৰ পিঠিত পিটন দিলে। তাৰ পিঠিখ খহুৰা হ'ল। ৫৫

৫৫. উক্ত গ্ৰন্থ, পৃ. ৫৬-৫৭

ক্রমপুঞ্জিত বা নির্ধাৰিতগঢ়ী সাধুৰ বিভিন্ন পৰিস্থিতিবোৰ শীৰ্ষ বিন্দুত উপনীত হোৱাৰ পৰৱৰ্তী মুহূৰ্তত ক্ৰমশঃ পৰিস্থিতিবোৰ তললৈ নামিবলৈ ধৰে আৰু শেষত আৰম্ভণিৰ পৰিস্থিতিত সাধুটোৱে প্ৰায় পৰিণতি লাভ কৰে। ক্ৰমপুঞ্জিত বা নিৰ্ধাৰিতগঢ়ী সাধুত নৈদানিক সাধুৰ বৈশিষ্ট্যয়ো পৰিলক্ষিত নোহোৱাকৈ নাথাকে। উপৰত উল্লেখ কৰা সাধুটোৰ পকৰাৰ কঁকাল আৰু ভেকুলীৰ পিঠিত খহ্ হোৱাৰ কাৰণ ব্যাখ্যা কৰা হৈছে।

(ঝ) মিছলীয়া সাধুকথা (The Tales of Lying, 1875-1999) নামৰ আন এক শ্ৰেণীৰ সাধুৰ উল্লেখ পোৱা যায়। ক্ৰমপুঞ্জিত বা নিৰ্ধাৰিতগঢ়ী সাধুৰ লগত মিছলীয়া সাধুকথাৰ মিল স্পষ্ট। আমেৰিকাৰ মৌখিক পৰম্পৰাত দীৰ্ঘ পৰিসৰ বিশিষ্ট (Tall Tale)এশ্ৰেণী সাধুকথাই জনপ্ৰিয়তা লাভ কৰিছে। নিৰ্ধাৰিতগঢ়ী সাধুকথাৰ বিস্তৃত পৰিসৰে সামৰি লোৱা সাধুৰ ভিতৰত উল্লেখযোগ্য ক্ৰমপুঞ্জিত সাধু অৰ্থাৎ Cumulative tale(2000-2199) জাৰ্মান ভাষাত *Kettenmärchen* স্বৰূপে পৰিচিত। এইবিধ সাধুৰ আন নাম ধাৰাবাহিক সাধু বা Chain tale। নিৰ্ধাৰিতগঢ়ী বা ক্ৰমপুঞ্জিত সাধুকথাৰ ইংৰাজী প্ৰতিশব্দ Chain tale। এইবিধ সাধুকথা নিৰ্দিষ্ট বৰ্ণনা বিশিষ্ট আৰু নতুন নতুন চৰিত্ৰই এই সাধুকথাৰ কথাবস্তুত প্ৰৱেশ কৰাৰ লগে লগে সেই একে বৰ্ণনাকে প্ৰায় অবিকৃভাবে পুণৰাবৃত্তি কৰে। নিৰ্ধাৰিতগঢ়ী সাধুকথাৰ অন্তৰ্গত ছল-সাধু অৰ্থাৎ Catch tale (2200-2249) ল'ৰা-ছোৱালীৰ লগত ৰসিকতা কৰাৰ প্ৰসংগত কোৱা হয়।[৫৬] এনে সাধু কোৱাৰ প্ৰসংগত কথকে কথনৰ মাজতে শ্ৰোতাক প্ৰশ্নৰ অৱতাৰণা কৰিবলৈ বাধ্য কৰোৱা হয় আৰু সেই প্ৰশ্নৰ যথাযথ অথবা ব্যংগ্যাত্মক উত্তৰ দিবলৈ কথকে যত্ন কৰা দেখা যায়।

(ঞ) **অন্তহীন সাধুকথা** : নিৰ্ধাৰিতগঢ়ী সাধুৰ বহল পৰিসৰৰ অন্তৰ্গত আন এবিধ সাধু হৈছে অন্তহীন সাধু (Endless tale, Type 2300)। এই শ্ৰেণীৰ সাধুৰ সংযুতিত পুনৰাবৃত্তিয়ে বিশেষভাৱে স্থান লাভ কৰা দেখা যায়। শ্ৰোতাৰ আমনি নলগালৈকে পুনৰাবৃত্তি চলি থাকে। সেইবাবে এই জাতীয় সাধুক অন্তহীন সাধু বোলে। অন্তহীন সাধুৰ উদাহৰণ এটি তলত দিয়া হ'ল :

এখন দেশৰ ৰজাই এজন কথককে মাতি আনি ক'লে বোলে তেওঁ এটি বৰ দীঘলীয়া সাধুকথা শুনিব খোজে। কথকেও ৰজাৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি ক'বলৈ ধৰিলে।

এটা বৰ ডাঙৰ ভঁড়াল ঘৰ আছিল। ভঁড়াল ঘৰটোত চালৰ সমানেই পিট খোৱাকৈ এভঁড়াল গুটি ধান আছিল। এটা ঘনচিৰিকা চৰায়ে এটা এটাকৈ গুটি ধানবোৰ নি শেষ কৰিবলৈ পাতিলে। সেইমতে ঘনচিৰিকা চৰাইটোৱে উৰা মাৰি আহি ভঁড়ালত সোমাই এটা ধান ঠোঁটত লৈ উৰামাৰি তাৰ বাহত থলে।

৫৬. Linda Dégh, *op-cit.* p. 72

আকৌ সি উৰি আহি আন এটা ধান নিলে।
আকৌ সি উৰি আহি আন এটা ধান নিলে।
আকৌ সি উৰি আহি আন এটা ধান নিলে।

..... এইদৰে ৰাতিপুৱাৰপৰা গধূলিলৈ ৰজাই সাধু শুনিলে। ৰজাৰ আমনি লাগি কথকক সুধিলে ঃ সাধুটো শেষ হ'ল নে ?

কথক ঃ "মহাৰাজ এতিয়াই ক'ত শেষ হ'ব ? এটা এটাকৈ গুটি ধান নি ঘনচিৰিকাই ইমান সোনকালে এভঁৰাল ধান শেষ কৰিব পাৰিব নে ?

ৰজা ঃ আজিলৈ হ'ব। আৰু শুনিব নোৱাৰি।

(ট) **সমস্যামূলক সাধুকথা ঃ** সমস্যামূলক সাধুকথাক সূচাবৰ বাবে ইংৰাজী ভাষাত 'Dilemma tale' পৰিভাষাটো প্ৰয়োগ কৰা হয়।[৫৭] অৱশ্যে 'Dilemma' পদটোৰ প্ৰকৃত অৰ্থৰ লগত সংগতি ৰাখি 'Dilemma tale' অভিধাটি অসমীয়া ভাষাত 'সংকটমূলক সাধুকথা' ৰূপেও অনুবাদ কৰিব পাৰি। এই জাতীয় সাধুকথাত এটা কাহিনী থাকে আৰু কাহিনীৰ পৰিণতিত সমস্যামূলক এটি প্ৰশ্ন জড়িত থাকে আৰু এই প্ৰশ্নটোৰ কেইবাটাও উত্তৰ থাকিব পাৰে। শুদ্ধ উত্তৰ দিব পৰা জনেই জয়লাভ কৰে। সমস্যামূলক সাধুত প্ৰশ্ন অপৰিহাৰ্য্য অংগ। সেইবাবে সমস্যামূলক সাধুৰ আন এটা নাম সাঁথৰ জাতীয় সাধু। সংস্কৃতত সংগৃহীত 'বেতাল পঞ্চ বিংশতি' নামৰ গ্ৰন্থত সন্নিবিষ্ট সাধুকথা বা কাহিনী কেইটি সমস্যামূলক সাধুৰ উৎকৃষ্ট নিদৰ্শন। অসমীয়া ভাষাত প্ৰচলিত দুটি সমস্যামূলক সাধুকথা তলত দিয়া হ'ল ঃ

(ক) এখন গাঁৱত কোনো কিছু নোহোৱা এজন ডেকা আছিল। ওচৰৰে এজনী গাভৰুক সি বিয়া কৰালে। বিয়াৰ কেইদিন মান পিছতে সি যাবলগীয়া হ'ল এজন বেপাৰীৰ লগত দূৰণিৰ গাঁৱ এখনলৈ। গাঁৱৰে এজনী বুঢ়ীক থৈ ঘৈণীয়েকৰ লগত থৈ ডেকাজন বেপাৰীৰ লগত গ'ল। গাভৰুজনীক ঘৈণীয়েক কৰি লবৰ বাবে এটা ভূতেও চেষ্টা চলাই আছিল। ডেকাজন যাবৰ দিনাখনেই গধূলি সি ডেকাজনৰ ৰূপ ধৰি ডেকাজনৰ ঘৰলৈ আহিল। তাই সন্দেহ কৰি গিৰিয়েক বাপী ভূতটোক লাই দিয়া নাছিল। বেলেগ ঘৰ এটাত তাই তাক শোৱ দিছিল। সাতদিনৰ মূৰত আচল ডেকাজন ঘূৰি আহিল। এতিয়া প্ৰশ্ন হ'ল তাইৰ আচল গিৰিয়েক কোনজন ?

গাঁৱৰ লোকসকল গোট খালে। ভলুকা বাঁহৰ চুঙা এটা অনা হ'ল। গাভৰু গৰাকীৰ গিৰিয়েক বুলি দাবী কৰা ডেকাদুজনক এজন এজনকৈ চুঙাৰ ভিতৰত সোমাবলৈ নিৰ্দেশ

---

৫৭. 'Dilemma tale'ৰ অভিধা বাবে প্ৰফেছৰ প্ৰফুল্ল দত্ত গোস্বামীয়ে 'সমস্যামূলক সাধু' অভিধাটো প্ৰয়োগ কৰিছে তেওঁৰ 'অসমীয়া জন-সাহিত্য' নামৰ গ্ৰন্থত (পৃ. ৭৮, ১৯৯৪)। ইংৰাজী ভাষাত 'Dilemma tale'ৰ বিষয়ে বহলাই আলোচনা কৰিছে উইলিয়াম আৰ্. বেচকম-এ তেওঁৰ 'African Dilemma Tale's (1994) নামৰ গ্ৰন্থত।

দিয়া হ'ল। প্ৰকৃত গিৰিয়েকজন চুঙাৰ ভিতৰত সোমাবলৈ অপৰাগ হ'ল; কিন্তু ডেকাৰগী ভূতজন এই কামত সফল হ'ল। গাঁৱৰ লোকসকলে ভূতক খেদিলে।

(খ) বিয়াৰ বয়স হোৱা ছোৱালী এজনীৰ বাবে পিতাক, মাক আৰু ককায়েকে তিনিজন বৰ ঠিক কৰিলে। বিয়াৰ দিনা তিনিওজন কইনাৰ ঘৰত উপস্থিত হ'লহি। বৰ তিনিজনৰ টনা-আঁজোৰাত কইনাৰ জীউ উৰি গ'ল। তিনিয়োজন ডেকাই কইনাজনীৰ মৰাশটো মৰিশালিত পুৰিলে। এজন ডেকাই সঞ্জীৱনী দৰব বিচাৰি গ'ল। দ্বিতীয়জনে গংগালৈ যাত্ৰা কৰিলে কইনাজনীৰ অস্থি লগাবৰ বাবে। তৃতীয়জনে মৰিশালিত অকলে কইনাজনীৰ ছাইখিনি ৰখি থাকিল। সঞ্জীৱনী দৰব লৈ আহিল প্ৰথম ডেকাজনে আৰু দৰবৰ গুণত কইনাজনী জী উঠিল। এতিয়া প্ৰশ্ন হ'ল— কোনজন ডেকাই ছোৱালীজনীক কইনা ৰূপে পাব ? তিনিয়োজন ডেকাৰ ভিতৰত এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি বাদানুবাদৰ সৃষ্টি হ'ল। শেষত কইনাজনীয়েই এই জটিল প্ৰশ্নটোৰ উত্তৰ দিলে : যিজনে মোক জীয়ালে তেওঁ মোৰ পিতাৰ নিচিনা। যিজনে মোৰ অস্থি গংগাত লগাইছিল তেওঁ মোৰ পোৰ দৰে। যিজনে ক'লৈকো নগৈ মৰিশালিত মোৰ ছাইখিনি ৰখি আছিল তেওঁ মোৰ স্বামী।

(ঠ) **কথা-গীত** (Cante fable) : 'কথা-গীত'ৰ বিষয়ে ইতিমধ্যে চমুকৈ আলোচনা কৰা হৈছে। কথা-গীতক সাধুকথাৰ পৰিসীমাত এই কাৰণেই ধৰা হৈছে যে এইবিধ সাধুকথাত গীত আৰু সাধু উভয় সমলৰ স্থিতি লক্ষ্য কৰিব পাৰি। সাধাৰণতে প্ৰশ্ন আৰু উত্তৰৰ সহায়ত গীত-পদৰ ঘটনা প্ৰবাহ উপসংহাৰৰ ফালে ক্ৰমশঃ আগবাঢ়ি যোৱা গীত বা সাধুৱেই কথা-গীত বা 'কন্‌টে ফেইবল'। এইবিধ সাধুৰ কাহিনীভাগৰ কিছু অংশ গীত-পদৰ সহায়ত কথিত হয় আৰু বাকী অংশ গদ্যত বৰ্ণিত হ'ব পাৰে। পৃথিৱীৰ বিভিন্ন ভাষাত এই জাতীয় সাধুকথা বা কথা-গীতৰ প্ৰচলন দেখা যায়। এনে সাধুৰ গীতাংশই প্ৰায়ে সংলাপৰ প্ৰকাৰ্য্য সম্পাদন কৰে। দ্বিতীয়তে, গীত-পদবোৰে এই জাতীয় কাহিনীৰ পৰিপূৰ্ণতাত আৰু কাহিনীভাগৰ আবেগিক দিশৰ প্ৰকাশত বিশিষ্ট ভূমিকা গ্ৰহণ কৰে। সাধুকথাৰ সংযুতিত স্থান পোৱা গীত-পদত প্ৰায়ে যাদুমূলক উক্তি-প্ৰত্যুক্তি, বাক্‌বৈদগ্ধ্য বিশিষ্ট প্ৰশ্নবোৰৰ জ্ঞান গৰ্ভ উত্তৰ, যোজোনা-পটন্তৰ, সাঁথৰ-দৃষ্টান্ত, কবি-সংগীতজ্ঞ আদিৰ বচন, চৰাই-চিৰিকতি, জীৱ-জন্তু আদিৰ চিঞৰ-বাখৰৰ উল্লেখো পোৱা যায়। 'কণটে-ফেইবল'ত সন্নিবিষ্ট বৰ্ণনাত্মক গদ্যভাগে গীত-পদৰ বাবে প্ৰয়োজনীয় পটভূমি নিৰ্মাণ কৰে। সেইবাবে এনে গীত-পদ পুনঃ পুনঃ আবৃত্তি কৰা দেখা যায় — সাধুকথাৰ কাহিনীভাগৰ অগ্ৰগতিৰ লগে লগে। 'কণটে-ফেইবল'ৰ উদাহৰণ স্বৰূপে কমলাকুঁৱৰীৰ সাধু, তেজীমলাৰ সাধু আদিলৈ আঙুলিয়াব পাৰি।

(ড) **ধৰ্মমূলক সাধু** (Religious tale, Types 750-849) : আৰ্নে-থম্‌চনৰ অনুক্ৰমণীত (Aarne-Thompson Index) ধৰ্মীয় সাধুকথা বিশেষ এশ্ৰেণীৰ সাধুকথা

ৰূপে বিবেচিত হৈছে। পাপ-পূণ্য, স্বৰ্গ-নৰক আদিৰ লগত জৰিত এই শ্ৰেণীৰ সাধুকথাই ধৰ্মীয় জনশ্ৰুতিৰ (religious legend) প্ৰকাৰ্য্যয়ো সাধন কৰে। ধৰ্মীয় সাধুকথাৰ পাত্ৰ-পাত্ৰী অৰ্থাৎ চৰিত্ৰবোৰ ধাৰ্মিক বা অধাৰ্মিক মানৱ আৰু অলৌকিক চৰিত্ৰৰ সীমাৰেখাৰ মাজত সীমিত। ধৰ্মীয় সাধুকথাবোৰ মাৰ্খেনতকৈ (*Märchen*) কম সম প্ৰকৃতিৰ। অৱয়ৱ আৰু জটিলতাৰ প্ৰসংগতো মাৰ্খেন আৰু ধৰ্মীয় সাধুকথাৰ মাজত পাৰ্থক্য আছে। এইবিধ সাধুকথাক চাৰিটা ভাগত ভগাব পাৰি :

(ক) ঈশ্বৰদ্বাৰা পাৰিতোষিক প্ৰদান বা শাস্তি বিধান,

(খ) সত্যৰ প্ৰকাশ,

(গ) মানৱৰ স্বৰ্গলাভ, আৰু

(ঘ) পাপাত্মাৰ ওচৰত মানৱৰ প্ৰতিজ্ঞা।

ধৰ্মীয় বা ধৰ্মমূলক সাধুকথাৰ উদাহৰণ স্বৰূপে 'সাধা ককতৰ প্ৰসংগত আবৃত্ত সাধু কেইটিলৈ (ওপনী গৌৰীৰ কথা, বামুণ-বামুণীৰ কথা, শতো মেকুৰীৰ কথা, পটা-পাটলু, মহাদেৱ-পাৰ্বতীৰ কথা) আঙুলিয়াব পাৰি। [৫৮]

সাধুকথাৰ অতিকৈ প্ৰয়োজনীয় দুটিমান বৈশিষ্ট্যৰ বিষয়ে অতি চমুকৈ আলোচনা ক'ৰা হ'ল; যেনে :

(১) **শ্ৰেণী আৰু কথাংগ** (Types and Motifs) : ধৰণ বা শ্ৰেণী (type) আৰু কথাংগ বা সাধুৰ অংশ (motif) সাধুকথাৰ কথাবস্তুৰ প্ৰয়োজনীয় উপাদান স্বৰূপে পৰিগণিত। ফিনলেণ্ডৰ বিখ্যাত পণ্ডিত আন্‌টি আৰ্নে-এ (Antti Aarne) তেওঁৰ প্ৰখ্যাত গ্ৰন্থ *Verzeichnis der Märchentypen* ত (১৯১০) সমগ্ৰ পৃথিৱীৰ সাধুকথাবোৰ পদ্ধতিগতভাৱে শ্ৰেণী বিভাজন কৰাৰ পথ দেখুৱাই দিছে। তেওঁ পৃথিৱীৰ সাধুকথাবোৰ মুখ্যতঃ তিনিটা ভাগত ভগাইছে, যেনে : জন্তুকেন্দ্ৰিক, সাধাৰণ সাধু আৰু টেটোকুঁটি আৰু এনেক্‌ডোট। প্ৰতিটো শ্ৰেণীকে আকৌ তেওঁ কেইবাটিও উপশ্ৰেণীত ভাগ কৰিছে। ১৯৩২ চনত ষ্টিথ থম্‌পছন-এ তেওঁৰ প্ৰসিদ্ধ গ্ৰন্থ *Motif-Index of Folk Literature*-ত (১৯৩২-৩৬) সাধুকথাৰ বিভিন্ন শ্ৰেণীত কাহিনী-সমল অথবা সাধুৰ অংশ অথবা কথাংগ (motifs) কিদৰে থাকিব পাৰে তাক স্পষ্টভাৱে দেখুৱাই দিছে। সাধুকথাৰ অৰ্থপূৰ্ণ অংশ একোটাৰ নামেই কথাংগ বা motif। থম্‌পছন-এ পৃথিৱীৰ সাধুবোৰ ২৩টা ভাগত (Head) ভাগ কৰিছে আৰু প্ৰতিটো ভাগ বিভিন্ন কথাংগত বিশ্লেষণ কৰিছে। এই কথাংগবোৰৰ সহায়ত পৰিপূৰ্ণ কথা বা কাহিনী ৰচনা কৰিব পাৰি।

(২) **আৱৰ্তণি আৰু শেষৰ নিৰ্ধাৰিতশৈলী বৰ্ণন** : সাধুকথাৰ সুনিৰ্দিষ্ট পৰিসীমাই সাধুকথাৰ আৱৰ্তণি আৰু শেষৰ বা সামৰণিৰ বৰ্ণনাৰ লৈতে কথকে সংযোগ কৰা নিৰ্ধাৰিত

---

৫৮. নবীন চন্দ্ৰ শৰ্মা : সাধা ককত সাধু, আকাশীবাঁ, পৃ. ২২-২৩

গঢ়ৰ বৰ্ণনাদিকো সামৰে। এনে বিধৰ বৰ্ণনা সাধুকথাৰ প্ৰধান কথাবস্তুৰ লগত নিৰূপকণীয়াকৈ জৰিত নহ'লেও সাধুকথাৰ কথন-পৰিস্থিতিৰ সৈতে এই বৰ্ণনাৰ সম্পৰ্ক অস্বীকাৰ কৰিব নোৱাৰি। সাধুকথা গ্ৰহণ আৰু ইয়াৰ আনন্দ উপভোগৰ বাবে প্ৰয়োজনীয় পৰিৱেশৰ সৃষ্টিত আৰম্ভণি আৰু শেষৰ নিৰ্ধাৰিতগঢ়ী বৰ্ণনাৰ ভূমিকা নোহোৱা নহয়। আৰম্ভণিৰ নিৰ্ধাৰিতগঢ়ী বৰ্ণনাই শ্ৰোতাক সাধু শুনাৰ বাবে সজাগ আৰু সচেতন কৰি তোলে। আৰম্ভণিৰ নিৰ্ধাৰিতগঢ়ী বৰ্ণনাৰ উদাহৰণ :

(১) এটা কথা।
কি কথা ?
বেং কথা।
কি বেং ?
নীল বেং।
কি নীল ?
গু গিল। [৫৯]

(২) কি কথা ? বেং কথা।
কি বেং ? পাত বেং।
কি পাত ? নীল পাত।
কি নীল ? গু গিল। [৬০]

(৩) কি কথা ? বেঙে মাথা।
কি বেং ? সৰু বেং।
কি সৰু ? পাত গৰু।
কি পাত ? গুৱা কাট।
কি গুৱা ? চাহ গুৱা।
কি চাহ ? গু খাহ [৬১]

সাধুকথাৰ শেষত বা সমাপ্তিত সংযোজন কৰা নিৰ্ধাৰিতগঢ়ী বৰ্ণনাৰ উদাহৰণ :

(১) ঢেকিয়াই মেলিলে ঠোঁৰ।
মোৰ কথাৰ পৰিল ওৰ॥
তামোলে মেলিলে ডাবি।

৫৯. সংগ্ৰাহক : শ্ৰী [illegible] (৭৫), [illegible], ১০/৪/৭১ [illegible]
৬০. (—) : শ্ৰী [illegible] (২৮), [illegible], ১৮/৫/৯৬
৬১ (—) : শ্ৰী [illegible] (৩০), [illegible], ১৮/৫/৯৬

কোন ক'লৈ যাবি ॥
ক'লা মেকুৰীৰ বগা কাণ।
ডাকি বোলা ৰাম ৰাম ॥ [৬২]

(২) আমাৰো কাণি-কাণোৰ ক'লা হ'লত আমি গুচি আহিলোঁ। [৬৩]

(৩) জুলত পৰিল কেঁচা। মোৰ সাধুকথা মিছা।
ভামোল মেলিলে ভাবি। কোন ক'লৈ যাবি ॥ [৬৪]

এনে বিধৰ বৰ্ণনাৰ উদ্দেশ্য শ্ৰোতাৰ মন, সাধুকথাৰ কাল্পনিক জগতৰপৰা বাস্তৱ জগতখনলৈ ঘূৰাই অনা।

সাধুকথাৰ মূলকথাবস্তুৰ আৰম্ভণি আৰু পৰিসমাপ্তি সূচোৱা বাক্যবোৰ চুটি বা দীঘলীয়া হ'ব পাৰে। অসমীয়া সাধু আৰম্ভ হয় "এসময়ত এখন দেশত এজন ৰজা আছিল"—এনে ধৰণৰ বাক্যৰে; আৰু শেষ কৰা হয় "তাৰ পাছত দুয়ো সেই ঘৰ-বাৰী আৰু ৰাজসৰ গাঁও এৰি এখন সুকীয়াকৈ নগৰ পাতি মনৰ সুখেৰে সেই নগৰতে থাই-বৈ থাকিল।"[৬৫] সাধুকথা কৈ যাওঁতে কথকে মাজে মাজে বাস্তৱ জগত আৰু পৰিৱেশনৰ মাজত সম্পৰ্ক ৰাখি বিভিন্ন মন্তব্য প্ৰকাশ কৰে আৰু সাধুকথাৰ পৰিণতিৰ সন্দৰ্ভতো নিজৰ বক্তব্য দাঙি ধৰে।

(৩)। প্ৰতিৰূপগত ৰূপক বা অলংকাৰৰ প্ৰয়োগ : সাধুকথাৰ কথাবস্তু সামাজিক প্ৰতীকৰ আধাৰত পল্লৱিত হোৱা বাবে বিশেষকৈ নায়ক, প্ৰতিনায়ক, নায়িকা, প্ৰতিনায়িকা, সৌন্দৰ্য্য প্ৰধান চিত্ৰণ, বিস্ময়, কাহিনীৰ উৎকৰ্ষ আৰু পৰিণতিমুখী অৱস্থা আদিৰ পৰিকল্পনীয় বৰ্ণনা দিয়াৰ প্ৰসংগত প্ৰতিৰূপগত ৰূপক বা অলংকাৰৰ প্ৰয়োগ লক্ষ্য কৰা যায়। মানৱ জীৱন আৰু সমাজত পৰিলক্ষণীয় পাৰস্পৰিক বিৰোধবোৰ, যেনে : ভাল/বেয়া, সুৰূপা/কুৰূপা, পোহৰ/আন্ধাৰ, ধনী/দুখীয়া, ৰজা/প্ৰজা আদি বিভিন্ন চৰিত্ৰ আৰু তেওঁলোকৰ কাৰ্য্যাৱলীৰ মাধ্যমেৰে প্ৰকাশ হয়। উজ্জ্বল দীপ্তি, ধাতুৰ উজ্জ্বলতা আদি, পৰীৰ ৰাজ্য, ৰাজ্য, ধন-দৌলত আদিৰ ৰূপক। তেনেদৰে অন্ধকাৰ, অনুজ্জ্বল বং আদি অজান তথা বিপদজনক স্থান, অপ-শক্তিৰ ক্ষেত্ৰ, দাৰিদ্ৰ্য আদিৰ প্ৰতীক।

(৪) নিৰ্ধাৰিত গঢ়ৰ বাচিক অনুক্ৰম : নিধাৰিত গঢ়ৰ বচিক অনুক্ৰমে, সাধুকথাত স্থান পোৱা প্ৰধান চৰিত্ৰৰ স্বগতোক্তি, নাটকীয় সংলাপ আদি বৈশিষ্ট্যক সূচায়। নায়কৰ সাৰ্থক নিৰ্ধাৰিত গঢ়ৰ উক্তি আৰু এই উক্তিৰ সহায়ত শত্ৰুক বন্দু কৰা, সহায়কাৰী চৰিত্ৰক আহ্বান কৰা আদি বিশেষত্বকো নিৰ্ধাৰিত গঢ়ৰ বাচিক অনুক্ৰম আখ্যা দিব পাৰি। তেনেদৰে টেটকুটিত মূৰ্খচৰিত্ৰই সংলাপৰ মাধ্যমত প্ৰকাশ কৰা মূৰ্খামি আদিকো নিৰ্ধাৰিত গঢ়ৰ

৬২. লক্ষ্মীনাথ বেজবৰুৱা : বুঢ়ী আইৰ সাধু, পৃ. ১৮
৬৩. উক্ত গ্ৰন্থ, পৃ. ৫৮
৬৪. উক্ত গ্ৰন্থ, পৃ. ৬৯
৬৫. উক্ত গ্ৰন্থ, পৃ. ১১৯

বাচিক অনুক্ৰম বোলা হয়। এই প্ৰসংগত সাধু কথকৰ নিজা ব্যাখ্যা নিস্প্ৰয়োজনীয়।

(৫) পুনৰাবৃত্তি ঃ কোনো কোনো সাধুত একোটা পৰিস্থিতি বা অনুক্ৰম বা বৰ্ণনা পুনঃ পুনঃ কোৰা হয়; আৰু এই বৈশিষ্ট্যৰ নামেই পুনৰাবৃত্তি। নিৰ্ধাৰিত গঢ়ী নাইবা ক্ৰম পুঞ্জিত সাধুকথাত পুনৰাবৃত্তিৰ স্থান তাৎপৰ্য্যপূৰ্ণ। সাধুকথাৰ আবেদন বৃদ্ধিৰ বাবে কোনো কোনো অংশ পুনঃ পুনঃ আবৃত্ত বা কথিত হ'ব পাৰে।

সাধুকথাৰ চৰিত্ৰবোৰ আৰু এই চৰিত্ৰবোৰৰ কাৰ্য্যাৱলী প্ৰতীকাত্মকভাৱেহে উপস্থাপন কৰা হয়। এই চৰিত্ৰবোৰ মানুহ-চৰিত্ৰৰ দৰে চিত্ৰিত হ'লেও মূলতঃ এইবোৰ মানৱ চৰিত্ৰৰ প্ৰতীকহে।

প্ৰবচন আৰু সাঁথৰ

প্ৰবচন ঃ প্ৰবচন বা যোজোনা অথবা পটন্তৰ বা প্ৰবাদ আদি অভিধা সাধাৰণতে ইংৰাজী "Proverb" ৰ প্ৰতিশব্দ ৰূপে প্ৰয়োগ কৰা হয়। বাচিককলাৰ অন্যতম উপশ্ৰেণী প্ৰবচন আৰু সাঁথৰক স্বিকৃত বাক্ বৈশিষ্ট্য অৰ্থাৎ Fixed-phrase genres আখ্যা দিব পাৰি; যিহেতু প্ৰবচন আৰু সাঁথৰৰ জমিন (texture) এটা ভাষাৰপৰা আন এটা ভাষালৈ অনুবাদ কৰা টানেই নহয় অসম্ভৱো। জমিন পৰিভাষাই লোকবিদ্যা সম্পৰ্কীয় পাঠৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যক সূচায়। প্ৰবচন আৰু সাঁথৰৰ জমিন হৈছে- ইহঁতৰ লয় আৰু অনুপ্ৰাসৰ ক্ষিপ্ৰতা। শ্বাসাঘাত, সুৰ সংযোগ, স্বন বা সুৰলহৰি, ধ্বন্যাত্মকতা আদি জমিনৰ আন আন উল্লেখযোগ্য বৈশিষ্ট্য।

প্ৰবচন আৰু সাঁথৰৰ প্ৰকৃত অৰ্থ বুজিবৰ বাবে ইহঁতৰ সামাজিক প্ৰসংগ বা অনুষংগৰ বিষয়ে সম্যক জ্ঞান অতিকৈ প্ৰয়োজনীয়। প্ৰবচন আৰু সাঁথৰ প্ৰত্যেকৰে আছে একোটাকৈ পাঠ (text)। পাঠৰ লগত অনুষংগৰ সম্পৰ্ক অতিকৈ গভীৰ; যিহেতু অনুষংগ অবিহনে পাঠৰ প্ৰকৃত অৰ্থ বুজিব নোৱাৰি। অনুৰূপে প্ৰবচন আৰু সাঁথৰৰ অৰ্থ ব্যাখ্যাৰ বাবে প্ৰসংগ বা অনুষংগ অপৰিহাৰ্য্য; যিহেতু প্ৰসংগ বা অনুষংগ বিহীন প্ৰবচন আৰু সাঁথৰ স্বৰূপাৰ্থত স্পন্দনহীন দেহতুল্য। [৬৩]

প্ৰবচনবোৰ সংক্ষিপ্ত আৰু বুদ্ধিনিষ্ঠ পৰম্পৰাগত উক্তি। দৈনন্দিন জীৱনৰ কথা-বাৰ্তাৰপৰা আৰম্ভ কৰি শৈক্ষিক আৰু ন্যায়িক পৰিস্থিতি পৰ্যন্ত প্ৰবচনবোৰ প্ৰয়োগ কৰা হয়। বাচিক কলাৰ আন আন উপাদানৰ নিচিনাকৈ প্ৰবচনবোৰ প্ৰয়োগ কৰা হয়- ভাৱৰ আদান-প্ৰদান বা অভিজ্ঞাপনৰ বাবে। বিশেষ এটা সমস্যাৰ আধাৰত ইয়াৰ জন্ম আৰু বিবৃতি বিশেষৰ মাধ্যমত এই সমস্যাই আত্ম প্ৰকাশ কৰে। ব্যক্তিনিষ্ঠ পৰিস্থিতিত এই বিধ বাচিককলা প্ৰয়োগ কৰা দেখা গ'লেও ইয়াৰ অন্যতম লক্ষ্য ব্যক্তিনিষ্ঠতা আৰু যুক্তিনিষ্ঠতা। সাধাৰণতে প্ৰবচনৰ ৰূপগত বা গঠনগত বৈশিষ্ট্য এটা বা দুটা বাক্যৰ ভিতৰতে সীমিত। সংক্ষিপ্ততা প্ৰবচনৰ অন্যতম বিশেষত্ব। কলাগত গুণো এই বিধ বাচিক কলাত

[৬৩] "The text, of course, is extremely important, but without the context it remains lifeless." B. Malinowski : *Magic, Science and Religion*, p.104

লক্ষ্য কৰা যায়। মৌখিক কথোপকথনত প্ৰবচনৰ ব্যৱহাৰ বৰ বেছি, তেনেদৰে লিখিত পৰম্পৰাতো ইয়াৰ ব্যৱহাৰ দেখা যায়। লোকায়ত সমাজত কোনো এটা কথা প্ৰবচন বা যোজোনা বা পটন্তৰৰ সৈতে কৰ নোৱাৰিলে সেই কথা প্ৰায়ে নৰজে। সেইবাবে প্ৰবচন-যোজোনা-পটন্তৰ আদিক বেদৰ বাণীক দৰে বিবেচনা কৰা মানুহ সমাজত চলি আহিছে ('ডাকৰ বাণী বেদৰ বাণী')।

প্ৰবচনবোৰ পৰম্পৰাগত যুক্তিপূৰ্ণ উক্তি। এই উক্তিত অতি কমেও এটা বৰ্ণনাত্মক সমল থকা উচিত। বৰ্ণনাত্মক সমলেই প্ৰবচনৰ নিচেই সৰু একক। বৰ্ণনাত্মক সমল (descriptive element), বিষয়বস্তু (topic) আৰু মন্তব্যৰ (Comment) সমষ্টি। অৱশ্যে এই দুটা এককৰ বাহিৰেও বৰ্ণনাত্মক সমল আৰু কেইবাটি এককত বিভক্ত হ'ব পাৰে । বৰ্ণনাত্মক সমল : ' হাতত নাই ধন/বৰ সৰ্ভালে মন।'

' উপৰে গো বধ/তলে ব্ৰাহ্মণ বধ।'

উপৰৰ প্ৰবচন দুটাৰ প্ৰত্যেকটোৰেই দুটা অংশত বিভক্ত। প্ৰত্যেকটো প্ৰবচনৰ অংশ দুটাই পৰস্পৰ বিৰুদ্ধ ভাব প্ৰকাশ কৰে; যেনে : ধন/মন; গোবধ/ব্ৰাহ্মণ বধ।

কোনো কোনো ক্ষেত্ৰত একাধিক বাক্যৰ জৰিয়তেয়ো প্ৰবচন গঠিত হ'ব পাৰে; যেনে :

" আইৰ ঘৰৰ যোৱন-কাটন আইৰ ঘৰত ৰ'ল।
শহুৰী ঘৰক আহিলো ঝি (যি) মোৰ কিবা হ'ল ॥
আইৰ আগত কবি দাদা মই ভাজেনী হলোঁ।
এহাত পুতল দুই হাত দীঘল মই কাপোৰ বোলোঁ ॥
ঘিতেই তামছা।
তিনি বৈহাগত এখান মোকচা।" ৬৭

প্ৰবচনবোৰত কাব্যিক বৈশিষ্ট্য বিশেষকৈ অন্ত্যানুপ্ৰাসৰ ক্ষেত্ৰত বক্ষিত হোৱা দেখা যায়। উপৰৰ প্ৰবচনটোত প্ৰথম শাৰীৰ অন্ত্যধ্বনি 'ল' আৰু দ্বিতীয় শাৰীৰ অন্ত্যধ্বনি 'ল' মিলনান্ত। তেনেদৰে তৃতীয় শাৰীৰ অন্ত্যধ্বনি 'লোঁ' আৰু চতুৰ্থশাৰীৰ অন্ত্যধ্বনি 'লোঁ' মিলনান্ত।

প্ৰায়বিলাক প্ৰবচনৰ সৈতে একোটি সাধুকথা বা কাহিনী জৰিত হৈ থকা দেখা যায়। কোনো কোনো সাধুকথা বা কাহিনীৰ শেষৰ বাক্যটোৱেই প্ৰবচনৰ ভূমিকা গ্ৰহণ কৰে।

প্ৰবচনবোৰ সাধাৰণতে চাৰিটা শ্ৰেণীত বিভক্ত কৰিব পাৰি; যেনে :

(১) ধনাত্মক তুল্যতা (Positive equivalence) :

(।) সময় অমূল্য ধন।

(।।) ধনেই ধৰ্মৰ মূল।

---

৬৭. সংবাদদাত্ৰী:শ্ৰীমতী মোহেশ্বৰী দেৱী (৫৩), কাহাৰপাৰা,কামৰূপ, ২৫/৮/৯০

(iiii) যাৰ নাই থান, তাৰ নাই মান।

(২) ঋণাত্মক তুল্যতা (Negative equivalence) :

(i) কাকনো বুলিম ককা আটাইৰে ভাবি-চুলি পকা।

(ii) সুখৰ উপৰি সুখ।
কাঠিৰ কুকুৰে সাতপাক দি ঘুমাই পিছৰ কালে মুখ॥

(iii) আছে গৰু নাবায় হাল।
থকাতকৈ নথকায় ভাল॥

(৩) ধনাত্মক নিমিত্ততা (Positive causational) :

(i) সৰ্ব গুণীয়াক ভাতে নাটে।

(ii) বৈদ্য হুয়া মৰে আপুনি বিষে।

(iii) উৰিসা ঘৰত বাৰিবা থাকে।
যুৰত কন্যাক বাপেকে বাখে॥

(iiii) অতি লোভ যাৰ সকলো অসাৰ তাৰ

(৪) ঋণাত্মক নিমিত্ততা (Negative causational) :

(i) খোৰা পীৰা ফটাপাত।
মুখ চাই ৰান্ধনী নিদিয়ে ভাত॥

(ii) আসনৰ বৰ্জিত তিনি যাৰ খুৰা।
মিত্ৰৰ বৰ্জিত পিয়ে সুৰা॥

(iii) নদীৰ বন খানে আৰু পোতে।
বিষয়াৰ বন নাই ভাঙে আৰু পাতে॥

প্ৰবচনৰ এটি উল্লেখযোগ্য উপশ্ৰেণী হৈছে ফকৰা। সাধাৰণতে বৈষ্ণৱভকতসকলৰ মাজত ফকৰাৰ সমাদৰ দেখা যায়। "সাধাৰণ ফকৰাবিলাকত স্থূল দেহৰ অসাৰতা, চিত্তদমন আদি নীতি লুকাই আছে।" ৬৮ ফকৰাৰ অৰ্থ সহজে বুজিব নোৱাৰি। তলত দুটি ফকৰা দিয়া হ'ল :

(i) যাৰ হাত জালৰ তেৰ হাত ফটা।
ভাল মাৰিলে বাপৰ বেটা॥
বৌ ৰবাঁলি সৰকি গ'ল।
পুঠি খলিহা পাছে পাছে মল॥

(ii) নিজৰা জৰে, অমৰা মৰে, মৰাই বায় হাল।
লখিমীৰ টিকাত ছিৰা কানি মোৰ নাম নিধনীয়ে ভাল॥

ভকতীয়া অৰ্থ অথবা গুপুত অৰ্থ বিশিষ্ট প্ৰবচনবোৰেই ফকৰা। ফকৰা আৰু যোজোনাৰ

৬৮. প্ৰফুল্লদত্ত গোস্বামী, প্ৰাগুক্ত গ্ৰন্থ, পৃ.১১৩

মাজত মিল থকা দেখা যায়। ডাকৰ নামত প্ৰচলিত প্ৰৱচনবোৰ অৰ্থাৎ 'ডাক-প্ৰবচন' বোৰ যোজোনা ধৰ্মী। লোক জীৱনত সদা-সৰ্বদাই প্ৰচলিত প্ৰৱচন-যোজোনা আদি লিখিত পৰম্পৰাত ঠাই পায় আৰু এইদৰে প্ৰৱচন-যোজোনাবোৰ শিক্ষিত সমাজৰো উমৈহতীয়া সম্পত্তি হয়। বিজনি, চানেকি, আৰ্হি আদি অৰ্থত প্ৰবচন-যোজোনা আদি প্ৰয়োগ কৰা হয় বাবে এইবোৰৰ আন নাম পটন্তৰ। লোক সমাজত প্ৰবচন-যোজোনা-ফকৰা-পটন্তৰ আদি মুখে মুখে চলি থাকে বাবে এইবোৰৰ আন নাম লোকোক্তি (লোক+উক্তি)। ড° প্ৰফুল্লদত্ত গোস্বামীৰ মতে : "যোজোনা ব্যৱহাৰ কৰা হয় কথাৰ মাচত- প্ৰায়েই ঠাট্টাৰ সুৰত, সাধাৰণ বক্তব্যৰ মেৰ মাৰিবলৈ বা কিবা কথা ব্যাখ্যা কৰিবলৈ।"[৬৯]

সাঁথৰ :

সাঁথৰ অভিধাৰ প্ৰতিশব্দ ৰূপে দৃষ্টান্ত, দিষ্টান আদি শব্দ ব্যৱহাৰ কৰা হয়। অসমীয়া ভাষাত প্ৰচলিত সাঁথৰ, দৃষ্টান্ত, দিষ্টান আদি অভিধাৰ প্ৰতিঅভিধা ৰূপে ইংৰাজী ভাষাত "Riddle" পদটো প্ৰচলিত। ড° প্ৰফুল্লদত্ত গোস্বামীৰ মতে সাঁথৰবিলাকো এক হিচাবে ফকৰা; অৱশ্যে ফকৰাৰ অৰ্থ ভকতীয়া আৰু সাঁথৰৰ অৰ্থ বা সমাধান ঐহিক আৰু সাধাৰণ।[৭০] ফকৰাৰ দৰে সাঁথৰৰ ভাষাও প্ৰহেলিকাময়।

সাঁথৰ প্ৰহেলিকাময় প্ৰশ্ন। এই প্ৰশ্ন বৰ্ণনাৰ ৰূপত উপস্থাপন কৰা হয়। উত্তৰ দাতাই এই বৰ্ণনা প্ৰায়ে অনুমান কৰি লব লগীয়া হয়। সাঁথৰৰ উত্তৰ নজনাসকলক বিভ্ৰান্ত কৰিবলৈ আৰু তেওঁলোকৰ উদ্ভাৱনীশক্তি পৰীক্ষা কৰিবলৈ সাঁথৰ ব্যৱহাৰ কৰা দেখা যায়। প্ৰবচনৰ দৰে সাঁথৰৰ প্ৰসংগতো পৰস্পৰ বিৰোধী বৰ্ণনা বা বাক্যৰ স্থিতি লক্ষ্য কৰিব পাৰি। আৰচাৰ টাইলাৰ-ৰ মতে সাঁথৰৰ অতি প্ৰয়োজনীয় সংযুতি দুপ্ৰকাৰ বৰ্ণনাত্মক সমলৰ সমষ্টি : এবিধ ধনাত্মক বা বাস্তৱিক বা অস্ত্যৰ্থক (Positive) আৰু আনটো ঋণাত্মক বা নঞাৰ্থক বা নাস্ত্যৰ্থক (Negative); ধনাত্মক বা বাস্তৱিক অংশটো প্ৰায়ে ৰূপাত্মক, আৰু সাঁথৰৰ উত্তৰ এই অংশটোৰ ওপৰতেই নিৰ্ভৰশীল।

টাইলাৰ-ৰ সূত্ৰটোত আঁসোৱাহ নোহোৱা নহয়; যিহেতু তেওঁ সাঁথৰৰ ৰূপক বা প্ৰতীকৰ ওপৰতহে তুলনামূলকভাৱে অধিক গুৰুত্ব দিছে। সাঁথৰৰ সাংযুতিক দিশত গুৰুত্ব দি ইয়াৰ সূত্ৰ তলত দিয়াৰ দৰে দিব পাৰি; যেনে :

সাঁথৰ পৰম্পৰাগত বাচিক অভিব্যঞ্জন; ই এটা বা তাতকৈ সৰহ বৰ্ণনাত্মক সমলৰ সমষ্টি। বৰ্ণনাত্মক সমলবোৰৰ ভিতৰত অন্ততঃ এযোৰৰ মাজত পাৰস্পৰিক বৈপৰীত্য পৰিলক্ষিত আৰু বৰ্ণনাত্মক সমলৰ বিষয়বস্তু অনুমান সাপেক্ষ।

সাঁথৰত চাৰিবিধৰ বিৰোধ বা বৈপৰীত্য থাকিব পাৰে; যেনে :

(১) ৰূপক বা প্ৰতীকৰ বৈপৰীত্য বা বিৰোধ।

(২) অসম্পূৰ্ণ ৰূপক বা প্ৰতীক।

---

৬৯. উক্ত গ্ৰন্থ, পৃ.১৩১ ; ৭০. উক্ত গ্ৰন্থ, পৃ. ১১৩

(৩) বৰ্ণনাৰ আধিক্যৰ জৰিয়তে প্ৰকটিত বিবোধ।

(৪) মিথ্যা ৰূপক বা প্ৰতীকৰ জৰিয়তে পৰিস্ফুট বিৰোধ।

বৰ্ণন মূলক সাঁথৰ : সাঁথৰত সন্নিবিষ্ট প্ৰশ্নৰ প্ৰকৃতি অনুসৰি এই বিধ বাচিককলাক কেইটিমান উপশ্ৰেণীত ভাগ কৰিব পাৰি। সাঁথৰবোৰ দৰাচলতে প্ৰশ্নহে। অৱশ্যে সাধাৰণ প্ৰশ্ন আৰু সাঁথৰৰ প্ৰশ্নৰ মাজত পাৰ্থক্য আছে। সাধাৰণ প্ৰশ্নবোৰ প্ৰহেলিকাৰ আৱৰণেৰে আচ্ছন্ন নহয়; অন্যহাতে সাঁথৰৰ প্ৰশ্ন প্ৰহেলিকাময়। সেইবাবে হিন্দী ভাষা প্ৰচলিত অঞ্চলৰ বিভিন্ন অঞ্চলত সাঁথৰৰ নাম প্ৰহেলিকা। প্ৰশ্নৰ প্ৰকৃতি অনুসৰি সাঁথৰৰ এটা ভাগক বৰ্ণনাত্মক সাঁথৰ (Descriptive riddles) আখ্যা দিয়া হয়। বৰ্ণনাত্মক সাঁথৰৰ আন এটা নাম আচল সাঁথৰ("True riddles")। এই বিধ সাঁথৰত কেইবাটিয়ো প্ৰশ্ন প্ৰহেলিকাময় ভাষা আৰু বৰ্ণনাৰ সহায়ত উপস্থাপন কৰা হয়।বৰ্ণনাত্মক সাঁথৰৰ পৰিসৰত কাব্যিক আৰু ৰূপকগত সাঁথৰবিলাকো ধৰিব পাৰি। বৰ্ণনাত্মক সাঁথৰৰ উদাহৰণ তলত দিয়া হ'ল; যেনে :

(ক) গল আছেই ঠেং নাই,
কাণ আছেই চকু নাই,
পেট আছেই হাত নাই,
মুখ আছেই জিভা নাই,
এইটো কি বস্তু ভাই ? উত্তৰ : কলহ বা ঘটি।

(খ) সত্য যুগত মূৰত টুপী,
কৃষ্ণ অৱতাৰত মুহিলা গোপী,
ৰাৱণ মৰিল ৰামৰ শৰত,
সেই খান আজ্ঞা আমাৰ হাতত। উত্তৰ : বাঁহৰ গাজ।

(৩) বৈশম্পায়ন বদতি শুনা জন্মেজয়।
এক গোট জন্তু আছে মনুষ্যে ভুঞ্জয় ॥
চৈধ্য খান ঠেং তাৰ কটিত নেঙুৰ।
মাথাত আছে তাৰ এডাল ত্ৰিশূল ॥ উত্তৰ :- মিছামাছ বা নিছিলা মাছ।

(৪) চৌকাণে চৌ ডাল, মাজতে ঔ ডাল।
চৌ কাণে জোকাবেই, মাজতে বোআলেই। উত্তৰ 'জাল'।

টেটকুঁটিমূলক প্ৰশ্ন (Joking questions) : টেটকুঁটিমূলক প্ৰশ্নবোৰো এক প্ৰকাৰ সাঁথৰেই। এই বিধ সাঁথৰো প্ৰহেলিকাময়। টেটকুঁটিমূলক প্ৰশ্ন বা সাঁথৰত প্ৰশ্নটোৱেই সাঁথৰটোৰ শেহৰ বাক্য ৰূপে প্ৰকাৰ্য্য সাধন কৰে। টেটকুঁটিমূলক সাঁথৰক অন্যপ্ৰকাৰে ওলোটা বা ওভোতা সাঁথৰ (reverse riddle) আখ্যা দিব পাৰি। এই জাতীয় প্ৰশ্ন বা সাঁথৰৰ উদাহৰণ তলত দিয়া হ'ল; যেনে :

(১) কি হাতীৰ শুঁৰ নাই। উত্তৰঃ গুৱাহাটীৰ।
(২) শ ফুল ফুলিছে পিন্ধোতা নাই।
কোবাচোন এইবোৰ কিফুল ভাই॥ উত্তৰঃ- তৰা (তৰাবল)।
(৩) শ পুত্ৰ মৰিছে কান্দোতা নাই।
শ পুত্ৰ কোন কোৱাচোন ভাই॥ উত্তৰঃ- সাপ।
(৪) সু পাটী পাৰিছে ঘুমাওতা নাই।
এইটো নি কি পাটী কোৱাচো আই॥ উত্তৰঃ- বানপানী।
(৫) এক ঠেঙীয়া হাতী, ধান খায় পাচি পাচি। উত্তৰঃ- ঢেঁকী।
(৬) কি গঁড়ৰৰ খড়্গ নাই ? উত্তৰঃ- বাজগড়ৰ।

জ্ঞানমূলক প্ৰশ্ন বা সাঁথৰ (Wisdom questions) ঃ টেটকুঁটিমূলক প্ৰশ্ন বা সাঁথৰৰ নিচিনাকৈ জ্ঞানমূলক প্ৰশ্ন বা সাঁথৰৰ উত্তৰ, প্ৰশ্ন বা সাঁথৰটোৰ বিষয়বস্তুৰপৰা দিব নোৱাৰি। বৰং এনে সাঁথৰ বা প্ৰশ্নৰ উত্তৰ ইতিমধ্যে জানি থব লাগিব। বিভিন্ন প্ৰকাৰৰ প্ৰহেলিকাময় সাঁথৰ বা প্ৰশ্নৰ উত্তৰৰ প্ৰসংগত উত্তৰ দিয়োতা জনে নিজৰ বুদ্ধি-কৌশল আদি প্ৰয়োগ কৰিব পাৰে; কিন্তু জ্ঞানমূলক প্ৰশ্ন বা সাঁথৰৰ ক্ষেত্ৰত তেওঁ নিজৰ বুদ্ধি-কৌশল প্ৰয়োগ কৰিবলৈ সুবিধা নেপায়। গতিকে জ্ঞানমূলক প্ৰশ্ন বা সাঁথৰৰ আলংকাৰিক বৈশিষ্ট্যৰ বিশেষ কিবা ভূমিকা আছে বুলি কব নোৱাৰি। প্ৰায়বিলাক জ্ঞানমূলক প্ৰশ্ন বা সাঁথৰৰ উত্তৰ, ভূগোল, পদাৰ্থবিজ্ঞান, ধৰ্ম, ভাষা, সহিত্য আদি বিষয়ৰ পূৰ্বলব্ধ জ্ঞানৰ লগত সম্পৃক্ত। এই বিধ সাঁথৰৰ দুটা মান উদাহৰণ তলত দিয়া হল; যেনে ঃ

(১) গাখীৰতকৈ বগা কি ? উত্তৰঃ- বৰফ।
(২) পৰ্বততকৈ ওখ কি ? উত্তৰঃ- প্ৰেম/ধৰ্ম
(৩) বায়ুতকৈ বেগী কি ? উত্তৰঃ- মন।
(৪) কোন শত্ৰুক জয় কৰা আটাইতকৈ টান ? উত্তৰঃ- ছয়ৰিপু বা মন।
(৫) মানৱৰ মহাধন কি ? উত্তৰঃ- সন্তুষ্টি।

সমস্যা প্ৰধান প্ৰশ্ন বা সাঁথৰ (Puzz les) ঃ সমস্যা জৰিত প্ৰশ্ন বা সাঁথৰক সাধাৰণতে সমস্যা প্ৰধান প্ৰশ্ন বা সাঁথৰ বুলিব পাৰি। সমস্যা প্ৰধান সাঁথৰৰ উত্তৰ দিয়াৰ প্ৰসংগত উত্তৰ দিয়োঁতা জনে আন সাঁথৰৰ তুলনাত অধিক মনোযোগ দিব লগীয়া হয়। জ্ঞানমূলক সাঁথৰৰ সৈতে সমস্যামূলক সাঁথৰৰ সাদৃশ্য নাই বুলি কব নোৱাৰি; যিহেতু উভয় বিধ সাঁথৰেই বিশেষ জ্ঞানৰ লগত জৰিত। সমস্যা প্ৰধান প্ৰশ্ন বা সাঁথৰৰ উদাহৰণ তলত দিয়া হ'ল; যেনেঃ

(১) ইখৰবো মাক জীয়েক সিখৰবো মাক-জীয়েক,
পকা কল তিনিটা গাই পতি কেইটাকৈ ? উত্তৰঃ- এটা কৈ।
(২) শুভঙ্কৰীৰ ফাকি

চৌত্রিছবণৰা তিনি 'শ' গ'ল
থাকিল কিমান বাকী ? উত্তৰঃ- ৩১
(৩) হাতুৰী বটালী বাইচ খন,
চোৰে নিলে তিনিখন;
থাকিল কেইখন বাকী ? উত্তৰঃ- এখনো নাথাকে অৰ্থাৎ ০
(৪) ভাই-ভনী মোৰ নাই চোন,
কিন্তু সেই মানুহ জনৰ পিতাক
মোৰ পিতাৰ পো !
কোৱাচোন বাক তেওঁ মোৰ কোন ? উত্তৰঃ- ভাই।

ছল-সাঁথৰ (Catch riddle) ঃ ছল-সাঁথৰ ছল-সাধুকথাৰ (Catch tale) সৈতে জৰিত। অন্যহাতে এই জাতীয় সাঁথৰ ব্যংগ্য প্ৰধান সাঁথৰ ৰূপেও পৰিচিত। সেই বাবে ইংৰাজীত এনে বিধৰ সাঁথৰৰ নাম দিয়া হৈছে Parody riddles। এই জাতীয় সাঁথৰ প্ৰায় নিৰ্ধাৰিতগঢ়ী। ইংৰাজীত প্ৰচলিত ছল-সাঁথৰ (Catch riddle) অথবা ব্যংগ্য প্ৰধান সাঁথৰৰ (Parody riddle) এটি উদাহৰণ তলত দিয়া হ'ল ঃ

What is big, gray, lives in trees and is dangerous ?
উত্তৰ ঃ Elephant.

অসমীয়া ভাষাত প্ৰচলিত এনে বিধৰ সাঁথৰৰ উদাহৰণ স্বৰূপে তলত দুটিমান দিয়া হ'ল; যেনে ঃ

(১) মাক লতা-পতা, জীয়েক ফুলবাৰী, পুতেকৰ ভোচ্‌ভোচ কৰে গাঁৰি।
কিনো সেইটো অদ্ভুত প্ৰাণী কোৱাচোন ভাবি-গুণি ? উত্তৰঃ- কোমোৰা।
(২) দলে দলে ফুৰে দলপতি ৰজা।
হাৰো নাই হুৰায়ো নাই মঙহৰ দদা।। উত্তৰঃ জোক।

সাঁথৰ গঢ়ী-সাধুকথাৰ (riddled type) লগতো সাঁথৰ বা প্ৰশ্ন জৰিত। "বেতাল পঞ্চবিংশতি'ৰ আটাইকেউটা কাহিনীয়েই সাঁথৰ গঢ়ী; যিহেতু প্ৰত্যেকটো কাহিনীৰ শেহত একোটি সাঁথৰ বা প্ৰশ্ন জৰিত। সমস্যা বা সংকটমূলক সাধুকথাৰ লগতো সাঁথৰ বা প্ৰশ্ন বিজৰিত। সমস্যা বা সংকটমূলক সাধুৰ লগত জৰিত " আপুনি আপোনাৰ বৈনীক কিলাবলৈ এৰিছেনে ?" এনে ধৰণৰ প্ৰশ্ন বা সাঁথৰৰ উত্তৰ দিয়া টান; যিহেতু 'হয়' বুলি কলেও মছিল, 'নহয়' বুলি কলেও মছিল।"[১০]

ইতিমধ্যে উল্লেখ কৰি অহা সাধুকথা এটাত [সমস্যামূলক সাধুকথা (খ)] তিনিজন বিবাহ প্ৰাৰ্থী ডেকাৰ ভিতৰত কোন জনে কইনাজনীক বিয়া কৰাব পাৰিব- এই সন্দৰ্ভত প্ৰশ্ন বা সাঁথৰৰ সন্মুখীন হ'ব লগীয়া হৈছে।

১০.প্ৰফুল্লদত্ত গোস্বামী, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৮২

লোকভাষা

মুখ পৰম্পৰা প্ৰচলিত অৰ্থাৎ কথিত (বিপৰীত লিখিত) ভাষাই লোকভাষা। যি ভাষা কোনো ধৰণৰ আনুষ্ঠানিক পদ্ধতিৰে শিকা নাযায়, যি ভাষা পৰিমাৰ্জিত আৰু ৰীতিবদ্ধ নহয়, সেই ভাষাই লোকভাষা। লিখিত ভাষা প্ৰায় সমৰূপ বিশিষ্ট অৰ্থাৎ ৰূপতাত্ত্বিক, ধ্বনিতাত্ত্বিক, গঠনৰীতি আদিৰ ক্ষেত্ৰত কোনো এটা ভাষাৰ লিখিত ৰূপত সমৰূপতা ৰক্ষিত হয়। উদাহৰণ স্বৰূপে অসমীয়াভাষাৰ লিখিত ৰূপত সদিয়াৰপৰা ধুবুৰীলৈ প্ৰায় একে ৰূপকে প্ৰয়োগ কৰা হয়। অন্যহাতে কথিত বা লোকভাষাত ধ্বনি, শব্দ, ৰূপ, গঠনৰীতি আদিৰ ক্ষেত্ৰত বিভিন্নতা পৰিলক্ষিত। উদাহৰণ স্বৰূপে সদিয়াৰপৰা ধুবুৰীলৈ প্ৰচলিত অসমীয়া ভাষাৰ কথিত বা লোকৰূপত অঞ্চল বিশেষে বিভিন্নতা স্পষ্ট। লোকভাষা লোকসমাজৰ বাচিক আচৰণৰ প্ৰত্যক্ষ বাহক। গতিকে লোকসাহিত্যই লোকভাষাৰ জৰিয়তে বাঙ্ময় ৰূপ লাভ কৰে। লোক সাহিত্যৰ দৰে লোকভাষাইয়ো লিখিত ৰূপ লাভ কৰে। সাধাৰণতে লোকভাষা কোনো এক আঞ্চলিক উপভাষাৰ অন্তৰ্গত অনাখৰী সম্প্ৰদায়ৰ মাজত প্ৰচলিত। লোকভাষা তুলানামূলকভাৱে সাধু বা কৰ্ষিত ভাষাতকৈ পুৰণি। সাধাৰণতে গ্ৰাম্য অঞ্চলত স্বতন্ত্ৰভাৱে বাস কৰা শিক্ষা আৰু আধুনিকতাই স্পৰ্শ নকৰা বয়স প্ৰবীণ লোকৰ ভাষিক বৈশিষ্ট্যৰ বিশ্লেষণ আৰু বৰ্ণনাতেই সাধাৰণতে লোকভাষা-অধ্যয়নৰ সীমা পৰিসীমিত।

বিষয়বস্তু আৰু অঞ্চল অনুসৰি লোক গীতৰ শ্ৰেণী বিভাজন ঃ

বিষয়বস্তু আৰু অঞ্চল অনুসৰি লোকগীত তলত দিয়াৰ দৰে শ্ৰেণী বিভাজন কৰিব পাৰি; যেনেঃ

(৩) লোকগীতৰ বিষয়বস্তু অনুসৰি শ্ৰেণী বিভাজন; যেনে ঃ

(I) ভক্তিমূলক বা ভক্তি প্ৰধান গীত,

(II) দাৰ্শনিকভাব প্ৰধান গীত,

(III) হাস্য প্ৰধান গীত,

(IV) ব্যংগ্য প্ৰধান গীত,

(V) প্ৰেম বিষয়ক গীত, ইত্যাদি।

(৪) আঞ্চলিক শ্ৰেণী বিভাজন; যেনে ঃ

(I) কামৰূপী গীত,

(II) বৰপেটা অঞ্চলৰ গীত,

(III) নলবাৰী অঞ্চলৰ গীত,

(IV) বজালী অঞ্চলৰ গীত,

(V) দৰঙী গীত-পদ,

(VI) শোণিতপুৰ জিলাৰ গীত,

(VII) লক্ষীমপুৰ জিলাৰ গীত,

(VIII) শিৱসাগৰ জিলাৰ গীত,

(IX) নগাঁও জিলাৰ গীত,

(X) উত্তৰ-কাছাৰ পাহাৰ জিলাৰ গীত-পদ।

বিষয়বস্তু, আঞ্চলিক বৈশিষ্ট্য আদিৰ ফালৰপৰা কৰা লোক গীতৰ শ্ৰেণী বিভাজন বিজ্ঞান সম্মত নহয়, তাত্ত্বিকভাৱে কৰা শ্ৰেণী বিভাজনহে বিজ্ঞান সম্মত।



তৃতীয় অধ্যায়

লোকবিদ্যা বা লোকসংস্কৃতিৰ ইতিহাস

লোকবিদ্যা বা লোকসংস্কৃতি মানৱ জাতিৰ সমানে পুৰণি হলেও ইয়াৰ বিজ্ঞান সম্মত চিন্তা-চৰ্চা, বিচাৰ-বিশ্লেষণ আৰম্ভ হয় খৃঃ ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ পৰাহে। ৰোমান্টিক আন্দোলনৰ প্ৰভাৱৰ ফলস্বৰূপে ঊনবিংশ শতিকাৰ আৰম্ভণিতে ইংলেণ্ডৰ পুৰাতত্ত্ববিদ আৰু জাৰ্মান দেশৰ ভাষাতত্ত্ববিদ্‌সকলে জন-সাধাৰণৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, গীত-পদ, কথা-কাহিনী আদি সংগ্ৰহ কৰি সেইবোৰৰ বিচাৰ-বিশ্লেষণ কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে লোকবিদ্যা বা লোকসংস্কৃতিৰ পদ্ধতিগত বিচাৰ-বিশ্লেষণৰ পথ প্ৰশস্ত হৈ উঠিল।

গ্ৰীমভ্ৰাতৃ

জাৰ্মান দেশৰ বিশিষ্ট পণ্ডিত দুগৰাকীৰ নাম এই প্ৰসংগত জয়জয়তে লব লাগিব। এই দুগৰাকী পণ্ডিতেই হ'ল জেকব গ্ৰীম (Jacob Ludwing Karl Grimm, 1785-1863) আৰু তেওঁৰ ভ্ৰাতৃ উইলিয়াম কাৰ্ল গ্ৰীম (Wilhelm Karl Grimm,1786- 1859)।

তেওঁলোক দুয়োকে একেলগে গ্ৰীমভ্ৰাতৃ (Grimm brothers) স্বৰূপে জনা যায়। জেকব গ্ৰীম আৰু উইলিয়াম জেকব উভয়ে জাৰ্মান দেশৰ ভাষাতত্ত্ববিদ্ আৰু পুৰাণ-কথাবিদ্ (mythologists)আছিল আৰু তেওঁলোক দুয়ো প্ৰকৃতাৰ্থত লোকবিদ্যাৰ বিজ্ঞান সম্মত অধ্যয়নৰ পথ নিৰ্মাতা। দুয়োজন ভ্ৰাতৃয়েই প্ৰায় আজীৱন একেলগে আছিল আৰু জাৰ্মান ভাষাত মুখ পৰম্পৰা প্ৰচলিত লোককথাবোৰ সংগ্ৰহ কৰিছিল আৰু সেই মৌখিক কথাবোৰ সম্পাদন কৰি *Kinder-Und-Hausmärchen* অৰ্থাৎ *Household Tales* নাম দি দুটা খণ্ডত প্ৰকাশ কৰে। প্ৰথম খণ্ডটি ছপা হৈছিল খৃঃ ১৮১২ চনত আৰু দ্বিতীয় খণ্ডটি ছপা হৈছিল খৃঃ১৮১৫ চনত। সাধাৰণতে এই দুয়োটিখণ্ডকে ইংৰাজী ভাষাত "গ্ৰীম ফেইয়াৰি টেইলছ্" (*Grimm Fairy Tales*) স্বৰূপেহে জনাজাত। গ্ৰীমভ্ৰাতৃৰ যুটীয়া বা একক প্ৰচেষ্টাত কেইবা খনিও লোকবিদ্যা বিষয়ক গ্ৰন্থ ছপা হৈছিল; যেনে : *Deutsche Sagen* (১৮১৬-১৮১৮), Deutsche Wörterbunch (Vol.I.1854) ইত্যাদি। ইয়াৰ বাহিৰেও তেওঁলোক দুয়োৰে যুটীয়া প্ৰচেষ্টাত *Teutonic Mythology* নামৰ গ্ৰন্থখন চাৰিটা খণ্ডত ১৮৮০-১৮৮৮ চনৰ ভিতৰত ছপা হৈছিল। মুখ-পৰম্পৰা প্ৰচলিত জাৰ্মান দেশীয় লোক কথাৰ সমষ্টি *Teutonic Mythology* গ্ৰীমভ্ৰাতৃদ্বয়ৰ যুগজয়ী

অৱদান্।

জেকব গ্ৰীমৰ কালজয়ী নিৰ্মিতি *Deutsche Mythologie*-ৰ (১৮৩৫) মাধ্যমেৰে তেওঁ লোকবিদ্যাৰ বিজ্ঞান সম্মত গৱেষণাৰ পথ নিৰ্দেশ কৰিছে। এই কামৰ পৰা তেওঁক লোকবিদ্যা বিজ্ঞানৰ পিতৃ আখ্যা দিব পাৰি ("........and won the name of father of falklore science.")।

গ্ৰীমভ্ৰাতৃদ্বয়ে তেওঁলোকৰ দেশৰ বিলুপ্ত হ'ব লগীয়া লোক-সাংস্কৃতিক সমলবাজি বিশেষকৈ লোকথাবোৰ সংগ্ৰহ, সম্পাদন আৰু প্ৰকাশ কৰাৰ উপৰিও জাৰ্মান ভাষাৰ ঐতিহাসিক অধ্যয়নৰ বাবে তেওঁলোকে অশেষ চেষ্টা কৰিছিল। অৱশ্যে এই প্ৰসংগত অন্য দেশৰ পণ্ডিত কেইজনমানে গ্ৰীমভ্ৰাতৃৰ প্ৰতিদ্বন্দ্বিতা নকৰাকৈও থকা নাছিল।

জেকব গ্ৰীমৰ আন এখনি লোকবিদ্যা সম্পৰ্কীয় বিশিষ্ট গ্ৰন্থ *Rechtsaltertümer* (১৮২৮)। এই গ্ৰন্থখনিত প্ৰচীন টিউটনিক ৰীতি-নীতি আদিৰ বিষয়ে আলোচনা কৰা হৈছে। টিউটনিক ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ আলোচনাৰ প্ৰসংগত তেওঁ জাৰ্মান দেশৰ নিৰক্ষৰ সমাজত প্ৰচলিত আৰু পৰম্পৰাগত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি অধ্যয়নৰ বাবে প্ৰয়োজনীয় প্ৰবচন (Proverb) বোৰৰ বিষয়েও আলোচনা আগবঢ়াইছে। জেকব গ্ৰীমৰ নিৰ্মিতিসমূহৰ ভিতৰতে শ্ৰেষ্ঠ *Deutsche Grammatik* (১৮১৯-১৮৩৭) নামৰ গ্ৰন্থখনিত জাৰ্মানভাষাৰ বিষয়ে খৰচি মাৰি আলোচনা কৰাৰ উপৰিও জাৰ্মান ভাষাৰপৰা বিকশিত আন আন ভাষাত ব্যঞ্জনধ্বনিবোৰ কিদৰে পৰিবৰ্তিত হয় সেই বিষয়ে আলোচনা কৰিছে। গ্ৰীমে দেখুৱাই দিয়া এই সূত্ৰটিৰ নামেই গ্ৰীমৰ সূত্ৰ বা "Grimm's law", জাৰ্মান ভাষাৰ ভাষাতাত্ত্বিক আলোচনাৰ প্ৰসংগত এই গ্ৰন্থখনিৰ অৱদান তাৎপৰ্য্যপূৰ্ণ।

লোককথাৰ তুলনামূলক অধ্যয়নৰ ক্ষেত্ৰতো গ্ৰীমভ্ৰাতৃদ্বয়ৰ ভূমিকা সৰ্বজন বিদিত। ১৮১৯ চনত উইলিয়াম জেকবে লিখা *On the Nature of Folk Tales* নামৰ ৰচনাখনো লোকবিদ্যাৰ গৱেষকসকলৰ বাবে অতিকৈ প্ৰয়োজনীয়। ১৮২২ চনত গ্ৰীমভ্ৰাতৃদ্বয়ে লোককথাৰ তুলনামূলক অধ্যয়ন সম্পৰ্কীয় আন এখনি গ্ৰন্থ প্ৰকাশ কৰে। জেকব গ্ৰীমে জাৰ্মান ভাষা অধ্যয়নৰ ক্ষেত্ৰত প্ৰয়োগ কৰা পদ্ধতিৰ নামেই "তুলনামূলক পদ্ধতি" (Comparative method)। তেনেদৰে জাৰ্মান ভাষাত ৰচিত মৌখিক কবিতা আৰু পুৰাণ-কথা আদি অধ্যয়নৰ ক্ষেত্ৰতো তেওঁ 'তুলনামূলক পদ্ধতি'কেই প্ৰয়োগ কৰিছিল। জেকব গ্ৰীমে তুলনামূলক পদ্ধতিৰ সহায়ত লোকবিদ্যা বা লোকসংস্কৃতিৰ ক্ষেত্ৰত কৰা অধ্যয়ন-পদ্ধতিয়ে সামগ্ৰিকভাৱে "পৌৰাণিক সিদ্ধান্ত'

অর্থাৎ Mythological theory ৰূপে পৰিচয় লাভ কৰে।

গ্ৰীমভ্ৰাতৃদ্বয়ে লোকবিদ্যা অধ্যয়নৰ ক্ষেত্ৰত উদ্ভাৱন কৰা সিদ্ধান্ত বা মতবাদৰ বিষয়ে জেকব গ্ৰীমে ১৮৫৬ চনত কিতাপ আকাৰে প্ৰকাশ কৰিছিল। গ্ৰীম ভ্ৰাতৃদ্বয়ৰ এই সিদ্ধান্তৰ প্ৰধান দুটা বিশেষত্ব হৈছে :

(১) বিবিলাক লোককথাৰ মাজত সম্পূৰ্ণ মিল দেখা যায়, সেই লোককথাবোৰ নিশ্চিতভাৱে ইন্দো-ইউৰোপীয় মূলৰপৰা উদ্ভৱ হৈছে।

(২) লোককথা বিশেষকৈ সাধুকথাবোৰ পুৰাণ-কথাৰ ভগ্ন বা খণ্ডিত ৰূপ। গতিকে সেই সাধুকথাবোৰৰ বিষয়বস্তু বুজিবলৈ হলে এই সাধুকথাবোৰ উদ্ভৱ হোৱা মূল পুৰাণ-কথাৰ বিষয়বস্তু ভালদৰে বুজিব লাগিব।

গ্ৰীমৰ এই সিদ্ধান্ত সাম্প্ৰতিক কালৰ পণ্ডিতসকলে গ্ৰহণ নকৰে। অৱশ্যে উলিয়াম জেকবে আগবঢ়োৱা দুটি পৰামৰ্শ পৰৱৰ্তী কালৰ পণ্ডিতসকলে গ্ৰহণ কৰিছে। এই পৰামৰ্শ দুটি তলত দিয়া হ'ল :

(১) বিভিন্ন পৰিস্থিতিত লোকসাংস্কৃতিক সমল পৃথিৱীৰ সৰ্বত্ৰতে পুন: পুন: দেখা যাব পাৰে; এই সমলবাজি সৰল আৰু স্বাভাৱিক।

(২) জনসাধাৰণৰ প্ৰসংগত লোকসাংস্কৃতিক সমল এজনৰপৰা আন জনে ধাৰ কৰে।

জাৰ্মান দেশীয় পৰম্পৰাগত লোককথা আৰু পুৰাতত্ত্বৰাজিক সূচাবৰ বাবে গ্ৰীম ভ্ৰাতৃদ্বয়ে *Volkskunde* পদটো প্ৰয়োগ কৰিছিল। *Volk-* ৰ অৰ্থ লোক অৰ্থাৎ folk আৰু skunde- ৰ অৰ্থ অভিজ্ঞতা বা lore। গ্ৰীমভ্ৰাতৃদ্বয়ৰ লোকসাংস্কৃতিক অধ্যয়ন আছিল ঐতিহাসিক পদ্ধতিৰ ওপৰত প্ৰতিষ্ঠিত।

লোকবিদ্যা বা ফোকলৰৰ ইতিহাস নিৰ্মাণত জাৰ্মানদেশীয় পণ্ডিত মেক্সমূলাৰ-ৰ নাম বিশেষভাৱে জৰিত। মেক্সমূলাৰ (Friedrich Max Müller, 1823-1900) জগৎ বিখ্যাত ইংৰাজ-জাৰ্মান ভাৰততত্ত্ববিদ (Anglo-German Orientalist) আৰু তুলনামূলক ভাষাতত্ত্ববিদ্। তুলনামূলক পুৰাণ-কথাবৃত্ত (mythology) অধ্যয়নৰ ক্ষেত্ৰতো তেওঁৰ সুখ্যাতি আছিল বৈ-বৈ যোৱা। মেক্সমূলাৰদ্বাৰা ৰচিত গ্ৰন্থসমূহৰ ভিতৰত *Chips from a German Workshop* (1865-75), *History of Ancient Sanskrit Literature* (1859), ৫১টা খণ্ডত বিভক্ত *The Sacred Books of the East* (ed. 1875 on) আদি উল্লেখ যোগ্য।

মেক্সমূলাৰ

সংস্কৃত পণ্ডিত মেক্সমূলাৰ বৈদিক সাহিত্যত বিশেষভাৱে সু-পণ্ডিত আছিল। 'ঋগ্বেদ' খন তেওঁ ইংৰাজী ভাষালৈ অনুবাদ কৰিছিল। এই কাৰণে তেওঁ ইন্দো-ইউৰোপীয় পুৰাণ-কথাবোৰ তুলনামূলক পদ্ধতিৰে অধ্যয়ন কৰাৰ প্ৰসংগত বিশেষভাৱে সুবিধা লাভ কৰিছিল। তেওঁক এই সন্দৰ্ভত সহায় কৰিছিল De Gubernatis, Fiske, Cox আদি পণ্ডিতসকলে। এই পণ্ডিতসকলৰ সহায়ত মেক্সমূলাৰে 'ঋগ্বেদ'ত বৰ্ণিত ৰূপকৰ সহায়ত ইন্দো-ইউৰোপীয় পুৰাণ-কথাবোৰৰ উৎপত্তি আৰু প্ৰসাৰণৰ বিষয়ে আলোচনা কৰিছিল। জেকব গ্ৰীমৰদ্বাৰা প্ৰবৰ্তিত পৌৰাণিক সিদ্ধান্ত বা Mythological theory-য়ে মেক্সমূলাৰৰ ভৱিষ্যতে শক্তিশালী আৰু প্ৰভাৱশালী মতবাদত পৰিণতি লাভ কৰে। ভাৰতীয় আৰু গ্ৰীচ দেশীয় পুৰাণ-কথা বৃত্তবাজি (mythologies) মেক্সমূলাৰে গ্ৰীমভ্ৰাতৃদ্বয়ৰদ্বাৰা প্ৰৱৰ্তিত 'তুলনা-মূলক পদ্ধতি'ৰে অধ্যয়ন কৰে। জাৰ্মানীয় আৰু ভাৰতীয় পুৰাণ-কথাবৃত্তবাজিৰ প্ৰটো ৰূপ নিৰ্দেশ কৰাৰ উপৰিও মেক্সমূলাৰে পুৰাণ-কথা সৃষ্টিৰ জটিল ব্যাপাৰ ব্যাখ্যা কৰিবলৈও চেষ্টা কৰিছিল। মেক্সমূলাৰে পুৰাণ-কথাবোৰ ভাষাৰ ব্যাধিৰ পৰিণতিত সৃষ্টি হোৱাৰ অনুকূলে মত পোষণ কৰিছিল। মেক্সমূলাৰ আৰু তেওঁক শিষ্যসকলৰদ্বাৰা প্ৰবৰ্তিত পুৰাণ-কথাৰ সৃষ্টি সম্পৰ্কীয় মতবাদ সৌৰ-ৰূপকৰ লগত সম্পৃক্ত। সেইকাৰণে মেক্সমূলাৰৰদ্বাৰা প্ৰবৰ্তিত সিদ্ধান্ত বা মতবাদ সৌৰ পুৰাণ-কথা সিদ্ধান্ত বা Solar Mythology theory স্বৰূপে পৰিচিত। এই গৰাকী পণ্ডিতে লোকবিদ্যাৰ ঐতিহাসিক পদ্ধতি আৰু ৰূপত (form) বিশেষভাৱে গুৰুত্ব দিছিল।

মেক্সমূলাৰৰদ্বাৰা প্ৰবৰ্তিত মতবাদে সৰহদিন পণ্ডিতসকলৰ মাজত আধিপত্য চলাব নোৱাৰিলে; আনকি তেওঁৰ অকুণ্ঠ সমৰ্থকসকলেও এই প্ৰসংগত প্ৰতিকূল মত পোষণ কৰিছিল। আমেৰিকাৰ লোকতত্ত্ববিদ্‌সকলে মেক্সমূলাৰক কঠোৰভাৱে সমালোচনা কৰি কৈছে ঃ

"The greatest sinner was Maxmüller, who not only derived most stories from myth, but concentrated on one myth, the Solar One,"[১]

থিয়ডোৰ বেনফে

মেক্সমূলাৰৰ পৌৰাণিক সিদ্ধান্ত বা মাইথলজিকেল থিয়ৰিৰ (Mythological theory) দ্বাৰা অনুপ্ৰাণিত থিয়ডোৰ বেনফে (Theodor Benfey, 1809-1881) এগৰাকী জাৰ্মানদেশীয়

(১).Francis Lee Utley : "The Folktale : Life History vs. Structuralism" in *Varia Folklorica*, ed. Alan Dundes, The Hague, 1978, p. 14

সংস্কৃত পণ্ডিত আৰু ভাষাবিদ্ আছিল। তুলনামূলক ভাষাতত্ত্ব, সংস্কৃত আৰু প্ৰাচ্যদেশীয় ভাষা সমূহ আৰু পুৰাণ-কথাৰ বিচাৰ-বিশ্লেষণত তেওঁৰ বৰঙণি তাৎপৰ্য্যপূৰ্ণ। থিয়ডোৰ বেনফে-ৰ পাণ্ডিত্য আৰু পদ্ধতিগত অধ্যয়নৰ প্ৰকৃষ্ট উদাহৰণ 'পঞ্চতন্ত্ৰ' নামৰ সংস্কৃত কথা সহিত্যৰ ইংৰাজী অনুবাদ (১৮৫৯)। এই গ্ৰন্থখনিৰ সুদীৰ্ঘ পাতনিত ভাৰতীয় কাহিনী বা কথা কিদৰে প্ৰাচ্য আৰু প্ৰতীচ্যৰ বিভিন্ন দেশলৈ প্ৰসাৰিত হৈছে-সেই বিষয়ে বেনফে-এ খৰচি মাৰি আলোচনা কৰিছে। তেওঁৰ মতে লোককথা বিশেষকৈ জন্তুকেন্দ্ৰিক সাধুকথাৰ উৎসভূমি ভাৰতবৰ্ষ আৰু ভাৰতবৰ্ষৰপৰাই লোককথা অৰ্থাৎ জন্তুকেন্দ্ৰিক সাধুকথাবোৰ পশ্চিম দিশেৰে ইউৰোপৰ বিভিন্ন অঞ্চললৈ প্ৰসাৰিত হৈছে। বেনফে-ৰদ্বাৰা প্ৰবৰ্তিত সিদ্ধান্ত বা মতবাদৰ নামেই 'ইন্দিয়ানিষ্ট থিয়ৰি' (Indianist theory)। প্ৰকৃতাৰ্থত গ্ৰীমভ্ৰাতৃ আৰু মেক্সমূলাৰৰ নিচিনাকৈ বেনফেও প্ৰসাৰণবাদী। দ্বিতীয়তে, মেক্সমূলাৰৰ দৰে তেওঁ লোককথাৰ নিৰ্দিষ্ট এক কেন্দ্ৰ বিন্দু থকা স্বাভাবিক বুলি ঠাৱৰ (atomistic) কৰিছিল আৰু এই কেন্দ্ৰবিন্দুৰপৰা বিভিন্ন সংস্কৃতিয়ে লোককথা ধাৰ বা ঋণ কৰে। এই প্ৰক্ৰিয়াৰ নামেই ঋণগত সিদ্ধান্ত বা বৰয়িং থিয়ৰি (theory of borrowing)। বেনফে-ৰ সিদ্ধান্তক সেইকাৰণে theory of borrowing আখ্যা দিব পাৰি। তেওঁৰ মতে ঋণ সম্ভৱ হয় জন প্ৰব্ৰজন আৰু সাংস্কৃতিক প্ৰসাৰণৰ জৰিয়তে। সেইবাবে কোনো কোনোৱে বেনফেৰ সিদ্ধান্তক প্ৰব্ৰজনগত সিদ্ধান্ত অৰ্থাৎ "Migrational theory" আখ্যা দিব খোজে।

খ: উনবিংশ শতিকাৰ শেষভাগ আৰু বিংশশতিকাৰ আৰম্ভণিত বেনফে-ৰ সিদ্ধান্তই লোকবিদ্যাৰ পণ্ডিত সকলৰ মাজত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। ঐতিহাসিক-ভৌগোলিক নাইবা ফিন্নিছ সম্প্ৰদায়ৰ সিদ্ধান্তৰ বিকাশ আৰু অগ্ৰগতিত থিয়ডোৰ বেনফে-ৰ মতবাদৰ ভূমিকা অৰ্থপূৰ্ণ। এই গৰাকী পণ্ডিতে লোকবিদ্যাৰ ঐতিহাসিক অধ্যয়নৰ লগতে ৰূপগত (formalistic) অধ্যয়নৰ ওপৰত সমানে গুৰুত্ব দিছিল।

খ: বিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ আমেৰিকাৰ পণ্ডিতসকলে মেক্সমূলাৰৰ নিচিনাকৈ থিয়ডোৰ বেনফে-কো নিষ্ঠুৰভাৱে সমালোচনা কৰিছে : "The next culprit is Theodor Benfey, who, like Müller, was enamored of Sanskrit and its derivatives and at one stage of his work (which was overstressed by his disciple Emmanuel Cosquin) tended to follow the Indo-European philologists in deriving everything, including folkales from India."[২]

২. *Ibid*

লোকবিদ্যাৰ ইতিহাসৰ লগত ঘনিষ্ঠভাৱে জৰিত এডৱাৰ্ড বি. টাইলাৰ (Sir Edward Burnett Tylor 1832-1917) এগৰাকী বিখ্যাত ইংৰাজ নৃতত্ত্ববিদ। তেওঁ আছিল নৃতাত্ত্বিক-সম্প্ৰদায়ৰ (anthropological school) এগৰাকী সক্ৰিয় নেতা। পৃথিৱীৰ বিভিন্ন অঞ্চল যেনে :

এডৱাৰ্ড বি. টাইলাৰ

আমেৰিকাযুক্ত ৰাষ্ট্ৰ, মেক্চিকো, কিউবা আদিত তেওঁ ভ্ৰমণ কৰিছিল আৰু সেইবোৰ অঞ্চলৰপৰা ক্ষেত্ৰসমল সংগ্ৰহ কৰি *Anahuac, or, Mexico and the Mexicans, Ancient and Modern*(1961) *Research into the Early History of Mankind* (1864), *Primitive Culture: Researches into the Development of Mythology, Philosophy, Religion, Language, Art and Custom* (1871,7th ed. 1924) আদি গ্ৰন্থ প্ৰণয়ন কৰে। ১৮৯৬ চনত টাইলাৰৰ *Anthropology* নামৰ সৰু গ্ৰন্থ এখনি ছপা হয়। টাইলাৰ আৰু তেওঁৰ অনুৱৰ্তী এনড্ৰিউ লেঙ-এ (Andrew Lang) যুক্তিসহ দেখুৱাই দিছিল যে, মানৱ জাতি নৃতাত্ত্বিক ক্ৰমবিৱৰ্তনৰ পৰিণতি মাথোন। তেওঁলোকে গ্ৰীমভ্ৰাতৃ, মেক্সমূলাৰ আৰু থিয়ডোৰ বেনফে-ৰ প্ৰসাৰণবাদ, একক কেন্দ্ৰবাদ বা পৰমাণুবাদ (atomistic) আৰু একক জন্মৰ (monogenesis) সিদ্ধান্ত খাৰিজ কৰি অভিজ্ঞাপিত কলাৰ বহুজন্মৰ মতবাদ (Polygenesis) প্ৰতিষ্ঠা কৰে। পৃথিৱীৰ সৰ্বসংস্কৃতিত প্ৰায় একে নিচিনা সাংস্কৃতিক আচৰণ বা সমল স্বতন্ত্ৰভাৱে সৃষ্টি হ'ব পাৰে বুলি টাইলাৰ আৰু তেওঁৰ অনুৱৰ্তীসকলে স্বীকাৰ কৰে। টাইলাৰ আৰু তেওঁৰ সমৰ্থকসকলে আগবঢ়োৱা এই সিদ্ধান্ত নৃতাত্ত্বিক সিদ্ধান্ত বা anthropological School নামেৰে পৰিচিত।

লোকবিদ্যা বা লোকসংস্কৃতিৰ ইতিহাসৰ সৈতে উইলিয়াম জন থমছ (William Jhon Thoms,1803-1885) বিশেষভাৱে জৰিত। ইংৰাজ পুৰাতত্ত্ববিদ আৰু জীৱনী প্ৰণেতা জন থমছ-এ Folklore অভিধাটি উদ্ভাৱন কৰে খৃঃ ১৮৪৬ চনৰ ২২ আগষ্ট তাৰিখে। এই সম্পৰ্কত তেওঁ *Athenaeum* নামৰ আলোচনী খনত লিখিছিল : "......remember I claim the honor of introducing the epithet Folklore,as Disraeli does of introducing Father-land, into the literature of this country."

উইলিয়াম জনথমছ

জন থমছৰদ্বাৰা উদ্ভাৱিত এই পৰিভাষাটিয়ে পৃথিৱীৰ বিভিন্ন পণ্ডিতৰপৰা সমাদৰ লাভ কৰে। জনপ্ৰিয় পুৰাবৃত্ত অৰ্থাৎ Popular antiquities অভিধাটি দৰাচলতে অস্পষ্ট আৰু খোকোজা লগা। অন্যহাতে Popular antiquities-ৰ সলনি ব্যৱহাৰ

কবিৰ্বলৈ পৰামৰ্শ দিয়া Folklore অভিধাটি স্পষ্ট আৰু অৰ্থপূৰ্ণ। ইংলেণ্ডৰ লণ্ডনত ১৮৭৮ চনত প্ৰতিষ্ঠিত Folk-lore Society of London-ৰ সঞ্চালক পদতো জন থমচ্ অধিষ্ঠিত হৈছিল।

কাৰ্লে ক্ৰোহ্ন (Kaarle Krohn, 1863-1933) লোককথাৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে বিখ্যাত। কাৰ্লে ক্ৰোহ্ন-এ তেওঁৰ পিতাক জুলিয়াচ ক্ৰোহ্নৰদ্বাৰা প্ৰয়োগিত

কাৰ্লেক্ৰোহ্ন

ঐতিহাসিক-ভৌগোলিক মতবাদৰ প্ৰণালী প্ৰয়োগ কৰি লোকগীত আৰু লোককথা অধ্যয়ন কৰিছিল। এই গৰাকী পণ্ডিতেও ঐতিহাসিক পদ্ধতিৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিছিল।

কাৰ্ল উইলিয়াম বন চাইডো (Carl Wilhelm von Sydow, 1878-1952) আছিল চুইডেনৰ প্ৰথিতযশা লোকবিদ্যাবিদ। তেওঁ ঐতিহাসিক-ভৌগোলিক মতবাদৰ

বন চাইডো

পৃষ্ঠপোষক। কাৰ্ল উইলিয়াম বন চাইডোৱে বিশ্বাস কৰিছিল যে, স্থানীয় ঐতিহাসিক আৰু সাংস্কৃতিক কাৰণবশতঃ আন্তৰ্জাতিক লোককথা এটি উপশ্ৰেণী (Subtypes) অথবা আঞ্চলিক মূল বা

আদি শ্ৰেণীলৈ(Oikotypes) পৰিবৰ্তিত হ'ব পাৰে আৰু এইবোৰৰ নিজা নিজা আৰু সুকীয়া সুকীয়া ইতিহাস থাকিব পাৰে। কাৰ্ল উইলিয়াম বন চাইডোৱে যে, লোকবিদ্যাৰ প্ৰসাৰণবাদৰ ওপৰত গুৰুত্ব দিছিল তাত সন্দেহ নাই।

এলবাৰ্ট বেছেলচকি (Albert Wesselski, 1871-1939) আছিল অষ্ট্ৰিয়াৰ এগৰাকী বিখ্যাত লোকবিদ্যাবিদ্। তেওঁ পোষকতা কৰিছিল যে, সাধুকথাৰ সাহিত্যিক

এলবাৰ্ট বেছেলচকি

পাঠে অৰ্থাৎ লিখিত পাঠে সেই সাধুকথাটোৰ মৌখিক প্ৰবাহত এনেদৰে প্ৰভাৱ বিস্তাৰ কৰে যে, সেই সাধুকথাটোৰ মৌখিক প্ৰসাৰণ চিহ্নিত কৰাটো টান হৈ পৰে।

আণ্টি আৰ্নে (Antti Aarne, 1867-1925) ফিনলেণ্ডৰ এগৰাকী যশস্যা সম্পন্ন লোকতত্ত্ববিদ্। তুলনামূলক লোকবিদ্যাৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণত আৰ্নেৰ

আণ্টি আৰ্নে

অৱদান তুলনাবিহীন। লোকবিদ্যা বিশেষকৈ সাধুকথা আৰু ফেইবলৰ অধ্যয়নত তেওঁ বিশেষ গুৰুত্ব দিছিল। কাৰ্লে ক্ৰোহ্নৰদ্বাৰা প্ৰয়োগিত ঐতিহাসিক- ভৌগোলিক মতবাদ বা

ফিন্নিছ মতবাদ শক্তিশালী আৰু প্ৰভাৱশালী কৰি তোলাত আৰ্নেৰ অৱদান অনস্বীকাৰ্য্য। ফিন্নিছ ফোকল'ৰ অধ্যয়ন-আন্দোলনক (Finnish folklore-study

movement) নেতৃত্ব দিয়াৰ প্ৰসংগত ক্ৰোহ্‌ন আৰু আৰ্নেৰ নাম পোনতেই ল'ব লাগিব। আৰ্ণ্টি আৰ্নে-এ লোকবিদ্যা বিষয়ক কেইবাখনিও গ্ৰন্থ লিখিছে। এই গ্ৰন্থ কেইখনৰ ভিতৰত পোনতে নাম লব লাগিব *Verzeichnis der Märchentypen* নামৰ গ্ৰন্থখনৰ। ১৯১০ চনত এই গ্ৰন্থখন ছপা হয়। ষ্টিথ থম্পচনৰদ্বাৰা সংশোধিত হৈ এই গ্ৰন্থখন *Types of the Folktale in World Literature* নামেৰে ১৯২৮ চনত প্ৰকাশ পায়। পৰৱৰ্তী কালত ইউৰোপ আৰু আমেৰিকাৰ লোকবিদ্যাৰ চিন্তা-চৰ্চ্চাৰ প্ৰসংগত এই গ্ৰন্থখনৰ ভূমিকা আছিল অত্যন্ত গভীৰ।

আৰ্ণ্টি আৰ্নে-এ লোককথা সমূহ প্ৰধানকৈ তিনিটা শ্ৰেণীত (type) বিভক্ত কৰিছে যেনে :

১. জন্তুকেন্দ্ৰিক সাধুকথা (Animal tales, 1-299)

২.সাধাৰণ সাধুকথা (Ordinary folktales, 300-1199) আৰু

৩. টেটকুঁটি আৰু 'এনেকডোটছ' (Jokes and Anecdotes, 1200-2499)।

ষ্টিথ থম্পছনৰ Motif-Index of Folk-Literature : A Cassification of Narrative Elements in Folktales, Ballads,Myths, Fables, Mediaeval Romances,Exempla, Fablaux, Jest-books and Local Legends (6 vols) গ্ৰন্থৰ ওপৰত আৰ্ণ্টি আৰ্নে-ৰ-প্ৰভাৱ স্পষ্ট। ঐতিহাসিক আৰু ভৌগোলিক মতবাদৰদ্বাৰা অনুপ্ৰাণিত হৈ আৰ্ণ্টি আৰ্নে লোকবিদ্যাৰ বিচাৰ-বিশ্লেষণত মনোনিবেশ কৰিছিল।

ষ্টিথ থম্পছন (১৮৮৫-১৯৭০) বিংশ শতিকাৰ এগৰাকী বিশ্ববিশ্ৰুত লোক বিদ্যাবিদ্। আমেৰিকাযুক্ত ৰাষ্ট্ৰৰ ইন্দিয়ানা ইউনিভাৰচিটিৰ (Indiana University) Folklore- ৰ প্ৰফেছাৰ ষ্টিথ থম্পছনৰ পাণ্ডিত্য আৰু প্ৰতিভা বিশেষভাৱে নিয়োজিত হৈছিল বাচিককলাৰ পদ্ধতিগত বিচাৰ-বিশ্লেষণত। ঐতিহাসিক-ভৌগোলিক মতবাদৰদ্বাৰা অনুপ্ৰাণিত থম্পছন-এ পৃথিৱীৰ বিভিন্ন সংস্কৃতিত মৌখিক ৰূপত প্ৰচলিত লোককথাবোৰৰ মাজত আংগিক আৰু সাংস্কৃতিক সম্পৰ্ক দেখুৱাবলৈ যুক্তিসহ প্ৰচেষ্টা চলাইছিল আৰু এই প্ৰচেষ্টাৰ সুফল ব্যঞ্জিত হৈছিল কেইবাখনিও গ্ৰন্থৰ জৰিয়তে। ইতিমধ্যে উল্লেখ কৰি আহা হৈছে যে, থমছনে আৰ্ণ্টি আৰ্নে-ৰ বিখ্যাত গ্ৰন্থ *Verzeichnis der Märchen Typen* সংশোধন কৰে। ইয়াৰ বাহিৰেও তেওঁ *Motif-Index of Folk-Literature : A classification of Narrative Elements in Folktales, Ballads,*

ষ্টিথ থম্পছন

Myths, Fables, Mediaeval Romances, Exempla, Foblaux, Jest-Books, and Local Legends, 6 Vols. (1932-36), *The Folktale* (1951,1977), *One Hundred Favorite Folktales* (1968), *Narrative Motif-Analysis as a Folklore Method* (1955), *European Tales among the North American Indians* (1919), *Four Sympasia on Folklore* (ed.1953), *The Oral Tales of India* (et-al,1958), *Types of Indic Oral Tales* (et-al,1960) ইত্যাদি গ্ৰন্থ ৰচনা কৰে। আণ্টি আৰ্নে আৰু ষ্টিথ থম্পছনৰ টাইপ আৰু মটিফ ইনডেক্স পদ্ধতিয়ে প্ৰপৰ পূৰ্বলৈকে লোকবিদ্যাৰ চিন্তা-চৰ্চাত এক অভিনৱ আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হৈছিল; আনকি প্ৰপৰ প্ৰকাৰ্য্যাৱলী (Functions) নিৰ্ণয়ৰ ক্ষেত্ৰতো টাইপ আৰু মটিফ ইনডেক্সৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

ভ্লাডিমিৰ জে প্ৰপ (Vladimir J.Propp) বিংশ শতিকাৰ অন্যতম লোকবিদ্যাবিদ্-যাৰ লোকবিদ্যাৰ বিচাৰ-বিশ্লেষণৰ অভিনৱ পদ্ধতিয়ে পূৰ্বৰ

প্ৰপ

লোকবিদ্যাৰ পণ্ডিতসকলৰ ঐতিহাসিক পদ্ধতিক প্ৰায় নিস্তেজ আৰু নিষ্ক্ৰিয় কৰি বাচিক কলাৰ প্ৰকৃত অৰ্থ নিৰ্ণয়ত আধুনিক মনক আকৃষ্ট কৰিবলৈ সক্ষম হৈছে। ৰুচদেশৰ লেলিনগ্ৰাদ বিশ্ববিদ্যালয়ৰ ৰুচ ভাষা আৰু তুলনামূলক ফোকল'ৰৰ প্ৰফেছাৰ ভ্লাডিমিৰ জে প্ৰপ-ৰ বিশ্ববিশ্ৰুত গ্ৰন্থ *Morphology of the Folktale* গোনতে ৰচিত হৈছিল ৰুচ ভাষাত। প্ৰপ-এ এই গ্ৰন্থ খনৰ নাম দিছিল *Morfologija Shazki* আৰু ছপা হৈছিল ১৯২৮ চন। গ্ৰন্থখনিৰ ইংৰাজী অনুবাদ সুদীৰ্ঘ ত্ৰিছ বছৰৰ মূৰতহে অৰ্থাৎ ১৯৫৮ চনত প্ৰকাশ হৈছিল। প্ৰপৰ লোকবিদ্যাৰ সাংযুতিক বিশ্লেষণৰ (Strctural analyses) সমাদৰ কেৱল লোকবিদ্যাৰ পৰিসৰতে সীমিত থকা নাছিল, আন আন বিষয়,যেনেঃ ভাষাতত্ত্ব,নৃতত্ত্ব, সাহিত্য আদি পৰ্য্যন্ত বিস্তৃত হৈছিল। ইমান দিনে ইউৰোপৰ লোকবিদ্যাৰ পণ্ডিতসকলযে, লোকবিদ্যাৰ অন্যতম শ্ৰেণী বাচিক কলাৰ ঐতিহাসিক বা তুলনামূলক অধ্যয়নত সম্পূৰ্ণভাৱে মনোনিবেশ কৰি আছিল সেই বিষয়ে প্ৰপ সম্পূৰ্ণ সজাগ আছিল, গতিকে সমকালীন অধ্যয়ন (Synchronic studies) পদ্ধতিৰদ্বাৰা যে পণ্ডিতসৱৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব পাৰে, সেই বিষয়েও তেওঁ বুজিব পাৰিছিল। গতিকে ঐতিহাসিক বা তুলনামূলক অধ্যয়ন আৰু সমকালীন অধ্যয়নৰ মাজত পাৰ্থক্য দেখুৱাই দিয়াত তেওঁ গুৰুত্ব দিছিল। তেওঁৰ মতে লোকবিদ্যাৰ কোনো এবিধ সমলৰ মূল বা উৎস নিৰ্ণয় কৰাতকৈ সেই বিধ সমলৰ সংযুতি, অৰ্থ আদিৰ বিষয়েহে গভীৰ অধ্যয়ন কৰা উচিত। প্ৰপৰ সাংযুতিক বিশ্লেষণৰ পৰিসীমা সীমিত

আছিল কচভাষাত মুখ পৰম্পৰা প্ৰচলিত সাধুকথা বিশেষকৈ পৰীৰ সাধুত। তেওঁ আন্টি আৰ্নে-ৰ টাইপ বা থম্পছনৰ ইনডেক্সৰ ওপৰত আশ্ৰয় নকৰাকৈ পৃথিৱীৰ বিভিন্ন অঞ্চলত মুখ-পৰম্পৰা প্ৰচলিত সাধুকথাৰ বিষয়বস্তুৰ মাজত পৰিদৃষ্ট হোৱা সাদৃশ্যৰ কাৰণ নিৰ্ণয় কৰিবলৈ গৈ এক অভিনৱ তাত্ত্বিক পদ্ধতিৰ প্ৰৱৰ্তন কৰে আৰু এই পদ্ধতিৰ নাম ৰূপতাত্ত্বিক বিশ্লেষণ (morphological analysis)। সাধুকথা বা পৰীৰ সাধুৰ অন্যতম অংশ বা উপাদানবোৰ (Component parts) বিশ্লেষণ কৰি সেইবোৰৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক আৰু সাধুকথাৰ বিষয়বস্তুৰ সৈতে সেই অংশবোৰৰ সম্পৰ্কৰ বিষয়ে কৰা অধ্যয়নেই প্ৰপৰ ৰূপতাত্ত্বিক বিশ্লেষণৰ অন্যতম লক্ষ্য। তেওঁৰ ভাষাত :""For the sake of comparison we shall separate the component parts of fairy tales by special methods; and then, we shall make a comparison of tales according to their components. The result will be a morphology (i.e,a description of the tale according to its component parts and the relationship of these components to each other and to the whole)"[৩] সাধুকথা বা পৰীৰ সাধুৰ অন্যতম অংশ বা উপাদান বা Component Parts ৰ জৰিয়তে প্ৰপ-এ সাধুকথা বা পৰীৰ সাধুৰ যিবোৰ উপাদান সদা-সৰ্বদাই-সৰ্বত্ৰতে অপৰিবৰ্তিত ভাৱে (Constant) থাকে-সেইবোৰক সূচাইছে আৰু যিবিলাক উপাদান পৰিপৰ্তিত হয় সেইবোৰ পৰিবৰ্তনীয় (Variables)। সাধুকথা বা পৰীৰ সাধুত পৰিদৃষ্ট হোৱা চৰিত্ৰ বা পাত্ৰ-পাত্ৰীবোৰ পৰিবৰ্তনীয় আৰু ইয়াৰ বিপৰীতে চৰিত্ৰ বা পাত্ৰ-পাত্ৰীৰ কাৰ্য্যাৱলী বা প্ৰকাৰ্য্যাৱলী বা functions বোৰ অপৰিবৰ্তনীয় বা ধ্ৰুৱক বা Constants। প্ৰপৰ মতে সাধুকথা বা পৰীৰ কথাত চৰিত্ৰবোৰ অপৰিবৰ্তনীয় (Constants) নহয়, অৰ্থাৎ পৰিবৰ্তনীয় (Variables); কিন্তু চৰিত্ৰবোৰৰ কাৰ্য্যাৱলীহে অপৰিবৰ্তনীয় অৰ্থাৎ Constants আৰু এই অপৰিবৰ্তনীয় কাৰ্য্যাৱলীয়েই সাধুকথা বা পৰীৰ সাধুৰ মূল উপাদান। গতিকে সাধুকথাৰ পাত্ৰ-পাত্ৰীৰদ্বাৰা সম্পাদিত কাৰ্য্যাৱলীৰ আধাৰত সেই সাধুকথা বিশ্লেষণ কৰাই প্ৰপৰ সিদ্ধান্তৰ মূল লক্ষ্য। তেওঁ মতে প্ৰকাৰ্য্যবোৰেই সাধুকথাৰ শ্ৰেণীকাৰক (classificatory) আৰু তাত্ত্বিক একক (analytical unit), সাধাৰণতে দীঘলীয়া সাধুকথাত প্ৰপৰমতে ৩১ প্ৰকাৰ প্ৰকাৰ্য্য থাকে। সাধুকথাৰ ৩১বিধ ৰূপতাত্ত্বিক উপাদান সমান্তৰাল অনুক্ৰমত কালানুক্ৰমিকভাৱে সজোৱা হয়। যদি এটা সাধুকথাত A অথবা Z লৈ উপাদান থাকে, তেনেহলে সেই সাধুকথাটোৰ

৩. V.Propp : *Morphology of the Folktale*, University of Texas Press, 1968, p.19

সংযুতি সেই অনুক্রমে নির্মাণ কৰা হয়। লেভি ষ্ট্ৰছৰ আদৰ্শ অনুসৰণ কৰি প্ৰপৰ এই সংযুক্তিক সাংযুক্তিক বিশ্লেষণ বা Syntagmatic Structural Analysis আখ্যা দিব পাৰি।

সাংযুক্তিক বিশ্লেষণৰ প্ৰসংগত তাৎপৰ্য্যপূৰ্ণ বৰঙণি আগবঢ়োৱা আন এগৰাকী বিশ্ৰুত পণ্ডিত লেভি ষ্ট্ৰছৰ (Claude Le'vi-Strauss) জন্ম হৈছিল ফ্ৰান্সত। বিংশ

লেভিষ্ট্ৰছ

শতিকাৰ শক্তিশালী আৰু প্ৰভাৱশালী নৃতত্ত্ববিদসকলৰ ভিতৰত লেভিষ্ট্ৰছ নিশ্চিতভাবে অন্যতম। নৃতত্ত্বৰ (Social Anthropology) প্ৰফেছাৰ লেভি ষ্ট্ৰছ-এ ফৰাচী ভাষাত কেইবাখনিও গ্ৰন্থ প্ৰণয়ন কৰিছে। এই গ্ৰন্থসমূহৰ ভিতৰত *Structural Anthropology* নামৰ গ্ৰন্থখন বিশেষভাবে উল্লেখযোগ্য। খৃঃ ১৯৪৪ ৰ পৰা ১৯৫৭ চনৰ ভিতৰত তেওঁৰদ্বাৰা ৰচিত ১৭ খন ৰচনাৰ সমষ্টি এই গ্ৰন্থখন পোনতে ৰচিত হৈছিল ফৰাচী ভাষাত। ১৯৬৩ চনত এই গ্ৰন্থখন ইংৰাজী ভাষালৈ অনুবাদ কৰে জেকবছন-এ (Claire Jacobson, October, 1963)। এই ৰচনা সমূহৰ ভিতৰৰ এখন ৰচনাত লেভি ষ্ট্ৰছ-এ সাংযুক্তিক বিশ্লেষণ সম্পৰ্কে আলোচনা কৰিছে। ৰচনা খনৰ নাম "The Structural Study of Myth"।

লেভি ষ্ট্ৰছ-ৰ সাংযুক্তিক বিশ্লেষণ পদ্ধতি শব্দৰ ৰূপগত সংযুতিৰ আদৰ্শত অৰ্থাৎ Paradigmatic model-ত পল্লবিত। তেওঁৰ প্ৰমেয় পেৰাডিগমেটিক মৌল পৰস্পৰ বিপৰীত ধৰ্মিতাৰ যেনে : জীৱন/মৰণ, দিন/ ৰাতি; পুৰুষ/স্ত্ৰী; ৰজা/ৰাণী; ৰজা/ প্ৰজা, ভাল/বেয়া, ধনী/দুখীয়াৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰপ আৰু লেভি ষ্ট্ৰছ-ৰ সাংযুক্তিক বিশ্লেষণৰ মাজত পাৰ্থক্য স্পষ্ট। প্ৰপ-ৰ সংযুতি বাক্‌প্ৰবাহক্ৰমিক অৰ্থাৎ Syntagmatic অৰ্থাৎ লেভি ষ্ট্ৰছ-ৰ সংযুতি শব্দৰ ৰূপগত অৰ্থাৎ Paradigmatic। দ্বিতীয়তে, প্ৰপৰ সাংযুক্তিক বিশ্লেষণ সাধুকথা বা পৰীৰ সাধুত সীমিত। অন্যহাতে লেভিষ্ট্ৰছ-ৰ সাংযুক্তিক বিশ্লেষণ মিথ বা পুৰাণ-কথাত সীমিত। তৃতীয়তে, লেভিষ্ট্ৰছ-ৰ সাংযুক্তিক বিশ্লেষণে সাধুকথা বা পুৰাণ-কথাৰ অন্তৰ্নিহিত কথাবস্তুৰ বিশ্লেষণত প্ৰপতকৈ অধিক গুৰুত্ব দিয়ে। লেভিষ্ট্ৰছ-ৰ সাংযুক্তিক বিশ্লেষণৰ উদ্দেশ্য অতীতৰ ওপৰত আলোক সম্পাত কৰা ('to see past')। গতিকে প্ৰপ আৰু লেভিষ্ট্ৰছ উভয়ৰে সাংযুক্তিক বিশ্লেষণত পাৰ্থক্য স্পষ্ট; যদিও প্ৰায়বিলাক লোকবিদ্যাৰ চৰ্চাকাৰীসকলে এই দিশটোক প্ৰায়ে আওকাণ কৰি আহিছে। সাধাৰণভাৱে ক'বলৈ গ'লে প্ৰপ-ৰ সাংযুক্তিক বিশ্লেষণ (ie;. syntagmatic approach) আনুভৱিক তথা আগমনাত্মক

আৰু পাৰ্গামী বিশ্লেষণবোৰ পুনৰাবৃত্তিক। ইয়াৰ বিপৰীতে লেভিষ্ট্ৰছ-ৰ সাংযুতিক বিশ্লেষণবোৰ (ie; Paradigmatic analyses) দূৰকল্পী তথা নিগমনাত্মক আৰু এই বিশ্লেষণবোৰ প্ৰায়ে পুনৰাবৃত্তিক নহয়। প্ৰপ-ৰ সাংযুতিক বিশ্লেষণে কোনো এবিধ বাচিক কলাৰ ৰূপৰ (form) ওপৰতহে গুৰুত্ব দিয়ে, প্ৰসংগ বা অনুষংগৰ (context) ওপৰত গুৰুত্ব নিদিয়ে। লেভিষ্ট্ৰছ-এ সামাজিক বা সাংস্কৃতিক অনুষংগৰ উৰ্ধ্বত বাচিক কলাৰ কোনো এবিধ উপাদান বিশ্লেষণ নকৰে। লেভিষ্ট্ৰছ-এ সাধুকথা বা পুৰাণ-কথাৰ ৰূপ (form) আৰু বিষয়বস্তু বা কথাবস্তুৰ (context) মাজত পাৰ্থক্য নাৰাখে। অন্যহাতে প্ৰপ-এ লোককথাৰ ৰূপৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। তেওঁৰ দৃষ্টিত লোককথাৰ ৰূপ আৰু বিষয়বস্তু বা কথাবস্তু উভয়ৰে সুকীয়া সুকীয়া অস্তিত্ব বৰ্ত্তমান। লেভিষ্ট্ৰছ-এ গুৰুত্ব দিয়ে পুৰাণ-কথাৰ সংযুতিগত অৰ্থৰ ওপৰত। গতিকে প্ৰপ-ৰ সাংযুতিক বিশ্লেষণ সাধুকথাৰ বাহ্যিক (surface) সংযুতিত সীমিত; অন্যহাতে লেভিষ্ট্ৰছ-ৰ সাংযুতিক বিশ্লেষণ পুৰাণ-কথাৰ অন্তৰ্নিহিত সংযুতি পৰ্যন্ত বিস্তৃত। প্ৰপ-ৰ দৰে লেভিষ্ট্ৰছৰ উদ্দেশ্যও লোকবিদ্যাৰ অন্তৰ্গত বাচিক কলা বিশেষকৈ লোককথাৰ অৰ্থ বিশ্লেষণ কৰা।

প্ৰপ আৰু লেভি-ষ্ট্ৰছৰ পৰৱৰ্তীকালৰ লোকবিদ্যাবিদ্‌সকলে লোকবিদ্যাৰ বিশেষকৈ লোককথাৰ কেবল অৰ্থৰ ওপৰতে গুৰুত্ব নিদি প্ৰসংগ বা অনুষংগ অৰ্থাৎ context-ৰ দিশতো গুৰুত্ব দিবলৈ ধৰিলে। প্ৰসংগ বা অনুষংগ প্ৰণালী সমৰ্থকসকলৰ মতে প্ৰসংগ বা সামাজিক পৰিৱেশ অবিহনে লোকবিদ্যাৰ অন্তৰ্গত বাচিক কলাৰ পাঠ স্পন্দনহীন। প্ৰাংসগিক মতামত সমৰ্থনকাৰী লোকবিদ্যা বিজ্ঞানীসকলৰ ভিতৰত ৰজাৰ আব্ৰাহামছ্ (Roger Abrahams), ডন-বেন আমোছ (Dan Ben-Amos), এলান ডাণ্ডেজ (Alan Dundes), ৰবাৰ্ট জৰ্জ (Robert Georges), গল্ডষ্টেইন (Kenneth Goldstein) আদিৰ নাম উল্লেখযোগ্য। এই পণ্ডিতসকলৰ মতে ভাষা, আচৰণ, যোগাযোগ, অভিব্যক্তি, অনুষ্ঠান আদি বিভিন্ন প্ৰসংগ বা অনুষংগৰ লগত সম্পৰ্ক ৰক্ষা কৰিহে লোকবিদ্যাৰ অন্তৰ্গত পাঠৰ (text) বিচাৰ-বিশ্লেষণ কৰা উচিত। প্ৰসংগ-প্ৰণালীৰ সমৰ্থকসকলে ভাষাতত্ত্বৰপৰা বাচিক আচৰণৰ ধাৰণা, নৃতত্ত্বৰপৰা প্ৰকাৰ্য্যাত্মকতা, সমাজবিজ্ঞানৰপৰা ভূমিকা-গ্ৰহণ (role-playing) আৰু মনোবিজ্ঞানৰপৰা অস্মিতা কৌশল সংপ্ৰত্যয়ৰ (ego-mechanisms) আধাৰত বাচিক কলাৰ অন্তৰ্গত পাঠৰ বিচাৰ-বিশ্লেষণত গুৰুত্ব দিয়ে।

বাচিক কাব্য পদ্ধতি বা Oral formulaic theory-ৰ সমৰ্থকসকলৰ ভিতৰত

মিলমেন পেৰি (Milman Parry), এলবাৰ্ট লৰ্ড (Albert Lord) আৰু ডেভিড

পেৰি, এলবাৰ্ট লৰ্ড

বাইনামৰ (David Bynum) নাম উল্লেখযোগ্য। বাচিককাব্যপদ্ধতিৰ মতে মুখপাৰ্থত কথক বা বৰ্ণনাকাৰী আৰু তেওঁৰ কথন বা পৰিৱেশনৰ আধাৰতহে লোকমহাকাব্য, লেজেণ্ড বা মালিতা, ৰোমাঞ্চ আৰু সাধুকথাৰ জন্ম হয় আৰু এইবোৰৰ সংযুতিও নিৰ্মিত হয়। গতিকে বাচিক কলাৰ বিষয়বস্তু আৰু সংযুতিৰ বিচাৰ-বিশ্লেষণ কৰিবলৈ হ'লে কথক আৰু তেওঁৰ পৰিৱেশনৰ বিষয়ে ভালদৰে জানিব লাগিব। কথকে বিশেষ কিছুমান সাংকেতিক চিহ্ন (formulac) আৰু কাহিনী-সংযুতি মনত ৰাখিহে কথা বা কাহিনী বা গীত বৰ্ণনা বা আবৃত্তি কৰে। গতিকে বাচিক-কলাৰ কোনো এবিধ উপাদানৰ অৰ্থ উপলব্ধি কৰিবৰ বাবে সাংকেতিক চিহ্ন আৰু কাহিনী-সংযুতিৰ বিষয়ে বিচাৰ-বিশ্লেষণ কৰিব লাগিব।

লোকবিদ্যাৰ ইতিহাস অনুধাবন কৰাৰ প্ৰসংগত ফ্ৰয়ড আৰু তেওঁৰ অনুবৰ্তী সকলৰ মনো সমীক্ষণৰ বিষয়েও অধ্যয়ন কৰিব লাগিব। ফ্ৰয়ডৰ মতে মানৱৰ মন

ফ্ৰয়ড

(psyche) তিনিটা উপাদানৰ সমষ্টি : মূল প্ৰবৃত্ত্যাত্মক প্ৰেৰণা (Id), অস্মিতা (cgo) আৰু অত্যহং (Super-ego)। Id হ'ল মানৱ মনৰ আদিম অৱস্থা আৰু মানৱ মনৰ আদিম অৱস্থাক ফ্ৰয়ড-এ আদিম সমাজৰ সৈতে তুলনা কৰিছে। আদিম সমাজ বা সংস্কৃতিত মানৱে প্ৰায় জন্তুৰ দৰে বাস কৰিছিল। এই সময়ত তেওঁলোকৰ অৱস্থা আছিল ইড (Id) প্ৰভাৱান্বিত শিশুৰ দৰে। সংস্কৃতি বিবৰ্ধিত হোৱাৰ লগে লগে অত্যহঙৰ (Super-ego) দাবী বাঢ়ি গ'ল; কিন্তু মানৱ মনত, সমাজৰ মনত ইড (Id) আৰু অস্মিতাৰ (cgo) জটিলতা আৰু সমস্যাৰ বীজ থাকি গ'ল। এই জটিলতা আৰু সমস্যাৰ আধাৰত ধৰ্মীয় কৃত্য, পুৰাণ-কথা আদিৰ বিকাশ হ'ল। গতিকে লোকবিদ্যাৰ বিভিন্ন উপাদান যৌন ৰূপকৰ ভিত্তিত জন্ম হোৱা স্বাভাৱিক। লোকবিদ্যাৰ বিভিন্ন উপাদানৰ প্ৰকৃত অৰ্থ মনোসমীক্ষণ পদ্ধতিৰ সংযোগতহে উপলব্ধি কৰিব পাৰি।

লোকবিদ্যা মানৱ বিজ্ঞান। মানৱৰ ন ন চিন্তাৰ অন্ত নাই। এই ন ন চিন্তাৰ পৰিণতিত নতুন নতুন সিদ্ধান্ত বা মতামতৰ সৃষ্টি হয়। তেনেদৰে সাম্প্ৰতিক কালৰ পণ্ডিত সকলেও বিভিন্ন দিশৰপৰা লোকবিদ্যাৰ সমলবাজি অধ্যয়ন কৰিবলৈ যোৱাৰ ফলত বিভিন্ন সিদ্ধান্ত বা মতামতৰ সৃষ্টি হৈছে। সাম্প্ৰতিক কালত লোকবিদ্যাৰ বিচাৰ-বিশ্লেষণত তাৎপৰ্য্যপূৰ্ণ অৱদান আগবঢ়োৱা দুটা সিদ্ধান্ত হৈছে পৰিৱেশনা আৰু অভিজ্ঞাপন (Performance and Communication) আৰু লক্ষণ মীমাংসা

(Semiotics)। পৰিবেশনা আৰু অভিজ্ঞাপন পদ্ধতিৰ সমৰ্থকসকলৰ ভিতৰত ডন-বেন-আমোছ (Dan Ben Amos), কেনেথ এছ. গন্ডষ্টেইন (Kenneth S. Goldstain), ডেল হাইমছ (Dell Hymes), ব্ৰুছ এ. ৰোজেনবাৰ্গ (Bruce A. Rosenberg), বৰবৰাকিৰ্ছেনব্লাট-গিমব্লেট (Barbara Kirshenblatt-Gimblett), লিণ্ডা ডেঘ (Linda Degh), ৰিছাৰ্ড বউমেন (Richard Bauman), ৰজাৰ ডি. আব্ৰাহামছ (Roger D. Abrahams) আদি পণ্ডিতসকলৰ নামোল্লেখ কৰিব পাৰি।

লোকবিদ্যাৰ বিভিন্ন উপাদান নিৰ্দ্দিষ্ট এক সামাজিক পৰিবেশ বা প্ৰসংগ বা অনুষংগত পৰিবেশন কৰা হয় নিৰ্বাহিকাসকলৰদ্বাৰা বিভিন্ন শ্ৰেণী, বিভিন্ন বয়স আৰু বিভিন্ন লিংগৰ দৰ্শক আৰু শ্ৰোতাসকলৰ মাজত। নিৰ্বাহিকাসকলে মুখমণ্ডলৰ অভিব্যঞ্জন, হস্তমুদ্ৰা, দৈহিক অংগী-ভংগী, পাঠৰ (text) আবৃত্তি, পৰিবেশ, দৰ্শক শ্ৰোতা আদিৰ সৈতে অন্যোন্যক্ৰিয়া সম্পাদন কৰাৰ লগতে সামাজিক বাৰ্তা অভিজ্ঞাপন কৰে। লোকবিদ্যাৰ নিৰ্বাহিকাসকলে অসচেতনভাৱে নীতি-নিয়ম, অভিজ্ঞাপন পদ্ধতি, পৰিবেশনাৰ ব্যাকৰণ ৰক্ষা কৰি বাচিক বাৰ্তাৰ ক্ৰিয়া আৰু সামাজিক-সাংস্কৃতিক বাস্তৱতাৰ লগত ওতপ্ৰোত সম্পৰ্ক ৰাখি অনুষংগৰ সামাজিক পৰিবৰ্তনীয়বোৰ প্ৰতীক, ৰূপক, শৈলী, সংযুতি, কথাবস্তু, ৰূপ আদিৰ মাধ্যমেৰে প্ৰকাশ কৰে। লোককথা বা মালিতাৰ বিষয়বস্তুৰ কথক বা আবৃত্তিকাৰীৰ কথন বা আবৃত্তিৰ মুহূৰ্ত্তত ইয়াৰ অৰ্থৰ সৈতে পৰিবেশৰ অনুষংগৰ বিশেষ সম্পৰ্ক নাথাকে, যিহেতু এই অৰ্থৰ সাৰ্থকতা অনেক পৰিমাণে নিৰ্ভৰ কৰে দৰ্শক বা শ্ৰোতাৰ অভিবৃত্তিৰ ওপৰতহে। তথাপি লোকবিদ্যাৰ প্ৰাসংগিক দিশবপৰা অভিজ্ঞাপিত গুণ-ক্ৰিয়া আদি প্ৰাথমিক হ'লেও পাঠৰ (text) অৰ্থৰ ওপৰত গুৰুত্ব নিদি গুৰুত্ব দিয়ে কথক বা আবৃত্তিকাৰীৰ অভিপ্ৰায়, দৰ্শক-শ্ৰোতাৰ অভিবৃত্তি আৰু বাৰ্তাৰ অৰ্থৰ ওপৰতহে।

লোকবিদ্যাৰ পৰিবেশনা আৰু অভিজ্ঞাপন সিদ্ধান্তৰ আধাৰ স্বৰূপাৰ্থত সমাজ-ভাষাতত্ত্ব (Socio-Linguistics)। হাইমছৰ (Dell Hymes) "The ethnographic of communication" পদ্ধতিৰ আদৰ্শৰ ওচৰত লোকবিদ্যাৰ পৰিবেশনা আৰু অভিজ্ঞাপন সিদ্ধান্ত অনেক পৰিমাণে ঋণী।[৪]

৪. Dan Ben- Amose (et-al); "Introduction" in *Folklore : Performance and Communication*, ed. Dan Ben- Amose (et-al), The Hague, Paris, 1975, p.3.

Semiotics অথবা লক্ষণ-বিজ্ঞান (Science of Symptoms) লোকবিজ্ঞানৰ আধুনিকতম উদ্ভাৱন। পৰিবেশনাৰ মুখ্য উদ্দেশ্য অভিজ্ঞাপন; তেনেদৰে Semiotics-ৰো মুখ্য উদ্দেশ্য অভিজ্ঞাপন। Semiotics পৰিভাষাটোৰ উদ্ভৱ হৈছে- Semiotic শব্দৰপৰা। Semiotic অভিধাটি আদিতে চিকিৎসা বিজ্ঞানতে সীমিত আছিল। চিকিৎসা-বিজ্ঞানত ৰোগীৰ শাৰীৰিক আৰু মানসিক লক্ষণ সূচাবৰ বাবে এই পৰিভাষাটি প্ৰয়োগ কৰা হৈছিল। খৃ: ১৭ শ শতিকাৰ শেষৰ ফালে জন লোকে-এ (John Locke) Semiotic পদটো দাৰ্শনিক বিচাৰ-বিশ্লেষণৰ প্ৰসংগত বিশেষকৈ লক্ষণ বা চিহ্ন মতবাদক (doctrine of Signs) সূচাবৰ বাবে প্ৰয়োগ কৰিছিল। লক্ষণ বা চিহ্নৰ প্ৰকৃতি অধ্যয়নেই Semiotic-ৰ লক্ষ্য। মানৱ মনে কোনো বস্তু বা বিষয় বুজাবৰ বাবে অথবা মনৰ জ্ঞান আনক বুজাবৰ বাবে চিহ্ন বা লক্ষণ প্ৰয়োগ কৰে। Semiotics সিদ্ধান্তৰ প্ৰকৃত প্ৰতিষ্ঠাপক আৰু প্ৰকৃত সন্ধানকাৰীৰ সম্মান আমেৰিকাৰ দাৰ্শনিক ছাৰ্লছ ছেণ্ডাৰছ পিয়াৰছ্-ৰ (Charles Sanders Pierce) হে প্ৰাপ্য। তেওঁ Semiotic অভিধাটিৰ ব্যাখ্যা এনেদৰে দিছিল : লক্ষণ বা চিহ্ন মতবাদৰ উদ্দেশ্য লক্ষণ বা চিহ্নৰ অপৰিহাৰ্য্য প্ৰকৃতি আৰু মৌলিক বৈবিধ্যৰ বিশ্লেষণ। স্বৰূপাৰ্থত Semiotic কোনো বিশেষ বিজ্ঞানৰ অংগীভূত নহয়, ই সকলো বিজ্ঞানৰে গৱেষণাৰ প্ৰণালী বিশেষ. অথবা সকলো বিজ্ঞানৰে যন্ত্ৰ বা সাথিত্ৰ সদৃশ। Semiotic বিজ্ঞানৰ পৰিসীমাত ভাষাতত্ত্ব, গণিত শাস্ত্ৰ. তৰ্ক শাস্ত্ৰ, নৃতত্ত্ব, লোকবিদ্যা, দৰ্শন-শাস্ত্ৰ আদি সামৰিব পাৰি। ভাষা বিজ্ঞান মূলতঃ Semiotic-ৰ বাহিৰে আন একো নহয়। Semiotic বিভিন্ন বিধৰ হ'ব পাৰে; যেনে : Pure Semiotic, Descriptive Semiotic, Applied Semiotic ইত্যাদি। ভাষাৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা লক্ষণ বা চিহ্নৰ বিষয়ে বিচাৰ-বিশ্লেষণ কৰাই Pure Semiotic-ৰ লক্ষ্য। প্ৰকৃত লক্ষণ বা চিহ্নৰ স্বৰূপ, উদ্দেশ্য, বৈশিষ্ট্য আদি সম্পৰ্কীয় অধ্যয়ন কৰাই Descriptive Semiotic-ৰ উদ্দেশ্য। বিভিন্ন উদ্দেশ্য সাধনাৰ বাবে চিহ্নৰ জ্ঞান প্ৰয়োগ কৰাই হৈছে Applied Semiotic-ৰ লক্ষ্য। লাহে লাহে ভাষাতত্ত্বৰ প্ৰয়োজনীয় অংগ 'Semiotics'ৰ সাদৃশ্যত "Semiotic" অভিধাটিও বহুবচনৰূপত অৰ্থাৎ Semiotics ৰূপত ব্যৱহাৰ কৰিবলৈ লোৱা হয়। Semiotics-ক একপ্ৰকাৰে প্ৰতিমানগত অভিজ্ঞাপিত প্ৰণালী অৰ্থাৎ patterned communications in all modalities[৫] বুলিব পাৰি। মানুহ আনকি অন্য জন্তুৰেও অন্যোন্য ক্ৰিয়াগত আৰু অভিজ্ঞাপিত

৫. Thomas A. Sebeok (et-al) : 'Preface' in *Approaches to Semiotics*, ed. Thomas A. Sebeok (et-al), The Hague, Paris, 1972/ *P.* 5

প্ৰসংগত বিভিন্ন চিহ্ন প্ৰয়োগ কৰে। দৰ্শন, শ্ৰৱণ, স্পৰ্শ, ঘ্ৰাণ, আস্বাদন আদিৰ ক্ষেত্ৰত মানুহে বিভিন্ন চিহ্ন বা লক্ষণ প্ৰকাশ কৰিয়েই আহিছে। এইবোৰেই সামাজিক আচৰণ। লোকবিদ্যাৰ বিভিন্ন উপাদানত এই আচৰণবাজিৰ স্থিতি লক্ষ্য কৰিব পাৰি। এই আচৰণবাজিৰ লক্ষ্য ভাবৰ অভিজ্ঞাপন।

লোকবিদ্যাৰ বৈজ্ঞানিক চিন্তা-চৰ্চাৰ ইতিহাস সুদীৰ্ঘ নহয়; মাত্ৰ প্ৰায় দুশবছৰীয়া ইতিহাস। এই দুশবছৰৰ ভিতৰতে লোকবিদ্যা অধ্যয়নৰ বিভিন্ন সিদ্ধান্ত বা মতবাদৰ উদ্ভৱ আৰু বিকাশ হৈছে। এই সিদ্ধান্ত বা মতবাদবোৰৰ ভিতৰত অনেক ক্ষেত্ৰত মিল দেখা যায়। লোকবিদ্যাৰ ইতিহাস জীৱন্ত ইতিহাস, বিস্ময়কৰ ইতিহাস।

চতুৰ্থ অধ্যায়

লোকবিদ্যাৰ নিৰ্বাচিত সিদ্ধান্ত বা মতবাদ

(Theories)

অধ্যয়নৰ নতুন ক্ষেত্ৰ স্বৰূপে খৃঃ উনৈশ শতিকাতহে লোকবিদ্যা বা লোকসংস্কৃতিয়ে আত্মপ্ৰকাশ কৰে। মৌখিক গীত-পদ অৰ্থাৎ বাচিক-কলাৰ বিভিন্ন সমল সংগ্ৰহ আৰু সেইবোৰৰ অধ্যয়ন পৃথিৱীৰ বিভিন্ন সংস্কৃতিত দূৰ অতীতৰপৰা চলি আহিছিল; যদিও 'folklore' পৰিভাষাটি খৃঃ ১৮৪৬ চনতহে বৃটিছ পুৰাতাত্ত্বিক উইলিয়াম জন থমছ্-এ গঠন কৰে। উইলিয়াম জন থমছৰদ্বাৰা গঠিত এই পৰিভাষা বা অভিধাটিয়ে আন্তৰ্জাতিকভাৱে সমাদৰ লাভ কৰিবলৈ সক্ষম হয়; যদিও 'folklore' পৰিভাষাটিৰ বিষয়বস্তু, পৰিসৰ আদি সম্পৰ্কে সন্দেহ থাকি গৈছে, যিহেতু গঞালোক আৰু শিক্ষিত লোক উভয়ৰে দৃষ্টিত লোকবিদ্যা বা লোক সংস্কৃতি ভুল, অবাস্তৱ আৰু মিছা কথাৰে পৰিপূৰ্ণ। ইয়াৰ প্ৰথম কাৰণ লোকবিদ্যাৰ পৃষ্ঠভূমি লোকায়ত সমাজ আৰু দ্বিতীয়তে বিদ্যায়তনিক দিশতো কোনো কোনোৱে আজিও ভাৱে যে, লোকবিদ্যাৰ সিদ্ধান্ত বা মতবাদবোৰ বিজ্ঞানসম্মত নহয়। স্বৰূপাৰ্থত লোকবিদ্যাৰ সিদ্ধান্ত বা মতবাদবোৰৰ সৈতে পৰিচয় নথকা বাবেই কোনো কোনো পণ্ডিতে হয়তো এনেদৰে মন্তব্য প্ৰকাশ কৰে। তলত এই সিদ্ধান্ত বা মতবাদবোৰৰ বিষয়ে আলোচনা কৰা হ'ল; যেনে ঃ

(ক) তুলনামূলক পদ্ধতি (Comparative Method) ঃ

উইলয়াম জন থমছ্-এ 'folklore' অভিধাটি উদ্ভাৱন কৰাৰ পূৰ্বৰেপৰা লোকবিদ্যাৰ সমলৰাজি অধ্যয়ন কৰা হৈছিল। ইয়াৰ প্ৰত্যক্ষ প্ৰমাণস্বৰূপে আমি গ্ৰীম ভ্ৰাতৃদ্বয়ৰ (জেকব গ্ৰীম আৰু উইলিয়াম কাৰ্ল গ্ৰীম) অবদানলৈ আঙুলিয়াব পাৰোঁ। তেওঁলোক দুয়ো আছিল জাৰ্মানি দেশৰ ভাষাতত্ত্ববিদ আৰু পুৰাণ-কথাবিদ। লোকবিদ্যাৰ সমল সংগ্ৰহ আৰু সেইবোৰৰ বিজ্ঞানসম্মত অধ্যয়নৰ বাটকটীয়া স্বৰূপে গ্ৰীম ভ্ৰাতৃদ্বয়ৰ নাম লোকবিদ্যাৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। গতিকে লোকবিদ্যা বা লোকসংস্কৃতিৰ ঐতিহাসিক বিৱৰ্তন আৰু সিদ্ধান্তৰ প্ৰসঙ্গত গ্ৰীম ভ্ৰাতৃদ্বয়ৰ ভূমিকা অনন্য। ভাষাতত্ত্বৰ অধ্যয়নৰ পটভূমিত জেকব গ্ৰীম আৰু উইলিয়াম কাৰ্ল গ্ৰীম-এ লোকবিদ্যাৰ চিন্তা-চৰ্চা কৰিছিল। জাৰ্মান ভাষাৰ অধ্যয়নৰ বাবেই তেওঁলোক দুয়ে

জাৰ্মান ভাষাত মুখ-পৰম্পৰা প্ৰচলিত লোককথাবোৰ সংগ্ৰহ কৰিছিল আৰু সেইকথা অৰ্থাৎ কাহিনীবোৰ সম্পাদন কৰি *Kinder-Und-Hausmärchen* অৰ্থাৎ *Household Tales* নামেৰে দুটা খণ্ডত ছপা কৰিছিল। এই দুয়োটি খণ্ডকেই সাধাৰণভাৱে "গ্ৰীম ফেইৰাৰি টেইলছ্" (*Grim Fairy Tales*) নামেৰে জনা যায়। ইয়াৰ বাহিৰেও তেওঁলোকৰ চেষ্টাত কেইখনমানিও লোকবিদ্যা বিষয়ক গ্ৰন্থ ছপা হৈছিল। এই গ্ৰন্থসমূহৰ ভিতৰত *টিউটনিক মাইথলজি* (*Teutonic Mythology*) নামৰ গ্ৰন্থখন উল্লেখযোগ্য। এই গ্ৰন্থখন চাৰিটা খণ্ডত ছপা হৈছিল। *টিউটনিক মাইথলজি* গ্ৰীম ভ্ৰাতৃদ্বয়ৰ কালজয়ী অৱদান।

জেকব গ্ৰীম-এ ভাষাতত্ত্বৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণত প্ৰয়োগ কৰা পদ্ধতিৰ নাম তুলনামূলক পদ্ধতি অৰ্থাৎ Comparative Method। জাৰ্মানদেশীয় বাচিক কবিতা আৰু কাহিনী অধ্যয়নৰ প্ৰসঙ্গত জেকব গ্ৰীম-এ তুলনামূলক পদ্ধতি বা Comparative Method প্ৰয়োগ কৰিছিল। এই তুলনামূলক পদ্ধতিয়েই পৰৱৰ্তীকালত Mythological Theory বা পৌৰাণিক সিদ্ধান্ত স্বৰূপে পৰিণতি লাভ কৰে। তুলনামূলক পদ্ধতিৰ প্ৰধান বৈশিষ্ট্য হৈছে: জাৰ্মান দেশৰ ভাষাৰ বিভিন্ন উপ-ভাষাৰ শব্দমালা, ধ্বনি আৰু ৰূপ তথা সংযুতিৰ মাজত সাদৃশ্য দেখা যায়। গতিকে এই উপভাষাবোৰ যে, জাৰ্মান ভাষাৰপৰা উদ্ভৱ হৈছে তাত সন্দেহ নাই। তেনেদৰে সংস্কৃত, লেটিন, গ্ৰীক, জাৰ্মান আদি ভাষাবিলাকৰ মাজতো শব্দমালা, ধ্বনি, ৰূপ, সংযুতি আদিৰ ক্ষেত্ৰত মিল দেখা যায়। গতিকে এইবোৰ ভাষাৰ মাজত যে, জাতিগত বা বংশগত সম্পৰ্ক আছে তাত সন্দেহ নাই। এই অৱধাৰণাৰ ওপৰত নিৰ্ভৰ কৰি গ্ৰীম ভ্ৰাতৃ সিদ্ধান্তত উপনীত হৈছিল যে, সংস্কৃত, লেটিন, গ্ৰীক, জাৰ্মান আদি ভাষা ইন্দো-ইউৰোপীয় সুবৃহৎ ভাষা পৰিয়ালৰ পৰা উদ্ভৱ হৈছে। ভাষাতত্ত্বৰ এই ধাৰণা বা সিদ্ধান্তৰ আধাৰত গ্ৰীম ভ্ৰাতৃদ্বয়ে লোকবিদ্যাৰ সমলৰাজি অধ্যয়ন কৰি কৈছে যে, যিবিলাক লোককথাৰ মাজত সম্পূৰ্ণ মিল দেখা যায়, সেই লোককথাবোৰ নিশ্চিতভাৱে ইন্দো-ইউৰোপীয় মূলৰপৰা উদ্ভৱ হৈছে। লোকবিদ্যাৰ বিশেষকৈ কাহিনী প্ৰধান বৰ্ণনাত্মক বাচিক কলাৰ বিভিন্ন ৰূপ (form) আৰু বিষয়বস্তুক ঐতিহ্য স্বৰূপে আখ্যা দিব পাৰি আৰু এইবোৰ কোনো এক প্ৰাচীন আৰু উন্মেহতীয়া উৎসৰপৰা উদ্ভৱহৈ পৰৱৰ্তী কালৰ সমাজত পৰম্পৰাগত ভাৱে চলি আছে।

গ্ৰীম ভ্ৰাতৃদ্বয়ৰদ্বাৰা লোকবিদ্যাৰ ক্ষেত্ৰত প্ৰৱৰ্তিত 'তুলনামূলক অধ্যয়ন পদ্ধতি'ৰদ্বাৰা ইউৰোপৰ কেইবাগৰাকী পণ্ডিত প্ৰভাৱান্বিত হৈছিল আৰু জাৰ্মান দেশীয়

পুৰাণ-কথা পদ্ধতিগতভাৱে অধ্যয়ন কৰিবলৈ আগবাঢ়ি গৈছিল আৰু এইদৰে লোকবিদ্যা বা লোকসংস্কৃতিৰ চিন্তা-চৰ্চাই নতুন জীৱন লাভ কৰিছিল। জেকব গ্ৰীমৰ বিচাৰাত্মক গঠন বৈশিষ্ট্যই পৰৱৰ্তী কালৰ লোকবিদ্যাতত্ত্ব অধ্যয়নৰ ক্ষেত্ৰত "পৌৰাণিক সিদ্ধান্ত" বা Mythological Theory ৰূপে আত্মপ্ৰকাশ কৰে আৰু এই সিদ্ধান্ত বা মতবাদ মেক্সমূলাৰৰ নিচিনা পণ্ডিতৰ হাতত বিবৰ্ধিত হয়।

(খ) সৌৰ-পৌৰাণিক বা সৌৰ-পুৰাণগত সিদ্ধান্ত (Solar Mythological Theory) ঃ

জেকব গ্ৰীমৰদ্বাৰা প্ৰৱৰ্তিত পৌৰাণিক বা পুৰাণগত সিদ্ধান্তই (Mythological Theory) জাৰ্মানদেশীয় সংস্কৃত পণ্ডিত মেক্সমূলাৰৰ জৰিয়তে প্ৰভাৱশীল সিদ্ধান্তত পৰিণতি লাভ কৰে আৰু এই সিদ্ধান্তৰ নামেই সৌৰ-পৌৰাণিক বা পুৰাণগত সিদ্ধান্ত (Solar Mythological Theory)।

মেক্সমূলাৰ বৈদিক সাহিত্যত আছিল সুপণ্ডিত। তেওঁ ঋগ্বেদ খন ইংৰাজী ভাষাত অনুবাদ কৰিছিল। গতিকে এই বেদখনত উপস্থাপিত পুৰাণ-কথাবোৰ (Myths) অধ্যয়নত তেওঁৰ বিশেষ সুবিধা হৈছিল আৰু ইন্দো-ইউৰোপীয় পুৰাণ-কথাবোৰৰ সৈতে ঋগ্বেদীয় পুৰাণ-কথাবোৰ তুলনামূলক পদ্ধতিৰে বিচাৰ-বিশ্লেষণ কৰিবলৈ সক্ষম হৈছিল। মেক্সমূলাৰ-এ তেওঁৰ অনুৱৰ্তী এদল পণ্ডিতৰ সহায়ত ঋগ্বেদত সন্নিবেশিত ৰূপকৰ সহায়ত ইন্দো-ইউৰোপীয় পুৰাণ-কথাবোৰৰ উদ্ভৱ, বিকাশ আৰু প্ৰসাৰণৰ বিষয়ে বিতং আৰু পদ্ধতিগতভাৱে আলোচনা কৰিছিল। তেওঁ ভাৰতীয় আৰু গ্ৰীচদেশৰ পুৰাণ-কথাবৃত্তৰাজি (mythologies) গ্ৰীম ভ্ৰাতৃদ্বয়দ্বাৰা প্ৰৱৰ্তিত তুলনামূলক পদ্ধতিৰ (comparative method) আধাৰত অধ্যয়ন কৰে। জাৰ্মান ভাষা আৰু বৈদিক ভাষাত ৰচিত পুৰাণ-কথাবৃত্তৰাজিৰ প্ৰটো ৰূপ নিৰ্দেশ কৰাৰ বাহিৰেও মেক্সমূলাৰ-এ পুৰাণ-কথা সৃষ্টিৰ জটিল ব্যাপাৰৰ ব্যাখ্যা কৰিবলৈও প্ৰয়াস কৰিছিল। মেক্সমূলাৰ-এ পুৰাণ-কথাবোৰ ভাষাৰ ব্যাধিৰ পৰিণতিত সৃষ্টি হোৱাৰ সপক্ষে মত পোষণ কৰিছিল। ইন্দো-ইউৰোপীয় ভাষাসমূহ মুখ-পৰম্পৰা প্ৰচলিত হৈ অহা হেতু শব্দ, বাক্য আদিৰ মূল অৰ্থ পাহৰি নতুন অৰ্থ আৰোপ কৰা স্বাভাৱিক। মেক্সমূলাৰৰ মতে আদিম মানৱে বিশেষকৈ ইন্দো-ইউৰোপীয় ভাষা-ভাষী লোকসকলৰ পূৰ্বপুৰুষসকলে প্ৰকৃত অৰ্থ বিশিষ্ট শব্দ ৰূপৰ মাধ্যমেৰে মনৰ ভাৱ প্ৰকাশ কৰিছিল। আদিম মানৱৰ বিকাশ, আৰু অগ্ৰগতিৰ স্তৰত তেওঁলোকে অমূৰ্তভাৱে কোনো কথা চিন্তা কৰিব নোৱাৰিছিল; যিহেতু তেওঁলোকে প্ৰয়োগ কৰা

সেই ভাষাত মূৰ্তভাৱ প্ৰকাশ কৰিব পৰা শব্দইহে স্থান লাভ কৰিছিল। পৰিদৃশ্যমান জগতৰ প্ৰত্যেকটো বস্তু বা বিষয় (object) আৰু প্ৰত্যেকটো প্ৰাকৃতিক ব্যাপাৰকেই তেওঁলোকে মূৰ্ত বা বাস্তৱ নাম আৰু বিশেষত্ব প্ৰদান কৰিছিল। কিন্তু একেই বস্তু বা বিষয় বা ব্যাপাৰক আন নামো দিব পাৰি। অন্যহাতে বিভিন্ন বস্তু বা বিষয় বা ব্যাপাৰৰ মাজত সাদৃশ্য থকা বাবে সেইবোৰক স্বাভাৱিকতে একে নামকেই দিয়া হৈছিল। এই পদ্ধতি অনুসৰি আদিম মানৱৰ মূৰ্ত বা বাস্তৱ ভাষা আছিল ৰূপাত্মক নাম আৰু প্ৰতিশব্দ তথা সমধ্বনি বিশিষ্ট বিভিন্নাৰ্থ বিশিষ্ট শব্দৰ (homonyms) সমষ্টি। উদাহৰণ স্বৰূপে পানী বা জল আৰু সূৰ্য্যক 'উজ্জ্বল' অৰ্থাৎ "the Shining one" অভিধাৰে সূচোৱা হৈছিল। এই অভিধাটিয়ে অন্যহাতে নক্ষত্ৰ আৰু চন্দ্ৰকো বুজাব পাৰে। শব্দ বা অভিধাৰ প্ৰসঙ্গত সময়ৰ অগ্ৰগতিৰ লগে লগে বৈচিত্ৰ্য আৰু অস্থিৰতাই দেখা দিয়া স্বাভাৱিক বুলিও মেক্সমূলাৰে ঠাৱৰ কৰে। ইয়াৰ পৰিণতিত শব্দ-অভিধা আদিৰ মূল অৰ্থ অস্পষ্ট আৰু দুৰ্বোধ্য হৈ পৰিছিল আৰু ইয়াকেই তেওঁৰ ভাষাত 'ভাষাৰ ব্যাধি' অৰ্থাৎ "malady of language" আখ্যা দিয়া হয়। 'ভাষাৰ ব্যাধি'ৰ বাবে প্ৰাকৃতিক ব্যাপাৰবাজিৰ বিস্ময়াবহ ধাৰণাৰ সৃষ্টি হৈ পুৰাণ-কথাবোৰৰ উদ্ভৱ হৈছিল।

পুৰাণ-কথা গঠনৰ প্ৰক্ৰিয়া কিদৰে আৰম্ভ হৈছিল তাৰ আভাস মেক্সমূলাৰ-এ এনেদৰে দিছে ঃ

ধৰা হওঁক পুৰাণ-কথা উদ্ভৱৰ সময়ত কোনোবা এজনে কৈছিল ঃ "উজ্জ্বল বস্তু এটাই জ্বলন্ত বস্তু এটাক অনুসৰণ কৰিছিল।" এই কথাখিনি কোৱা হৈছিল সূৰ্য্যই উষাক অনুসৰণ কৰাৰ প্ৰসঙ্গত। পুনঃ ধৰা হওঁক উজ্জ্বল বস্তু এটাক সূচোৱা শব্দটো আৰ্য্য ভাষাৰ প্ৰটো ৰূপ গ্ৰীক শব্দ "হেলিওছ' (*helios*), অৰ্থ সূৰ্য্য আৰু জ্বলন্ত বস্তুক বুজোৱা শব্দটো আৰ্য্য প্ৰটো ৰূপ সংস্কৃত শব্দ 'অহনা' বা 'দহনা' অৰ্থাৎ উষা। ধৰাহওঁক 'হেলিওছ'ৰ যথাযথ শব্দটো এপলোৰ (Apollo) সৈতে খেলিমেলি হৈ পৰিল। এপলো এগৰাকী গ্ৰীক দেৱতা, সূৰ্য্যৰ সৈতে তেওঁ অভিন্ন। ধৰাহওঁক, 'অহনা' বা 'দহনা' শব্দটো 'দফ্নে' ("Daphne) শব্দলৈ ৰূপান্তৰিত হ'ল (যি সহজে প্ৰচলিত হয়)।

এই পৰিবৰ্তনবোৰ সময়ৰ অগ্ৰগতিৰ লগে লগে হৈছিল আৰু সময়ৰ অগ্ৰগতিৰ লগে লগেই এই পৰিবৰ্তন ব্যাপাৰৰ বিষয়ে পাহৰি পেলোৱা হ'ল। গ্ৰীকসকলে তেওঁলোকৰ ভাষাত ইয়াৰ ব্যাখ্যা এনেদৰে দিবলৈ চেষ্টা কৰিছিল ঃ এপলোয়ে, দফ্নেক অনুসৰণ কৰিছে। এপলো পুংলিঙ্গ বাচক শব্দ আৰু দফ্নে স্ত্ৰীলিঙ্গ বাচক শব্দ। অৱশেষত তেওঁলোক সিদ্ধান্তত উপনীত হ'ল ঃ এপলো প্ৰেমৰ দেৱতা। তেওঁ

সৌন্দর্য্যময়ী, সতী-সাধ্বী পত্নী দফ্নেক ধৰিবলৈ অগ্ৰসৰ হয় আৰু দফ্নে এপলোৰ বাসনাৰপৰা নিজক ৰক্ষা কৰিবৰ বাবে এজোপা গছলৈ ৰূপান্তৰিত হ'ল। এইজোপা গছৰ নাম দফ্নে।[১]

উপৰৰ আলোচনাৰপৰা সহজে অনুমান কৰিব পাৰি যে, মেক্সমূলাৰ-এ সৌৰ (Solar) ৰূপকৰ আধাৰত মিথ বা পুৰাণ-কথাবোৰৰ উদ্ভৱ আৰু বিকাশ হোৱাৰ ওপৰত গুৰুত্ব দিছিল। সেইবাবে তেওঁৰদ্বাৰা প্ৰৱৰ্তিত সিদ্ধান্ত বা মতবাদ সৌৰ-পুৰাণ কথা সিদ্ধান্ত বা মতবাদ অৰ্থাৎ Solar Mythological Theory নামেৰে জনাজাত।

মেক্সমূলাৰৰদ্বাৰা প্ৰৱৰ্তিত এই মতবাদ সৰহ দিন নিটিকিল; যদিও লোককথাৰ ঐতিহাসিক চিন্তা-চৰ্চাৰ প্ৰসঙ্গত Solar Mythology Theory-ৰ অৱদান নোহোৱা নহয়।

(গ) প্ৰসাৰণবাদী মতবাদ বা প্ৰব্ৰজনগত সিদ্ধান্ত বা ঋণগত সিদ্ধান্ত ঃ (Theory of diffusion বা Theory of borrowing বা Migrational Theory) ঃ

খৃঃ ঊনবিংশ শতিকাৰ মাজ ভাগত মেক্সমূলাৰৰ সৌৰ পুৰাণ-কথা মতবাদে (Solar Mythology Theory) ইউৰোপত জনপ্ৰিয়তা লাভ কৰাৰ সময়তেই থিয়ডোৰ বেনফে (Theodor Benfey) নামৰ জাৰ্মান দেশৰ এগৰাকী সংস্কৃত পণ্ডিতে লোক কথাৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণত আত্মনিয়োগ কৰে। তেওঁ ভাষাবিদ্ আছিল আৰু মেক্সমূলাৰৰ সৌৰ পৌৰাণিক মতবাদৰদ্বাৰা তেওঁ বিশেষভাৱে প্ৰভাৱান্বিত আৰু অনুপ্ৰাণিত হৈছিল। থিয়ডোৰ বেনফে-এ 'পঞ্চতন্ত্ৰ' নামৰ সংস্কৃত গ্ৰন্থখন ইংৰাজী ভাষালৈ অনুবাদ কৰে আৰু খৃঃ ১৮৫৯ চনত তেওঁৰ এই অনুবাদটি ছপা হয়। 'পঞ্চতন্ত্ৰ' লোককথাৰ সমষ্টি। এই লোককথাবোৰ অনুবাদ কৰাৰ প্ৰসঙ্গত বেনফে-এ এখন সুদীৰ্ঘ পাতনিও লিখিছিল। পাতনিখন আছিল সুদীৰ্ঘ, পাণ্ডিত্যপূৰ্ণ আৰু পদ্ধতিগত। এই সুদীৰ্ঘ পাতনিখনত তেওঁ ভাৰতীয় কাহিনী বা কথা কিদৰে দূৰ-সুদূৰ প্ৰাচ্য আৰু প্ৰতীচ্যৰ বিভিন্ন সাংস্কৃতিক অঞ্চললৈ প্ৰসাৰিত হৈছে সেই বিষয়ে বিতংকৈ আলোচনা কৰিছে।

থিয়ডোৰ বেনফে-এ স্পষ্টভাৱে আৰু যুক্তিনিষ্ঠ বক্তব্যৰে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস

---

১. Andrew Lang : "Mythology", in *Encyclopaedia Britanica*, 9th ed. Chicago, 1895, XXII pp 137-141.

কৰিছে যে, লোককথা বিশেষকৈ জন্তু কেন্দ্ৰিক সাধুকথাৰ উৎসস্থল ভাৰতবৰ্ষ। ভাৰতবৰ্ষৰপৰাই জন্তুকেন্দ্ৰিক লোককথাবোৰ পশ্চিম দিশেৰে ইউৰোপ আৰু এচিয়াৰ বিভিন্ন সাংস্কৃতিক অঞ্চললৈ প্ৰসাৰিত হৈছে। থিয়ডোৰ বেনফেৰদ্বাৰা প্ৰবৰ্তিত সিদ্ধান্ত বা মতবাদৰ নামেই 'ইন্দিয়ানিষ্ট থিয়ৰি' অৰ্থাৎ "Indianistic Theory"। ইন্দিয়ানিষ্ট থিয়ৰি বা Indianist Theory আখ্যা দিয়াৰ কাৰণ হ'ল লোককথাবোৰ বিশেষকৈ জন্তুকেন্দ্ৰিক সাধুকথাবোৰৰ উদ্ভৱ হৈছে ভাৰতবৰ্ষত আৰু ভাৰতবৰ্ষৰপৰা এই লোককথাবোৰ পৃথিৱীৰ বিভিন্ন অঞ্চললৈ জন প্ৰব্ৰজনৰ হেতু প্ৰসাৰিত হৈছে।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, গ্ৰীমভ্ৰাতৃ আৰু মেক্সমূলাৰ আছিল প্ৰসাৰণবাদী। থিয়ডোৰ বেনফেও গ্ৰীমভ্ৰাতৃ আৰু মেক্সমূলাৰৰ দৰে প্ৰসাৰণবাদী; যিহেতু গ্ৰীমভ্ৰাতৃ আৰু মেক্সমূলাৰৰ নিচিনাকৈ বেনফেও বিশ্বাস কৰিছিল যে, লোক কথাবোৰ ইয়াৰ উৎস স্থলৰপৰা আন আন সাংস্কৃতিক অঞ্চললৈ প্ৰব্ৰজিত বা প্ৰসাৰিত হয়। অন্যহাতে মেক্সমূলাৰৰ দৰে থিয়ডোৰ বেনফেও ঠাৱৰ কৰিছিল যে, পৰম্পৰাগত লোককথাৰ নিৰ্দিষ্ট এক কেন্দ্ৰবিন্দু থকাটো নিশ্চিত আৰু সেই কেন্দ্ৰ বিন্দুৰপৰাই পৃথিৱীৰ বিভিন্ন সংস্কৃতিয়ে সাধুকথা বা লোককথা ধাৰ বা ঋণ কৰে। পৃথিৱীৰ কোনো এক নিৰ্দিষ্ট বিন্দু বা উৎসৰ (atomistic) পৰা আন আন সাংস্কৃতিক অঞ্চলে লোককথা ধাৰ বা ঋণ কৰা বুলি দেখুৱাই দিয়া প্ৰক্ৰিয়াৰ নামেই ঋণগত সিদ্ধান্ত বা 'বৰয়িং থিয়ৰি' বা Theory of Borrowing। বেনফেও যুক্তিসহ দেখুৱাই দিছে যে পৃথিৱীৰ বিভিন্ন সাংস্কৃতিক অঞ্চলে ভাৰতবৰ্ষৰপৰা লোককথা বিশেষকৈ জন্তুকেন্দ্ৰিক সাধুকথা ধাৰ কৰিছে। সেইবাবে তেওঁৰদ্বাৰা প্ৰবৰ্তিত ইন্দিয়ানিষ্ট থিয়ৰিক ঋণগত সিদ্ধান্ত বা Theory of Borrowing বোলে। থিয়ডোৰ বেনফে-ৰ মতে ধাৰ বা ঋণ সম্ভৱ হয় জন প্ৰব্ৰজন আৰু সাংস্কৃতিক প্ৰসাৰণৰ মাধ্যমেৰে। গতিকে কোনো কোনো পণ্ডিতে থিয়ডোৰ বেনফেৰ সিদ্ধান্তৰ নাম দিছে প্ৰব্ৰজনগত সিদ্ধান্ত অৰ্থাৎ মাইগ্ৰেছনেল থিয়ৰি বা Migrational Theory।

খৃঃ ঊনবিংশ শতিকাৰ শেষভাগ আৰু বিংশ শতিকাৰ আদি ছোৱাত থিয়ডোৰ বেনফে-ৰ সিদ্ধান্তই লোকবিদ্যাৰ পণ্ডিতসকলক প্ৰভাৱান্বিত আৰু অনুপ্ৰাণিত কৰিবলৈ সক্ষম হৈছিল। বেনফে-ৰ এই প্ৰভাৱ আৰু অনুপ্ৰেৰণাৰ ফলস্বৰূপে ঐতিহাসিক ভৌগোলিক নাইবা ফিন্নিছ্ সম্প্ৰদায়ৰ সিদ্ধান্তৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈ উঠিছিল।

(ঘ) ঐতিহাসিক-ভৌগোলিক মতবাদ (Historical and Geographical Theory) :

ঐতিহাসিক-ভৌগোলিক মতবাদ ফিন্নিছ্ পদ্ধতি অর্থাৎ Finnish Method স্বৰূপে পৰিচিত। ইউৰোপৰ ফিনলেণ্ডত (হেলচিংকি) এই পদ্ধতি বিশেষ প্রয়োগ কৰা হৈছিল এইদেশৰ (অর্থাৎ ফিনলেণ্ডৰ) লোকসাংস্কৃতিক সমলবাজিৰ বিচাৰ-বিশ্লেষণৰ প্রসঙ্গত। সেইবাবে ঐতিহাসিক-ভৌগোলিক মতবাদ ফিন্নিছ্ মতবাদ নামেৰে জনাজাত। এই পদ্ধতিৰ জৰিয়তে কোনো এটা সাধুকথা; অথবা লোকসাংস্কৃতিক সমল বিশেষৰ ইতিহাস আৰু ইয়াৰ ভৌগোলিক প্রব্রজন নির্ণয় কৰিবৰ্লৈ প্রয়াস কৰে বাবে ইয়াৰ নাম ঐতিহাসিক-ভৌগোলিক মতবাদ। অন্যহাতে ঐতিহাসিক-ভৌগোলিক মতবাদ তুলনামূলক পদ্ধতিস্বৰূপেও পৰিচিত। সাধুকথা, জনশ্রুতি, পুৰাণ-কথা বা পুৰাবৃত্ত বা মিথ, কাহিনী গীত আদি বাচিক কলাৰ বিভিন্ন শ্রেণী মূলতঃ ইয়াৰ উৎসৰপৰা জন প্রব্রজনৰ লগে লগে পৃথিৱীৰ বিভিন্ন অঞ্চললৈ প্রসাৰিত হয় বুলি ঠাৱৰ কৰা মতবাদক লোকবিদ্যাৰ পৰিসীমাত ঐতিহাসিক-ভৌগোলিক মতবাদ আখ্যা দিয়া হৈছে। ঐতিহাসিক-ভৌগোলিক মতবাদ সমর্থনকাৰী লোকবিদ্যাবিদসকলে জটিল সাধুকথা (complex folktales) বা লোকগীত বা লোকবিদ্যা অথবা লোকসংস্কৃতি বিষয়ক অন্য উপাদানৰ ইতিহাস পুনর্গঠন কৰিবলৈ প্রয়াস কৰে। এই মতবাদ বা পদ্ধতিয়ে লোককথাৰ (মিথ, লেজেণ্ড, টেইলছ্) উৎপত্তি আৰু অর্থৰ প্রসঙ্গত হুবহুকৈ গ্ৰহণ কৰা সাধাৰণী প্রক্রিয়াক ভুকবাই পেলাবলৈ যত্ন কৰে। ফিন্নিছ পদ্ধতিৰ পূর্বানুমানৰ মতে এটা সাধুকথাৰ অসংখ্য মৌখিক ৰূপ দেখা যায়। স্বৰূপার্থত এই মৌখিক ৰূপবোৰৰ মূল উৎসত এটা সাধুকথা থকাই স্বাভাৱিক আৰু সেই সাধুকথাটো নিশ্চয় কোনো এটা সময়ত, কোনো এখন ঠাইত, কোনো এজন ব্যক্তিৰদ্বাৰা ৰচিত হৈছিল। এই পদ্ধতিৰৰ প্রমেয় অনুসৰি মূল সাধুকথাটো (Oikotype) ব্যক্তি বিশেষৰ সচেতন সৃষ্টি। সময়ৰ অগ্ৰগতিৰ লগে লগে উৎপত্তিৰ স্থলৰপৰা; অথবা উৎসস্থানৰপৰা এই সাধুকথাটো প্রসাৰণ বা বিকীৰণ প্রক্রিয়াৰ পৰিণতিত পৃথিৱীৰ বিভিন্ন ভৌগোলিক স্থানলৈ বিস্তৃতি লাভ কৰে মানৱ প্রব্রজনৰ মাধ্যমেৰে। অন্যহাতে অপ্রকাশিত পুথি (manuscript) আৰু প্রকাশিত পুথি (Printed text) আদিৰ জৰিয়তেও লোককথা বা সাধুকথাই এখন দেশৰপৰা আন এখন দেশলৈ যাব পাৰে আৰু প্রসাৰণ প্রক্রিয়াৰদ্বাৰা ই বিভিন্ন ভৌগোলিক অঞ্চলত বিয়পি পৰে।[২]

ফিন্নিছ্ পদ্ধতিয়ে সাধুকথাৰ উৎপত্তি সম্পৰ্কীয় সর্বটাকী মতবাদবোৰৰ প্রতি

২. Richard M Dorson "*Introduction*" in *Folklore and Folklife* : An Introduction, ed. R.M Dorson, Chicago, 1972, pp. 7-8

অনীহাৰ ভাব প্ৰকাশ কৰে। সৰ্বঢাকী মতবাদ পোষণকাৰী পণ্ডিতসকলৰ দৃষ্টিত সাধুকথা বিভিন্ন উৎসৰপৰা সৃষ্টি হ'ব পাৰে; যেনে ঃ স্বপ্ন, ক্ৰিয়া-কাণ্ড, আকাশী বা স্বৰ্গীয় ব্যাপাৰ, আদিম মনোবৃত্তি, স্থানীয় আচৰণ, বিষাদ-বিৰেচন (catharsis), দমিত বাসনাৰ মুক্ত প্ৰকাশ ইত্যাদি।

ফিন্নিছ পদ্ধতিয়ে সৰল আৰু জটিল লোককথাৰ উৎপত্তি সম্পৰ্কীয় আন আন মতবাদ স্বীকাৰ নকৰে। প্ৰতি প্ৰসাৰণ প্ৰক্ৰিয়া সমৰ্থনকাৰীসকলে (antidiffusionists) গ্ৰহণ কৰা-সাধুকথা আৰু কাহিনী গীতে ভাষিক আৰু সাংস্কৃতিক সীমাৰেখা অতিক্ৰম কৰিব নোৱাৰে প্ৰমেয় (hypothesis) ফিন্নিছ মতবাদ বা তুলনামূলক সিদ্ধান্ত পোষণকাৰীসকলে মানি নলয়।[৩] বাস্তব অভিজ্ঞতাৰপৰা দেখা গৈছে যে, সাংস্কৃতিক দিশত উন্নত জাতিৰ মাজত প্ৰচলিত সাধুকথা প্ৰায়ে সাংস্কৃতিক দিশত অনগ্ৰসৰ লোকৰ মাজলৈ গতি কৰে। খৃঃ ১৫শ-১৬শ শতিকাত ইউৰোপীয় সভ্যতাৰ সম্প্ৰসাৰণৰ লগে লগে ইউৰোপীয় ঔপনিৱেশিকসকলৰ জৰিয়তে এই মহাদেশৰ সাধুকথা, কাহিনী-গীত আদি উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা আৰু আফ্ৰিকা মহাদেশ পৰ্যন্ত বিয়পি পৰিছিল। ইয়াৰ বিপৰীতে কিছু আফ্ৰিকাবাসী আৰু আমেৰিকান-ইণ্ডিয়ানসকলৰ মাজত প্ৰচলিত সাধুকথা বা কাহিনী-গীতে ইউৰোপৰ কৃষকসকলৰ মাজত প্ৰবেশ কৰিব পৰা নাছিল। বিস্তীৰ্ণ অঞ্চলত প্ৰসাৰিত সাধুকথাৰ উৎপত্তিস্থল নিৰ্ণয় সম্পৰ্কীয় পুংখানুপুংখ অধ্যয়নৰ জৰিয়তে দেখা গৈছে যে, এনেধৰণৰ সৰহ সংখ্যক সাধুকথাৰ জন্ম ভাৰতবৰ্ষ আৰু পশ্চিম ইউৰোপত। এছিয়া মাইনৰ আৰু ইউৰোপৰ অন্যান্য অঞ্চল এই জাতীয় সাধুকথাৰ গৌণ প্ৰসাৰণ প্ৰক্ৰিয়াৰ কেন্দ্ৰস্বৰূপে নিৰ্দেশ কৰিব পাৰি।

ফিন্নিছ পদ্ধতিয়ে তুলনামূলক অধ্যয়নকাৰী লোকবিদ্যাবিদ্‌সকলৰ ওপৰত দুঃসাধ্য বাধ্যবাধকতা আৰোপ কৰে। এই পদ্ধতিত প্ৰায়ে সাধুকথা, মিথ, লেজেণ্ড অথবা কাহিনী-গীতৰ ভিতৰত যিকোনো এবিধ সমল নিৰ্বাচন কৰা হয়। সাধাৰণতে অনেক পাঠান্তৰ থকা সমলহে নিৰ্বাচন কৰা হয়। এই পাঠান্তৰবোৰ লিখিত সমলৰপৰাও সংগ্ৰহ কৰিব পাৰি। ইয়াৰ পিছত সেই সাধুকথাটো বা কাহিনী গীতটোৰ কথাবস্তুবোৰ সৰু সৰু অংশত বিভক্ত কৰি বিশ্লেষণ কৰে। এইদৰে উক্ত সাধুকথাটো বা কাহিনী গীতটোৰ প্ৰমেয় মূলপাঠ (hypothetical Ur-type) নিৰ্ণয় কৰে। ইয়াৰ পৰিণতিত মূল সাধুকথাটো বা কাহিনী গীতটোৰ পাঠান্তৰবোৰ ধৰা পৰে লগে লগে ভৌগোলিক যাত্ৰা আৰম্ভৰ মূল আৰু ঐতিহাসিক যাত্ৰাৰ সূক্ষ্ম পথো নিৰ্ণীত হয়।

লোকবিদ্যা বিজ্ঞানৰ শক্তিশালী পদ্ধতিস্বৰূপে ফিন্নিছ মতবাদৰ ভূমিকা সুদূৰ

৩. *Ibid.* p. 8

প্ৰসাৰী। অৱশ্যে এই পদ্ধতিৰ প্ৰমেয় আৰু প্ৰণালী আদি চোকা সমালোচনাৰ সন্মুখীন হ'বলৈও বাধ্য হৈছে। অন্যহাতে ফিন্নিছ্ পদ্ধতিৰ সমৰ্থকসকলে ইয়াৰ যথাযোগ্য প্ৰত্যুত্তৰ দিবলৈও পিছ পৰি থকা নাই। এই পদ্ধতিৰ সমৰ্থক অপ্ৰতিদ্বন্দ্বী পণ্ডিত অষ্ট্ৰিয়ান এলবাৰ্ট ৱেছলচ্কিৰ (Austrian Albert Wesselski, 1871-1939) মতে কোনো এটা সাধুকথাৰ লিখিত ৰূপে ইয়াৰ বহু প্ৰচাৰণত এনে শক্তিশালী ভূমিকা গ্ৰহণ কৰে যে, ইয়াৰ মৌখিক প্ৰসাৰণৰ মাত্ৰা নিৰ্ণয় কৰা অতিকৈ টান হৈ পৰে। চুইডেনৰ প্ৰথিতযশা পণ্ডিত কাৰ্ল ৱন চাইডঅ'-এ (Carl Von Sydow 1978-1952) বিশ্বাস কৰিছিল যে, স্থানীয় ঐতিহাসিক আৰু সাংস্কৃতিক উপাদানে কোনো এটা আন্তৰ্জাতিক সাধুকথাক উপশ্ৰেণী (Sub-types); অথবা আঞ্চলিক সাধুকথাৰ উৎস (Oikio type) স্বৰূপে প্ৰতিপন্ন কৰে। এনেবিধৰ সাধুকথাৰ স্বকীয় আৰু সুকীয়া ইতিহাস থাকে। তেওঁৰ মতে স্বীকাৰ্য্য মূল-পাঠৰ (Ur-form) কথাটো সকলো ক্ষেত্ৰতে প্ৰমাণ কৰা টান।[8]

(ঙ) নৃতাত্ত্বিক পদ্ধতি (Anthropological Theory) ঃ

মেক্সমূলাৰ আৰু তেওঁৰ অনুৱৰ্তীসকলৰ পুৰাবৃত্ত (mythology) সম্পৰ্কীয় ধ্যান-ধাৰণাই ঠন ধৰি উঠাৰ সময়ছোৱাত ৰুচিয়াকে ধৰি ইউৰোপৰ বিভিন্নদেশত প্ৰযুক্তিবিদ্যাগত পৰিৱৰ্তনে টোৱাই গৈছিল আৰু ইয়াৰ পৰিণতিত শিল্পোদ্যোগ, অৰ্থনীতি আৰু পৰিবহনৰ ক্ষেত্ৰত এইবোৰ দেশে বিশেষ কিছুমান সুবিধা লাভ কৰিছিল। এই পৰিৱৰ্তন বাঢ়িয়ে ইউৰোপীয়সকলৰ মানসিক চিন্তা চৰ্চাৰ ক্ষেত্ৰতো পৰিৱৰ্তন সূচাইছিল। ইয়াৰ পৰিণতিত ইউৰোপৰ বিভিন্ন দেশৰ ভূগোলবিদ্, নৃতাত্ত্বিক, ভাষাতাত্ত্বিক আৰু লোকবিদ্যাবিদ্সকলে দূৰ দূৰণিৰ দেশবোৰৰ অধিবাসীসকলৰ অৰ্থনৈতিক অৱস্থা, জীৱন নিৰ্বাহ পদ্ধতি, আচাৰ-অনুষ্ঠান, ভাষা, সৃজনীমূলক কলা আদিৰ বিষয়ে অধ্যয়ন কৰাত প্ৰবৃত্ত হৈছিল। এই জাতীয় ক্ষেত্ৰ সমল সংগ্ৰহ আৰু সেই সমলবাজিৰ পদ্ধতিমূলক বিচাৰ-বিশ্লেষণৰ জৰিয়তে তেওঁলোকে ভালদৰে উপলব্ধি কৰিব পাৰিছিল যে, মৌখিক পৰম্পৰাৰ ক্ষেত্ৰত পৃথিৱীৰ সমস্ত মানৱৰ মাজত সাদৃশ্য ৰক্ষিত হৈ আহিছে। তেতিয়ালৈকে এই পণ্ডিতসকলৰ বাহিৰে আন কোনো পণ্ডিতে এই বিষয়ে অধ্যয়ন কৰা নাছিল। পৃথিৱীৰ বিভিন্ন দেশৰ সংস্কৃতিত বিশেষকৈ মৌখিক পৰম্পৰাত পৰিদৃষ্ট হোৱা এই সাদৃশ্যবাজি বংশগত কাৰণ, প্ৰব্ৰজন, অথবা ঋণৰ বাবে হোৱা বুলিও কব নোৱাৰি। ইয়াৰপৰা সহজে

8. Stith Thompson *The Folktale*, University of California Press, Berkeley, 1977, p 440

অনুমান কৰিব পাৰি যে, এইসকল পণ্ডিতৰ ক্ষেত্ৰগত আবিষ্কাৰবাজি ইউৰোপত তদানীন্তন প্ৰচলিত লোকবিদ্যা সম্পৰ্কীয় মতবাদ বা সিদ্ধান্তৰ সৈতে খাপ খুৱাব নোৱাৰি। গতিকে নতুন এটি মতবাদ বা সিদ্ধান্তৰ বিষয়ে চিন্তা কৰিবলৈ পণ্ডিতসকল বাধ্য হ'ল। ইংৰাজ নৃতত্ত্ববিদ্ এড্‌ৱাৰ্ড বি. টাইলাৰ আৰু তেওঁৰ অনুৱৰ্তী এনড্ৰিউ লেঙ-এ যুক্তিসহ দেখুৱাই দিছিল যে, মানৱ জাতি নৃতাত্ত্বিক ক্ৰমবিৱৰ্তনৰ পৰিণতি মাথোন। তেওঁলোকে এটা কেন্দ্ৰ বিন্দুৰপৰা উৎপত্তি হোৱা সিদ্ধান্ত (atomistic theory), প্ৰসাৰণবাদী মতবাদ আৰু এককজন্মৰ (monogenesis) সিদ্ধান্ত বাতিল কৰি অভিজ্ঞাপিত কলাৰ বহুজন্মৰ মতবাদ (polygenesis) প্ৰতিষ্ঠা কৰে। নৃতাত্ত্বিক সম্প্ৰদায়ৰ (Anthropological School) ধাৰণামতে লোকবিদ্যাৰ কোনো এবিধ সমল পৃথিৱীৰ বিকোনো দুখন বা তাতকৈ অধিক সম্পৰ্কহীন স্থানৰ কোনো জনগোষ্ঠী বা নৃ-গোষ্ঠীৰ মাজত একে সময়তে বা বিভিন্ন সময়ত স্বতন্ত্ৰভাবে কিন্তু একে অৱস্থা বা পৰিবেশত সৃষ্টি হ'ব পাৰে। নৃতাত্ত্বিক সম্প্ৰদায়ৰ এই ধাৰণা মানৱ-মন আৰু আচৰণৰ বিশ্বজনীনতাৰ আধাৰত প্ৰতিষ্ঠিত। টাইলাৰ আৰু তেওঁৰ অনুৱৰ্তীসকলৰ এই জাতীয় ধ্যান-ধাৰণাই শেষলৈ নৃতাত্ত্বিক সম্প্ৰদায়ত পৰিণতি লাভ কৰে। টাইলাৰৰ ধাৰণা আৰু অনুমান স্বৰূপাৰ্থত বাস্তবায়িত হয় ফ্ৰেজাৰ-ৰ গৱেষণা আৰু তেওঁৰ গৱেষণা প্ৰসূত গ্ৰন্থ 'গল্ডেন বাউ' (*Golden Bough*) নামৰ বিখ্যাত গ্ৰন্থখনৰ জৰিয়তে।

নৃতাত্ত্বিক সম্প্ৰদায়ৰ অনুৱৰ্তীসকলে পোষকতা কৰিছিল যে, পৃথিৱীৰ সকলো মানুহেই সম্পূৰ্ণভাৱে অভিন্ন স্তৰ কিছুমান, যেনে ঃ বৰ্বৰতা (savagery), বন্যতা (barbarism) আৰু সভ্যতাৰ (civilisation) মাজেৰে ক্ৰমবিকাশ লাভ কৰিছে। বৰ্বৰতা স্তৰৰ উদাহৰণ স্বৰূপে অষ্ট্ৰেলিয়াৰ আদিবাসীসকললৈ আঙুলিয়াব পাৰি। তেনেদৰে সভ্যতা স্তৰৰ উদাহৰণ পোৱা যায় ভিক্টোৰীয়া যুগৰ ইংলেণ্ডত।[৫] টাইলাৰ আৰু লেঙৰ অৱধাৰণামতে পৃথিৱীৰ সৰ্ব সংস্কৃতিয়েই বৰ্বৰতা, বন্যতা আৰু সভ্যতা এই তিনিটা স্তৰৰ মাজেৰেহে বিবৰ্ধিত হৈছে। টাইলাৰ, লেঙ আদিয়ে পোষকতা কৰা বৰ্বৰতা, বন্যতা আৰু সভ্যতা স্তৰৰ ব্যাখ্যা সমালোচনাৰ উৰ্দ্ধত নহয়; যিহেতু এই স্তৰ তিনিটাৰ ব্যাখ্যাত তেওঁলোকে নিৰপেক্ষতা অৱলম্বন কৰিব পৰা নাই। দ্বিতীয়তে, মিথ আৰু কাব্যিক কথাঙ্গৰ প্ৰকৃত উদ্ভৱ প্ৰক্ৰিয়াৰ প্ৰসঙ্গতো তেওঁলোকে মুঠেই মাত মতা নাই।

নৃতাত্ত্বিক-মতবাদ আসোৱাহ মুক্ত নহয়। তত্ৰাচ লোকবিদ্যাৰ চিন্তা-চৰ্চা আৰু

৫. Alan Dundes : " Structural Typology in North American Indian Folktales" in *The Study of Folklore* ed. A. Dundes. New Jersey. Prentice Hall Inc., 1965, p. 55.

বিচাৰ-বিশ্লেষণত এই মতবাদৰ ভূমিকা নাই বুলি কব নোৱাৰি।

উপৰোল্লিখিত মতবাদ বা সিদ্ধান্তৰ বাহিৰেও লোকবিদ্যাৰ চিন্তা-চৰ্চাত বিশেষভাৱে অৰিহণা আগবঢ়োৱা আৰু কেইটিমান মতবাদ আছে। এই মতবাদ বা সিদ্ধান্তসমূহৰ ভিতৰত ঐতিহাসিক পুনৰ্গঠন পদ্ধতি, আদৰ্শগত পদ্ধতি, ক্ৰিয়াত্মক বা প্ৰকাৰ্য্যাত্মক পদ্ধতি, বাচিক-কাব্য পদ্ধতি, অন্তঃসাংস্কৃতিক পদ্ধতি, লোক-সাংস্কৃতিক পদ্ধতি, গণ-সাংস্কৃতিক সিদ্ধান্ত, গোলাৰ্ধিক সিদ্ধান্ত, প্ৰসঙ্গ-প্ৰণালী, আংগিক সংস্থানগত মতবাদ আদি উল্লেখযোগ্য।[৮]

এই সিদ্ধান্তসমূহৰ অন্যতম উদ্দেশ্য লোকসংস্কৃতিৰ বিভিন্ন উপাদনৰাজিৰ পদ্ধতিগত চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণ। বহুলভাৱে চাবলৈ গলে এই সিদ্ধান্তসমূহৰ মাজত পাৰ্থক্য বা বৈসাদৃশ্য লক্ষ্য কৰা যায়; কিন্তু সূক্ষ্মভাৱে চাবলৈ গলে এই সিদ্ধান্তসমূহৰ মাজত কিবা নহয় কিবা প্ৰকাৰে সম্পৰ্ক ধৰা পৰে। উপৰোল্লিখিত সিদ্ধান্ত বা মতবাদৰ অন্যতম লক্ষ্য লোকসাংস্কৃতিক সমলৰাজিৰ অৰ্থ উদ্‌ঘাটন।

---

৮. R M Dorson " Introduction" in *Folklore and Folklife An Introduction* ed R M Dorson, Chicago 1972 pp 7 47
J Handoo *Folklore An Introduction* Mysore, 1989, pp 33 – 64

পঞ্চম অধ্যায়

Folklore-ৰ পৰিভাষা আৰু সূত্ৰ

[এক]

Folklore অভিধাটিৰ অৰ্থ বুজাবৰ বাবে ভাৰতৰ বিভিন্ন ভাষাত বিভিন্ন পৰিভাষা প্ৰয়োগ কৰিছে। এই অধ্যায়ত ভাৰতীয় ভাষাত প্ৰয়োগ কৰা Folklore-ৰ কেইটামান পৰিভাষাৰ আভাস দিয়া হ'ল; যেনে ঃ

(ক) ড° প্ৰফুল্লদত্ত গোস্বামীয়ে Folklore ৰ প্ৰতিশব্দৰূপে 'জনকৃষ্টি' পদটো প্ৰয়োগ কৰিছে। Folk-Literature ৰ প্ৰতিশব্দ স্বৰূপে তেওঁ 'জন সাহিত্য' পদটো ব্যৱহাৰ কৰিছে।

(খ) বংগদেশৰ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে 'Folklore' ৰ প্ৰতিশব্দ ৰূপে প্ৰয়োগ কৰিছে 'লোকযান' অভিধাটি।

(গ) ড° আশুতোষ ভট্টাচাৰ্য্যই 'লোকশ্ৰুতি' অভিধাটি প্ৰয়োগ কৰিছে 'Folk-lore'-ৰ প্ৰতিশব্দ ৰূপে।

(ঘ) ড° বিৰিঞ্চিকুমাৰ বৰুৱা আদি পণ্ডিতসকলে 'Folklore'-ৰ প্ৰতিশব্দ হিচাবে 'লোকসংস্কৃতি' অভিধাটি প্ৰয়োগ কৰিছে।

(ঙ) উত্তৰ প্ৰদেশৰ প্ৰথিতযশা লোকবিদ্যাবিদ্ ড° কৃষ্ণদেৱ উপাধ্যায়ে 'Folk-lore' অভিধাৰ পৰিভাষা স্বৰূপে 'লোকসংস্কৃতি' প্ৰয়োগ কৰিছে।

(চ) ড° বাসুদেৱ চৰণ অগ্ৰৱালে 'Folklore' অভিধাৰ পৰিভাষা স্বৰূপে 'লোকবাৰ্তা' প্ৰয়োগ কৰিছে।

(ছ) 'গ্ৰাম সাহিত্য' পৰিভাষাটো 'Folk-Literature'-ৰ প্ৰতিৰূপ হিচাবে ব্যৱহাৰ কৰিছে ৰামনৰেশ ত্ৰিপাঠীয়ে।

(জ) ড° মজহাৰুল ইছলামে 'Folklore'-ৰ পৰিভাষা স্বৰূপে 'লোকলোৰ' অভিধাটি প্ৰয়োগ কৰিছে।

(ঝ) ড° মহম্মদ ছহিদুল্লাই 'Folklore'-ৰ প্ৰতিৰূপ স্বৰূপে প্ৰয়োগ কৰিছে 'লোকবিজ্ঞান' অভিধাটি।

(ঞ) ৰমা প্ৰসাদ চন্দই 'Folklore'-ৰ পৰিভাষা হিচাবে প্ৰয়োগ কৰিছে 'লোকবিদ্যা' অভিধাটি। বিশ্ববিদ্যালয় অনুদান আয়োগেও 'Folklore'-ৰ

প্ৰতিশব্দ স্বৰূপে ব্যৱহাৰ কৰিছে— লোকবিদ্যা পৰিভাষাটি।

(ট) শঙ্কৰ সেনগুপ্তই 'Folklore'-ক সূচাবৰ বাবে প্ৰয়োগ কৰিছে 'লোকবৃত্ত' পদটো।

(ঠ) ড° সুকুমাৰ সেনে 'Folklore'-ৰ পৰিভাষা হিচাবে গ্ৰহণ কৰিছে 'লোকচৰ্য্যা' পদটো।

ইয়াৰ বাহিৰেও 'Folklore' অভিধাটিক সূচাবৰ বাবে 'লোককৃতি', 'লোক ঐতিহ্য', 'লোকবাঙ্ময়', 'লোকায়ন', 'লোক চাৰণা' আদি পৰিভাষা ব্যৱহাৰ কৰা দেখা যায়।[১]

[দুই]

'Folklore'-ৰ সূত্ৰ

মেৰীয়া লিছৰ (Maria Leach) দ্বাৰা সম্পাদিত *Standard Dictionary of Folklore*-ত লোকসংস্কৃতি বা লোকবিদ্যাৰ (Folklore) একুৰি এটা সূত্ৰ দিয়া হৈছে। এইবোৰ পুৰণি সূত্ৰ স্বৰূপেহে পৰিগণিত, তথাপি লোকসংস্কৃতিৰ ইতিহাস আৰু ক্ৰমবিকাশৰ ধাৰা অনুধাৱন কৰিবৰ বাবে এই সূত্ৰবোৰ জনা উচিত। সেইবাবে সূত্ৰকেইটিৰ সাধাৰণ আভাস তলত দিয়া হ'ল।

(১) Jonas Balys : লোকবিদ্যা বা লোকসংস্কৃতি আদিম আৰু সভ্য লোকৰ পৰম্পৰাগত সৃষ্টি। এইবোৰ গদ্য-পদ্য উভয়ৰূপতে পোৱা যায়। লোকবিশ্বাস, সংস্কাৰ, আচাৰ-অনুষ্ঠান, পৰিৱেশ্য কলা, নৃত্য, অভিনয় আদিও লোকসংস্কৃতিৰ পৰিসৰে সামৰে। ইয়াৰ উপৰিও লোক সংস্কৃতি লোকৰ (folk) পৰম্পৰাগত বিজ্ঞান নহয়, পৰম্পৰাগত লোকবিজ্ঞান আৰু লোক কবিতাহে।[২]

(২) Marius Barbeau : পৰম্পৰাগত মৌখিক গীত-পদ, যোজোনা-পটন্তৰ, কথা-কাহিনী, নৃত্য-অভিনয়, খেল-ধেমালি, উৎসৱ-অনুষ্ঠান, চিলাই, কপাহ ধূনা, ৰোৱন-কাটন, এন্দ্ৰয়দাবি, ৰান্ধন-বাঢ়ন, ভবিষ্যত গণনা, বিশ্বাস, শিল্পী-খনিকৰ, বাঢ়ৈ-সূতাৰ, কমাৰ-কুমাৰ-কঁহাৰ, হীৰা-সোণাৰী, জোতা নিৰ্মাণ পদ্ধতি, জ্ঞান, অভিজ্ঞতা, শিক্ষা, দক্ষতা, অভ্যাস, অনুশীলন

---

১. তুষাৰ চট্টোপাধ্যায় : লোক সংস্কৃতিৰ তত্ত্ব ৰূপ ও স্বৰূপ-সন্ধান, কলিকতা, ১৯৮৫, পৃ. ৪.

২. *Standard Dictionary of Folklore*, p. 398.

আঁদি বিবোৰ মুখ পৰম্পৰা আৰু পুৰুষ পৰম্পৰা চলি আহিছে— সেইবোৰৰ সমষ্টিয়েই লোকসংস্কৃতি।[৩]

(৩) **William R. Bascom** : নৃতাত্ত্বিকসকলৰ মতে মুখে মুখে চলি অহা বিবিধ কলাত্মক অভিব্যঞ্জন যেনে : পুৰাণ-কথা বা পুৰাবৃত্ত, জনশ্ৰুতিগত কাহিনী, সাধুকথা, প্ৰবচন, সাঁথৰ বা দিষ্টান আদিৰ সমষ্টিয়েই লোকসংস্কৃতি। নৃতাত্ত্বিকসকলে স্বীকৃতি দিয়ে যে, লোকবিদ্যাবিদ্ নামেৰে পৰিচিত এদল লোক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস, কলা, শিল্প, আভৰণ, ঘৰ-বাৰী বন্ধাৰ ধৰণ-কৰণ, খাদ্য ৰন্ধন প্ৰণালী আদিৰ প্ৰতি আকৃষ্ট হৈছে। নৃতাত্ত্বিক সকলেও আদিমবাসীসকলৰ এই সমলবাজি ভৌতিক সংস্কৃতি, কলা, প্ৰযুক্তিবিদ্যা, অৰ্থনীতি, সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠান, ধৰ্ম আদি উপশ্ৰেণীত ভাগ কৰি এই সকলোকে সংস্কৃতি আখ্যা দিয়ে। কিন্তু সংস্কৃতিৰ এটা গুৰুত্বপূৰ্ণ অংশ নৃতাত্ত্বিকসকলে উল্লেখ কৰা উপশ্ৰেণীৰ ভিতৰত নপৰে আৰু এই অংশটোৱেই হ'ল folklorc বা লোকসংস্কৃতি বা লোকবিদ্যা। লোকবিদ্যা লোকসাহিত্যৰ লগতহে জৰিত বুলি নৃতত্ত্ববিদ্‌সকলে ক'ব খোজে। সাহিত্য প্ৰকৃতাৰ্থত লিখিত ৰূপতহে পোৱা যায়। লিখিব-পঢ়িব জনা সমাজতো লোকবিদ্যা লিখিত ৰূপত পোৱা নাযায়। লিখিত ৰূপ নথকা সমাজতহে লোকবিদ্যাৰ স্থিতি লক্ষ্য কৰা যায়। সাহিত্যৰ নিচিনাকৈ লোকবিদ্যাও একপ্ৰকাৰে কলাৰূপ আৰু ই সংগীত, নৃত্য, কলা আদিৰ লগত সম্পৃক্ত। অৱশ্যে ইয়াৰ অভিব্যঞ্জনৰ মাধ্যমহে বিভিন্ন ধৰণৰ।[৪]

(৪) **B.A. Botkin** : মৌখিক সংস্কৃতিত সকলো উপাদানকেই লোকবিদ্যা বুলিব পাৰি। আধুনিক সমাজত লোকবিদ্যা বা লোকসংস্কৃতিক অভিজাত বা শিষ্ট সংস্কৃতিৰপৰা পৃথক কৰে মৌখিক পৰম্পৰাত দিয়া গুৰুত্বৰ আধাৰত। লোকসংস্কৃতিৰ প্ৰসঙ্গত প্ৰাধান্য দিয়া হয় পৰম্পৰাগতভাৱে চলি অহা মৌখিক আচৰণত আৰু শিষ্ট সংস্কৃতিত প্ৰাধান্য দিয়া হয় লিখিত পৰম্পৰাৰ ওপৰত। মৌখিক পৰম্পৰাই লিখিত পৰম্পৰাত স্থান পালেও মৌখিক পৰম্পৰাৰ প্ৰামাণিকতা একোতে খৰ্ব নহয়, বৰং ইয়াৰ বিশেষৰূপ কিছুমানত স্থায়িত্ব প্ৰদান কৰাৰ উপৰিও আন আন অঞ্চলত এই উপাদান প্ৰসাৰিত হোৱাত অনুকূল পৰিবেশৰ সৃষ্টি কৰে। জন সাধাৰণৰ স্মৃতিয়ে যিমান কথা ধৰি ৰাখিব পাৰে। সিমান কথা পাহৰিও যায়। সাংস্কৃতিক পৰিবৰ্তনে লোকসংস্কৃতিৰ দেহতো

৩. *Ibid.* ৪. *Ibid.*

পৰিবৰ্তনৰ আঁচোৰ পেলায়। সমাজৰ ৰুচি আৰু বিচাৰেও লোকসাংস্কৃতিক সমলৰ পৰিবৰ্তনত ভূমিকা গ্ৰহণ কৰে বিশেষভাৱে। লোক গায়ক, লোক কথক, সংগ্ৰাহক, পণ্ডিত-গৱেষক, ধৰ্মীয় গুৰু আৰু ব্যৱসায়িক শিল্পী আদিৰ সচেতন প্ৰচেষ্টাত লোকসংস্কৃতিৰ সমলৰাজি ৰক্ষিত হয়।

মৌখিক পৰম্পৰাত প্ৰচলিত সমলৰাজিক কেইবাটাও শ্ৰেণীত বিভক্ত কৰিব পাৰি আৰু এই শ্ৰেণীবোৰৰ সামাজিক আৰু সাংস্কৃতিক পৰিস্থিতিত এইবোৰৰ ইতিহাস আৰু প্ৰকাৰ্য্যৰ আধাৰত এই শ্ৰেণীবোৰৰ বিচাৰ-বিশ্লেষণ কৰিব পাৰি। যিহেতু লোকবিদ্যা বা লোকসংস্কৃতি বিভিন্ন প্ৰকাৰে আৰু ৰূপেৰে (forms) উদ্ভৱ-বিকাশ আৰু প্ৰসাৰিত হয়। লোকগীত আৰু লোককথাই লোকবিদ্যাৰ ক্ষেত্ৰত বিশেষ স্থান অধিকাৰ কৰি থাকিলেও কেৱল এই দুটা উপাদানকেই লোকবিদ্যা বুলিব নোৱাৰি। ইয়াৰ বাহিৰে ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস, সংস্কাৰ, পুৰাণ-কথা, জনশ্ৰুতিগতকাহিনী আদিকো লোকবিদ্যাৰ পৰিসৰৰ ভিতৰত সামৰি লোৱা হয়।

মৌখিক পৰম্পৰা সংস্কৃতিৰ মূল সোঁতত নিঃচিহ্ন হৈ যাব পাৰে। মৌখিক সংস্কৃতিৰ অন্যতম অংশীদাৰ লোকসংস্কৃতি। লোক গীতে ব্যক্তি আৰু সমাজক সংহতিৰ এনাজৰীৰে বান্ধি ৰাখিব পাৰে। গতিকে স্থান, পৰিয়াল আৰু স্বজনৰ সম্পৰ্কৰ আধাৰতহে লোকসংস্কৃতিৰ জন্ম। দলগত অভিজ্ঞতাই লোকবিদ্যাৰ জন্ম নীড।'

(৫) Aurelio M Espinosa : মানৱে যুগেযুগে পৰম্পৰাগতভাৱে অভিজ্ঞতাৰদ্বাৰা লাভ কৰা আৰু সঞ্চয় কৰা জ্ঞানকেই জনপ্ৰিয় জ্ঞান বা লোকবিদ্যা আখ্যা দিয়া হয়। জন সাধাৰণে এই জ্ঞান পৰম্পৰাগতভাৱে অনুশীলন কৰে আৰু বিজ্ঞানসম্মত জ্ঞানৰ সৈতে ইয়াৰ পাৰ্থক্য স্পষ্ট। লোকজ্ঞান আৰু বিজ্ঞানসম্মত জ্ঞানৰ মাজত পাৰ্থক্যৰ সীমাৰেখা অস্পষ্ট। লোকবিদ্যাৰ সমল আৰু নৃতত্ত্বৰ সমলৰ মাজত বিশেষ পাৰ্থক্য নাই; আৰু এই সমলৰাজি আদিম আৰু সভ্যতাৰ ক্ষেত্ৰত অনগ্ৰসৰ অঞ্চল তথা সভ্য অঞ্চলৰ গঞা আৰু অনাখৰী লোকৰ মাজৰপৰা সংগ্ৰহ কৰা হয়। এই সমলৰাজি আধুনিক যুগৰ নৃতত্ত্ববিদ্ আৰু লোকবিদ্যাবিদ্‌সকলে সংগ্ৰহ কৰে। লোকসংস্কৃতিৰ পৰিসৰে বিশ্বাস, আচাৰ, অনুষ্ঠান, অন্ধবিশ্বাস, যোজোনা, প্ৰবচন, সাঁথৰ, গীত, পুৰাণ-কথা, জনশ্ৰুতিগত কাহিনী, সাধুকথা, ক্ৰিয়া-কাণ্ড, ধৰ্মীয় কৃত্য, যাদু, ডাকিনী বিদ্যা

৫. *Ibid. pp* 398 - 99.

আদি সামৰে। লোকবিদ্যা সমাজৰ সকলো স্তৰতে গভীৰভাৱে শিপাই আছে। সেয়েহে উচ্চ সংস্কৃতি বিশিষ্ট সমাজত লোকবিদ্যাৰ স্থিতি লক্ষ্য কৰা যায়।

লোকবিদ্যাৰ বিজ্ঞান মানৱ অভিজ্ঞতাৰ শাখা বিশেষ। যুগে যুগে এই বিজ্ঞানৰ সহায়ত লোকবিদ্যাৰ সমলবাজি সংগ্ৰহ, শ্ৰেণীবিভাজন আৰু বিশ্লেষণৰ সংযোগত বিজ্ঞানসম্মতভাৱে অধ্যয়ন কৰি জনসাধাৰণৰ জীৱন আৰু সমাজৰ বিভিন্ন দিশ ব্যাখ্যা কৰা হয়। লোকবিদ্যা সমাজ বিজ্ঞানৰ শাখা বিশেষ আৰু মানৱ সভ্যতা ইয়াৰ সহায়ত বিশ্লেষণ কৰা দেখা যায়। সাংস্কৃতিক প্ৰতিমানক স্থায়িত্ব প্ৰদানত লোকবিদ্যাৰ ভূমিকা অনন্য আৰু ইয়াৰ অধ্যয়নৰ জৰিয়তে সংস্কৃতিৰ কথাংশ (motifs) আৰু অৰ্থ বুজিব পাৰি। গতিকে মানৱ ইতিহাস আৰু মানৱ জীৱনৰ ব্যাখ্যাৰ প্ৰসঙ্গত লোকবিদ্যাৰ প্ৰকাৰ্য্য সুদূৰ প্ৰসাৰী।[১]

(৬) George M. Foster : লোকসংস্কৃতি স্বৰূপে ছপা হোৱা ইয়াৰ সমলবাজিৰ পৰা অনুমান কৰিব পাৰি যে, এই বিষয়টো নিশ্চিতভাৱে আকৰ্ষণীয়। মই এটি সংৰক্ষণশীল সূত্ৰৰ পোষকতা কৰোঁ। আনুষ্ঠানিক মন্তব্য নিদিয়াকৈ মই লোকসংস্কৃতিৰ সূত্ৰ এনেদৰে দিব খোঁজো। শিক্ষিতেই হওঁক বা অশিক্ষিতেই হওঁক বা অনাখৰীয়েই হওঁক জনসাধাৰণৰ অলিখিত সাহিত্যিক অভিব্যঞ্জন যেনে : কাহিনী, পুৰাণ-কথা, জনশ্ৰুতিগত কাহিনী, সাধুকথা আদিক লোকসংস্কৃতি আখ্যা দিব পাৰি। সাঁথৰ, পদ, প্ৰবচন, লোকগীত, লোকবিশ্বাস, অন্ধবিশ্বাস আদিও লোকসংস্কৃতিৰ পৰিসৰে সামৰি লয়। এই সমলবাজি কেনেকৈ পৰিৱেশন কৰে কথা নাই, এইবোৰ লোকসংস্কৃতিয়েই। এইবোৰৰ বাহিৰেও খেলা-ধূলা, নিচুকনি গীত, উৎসৱ-অনুষ্ঠান, ডাকিনী বিদ্যা আদিও লোকসাংস্কৃতিক সমল। সাহিত্যৰ কেন্দ্ৰীয় তাৎপৰ্য্যৰ বাহিৰত লোকসংস্কৃতিৰ সূত্ৰ ইয়াৰ সমলবাজিৰ উপস্থাপন ৰীতিৰ প্ৰতি দৃষ্টি আৰোপ কৰিহে দিয়া হয়, ইয়াৰ অন্তৰ্নিহিত প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰায়ে সূত্ৰ দিয়া নহয়।[২]

(৭) Theodor H Gaster : বিশ্বাস, ক্ৰিয়া-কাণ্ড, ধৰ্মীয় কৃত্য, আচাৰ-অনুষ্ঠান, উৎসৱ-অনুষ্ঠান, পুৰাণ-কথা, জনশ্ৰুতিগত কাহিনী, সাধুকথা, কলা, শিল্প আদি জনসাধাৰণৰ সাংস্কৃতিক বৈশিষ্ট্যবাজিৰ সমষ্টিয়েই লোকসংস্কৃতি।

১. *Ibid* p. 397 ২. *Ibid.*

ব্যক্তিতকৈ সমাজ জীৱনৰ প্ৰতিভা আৰু আচৰণবাজিহে লোকসংস্কৃতিৰ মাধ্যমেৰে প্ৰকাশ পায়; যিহেতু ই জনসাধাৰণৰ মাজত প্ৰচলিত পৰম্পৰাতহে ৰক্ষিত হয়। আনুষ্ঠানিক বা ঔপচাৰিক সাহিত্য আৰু কলাৰ মূল উৎস লোকসংস্কৃতি। অৱশ্যে ঔপচাৰিক বা শিষ্ট সংস্কৃতিতকৈ লোকসংস্কৃতি সম্পূৰ্ণভাৱে স্বতন্ত্ৰ; যিহেতু ই নিশ্চিতভাৱে জনসাধাৰণৰ, জনসাধাৰণে ইয়াক সৃষ্টি কৰে আৰু জনসাধাৰণৰ বাবেই ই বৰ্তি আছে।[৮]

(৮) M. Harmon ঃ লোকসংস্কৃতিৰ সূত্ৰ বিশেষ কোনো জ্ঞান, কোনো দল বা গোষ্ঠী বা সম্প্ৰদায়ৰ আধাৰত দিব নোৱাৰি; যিহেতু ই সকলো ধৰণৰ জ্ঞান আৰু গোষ্ঠী বা সম্প্ৰদায়ক সামৰি লব পাৰে। লোকসংস্কৃতিৰ সূত্ৰ দিব পাৰি ইয়াৰ ব্যৱহাৰ, সঞ্চৰণ আৰু অৰ্জনৰ উপায়ৰ আধাৰত। এইটো সত্য যে, কোনো কোনো বিষয়, যেনে ঃ বেলেড, লোকসংস্কৃতিৰ সৈতে বিশেষভাৱে জৰিত; কিন্তু জ্ঞানৰ মূল অৰ্থৰ পৰিসৰে সকলো বিষয়কে সামৰি লব পাৰে। কোনো কোনো সংস্কৃতি বা কোনো কোনো গোষ্ঠীত লোকসংস্কৃতিৰ বিশেষ প্ৰচলন দেখা যায়। ইয়াৰ বিপৰীতে কোনো কোনো সংস্কৃতি বা গোষ্ঠীত ইয়াৰ প্ৰচলন তুলনামূলকভাৱে কম। কিন্তু সমাজৰ প্ৰত্যেকটো দল বা গোষ্ঠী আৰু এই দল বা গোষ্ঠীৰ প্ৰত্যেকজন সদস্যই লোক বা শিষ্ট হ'ব পাৰে। মুঠতে লোকসংস্কৃতিৰ প্ৰচলন সৰ্বসমাজ আৰু সৰ্ব সংস্কৃতিত কম-বেছি পৰিমাণে দেখা যায়। লোক সমাজত সৃষ্টি হোৱা কিছুমান উপাদানতো অতুলনীয় বৈশিষ্ট্য ৰক্ষিত হৈ আহিছে। সেইবাবে লোকসংস্কৃতি যিকোনো বিষয়, যিকোনো গোষ্ঠী বা ব্যক্তি, যি কোনো সময় বা যিকোনো ঠাইতে উদ্ভৱ হ'ব পাৰে। গতিকে লোকবিদ্যা বা-বাতৰি, দক্ষতা, ধাৰণা, উৎপাদন আদিৰ সমষ্টি আৰু জন্মৰ পৰিৱেশৰ আধাৰত মানুহ বা সমাজে এইবোৰ অৰ্জন কৰিব পাৰে। ইচ্ছাকৃতভাৱে লোকসংস্কৃতি শিকা নাযায়। ইচ্ছাকৃতভাৱে লোকসংস্কৃতিৰ সমল আৱিষ্কাৰ কৰা নহয়, বৰং ই বিকাশ লাভহে কৰে। পাৰিপাৰ্শ্বিকতাত লোকসংস্কৃতি বৰ্তি থাকে, ইয়াক গ্ৰহণ কৰা হয়, ব্যৱহাৰ কৰা হয়, ৰূপান্তৰণ কৰা হয়, সঞ্চাৰিত হয় অথবা পাহৰি পেলোৱা হয়। পশ্চিমীয়াকৰণ প্ৰক্ৰিয়াৰ গ্ৰাসৰপৰা লোকসংস্কৃতিৰ উপাদানবাজি ৰক্ষা কৰিবৰ বাবে জনসাধাৰণ বাধ্য হোৱাৰ উদাহৰণ বিৰল নহয়।

Ibid.

জ্যোতির্বিদ্যাইয়ো সময়ৰ লগে লগে লোকসংস্কৃতি স্বৰূপে আত্মপ্রকাশ কৰিবলৈ বাধ্য হয়। ইয়াৰ বিপৰীতে লোকসংস্কৃতিৰ কোনো কোনো উপাদান শিষ্ট সমাজ আৰু সংস্কৃতিৰ অপৰিহার্য্য উপাদান ৰূপে পৰিগণিত হ'ব পাৰে। ব্যক্তিবিশেষৰদ্বাৰা নির্মিত কোনো এবিধ কলাই সমাজৰ প্রতীকৰূপে ধৰা দিব পাৰে। ইয়াৰ বিপৰীতে সমাজৰ প্রতীক বিশেষেও লিখিত পৰম্পৰাত প্রৱেশ কৰিব পাৰে। লোকসংস্কৃতিৰ সঞ্চৰণৰ ৰীতি অনুসৰি ইয়াৰ যিবিলাক উপাদান সঞ্চৰিত আৰু ব্যৱহৃত হৈ থাকে এইবোৰ লোকসংস্কৃতি। ইয়াৰ ব্যতিক্রম হ'লে সেইবোৰক লোকসংস্কৃতি বুলিব নোৱাৰি।

লোকসংস্কৃতিৰ বিকাশৰ ধাৰালৈ লক্ষ্য কৰি ইয়াৰ নির্দিষ্ট সীমা ৰেখা নির্ণয় কৰা টান। অৱশ্যে কোনো এটা গোষ্ঠী যদি সুসংবদ্ধ আৰু সেই গোষ্ঠীত যদি ঐক্য আৰু অবিচ্ছেদ্যতা থাকে তেনেহ'লে সেই গোষ্ঠীৰ লোকসংস্কৃতিৰ ক্ষেত্রত সীমাৰেখা নির্ণয় কৰা সহজ। সেই গোষ্ঠীৰ ঐক্য যদি ব্যাহত হয় তেনেহ'লে লোকসংস্কৃতিৰ দেহতো বিচিত্রতাই দেখা দিয়ে। লোকসংস্কৃতিৰ প্রসঙ্গত গোষ্ঠীগত বৈশিষ্ট্যৰ প্রভাৱ অতিকৈ গভীৰ। অৱশ্যে ব্যক্তিগত বৈশিষ্ট্যও ইয়াত থাকিব পাৰে; যিহেতু ব্যক্তি মানৱ সমাজৰ অংশ বিশেষহে।[১] (৯) Melville J Herskovits : আদিতে সাংস্কৃতিক অনুসন্ধিৎসা আৰু লিখিব পঢ়িব জনা তথা সভ্য মানুহৰ আদি স্তৰৰ সাংস্কৃতিক উদ্বর্তনৰ (survivals) অধ্যয়ন স্বৰূপেহে লোকসংস্কৃতিৰ চিন্তা-চর্চাৰ পৰম্পৰা আৰম্ভ হৈছিল। লাহে লাহে লিখিব-পঢ়িব নজনা যিকোনো দল বা সম্প্রদায়ৰ অলিখিত সাহিত্যৰ চিন্তা-চর্চাই লোকসংস্কৃতি ৰূপে পৰিগণিত হ'বলৈ ধৰে। নৃতাত্ত্বিক পদ্ধতিৰ পৰিমার্জনৰ পৰিণতিত লোকসাংস্কৃতিক চিন্তা-চর্চাৰ পথ পৰিষ্কাৰ হৈ পৰে আৰু গভীৰ অন্তর্দৃষ্টিৰ সহায়ত মানৱ সংস্কৃতিৰ প্রকার্য্যাত্মক দিশৰ প্রতি আলোক সম্পাত কৰিবলৈ লোৱাৰ ফলস্বৰূপে পূর্বৰ তুলনামূলক পদ্ধতিৰ ভুল-ত্রুটিবোৰ ধৰা পৰে। ইয়াৰপৰা সহজে বুজিব পৰা হ'ল যে, জীৱন্ত আদিম লোকৰ আচাৰ-অনুষ্ঠান আদি পশ্চিম ইউৰোপৰ জাতিসকলৰ ঐতিহাসিক পূর্বপুৰুষসকলৰ আচাৰ-অনুষ্ঠানৰ সৈতে তুলনা কৰিব নোৱাৰি। অন্য কথাত, আদিম মানৱ যতেই পোৱা নাযাওঁক কিয়— তেওঁ কেতিয়াও সমসাময়িক পূর্বপুৰুষ হ'ব নোৱাৰে। এই তত্ত্বটো ইউৰোপত স্বীকৃত হোৱাৰ

১. *Ibid.* p. 400.

ফলত কৃষক-সংস্কৃতি (Peasant culture) অধ্যয়নৰ সূত্ৰপাত হৈছে। এই অধ্যয়নৰ সহায়ত দেখুৱাই দিয়া হৈছে যে, পূৰ্ববৰ্তী আচাৰ-অনুষ্ঠান আদিৰ অভিব্যঞ্জন, লোকসংস্কৃতিতকৈও সুকীয়াভাৱে বিচাৰ-বিশ্লেষণ কৰিব পাৰি। এই অভিনৱ বিন্যাসৰ সহায়ত লোকবিদ্যাৰ ক্ষেত্ৰ আৰু পদ্ধতি সমীক্ষাত্মকভাৱে নিৰ্দেশ কৰি লোকবিদ্যাবিদ্‌সকলে পৃথিৱীৰ বিভিন্ন অঞ্চলৰ অলিখিত বা মৌখিক সাহিত্য অধ্যয়ন কৰিবলৈ লৈছে। এই অধ্যয়ন কেৱল বিষয়বস্তু বা ঘটনাৰ বিশ্লেষণ কৰা বা কোনো এটা সাধুকথাৰ মূল ৰূপ আৰু উৎসভূমি নিৰ্ণয়তেই সীমিত নহয়, বিচাৰৰ মান, ধ্যান-ধাৰণা আৰু সমস্যা আদিৰ চিন্তা-চৰ্চা পৰ্যন্ত ই বিস্তৃত।[১০]"

(১০) George Herzog : মুখে মুখে প্ৰচলিত পৰম্পৰা বিশেষকৈ পুৰাণ-কথা, সাধুকথা, লোকগীত আৰু অন্যান্য লোক-সাহিত্যৰ ৰূপ, লোকভাষা আৰু উপভাষা, লোকসংগীত, লোকনৃত্য, আচাৰ-অনুষ্ঠান, বিশ্বাস আৰু লোক বিজ্ঞানৰ সমষ্টিয়েই লোকসংস্কৃতি। গতিকে নগৰ-চহৰ আৰু গাঁও উভয়তে লোকসংস্কৃতিৰ স্থিতি লক্ষ্য কৰা যায়; যদিও গাঁৱতহে ইয়াৰ স্থিতি আৰু জনপ্ৰিয়তা বিশেষভাৱে দেখা যায়। লোকসাহিত্যৰ লগত লোকজীৱনৰ সম্পৰ্ক গভীৰ; যিহেতু লোকজীৱনৰ অধ্যয়ন অবিহনে লোকসাহিত্যৰ প্ৰকৃত চিন্তা-চৰ্চা হ'ব নোৱাৰে। সাংস্কৃতিক নৃতত্ত্ব আৰু ভাষাতত্ত্বৰ সহায় অবিহনে লোকসংস্কৃতিৰ উপাদানবাজি সাৰ্থকভাৱে বিচাৰ-বিশ্লেষণ কৰা টান।[১১]

(১১) R.D Jameson : লোকসংস্কৃতি জাতিবিদ্যাৰ (ethnology) শাখা বিশেষ। পুৰাণ-কথা, জনশ্ৰুতিগত কাহিনী, পৰম্পৰা, বৰ্ণনাত্মক কাহিনী, লোকবিশ্বাস, ধৰ্ম, ধৰ্মীয় কৃত্য, আচাৰ-অনুষ্ঠান, নৃত্য, মানৱ আৰু প্ৰকৃতিৰ ব্যাখ্যা আদিৰ সমষ্টিয়েই লোকসংস্কৃতি। এইবোৰ পৃথিৱীৰ বিভিন্ন অঞ্চলৰ নৃগোষ্ঠীৰ মাজত যিকোনো ঐতিহাসিক সময়ত প্ৰচলিত। লোকসাংস্কৃতিক উপাদানবাজি মানৱ কল্পনাৰ সাংযুতিক একক আৰু কোনো গোষ্ঠী বা ব্যক্তিৰ বিপদ-আপদৰ সময়ত এই উপাদানবাজিৰ ক্ৰিয়াশীলতা লক্ষ্য কৰা যায়। মানৱৰ ভয়-শঙ্কা দূৰীকৰণ, আশা-আকাঙ্ক্ষা পূৰণত লোকসংস্কৃতিৰ উপাদানবাজিৰ ভূমিকা গুৰুত্বপূৰ্ণ। লোকবিদ্যাবিদ্‌সকলৰ উদ্দেশ্য লোকসংস্কৃতি অধ্যয়ন; কিন্তু অনেক ক্ষেত্ৰত দেখা যায় তেওঁলোকে লোকসংস্কৃতিৰ উপাদান

---

১০. *Ibid.*   ১১. *Ibid.* p 400.

নির্মাণ কৰিবলৈহে যত্ন কৰে।

লোকসংস্কৃতি অধ্যয়নৰ পদ্ধতিবোৰ হ'ল : (১) ক্ষেত্ৰ সমল সংগ্ৰহ। (২) সংগৃহীত উপাদানসমূহৰ তুলনা। (৩) ক্ষেত্ৰসমলৰ সৈতে জড়িত হৈ থকা বিশ্বাসৰ ব্যাখ্যা। (৪) সামাজিক আৰু মনস্তাত্ত্বিক গৱেষণা। (৫) লোকসংস্কৃতিৰ বিভিন্ন প্ৰকাৰ্য্য। .....[11]

(১২) **Gertrude P. Kurath** : লোকসংস্কৃতি পৰম্পৰাগত জনপ্ৰিয় বিশ্বাস, সাধু কথা, অন্ধবিশ্বাস, আচাৰ-অনুষ্ঠান, উৎসৱ, খেল-ধেমালি, অনুকৰণাত্মক অভিনয়, গীত, নৃত্যৰ বিজ্ঞান। লোকসংস্কৃতি স্বাভাৱিকতে গোষ্ঠীগত বা সামূহিক ব্যাপাৰ আৰু ই পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহি লিপিবদ্ধ হ'ব পাৰে। লোকসংস্কৃতিৰ পৰিসৰে বিতৰ্কৰ সৃষ্টি নকৰাকৈও থকা নাই। ইয়াৰ সংকীৰ্ণ সূত্ৰ প্ৰাচীন কালৰ ধৰ্মীয় কৃত্যৰ অৱশিষ্ট অংশ লিখিব-পঢ়িব নজনা গাঁওলোকৰ মাজত প্ৰচলিত থকাৰ সীমাৰ ভিতৰতে সীমিত। বহলকৈ কবলৈ গ'লে লোকসংস্কৃতিৰ পৰিসৰে ধৰ্ম নিৰপেক্ষ জনশ্ৰুতিগত কাহিনী গীত, সাধু কথা, কু-সংস্কাৰ আদি সামৰি লয়। সাধুকথা আৰু পুৰাণকথাৰ মাজত পাৰ্থক্য স্পষ্ট হৈ পৰে ধৰ্মীয় তাৎপৰ্য্যৰ প্ৰসঙ্গত। সাধুকথাত ধৰ্মীয় তাৎপৰ্য্যৰ স্থিতি লক্ষ্য কৰা নাযায়; কিন্তু পুৰাণ-কথাত ধৰ্মীয় তাৎপৰ্য্যৰ স্থিতি অতিকৈ স্পষ্ট। লোকসংস্কৃতিৰ সামাজিক প্ৰকাৰ্য্যৰ গুৰুত্ব কমি অহাৰ লগে লগে লোকগীত আৰু লোক নৃত্যৰ সৈতে ধৰ্মীয় কৃত্যৰ সম্পৰ্ক প্ৰায় নোহোৱা হৈ পৰিছে। অৱশ্যে ব্যক্তিগত চেষ্টা-প্ৰচেষ্টাৰ মাধ্যমেৰে দ্বিতীয় অস্তিত্বত লোকসংস্কৃতি বৰ্তমানো জীয়াই আছে।[13]

(১৩) **Mac Enward Leach** : লোকসংস্কৃতি এটা বৰ্গীয় নাম আৰু আচাৰ-অনুষ্ঠান, বিশ্বাস, পৰম্পৰা, সাধুকথা, যাদুমূলক কৃত্য, প্ৰবচন, গীত আদিক সূচাবৰ বাবে এই অভিধাটি প্ৰয়োগ কৰা হয়। চমুকৈ সমৰূপ বিশিষ্ট তথা লিখিব-পঢ়িব নজনা আৰু আবেগিক বান্ধোনেৰে প্ৰায় একত্ৰিত হৈ থকা এটা দল বা গোষ্ঠীৰ পুঞ্জীভূত জ্ঞানেই লোকসংস্কৃতি। লোকসংস্কৃতিৰ বিভিন্ন উপাদানবাজি ব্যক্তিবিশেষৰ সৃষ্টি যেনহে লাগে আৰু পিছলৈহে এইবোৰ কোনো এটা দল বা গোষ্ঠীৰ উমৈহতীয়া সম্পত্তি হৈ পৰে।[14]

(১৪) **Katharine Luomala** : আজি কালি ব্যৱহাৰ কৰিবলৈ লোৱা Folklore

---

১২. *Ibid.* pp. 400 – 401 ১৩. *Ibid,* p. 401; ১৪. *Ibid.*

পদটো দ্ব্যৰ্থক বা সন্দেহজনক। Folklore-ৰ প্ৰসঙ্গ বা অনুষঙ্গৰপৰা দেখা যায় যে, এই অভিধাটিয়ে আদিম মানৱৰ অলিখিত কাহিনীপ্ৰধান সাহিত্যকেই বুজায় নে ইয়াৰদ্বাৰা আদিম আৰু সভ্য লোকৰ সাহিত্যৰ মাজত থকা পাৰ্থক্যখিনি দেখুৱাই দিয়া হৈছে নে পুৰাণ-কথাৰ্তকৈ সুকীয়া কাহিনীবোৰ দেখুৱাই দিয়া হৈছে বুজা নাযায়। কৃষকসকলৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস আৰু কাহিনীপ্ৰধান গীত তথা কথা বা কাহিনী অৰ্থাৎ কৃষকৰ নৃতত্ত্বক সূচাৰলৈ পূৰ্ববৰ্তী ইউৰোপীয়সকলে প্ৰয়োগ কৰা Folklore পদটো ব্যৱহাৰ কৰা দেখা যায়। Folklore অভিধাটিৰ অৰ্থই দৰাচলতে বিবিধ সন্দেহৰ সৃষ্টি কৰে।[১৫]

(১৫) John L. Mish : সভ্য সমাজৰতুলনামূলকভাৱে কম শিক্ষিত লোকৰ মাজত বৰ্তমানলৈ বৰ্তি থকা প্ৰাচীন জনপ্ৰিয় বিশ্বাস, আচাৰ-অনুষ্ঠান আৰু পৰম্পৰাবাজিৰ সামগ্ৰিক ৰূপৰ নাম Folklore বা লোকসংস্কৃতি। Folklore -ৰ পৰিসৰে পৰীৰ কাহিনী, পুৰাণ-কথা, জনশ্ৰুতিগত কথা, বিশ্বাস আৰু অন্ধবিশ্বাস, উৎসৱ, ধৰ্মীয় কৃত্য, পৰম্পৰাগত খেল-ধেমালি, লোকগীত, প্ৰবচন, কলা, শিল্প, লোকনৃত্য আদিক সামৰে।[১৬]

(১৬) Charles Francis Potter : লোকসংস্কৃতি মৰিবলৈ অস্বীকাৰ কৰা জীৱন্ত জীৱাশ্ম। হাজাৰ হাজাৰ বছৰ বিয়পা মানৱ অভিজ্ঞতাৰ আধাৰত লোকসংস্কৃতিৰ জন্ম। দূৰ অতীতত সাংস্কৃতিক পৰিৱৰ্তনৰ গতি আছিল মন্থৰ আৰু পৰিৱৰ্তনৰ মাত্ৰাও আছিল পাতল। সেই কাৰণে দূৰ অতীতৰ আচাৰ-অনুষ্ঠানবাজিয়ে দীৰ্ঘকালৰ বাবে অসচেতনভাৱেই নৃগোষ্ঠীসকলৰ মাজত সুৰক্ষিত হ'ব পাৰিছিল। এই আদিম নমুনা বা আদৰ্শ আৰু মণ্ডলবোৰ পূৰ্ণবৰ্ধিত আৰু পৰিপক্বহৈ পৰৱৰ্তী সভ্যতাৰ সাংস্কৃতিক অন্তৰ্লীন স্বৰূপে জীয়াই আছিল আৰু বিবোৰৰ সৌন্দৰ্য্যৰদ্বাৰা আকৃষ্টহৈ সেইবোৰ উদ্ঘাটন কৰিবলৈ মানুহে চেষ্টা চলাইছিল। প্ৰকৃতিৰ দৰে সেইবোৰ অকৃত্ৰিম সেইবাবেই সেইবোৰ ইমান সৌন্দৰ্য্যময়ী। গতিকে এই সমলবোৰ আমি কি অৰ্থত ব্যৱহাৰ কৰিছিলোঁ আৰু বৰ্তমান সেইবোৰ কেনেকৈ ব্যৱহাৰ কৰিবলৈ ইচ্ছা কৰোঁ তাৰ ওপৰত লোকসংস্কৃতিৰ তাৎপৰ্য্য নিৰ্ভৰ কৰিছে। পৃথিৱীৰ বিভন্ন জাতিৰ সভ্যতাৰ শিশুকালত কাব্যিক জ্ঞানৰ (লোক সংস্কৃতিৰ) উদ্ভৱ হৈছিল, সেই বাবে লোকসংস্কৃতিৰ সমলবাজিয়ে শিশুসকলক আনন্দ দিব পাৰে।

---

১৫. *Ibid.* ১৬. *Ibid.* p. 401 - 402

বুঢ়াসকলেও লোকসংস্কৃতিৰ বিভিন্ন সমলৰ জৰিয়তে আনন্দ লাভ কৰে; যিহেতু এই সমলবাজিৰ মাধ্যমেৰে তেওঁলোকে যৌৱনৰ স্মৃতি সুঁৱৰিব পাৰে।

লোকসংস্কৃতিত তৰুণসুলভ আৰু নাৰীসুলভ সমলৰ প্ৰাধান্য স্বীকাৰ কৰিবই লাগিব— যিহেতু ইয়াত যুক্তিৰ প্ৰাধান্য নাথাকে, প্ৰাধান্য থাকে আৱেগ আৰু সহজ জ্ঞানৰ। লোকসংস্কৃতিৰ সমলবাজি অযৌক্তিক আৰু কাল্পনিক। নাৰীসকলে নিয়তভাৱে বিশ্বাস, ধৰ্মীয় কৃত্য, অন্ধবিশ্বাস, ক্ৰিয়া-কাণ্ড আৰু আচাৰ-অনুষ্ঠান আদিৰ ৰক্ষিকাৰ ভূমিকা পালন কৰি আহিছে।

লোকসংস্কৃতিৰ সমলবাজি পৰম্পৰাগত আৰু এইবোৰ মুখে মুখে চলি থাকে। পৰম্পৰাগত মৌখিক ৰূপত প্ৰচলিত মানৱৰ জন্ম আৰু ইতিহাস বিষয়ক সমলবাজি লিখিত ইতিহাসতকৈ পৃথক। পৰম্পৰা আৰু ইয়াৰ অধ্যয়ন বিজ্ঞান উভয়কে Folklore পদটোৱে সামৰে। Folklore বা লোকসংস্কৃতিক পৰৱৰ্তীকালৰ সাংস্কৃতিক উদ্বৰ্তন আখ্যা দিব পাৰি— যিবোৰ বিশ্বাস, কাহিনী, আচাৰ-অনুষ্ঠান, ধৰ্মীয় কৃত্য, অলৌকিক ব্যাপাৰ আদি ৰূপে চলি আহিছে। পৰৱৰ্তীকালৰ যুক্তিবাদী ব্যক্তিবৰ্গৰ দ্বাৰা এই উপাদানবাজি অধ্যয়ন কৰা বিজ্ঞানসম্মত পদ্ধতিৰ দিশটিও Folklore অভিধাই সূচাব পাৰে। অভিজ্ঞ লোকতত্ত্ববিদে লোকসংস্কৃতিত আদিম মানৱৰ সাংস্কৃতিক প্ৰতিমানৰ প্ৰতিফলনকেই কেৱল নেদেখে।[১৭]

(১৭) Marian W Smith : Folk-lore অভিধাটি দুপ্ৰকাৰে ব্যাখ্যা কৰিব পাৰি : (১) Lore of the people– অৰ্থাৎ জনসাধাৰণৰ জ্ঞান আৰু (২) জনসাধাৰণৰ মৌখিক সাহিত্যিক পৰম্পৰা। প্ৰথমটো সূত্ৰৰ পৰিসৰ বহল আৰু ই বিশ্বাস, অন্ধবিশ্বাস, ধৰ্মীয় কৃত্য, পুৰাণ-কথা, সাধুকথা আদি উপাদান সামৰে। এই প্ৰসঙ্গত 'folk' পৰিভাষাৰ সূত্ৰ নিৰ্ধাৰণ কৰা টান। অশিক্ষিত বা লিখিব-পঢ়িব নজনা মানুহক আন মানুহৰপৰা পৃথককৈ বিবেচনা কৰা প্ৰকৃতাৰ্থত অসম্ভৱ আৰু অশিক্ষিত বা লিখিব-পঢ়িব নজনা মানুহৰ অস্তিত্ব মানি লোৱাও টান। লোকসঙ্গীত আৰু লোকনৃত্যৰ প্ৰতি আধুনিক মন আকৃষ্ট হোৱাৰ জৰিয়তে folk-ৰ এই সূত্ৰটোৰ প্ৰতি সমৰ্থন আগবঢ়োৱা হৈছে। দ্বিতীয় সূত্ৰটো মৌখিক আৰু সাহিত্যিক পৰম্পৰাৰ মাজত থকা পাৰ্থক্যৰ আধাৰত

১৭. *Ibid*, p. 402

প্ৰতিষ্ঠিত। লিখিত সাহিত্যি পৰম্পৰা বিশিষ্ট সমাজত প্ৰচলিত মৌখিক সমল সংগ্ৰহ কৰি লোকসংস্কৃতিৰ বিবিধ বিশ্লেষণ সম্পাদিত হৈছে; কিন্তু মৌখিক আৰু লিখিত পৰম্পৰাৰ বৈসাদৃশ্যৰ আধাৰত প্ৰতিষ্ঠিত লোকসংস্কৃতিৰ সূত্ৰ গ্ৰহণযোগ্য হ'ব নোৱাৰে; যিহেতু আমেৰিকান-ইন্দিয়ান আদিকে ধৰি বিভিন্ন সমাজত লিখিত পৰম্পৰাৰ প্ৰচলন নাই; কিন্তু এইবিলাক সমাজত মৌখিক পৰম্পৰাৰ প্ৰচলন লক্ষ্য কৰিব পাৰি।

গতিকে এই বৈষম্যবোৰৰ সন্মুখীন নোহোৱাকৈ Folklore বা লোকসংস্কৃতিৰ সূত্ৰ বিবিধ প্ৰকাৰ মৌখিক উপাদানৰ অধ্যয়ন বুলি দিয়াহে সমীচীন। প্ৰায়োগিকভাষাতত্ত্ব, সঙ্গীত, নৃত্য, চিত্ৰকলা আদিও লোকসংস্কৃতিৰ সৈতে ঘনিষ্ঠভাৱে জৰিত, কিন্তু এইবোৰ প্ৰকৃতাৰ্থত অধ্যয়নৰ বিভিন্ন ক্ষেত্ৰহে।

বৰ্তমান কালত প্ৰচলিত লোকসংস্কৃতিৰ তিনিটা সম্প্ৰদায়ৰ (Schools) বিষয়ে তলত আলোচনা কৰা হ'ল :

(i) মউৰিক ব্লুমফিল্ড-ৰ (Maurice Bloomfield) অধ্যয়নৰ পৰিণতিত ভাৰতবাদীতত্ত্ব (Indic School) অত্যন্ত প্ৰভাৱশালী হৈ উঠিছে। এই সম্প্ৰদায়ৰ পণ্ডিতসকল আছিল সংস্কৃত পণ্ডিত। তেওঁলোক আছিল ভাষাতত্ত্ববিদ আৰু সাহিত্য-দৰ্শন-ইতিহাসবাদী। তেওঁলোকে সংস্কৃত উৎসবাজি (সংস্কৃত গ্ৰন্থৰাজি) গভীৰভাৱে অধ্যয়ন কৰিছিল আৰু লোকসংস্কৃতিৰ বিভিন্ন উপাদানৰ সৈতে পৃথিৱীৰ আন আন অঞ্চলৰ লোকসাংস্কৃতিক উপাদানৰ কথাংগ (motifs), ৰূপ (forms) আদিৰ সাদৃশ্য লক্ষ্য কৰি কৈছিল যে, পৃথিৱীৰ বিভিন্ন লোকসাংস্কৃতিক সমলৰাজি বিশেষকৈ সাধুকথাবোৰ ভাৰতৰপৰা প্ৰসাৰিত হৈছে। ভাৰতবাদীতত্ত্বৰ পৃষ্ঠপোষকতা কৰা পণ্ডিতৰ সংখ্যা নিচেই কম হ'লেও তেওঁলোকৰ অৱদানৰ মূল্য অস্বীকাৰ কৰিব নোৱাৰি; যিহেতু তেওঁলোকৰ এই অৱদানৰাজিয়ে লোকসংস্কৃতিৰ অধ্যয়নৰ ইতিহাস নিৰ্মাণত তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

(ii) নৃতাত্ত্বিক সম্প্ৰদায়ে (anthropological school) বিশেষভাৱে আমেৰিকান-ইন্দিয়ান প্ৰসঙ্গত ক্ষেত্ৰ অধ্যয়ন কৰিছিল। ফ্ৰেঞ্জ বোৱছ (Franz Boas)ৰ অধ্যয়ন-পদ্ধতিৰদ্বাৰা নৃতাত্ত্বিক সম্প্ৰদায় লাভবান হৈছিল। নৃতাত্ত্বিক সম্প্ৰদায়ৰ সদস্যসকল আছিল সমাজ-বিজ্ঞানী আৰু ভাষাতত্ত্বৰ প্ৰতিও তেওঁলোক আছিল অনুৰাগী। ভাষাৰ বিভিন্ন উপাদানবোৰ সম্পূৰ্ণকৈ বুজিবলৈ

হ'লে সেই উপাদানবাজি নির্ভুলকৈ সংগ্ৰহ কৰিব লাগিব আৰু সংগৃহীত সমলবাজি পুংখানুপুংখকৈ অধ্যয়ন কৰিব লাগিব। পাঠ আৰু ভাষাতাত্ত্বিক বিশ্লেষণৰ আন একো প্ৰতিকল্প নাই। আমেৰিকান-ইন্দিয়ান সমাজ-জীৱনৰ পৰিস্থিতিৰ প্ৰতি সচেতন হৈ এই সম্প্ৰদায়ৰ পণ্ডিতসকলে তেওঁলোকৰ গুৰুত্বৰ দিশ সলনি কৰিবলৈ বাধ্য হয়। ভাৰতবাদী সম্প্ৰদায়ে অবিচ্ছেদ্য লিখিতভাষা-পৰম্পৰাৰ আধাৰত লোকসংস্কৃতিৰ চিন্তা-চৰ্চা কৰিছিল। অন্যহাতে আমেৰিকাৰ পণ্ডিতসকলে পাৰম্পৰিকভাৱে অবোধ-গম্য আৰু বিভিন্ন ভাষা-পৰিয়াল সম্ভূত আৰু অলিখিত তথা অপঞ্জীবদ্ধ ভাষাৰ সহায়ত লোকসাংস্কৃতিক চিন্তা-চৰ্চা কৰিছিল। অন্যান্য সাংস্কৃতিক সমলৰ ক্ষেত্ৰতো তেওঁলোকে পাৰ্থক্য দেখিবলৈ পাইছিল। গতিকে তেওঁলোকে উপলব্ধি কৰিছিল যে, পৃথিৱীৰ বিভিন্ন সমাজত বিভিন্নভাৱে সাংস্কৃতিক সমল উদ্ভৱ হ'ব পাৰে- যদিও এই সাংস্কৃতিক সমলবাজিৰ মাজত সাদৃশ্য থাকিব পাৰে। তেনেদৰে লোকসংস্কৃতিৰ সমলবাজিও পৃথিৱীৰ বিভিন্ন সমাজত উদ্ভৱ হ'ব পাৰে বিভিন্ন কাৰণবশতঃ। মানৱ মন আৰু হিয়া সকলো অঞ্চলতে প্ৰায় একে গতিকে মন আৰু হিয়াৰ প্ৰতিফলন বিশিষ্ট লোকসাংস্কৃতিক সমলবাজিৰ মাজত মিল থকা স্বাভাৱিক।

(iii) আৰ্নে- থম্পছনৰ লোকসাংস্কৃতিক অধ্যয়ন প্ৰণালী ইতিমধ্যে উল্লেখ কৰি অহা প্ৰণালী দুটাতকৈ বেলেগ। এই অধ্যয়ন-প্ৰণালীৰ বিকাশ প্ৰধানকৈ সম্ভৱ হৈছিল ইউৰোপৰ লোককথা অধ্যয়নৰ সংযোগত। আৰ্নে-থম্পছনৰ পদ্ধতি সম্পূৰ্ণভাৱে সাহিত্যিক পৰিৱেশত সম্পাদিত হৈছে। লিখিত বা শিষ্ট সাহিত্যতকৈ পৃথক মৌখিক পৰম্পৰাৰ বিভিন্ন সমলৰ শ্ৰেণীবিভাজন আৰু এইবোৰৰ মাজত আংগিক আৰু সাংস্কৃতিক সম্পৰ্ক দেখুৱাবলৈ এই পদ্ধতিয়ে প্ৰয়াস কৰিছে। আৰ্নে-থম্পছনৰ পদ্ধতিয়ে সমগ্ৰ পৃথিৱীৰ লোকবিদ্যাবিদ্‌সকলক প্ৰভাৱান্বিত কৰিছে।[১৮]

(১৮) **Archer Taylor :** লিখক বা ৰচয়িতাৰ নাম-ধাম নথকা পৰম্পৰাগতভাৱে মুখে মুখে চলি অহা সমলবাজিৰ সমষ্টিয়েই লোকসংস্কৃতি। অৱশ্যে প্ৰবচন, বেলেড আদি লোকসাংস্কৃতিক সমলবাজি কোনো এগৰাকী বিশেষ ব্যক্তিৰ নামত প্ৰচলিত হলেও ই শৈলীগত বিশেষত্বৰ বাহিৰে আন একো নহয়।

১৮. *Ibid.*

গতিকে এই জাতীয় উপাদান কোনো বিশেষ ব্যক্তিৰ ৰচনা বুলি কব নোৱাৰি। লেখক বা ৰচয়িতাৰ নাম থকা বুলি প্ৰমাণ কৰিব পাৰিলেও, আমি নিশ্চিত যে, এইবোৰ পৰম্পৰাগতভাৱে চলি থকা অৱস্থাতহে ইয়াৰ দেহত লেখক বা ৰচয়িতাৰ নামে প্ৰৱেশ কৰে। ইয়াক এক প্ৰকাৰে পৰিবৰ্তন বা পৰিবৰ্ধন আখ্যা দিব পাৰি। সাম্প্ৰদায়িক বা দলগত অৱসৰ বিনোদনৰ সৈতে সম্পৃক্ত লোকসাংস্কৃতিক উপাদানবাজি যুক্তিনিষ্ঠ চিন্তাৰ আধাৰত প্ৰতিষ্ঠিত নহয়, সামাজিক আবেগৰ আধাৰতহে প্ৰতিষ্ঠিত। পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা এই উপাদানবোৰ শাৰীৰিক বস্তু, ধ্যান-ধাৰণা-আদৰ্শ অথবা কৰ্ম হ'ব পাৰে। লোকসংস্কৃতিৰ অন্তৰ্গত শাৰীৰিক বা আৱয়িক বস্তুৰ পৰিসৰে কোনো সঁজুলিৰ আকৃতি, ব্যৱহাৰ, আভৰণ, গাঁও আৰু ঘৰ-বাৰীৰ ৰূপ আদি সামৰে। লোকসাংস্কৃতিক আৱয়িক বস্তু আৰু আদৰ্শ-ধ্যান-ধাৰণাৰ মাজতে অংগী-ভংগী, খেলা-ধূলা আদি ধৰিব পাৰি। লোকসাংস্কৃতিক আদৰ্শ-ধ্যান-ধাৰণা আদি আচাৰ-অনুষ্ঠান, যেনে ঃ জন্ম, বিবাহ, মৃত্যু; কল্যাণ-কামনা, অকল্যাণ বিদূৰণ, কৃষিৰ প্ৰাচুৰ্য্য কামনা, ব্যৱসায়, বৃত্তি, ধৰ্মীয় জীৱন আদিৰ মাধ্যমেৰে প্ৰতিফলিত হয়। বাচিক লোকসংস্কৃতিৰ পৰিসৰে নিজৰ বাবে অথবা কথোপকথনৰ প্ৰসঙ্গত প্ৰয়োগ হোৱা শব্দ-বাক্য আদি সামৰে। এনে জাতীয় শব্দ, পদ, বাক্য আদি স্থাননাম, ব্যক্তিনাম, গুপ্তনাম আদিৰ সৈতে জৰিত। কথোপকথৰ লগত সম্পৰ্কযুক্ত ৰূপবোৰে মাৰখেন বা ৰোমাঞ্চধৰ্মী কথা, ব্যঙ্গ প্ৰধান কথা, জনশ্ৰুতিগত কথা, ক্ৰমপুঞ্জিতত কথা, ফেইবলছ, একজেমপ্লা, নৈদানিক কথা আদি বিভিন্ন শ্ৰেণীৰ সাধুকথা, বেলেড, গীত-ধৰ্মী লোকগীত, ল'ৰা-ছোৱালীৰ লগত জৰিত গীত, মন্ত্ৰ, প্ৰবচন, সাঁথৰ আদিক সূচায়। লোকসংস্কৃতিৰ অধ্যয়ন ক্ষেত্ৰসমল সংগ্ৰহ, শ্ৰেণীবিভাজন আৰু সেই সমলবাজিৰ বিচাৰ-বিশ্লেষণৰ সমষ্টি। শ্ৰেণীবিভাজনৰ প্ৰসঙ্গতো কিছু পৰিমাণে ব্যাখ্যাৰ প্ৰয়োজন। ব্যাখ্যাৰ উপভাগবোৰ এনেধৰণৰ ঃ উপাদানবাজিৰ উৎস নিৰ্ণয়, সেইবোৰৰ অন্তৰ্নিহিত অৰ্থ, প্ৰয়োগ আৰু সেইবোৰৰ ঐতিহাসিক প্ৰসাৰণ আৰু শৈলীগত বৈশিষ্ট্য প্ৰদৰ্শন।[১১]

(১৯) Stith Thompson ঃ যদিও Folklore অভিধাটি এক শতিকাতকৈও পুৰণি তথাপি ইয়াৰ অৰ্থ সম্পৰ্কে স্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা নাই। সাধাৰণ

১১. *Ibid.* p. 402 – 403

ধাৰণা যে লোকসংস্কৃতি পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত আৰু এই পৰম্পৰা লিখিত ৰূপ গ্ৰহণ নকৰাকৈ মুখে মুখে যুগে যুগে চলি থাকে। Folklore-ৰ পৰিসৰে নৃত্য, গীত, সাধুকথা, জনশ্ৰুতিগত কথা, পৰম্পৰা, বিশ্বাস, অন্ধবিশ্বাস, প্ৰবচন-লোকোক্তি, আচাৰ-অনুষ্ঠান, পৰম্পৰাগত কৃষিকৰ্ম আৰু ঘৰুৱা জীৱনৰ সৈতে জৰিত কৃত্যাদি, গৃহাদিৰ শ্ৰেণী, বাচন-বৰ্তন, সামাজিক অনুষ্ঠানৰ পৰম্পৰাগত দিশ আদি সাংস্কৃতিক আচৰণ ৰাজি সামৰে। অৱশ্যে সামাজিক অনুষ্ঠানৰ বিভিন্ন দিশৰ অধ্যয়নক লোকসংস্কৃতি বোলাতকৈ নৃতত্ত্ব বোলাহে উচিত। লিখিব-পঢ়িব জনা মানুহৰ সমাজত উপৰোল্লিখিত বিষয়বোৰ লোকসংস্কৃতিয়েই যিহেতু ইবোৰ পৰম্পৰাগত।[২০]

(২০) E.W. Voegelin ঃ আমেৰিকাত প্ৰশিক্ষণ প্ৰাপ্ত নৃতত্ত্ববিদ্‌সকল প্ৰাক সাক্ষৰ সমাজৰ সংস্কৃতি সম্পৰ্কে সচেতন। আদিম সমাজত মুখপৰম্পৰা প্ৰচলিত গদ্য-পদ্য ধৰ্মী বিভিন্নৰূপ আৰু শ্ৰেণীক সূচাবৰ বাবে Folklore অভিধাটি প্ৰয়োগ কৰা হয়। এই ৰূপবোৰ পুৰাণ-কথা সাধুকথা, হাস্যাত্মক সাধুকথা, নাট, নাটকীয় সংলাপ, প্ৰাৰ্থনা, সাংকেতিক অৰ্থবিশিষ্ট মন্ত্ৰ, বচন, যমক, সাঁথৰ, প্ৰবচন, গীত আদিৰ সমষ্টি।

Folklore অভিধাটিৰ পৰিসৰ সীমিত; যিহেতু ই প্ৰাক সাক্ষৰ সমাজৰ সাংস্কৃতিক জীৱনৰ সম্পূৰ্ণ ৰূপটো দেখুৱাই দিব নোৱাৰে, অংশ বিশেষহে দেখুৱাই দিব পাৰে। ইয়াৰ পৰিণতিত Folk culture আৰু Peasant culture এই দুবিধ সংস্কৃতিৰ চিন্তাও ইউৰোপ আৰু আমেৰিকাৰ নৃতাত্ত্বিক পণ্ডিতসকলে কৰিবলৈ বাধ্য হৈছে। লোকসংস্কৃতি, সংস্কৃতিৰ অংশবিশেষ, ই মুখে মুখে প্ৰচলিত আৰু এইদৰে মুখে মুখে প্ৰচলিত উপাদানবোৰৰ সমষ্টিয়েই লোকসংস্কৃতি। লোকসংস্কৃতিৰ বৰ্ধিত অৰ্থই পৰম্পৰীণ গদ্য-পদ্য ধৰ্মী উপাদানকেই সামৰি নলয়, বৰং পৰম্পৰাগতভাৱে শিকা কলা, শিল্প, সামাজিক আৰু ধৰ্মীয় বিশ্বাস, আচাৰ-অনুষ্ঠান আদিকো সামৰে। মুঠতে নৃতত্ত্ববিদ্‌সকলে আখ্যা দিয়া নৃবৃত্তৰাজিয়েও (ethnography) লোকসংস্কৃতিৰ পৰিসৰত স্থান পাইছে।

শিক্ষিত-অদক্ষ মানুহে নৃতত্ত্ব আৰু কলাৰ (সাহিত্য, দৰ্শন, ইতিহাস) মাজতে folklore অভিধাটি প্ৰয়োগ কৰে। প্ৰকৃতাৰ্থত folklore হ'ল মুখে

২০. *Ibid* p 403

মুখে প্ৰচলিত; অথবা লোকায়ত উৎসৰপৰা অদ্ভুত আৰু পৰম্পৰাগত গদ্য আৰু পদ্যগন্ধী উপাদানবোৰৰ সমষ্টি। সৰ্বসাধাৰণে অন্ধবিশ্বাসৰ (superstition) সলনি আজি-কালি লোকসাংস্কৃতিক বিশ্বাস বুলিহে কয়।

সাংস্কৃতিক নৃতত্ত্ববিদ্‌সকলে অলিখিত সাহিত্য, অথবা আদিম সাহিত্য, অথবা সাহিত্যিক ৰূপবোৰক সূচাবৰ বাবে Folklore শব্দটো প্ৰয়োগ কৰে। নৃতত্ত্ববিদসকলে যাক নৃবৃত্ত বোলে, কলা বিষয়ৰ পণ্ডিতসকলে তাকেই Folklore বোলে।[২১]

(২১) Richard A Waterman : Folklore এবিধ কলাৰূপ– ই বিবিধ প্ৰকাৰৰ কাহিনী, প্ৰবচন, লোকোক্তি, মন্ত্ৰ, গীত, যাদু আদিৰ সমষ্টি। এইবোৰৰ মাধ্যম কথিত ভাষা।[২২]

২১. *Ibid* ২২. *Ibid*

ষষ্ঠ অধ্যায়

লোকসংস্কৃতি বা লোকবিদ্যাৰ সামাজিক প্ৰকাৰ্য্য

লোকবিদ্যা সামাজিক ব্যাপাৰ। গতিকে সমাজৰপৰা একান্তীকৰণ বা পৃথক কৰি লোকবিদ্যা বা লোকসংস্কৃতিৰ তাৎপৰ্য্য আৰু প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰিব নোৱাৰি। লোকসংস্কৃতিৰ বিভিন্ন উপাদান; যেনে ঃ বাচিক কলা, লোকাচাৰ আদিৰ লগত জড়িত বিশ্বাস-পদ্ধতি (belief system) আৰু আচৰণ-প্ৰতিৰূপৰ (behaviour pattern) বিচাৰ-বিশ্লেষণ অৰ্থপূৰ্ণ হ'ব; যদিহে এইবোৰৰ লগত সামাজিক অৰ্থ আৰু প্ৰকাৰ্য্যৰ সম্পৰ্ক নিবিড় হৈ থাকে। সামাজিক প্ৰকাৰ্য্যৰ চিন্তা-চৰ্চাই সামাজিক অনুষ্ঠান বিশেষৰ সামাজিক পৰিণামক (social consequence) বুজায়। এই প্ৰসঙ্গত A.D.W Malefijt-ৰ এটি উক্তি বিচাৰ্য্য ঃ "The study of functions in the social sciences is the study of the social consequences of an institution."[১] লোকবিদ্যাৰ প্ৰকাৰ্য্যৰ সৈতে পৰিয়ালৰ প্ৰতিৰূপ, ৰাজনৈতিক আৰু সামাজিক অনুষ্ঠান, সামাজিক মূল্যবোধ আৰু সামাজিক সংযুতিৰ সম্পৰ্ক ঘনিষ্ঠ ভাৱে জড়িত। লোকবিদ্যাৰ বিভিন্ন সমলৰ ৰূপ বা গঠন (form), সংযুতি (structure) আৰু মূল্যবোধ নিৰ্ণয়ত সামাজিক আচৰণৰ বৈশিষ্ট্যৰাজিৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। এই প্ৰসঙ্গত কব লাগিব যে, লোকবিদ্যাৰ সমল আৰু সামাজিক অনুষ্ঠানৰ মাজত সংঘটিত অন্যোন্যক্ৰিয়া সময়, অৱস্থা আৰু স্থানভেদে বিভিন্ন হ'ব পাৰে।

লোকবিদ্যাৰ অন্তৰ্গত বিভিন্ন বাচিক কলা, বিভিন্ন ধৰ্মীয় কৃত্য (ritual) আৰু উৎসৱ-অনুষ্ঠানৰ লগত সম্পৰ্কযুক্ত। উৎসৱ-অনুষ্ঠানবোৰ আকৌ ধৰ্মীয় বিশ্বাসৰ সক্ৰিয় আৰু নিৰীক্ষণীয় অভিব্যক্তি। ইয়াৰ লগত যাগ-যজ্ঞ, পূজা-পাতল, ব্ৰত-উপবাস, শোভাযাত্ৰা, পৰম্পৰাগত পোছাক-পৰিচ্ছদ পৰিধান, গীত-পদ-নৃত্য-অভিনয়, খোৱা-লোৱা, মেলা, বিভিন্ন খেল-ধেমালি, হস্তশিল্প, চিত্ৰকলা, স্থপতি কলা, ঔষধ-পাতি আদিও জড়িত হৈ থাকে। উপৰোল্লিখিত লোকবিদ্যাৰ সমলৰাজিৰ অনেকেই অৱশ্যে ধৰ্ম নিৰপেক্ষ প্ৰসঙ্গতো অনুষ্ঠিত হ'ব পাৰে; কিন্তু ধৰ্মীয় কৃত্য বা উৎসৱ-অনুষ্ঠানৰ লগত এইবোৰ কিবা নহয় কিবা প্ৰকাৰে সম্পৃক্ত হলেই এইবোৰ হৈ পৰে ধৰ্মীয় আচৰণ।[২]

---

১. A.D.W Malefijt · *Religion and Culture* p 290

২. Elizabeth J. Wilkins *An Introduction to Sociology* p 267

ক. সংস্কৃতিৰ প্ৰতিফলন ঃ

লোকবিদ্যাৰ সামাজিক প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰিবলৈ অগ্ৰসৰ হোৱাৰ আগমুহূৰ্তত উইলিয়াম আৰু বেচকম-এ (William R. Bascom) এই বিষয়টোৰ প্ৰধানভাৱে তিনিটা সমস্যাৰ বিষয়ে ইঙ্গিত দিছে। প্ৰথমটো হ'ল লোকবিদ্যাৰ সামাজিক প্ৰসঙ্গ বা অনুষংগ (the social context of folklore), দ্বিতীয়টো সংস্কৃতিৰ লগত লোকবিদ্যাৰ সম্পৰ্ক, যাক লোকবিদ্যাৰ সাংস্কৃতিক প্ৰসঙ্গ বা অনুষংগ ৰূপে আখ্যা দিব পাৰি (the relations of folklore to culture, which might be phrased as the cultural context of folklore); তৃতীয়টো লোকবিদ্যাৰ প্ৰকাৰ্য্য (the functions of folklore) ।[৩]

A.I. Hallowell-এ এঠাইত কৈছিল যে, নৃতাত্ত্বিকসকলৰ দৃষ্টিত প্ৰতিনিধিত্বমূলক বাচিককলাবোৰ সংগ্ৰহ কৰা উচিত, কিন্তু পৰৱৰ্তীকালত এইবোৰৰ কিবা প্ৰয়োজনীয়তা আছে নে নাই সেই বিষয়ে তেওঁলোকৰ দৃষ্টিভঙ্গী স্পষ্ট নহয় । তেওঁলোকৰ দৃষ্টিত এইবোৰ সংগ্ৰহালয়ত থোৱাৰহে যোগ্য । ভৱিষ্যতলৈ এইবোৰৰ প্ৰায়োগিক দিশ উজ্জ্বল হৈ থকাটোও সন্দেহজনক । নৃতত্ত্ববিদ্‌সকলৰ দৃষ্টিত লোকবিদ্যা সংস্কৃতিৰ ভাসমান অংশ বিশেষ । মিথ আৰু ধৰ্মৰ মাজত থকা সম্পৰ্কৰ ওপৰত গুৰুত্ব দিয়াৰ বাহিৰে তেওঁলোকে বাচিককলাৰ অধ্যয়নৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিব নোখোজে । নৃতাত্ত্বিকসকলে 'সাহিত্যিক-ঐতিহাসিক' (literary-historical) দৃষ্টিভঙ্গীৰ বাহিৰে সমাজৰ ওপৰত ইয়াৰ প্ৰভাৱ, সামাজিক-প্ৰকাৰ্য্য, মানৱ-মনস্তত্ত্বৰ লগত ইয়াৰ গভীৰ সম্পৰ্ক আদি বিভিন্ন দৃষ্টিভঙ্গীৰ ফালৰপৰা বাচিককলাবোৰ অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰা দেখা নাযায় । গতিকে লোকবিদ্যাৰ বিভিন্ন সমলবোৰ প্ৰকাৰ্য্যাত্মক আৰু মনস্তাত্ত্বিক দৃষ্টিভঙ্গীৰ ফালৰপৰা অধ্যয়ন কৰা বিধেয় ।[৪]

লোকবিদ্যাৰ সামাজিক প্ৰসঙ্গৰ স্থান আমাৰ প্ৰাত্যহিক জীৱনতেই লক্ষ্য কৰিব পাৰি অন্ততঃ যিজনে লোকবিদ্যাৰ অতিকৈ প্ৰয়োজনীয় শ্ৰেণী সাধুকথা, গোসাঁই-কথা, উককথা, উপকথা কয় বা আবৃত্তি কৰে; অথবা গীত-পদ গায় নাইবা প্ৰবচন এটি আবৃত্তি কৰে। সাধুকথা বা গোসাঁই কথা এটি কোৱাৰ লগে লগে ইয়াৰ লগত জৰিত কেইবাটিও প্ৰয়োজনীয় কথালৈ চকু দিব লগা হয় । যেনেঃ (১) কেতিয়া আৰু ক'ত লোকবিদ্যাৰ বিভিন্ন ৰূপ (forms) বোৰ কোৱা হয়; (২) কোনে সেইবোৰ কয় ?

৩. William R. Bascom : *Contributions to Folkloristics*, P. 40 - 41

৪. A.I. Hallowell . 'Myth, Culture and Personality' in *American Anthropologist*, 49, pp 544 – 45 (Quoted from Bascom's *op-cit*. pp. 41 – 42)

সেইবোৰ ব্যক্তিগত ভাৱে সংৰক্ষিত হয়নে নহয় আৰু দৰ্শকসকলৰ মাজত কোন কোন আছে ? (৩) কওঁতা বা আবৃত্তি কৰোঁতা জনে সাধুকথা বা গোঁসাইকথা কওঁতে বা গীত-পদ আবৃত্তি কৰোঁতে প্ৰদৰ্শন কৰা নাটকীয় কৌশল, যেনে : আনন-সংবেদী অভিব্যঞ্জনা, দৈহিক অংগী-ভংগী, নিৰ্বাক অভিনয়, ভূমিকা-অভিনয়, অনুকৃতি (mimicry) আদি। (৪) দৰ্শক সকলে হাঁহি, সম্মতি আদিৰে দিয়া উত্তৰ, আবৃত্ত সাধুকথা, গোসাঁইকথা, গেয় গীত-পদৰ সন্দৰ্ভত কৰা সমালোচনা বা প্ৰশংসা, সাধুকথা বা গীত-পদৰ অংশ বিশেষ নৃত্যৰ সহায়ত আবৃত্তি কৰি কৰা অংশ গ্ৰহণ। (৫) সমৱেত দৰ্শকসকলৰদ্বাৰা স্বীকৃত লোকবিদ্যাৰ শ্ৰেণীবোৰ। (৬) লোকবিদ্যাৰ এই শ্ৰেণীবোৰৰ প্ৰতি দৰ্শক বা জনসাধাৰণৰ আভিবৃত্তি।[৫]

উপৰোল্লিখিত উপাদান সমূহৰ সমষ্টিয়েই সামাজিক প্ৰসংগ বা অনুষংগ। অৱশ্যে জীৱনৰ বাস্তৱ দিশৰ লগত বিশেষভাৱে বিজৰিত সম্পৰ্কৰদ্বাৰাহে লোকবিদ্যাৰ সামাজিক অনুষংগৰ বিষয়ে উপলব্ধি কৰিব পাৰি। এই সন্দৰ্ভত মালিনৌৱষ্কি-এ (Malinowaski) কৈছে যে, মিথ বা পুৰাণ-কথাৰ অৰ্থ উপলব্ধি কৰিবৰ বাবে ইয়াৰ পাঠটোৱেই যথেষ্ট নহয়। সমাজত প্ৰচলিত মিথবোৰৰ শাস্ত্ৰীয় প্ৰাচীনত্ব বৰ্তমান। প্ৰাচ্যৰ ধৰ্ম গ্ৰন্থ বা আন কোনো তেনে উৎসৰপৰা প্ৰসাৰিত হৈ মিথবোৰ পৃথিৱীৰ বিভিন্ন অঞ্চলত বিয়পি পৰিছে। এইবোৰ স্বৰূপাৰ্থত জীৱন্ত ধৰ্মীয় বিশ্বাসৰ অনুষংগ বিহীন মিথ। গতিকে এই মিথবোৰ অভ্ৰান্তভাৱে সত্য বুলি গ্ৰহণ কৰা লোকৰ মন্তব্য অবিহনে আৰু সেইবোৰ প্ৰচলিত সামাজিক অনুষ্ঠানৰ সহবৰ্তিত জ্ঞান, ইয়াৰ লগত অনুষ্ঠিত নৈতিক আচৰণ আৰু এইবিধ বাচিক কলাৰ লগত সম্পৃক্ত জনপ্ৰিয় আচাৰ-অনুষ্ঠানৰ প্ৰকৃত জ্ঞান অবিহনে মিথবোৰৰ অৰ্থ আৰু প্ৰকৃতিৰ বিষয়ে জনা অসম্ভৱ। মুঠতে ক্ষেত্ৰ নিৰীক্ষণ কৰি উপৰোল্লিখিত উপাদানবোৰৰ বিষয়ে নজনাকৈ মিথৰ বিচাৰ-বিশ্লেষণ কৰিব নোৱাৰি।[৬]

উপৰৰ আলোচনাৰপৰা সহজেই অনুমান কৰিব পাৰি যে, মালিনৌৱষ্কি-এ মিথৰ সামাজিক প্ৰসঙ্গ অথবা অনুষংগৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে। লোকবিদ্যাৰ বিশেষকৈ বাচিক কলা অধ্যয়নৰ বাবে পাঠ (text) অত্যন্ত প্ৰয়োজনীয় উপাদান; কিন্তু প্ৰসঙ্গ বা অনুষংগ বিহীনপাঠ স্পন্দনহীন দেহ সদৃশ।[৭] পৰম্পৰাগত

৫. William R Bascom. *Op-cit* p 42

৬. B Malinowaski *Myth in Primitive Psychology*, p 18

৭. "The text of course, is extremely important, but without the context it remains lifeless" William R Bascom, *op-cit* p 43

কাহিনীৰ ৰমণীযতা বৃদ্ধিৰ ক্ষেত্ৰত ইযাৰ কথন-ভঙ্গীৰ বৈশিষ্ট্যৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। যিসকলৰ মাজত এনেধৰণৰ কাহিনী প্ৰচলিত তেওঁলোকে ইয়াৰ পৰিবেশনৰ জৰিযতে বিশেষ অৰ্থ আৰু তাৎপৰ্য্য উপলব্ধি কৰিব পাৰে। সাধুকথা, গোঁসাইকথা বা মিথ আদিৰ অনুষ্ঠিত সময, ঋতু, মাহ, ৰাতিপুৱা, গধুলি, নিশা আদি অনুসৰি বিভিন্ন হ'ব পাৰে; অৰ্থাৎ পৰম্পৰাগত কাহিনী কোৱা বা আবৃত্তি কৰাৰ নিৰ্দিষ্ট সময় বৰ্তমান। ইয়াৰ লগত যাদুমূলক ক্ৰিয়াও জৰিত হৈ থাকিব পাৰে। গতিকে সাধুকথা বা মিথৰ পাঠৰ (text) লগে লগে উপৰোল্লিখিত উপাদানসমূহৰ বিচাৰ বিশ্লেষণ কৰা উচিত। স্বৰূপাৰ্থত পৰম্পৰাগত কাহিনী স্থানীয লোকৰ জীৱনতহে জীযাই থাকে, কিতাপত জীযাই নাথাকে। গতিকে বাস্তৱ জীৱনৰ লগত সম্পৰ্ক ছেদ কৰি বাচিক-কলাৰ বিভিন্ন উপাদানবোৰ বিশ্লেষণ কৰিবলৈ যোৱাৰ অৰ্থ বাস্তৱক পঙ্গু কৰা।[৮]

সাধুকথা, মিথ আৰু লেজেণ্ড, বাচিক-কলাৰ অন্তৰ্গত অতিকৈ প্ৰযোজনীয অংগ। লোকসমাজৰ দৃষ্টিত সাধুকথা, মিথ, লেজেণ্ড আদি সত্য ঘটনাৰ ইতিবৃত্ত মাথোন। কোনো কোনো সমাজত সাধুকথাবোৰ সত্য বুলি নাভাবিলেও অনেক সমাজতেই এইবোৰ সত্য বুলি ভবা হয। ইয়াৰপৰা সহজেই অনুমান কৰিব পাৰি যে, লোকবিদ্যাই সংস্কৃতিৰ ভূমিকা গ্ৰহণ কৰি আহিছে। অন্য প্ৰকাৰে কব পাৰি যে, ভাষাৰ নিচিনাকৈ লোকবিদ্যাৰদ্বাৰা সংস্কৃতি প্ৰতিফলিত বা প্ৰতিবিম্বিত হয়; অথবা লোকবিদ্যা সংস্কৃতিৰ দাপোন।[৯] সংস্কৃতিৰ নিচিনাকৈ লোকবিদ্যাই উৎসৱ-অনুষ্ঠান, ধৰ্মীয় কৃত্যাদি, ধৰ্মীয অনুষ্ঠান আৰু ইযাৰ লগত জৰিত বিশ্বাস, অভিব্যক্তি আদিৰ বৰ্ণন কৰে। সাধুকথাবোৰ জনসাধাৰণৰ সাহিত্যিক অভিব্যঞ্জন বুলি কলেই যথেষ্ট নহয়। এইবোৰ স্বৰূপাৰ্থত স্থানীয নৃবৃত্ত (native ethnography)। সাধুকথাবোৰ গভীৰভাৱে বিচাৰ-বিশ্লেষণ কৰিলে স্থানীয লোকৰ জীৱন পৰিক্ৰমাৰ অন্তৰ্নিহিত অৰ্থ পোৱা যায়। মুঠতে লোকবিদ্যাৰ জৰিযতে সাংস্কৃতিক অভিবৃত্তি, মূল্য, লক্ষ্য আদিৰ আভাস পাব পাৰি। সমাজৰ বিভিন্ন দিশৰ লগত সংগতি ৰক্ষা কৰি লোকবিদ্যাৰ বিভিন্ন সমলবোৰ বিচাৰ বিশ্লেষণ কৰিলেই সহজে অনুমান কৰিব পাৰি যে, লোকবিদ্যা সাংস্কৃতিক ব্যাপাৰ অবিহনে আন একো নহয।

---

৮. B Malinowaski *op-cit* p 24

৯. " folklore like language is a mirror of culture " William R Bascom *op cit* p 46

খ. লোকবিদ্যাই ধৰ্মীয় প্ৰকাৰ্য্য সাধন কৰে ঃ

লোকবিদ্যাৰ বিভিন্ন উপাদানে ধৰ্মীয় প্ৰকাৰ্য্য সাধনত বিশেষ ভূমিক ... কাৰ আহিছে। উৎসৱ-অনুষ্ঠান, কৃত্য আৰু কৰ্ম-কাণ্ড (rites and rituals) আদি ধৰ্মীয় বিশ্বাসৰ প্ৰত্যক্ষ অভিব্যক্তি মাথোন। ধৰ্মীয় অনুভূতি আৰু বিশ্বাস যথাৰ্থতে জটিল আচৰণ। জন-গণ-মনে এই জটিল আচৰণবোৰ উপলব্ধি কৰিব নোৱাৰে— যদিহে বিশেষ এক মাধ্যমৰ সংযোগত এইবোৰ অভিব্যঞ্জিত নহয়। উৎসৱ-অনুষ্ঠান, কৃত্য আৰু কৰ্মকাণ্ড আদি হ'ল সেই জটিল আচৰণৰাজিৰ চাক্ষুষ মাধ্যম, যাৰদ্বাৰা ধৰ্মীয় আচৰণাদিক মান্যকৰণ কৰা (validation of religion) হয়।

উদাহৰণ স্বৰূপে আমি বিহু উৎসৱলৈ আঙুলিয়াব পাৰোঁ। প্ৰজনন শক্তিৰ লগত সম্পৃক্ত বিহু উৎসৱ বিশেষকৈ নামনি অসমত ধৰ্মীয় অনুষংগৰ জৰিয়তে উত্তৰিত হৈছে। পূজা-হোম, পাঠ-উপাসনা আদি ধৰ্মীয় আচৰণৰ সংযোগত নামনি অসমত বিহু উৎসৱ অনুষ্ঠিত হয়। পূজাৰী, দেউৰী আদিয়ে জন-গণৰ হৈ কৃষিৰ প্ৰাচুৰ্য্য কামনা কৰি, মাৰি-মৰক বিদূৰণৰ আকাংক্ষা আগত ৰাখি, সন্তানৰ মঙ্গল-ইচ্ছা মনত ৰাখি দেৱ-দেৱীক পূজা কৰে, নৈবদ্য আগবঢ়ায়। জনসাধাৰণে শ্ৰদ্ধা-ৰতি ভক্তিৰে এই পূজা-উপাসনা বা উৎসৱ অনুষ্ঠানত অংশ গ্ৰহণ কৰে, সেৱা কৰে, নিৰ্মালি গ্ৰহণ কৰে, তেওঁলোকৰ মাজত তেনে প্ৰসঙ্গত কেৱল এটা আদৰ্শই অৰ্থাৎ ধৰ্মীয় আদৰ্শই বিৰাজ কৰে। মুঠতে সমাজৰ আদৰ্শক ধৰ্মীয় কৃত্যাদিৰ জৰিয়তে অনুমোদন কৰাৰ পৰিণতি স্বৰূপে সমাজ ব্যৱস্থাও সুৰক্ষিত হয়। ইয়াৰ বাহিৰেও সমাজৰ আচৰণ বিধিৰ (code of behaviour) প্ৰসঙ্গতো ধৰ্মীয় কৃত্যৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। তেনেদৰে সামাজিক আচৰণৰ অনুমোদনৰ (sanction) প্ৰসঙ্গতো ধৰ্মীয় কৃত্যৰ তাৎপৰ্য্যপূৰ্ণ বৰঙণি নোহোৱা নহয়।

গ. লোকবিদ্যাই নিষিদ্ধ আৰু অনুমোদিত আচৰণ অভিব্যঞ্জন কৰে ঃ

লোকবিদ্যাৰ বিভিন্ন উপাদানৰ ভিতৰত বিশেষকৈ সাধুকথা আৰু মিথত স্থান পোৱা চৰিত্ৰই এনে কিছুমান কৰ্ম সম্পাদন কৰে যিবোৰৰ জৰিয়তে প্ৰাত্যহিক জীৱন নিষিদ্ধ বা অনুমোদিত আচৰণ অভিব্যঞ্জিত হয়। কোনো কোনো সমাজৰ ... প্ৰচলিত সাধুকথাত জোৱায়েকে শাহুৱেকেৰ সৈতে অবৈধ যৌন সম্পৰ্ক স্থাপন কৰা দেখা যায়। কোনো কোনো সাধুকথাত আকৌ এনে অবৈধ সম্পৰ্কক ... ন্যও কৰা হৈছে। মুঠতে অনেক ক্ষেত্ৰত সাধুকথা আৰু বাস্তৱ জীৱনত ৰূপায়িত হোৱা আচৰণৰ

মাজত বৈপৰীত্য দেখা যায়। লোকবিদ্যাবিদ্ আৰু অন্য পণ্ডিতসকলে এই সমস্যাবিলাকৰ বিষয়ে বিভিন্ন যুক্তি আৰু ব্যাখ্যা আগবঢ়াইছে; যদিও বৰ্তমান এইবোৰ অনেক ক্ষেত্ৰত অচল হৈছে; কিন্তু সমস্যা সমস্যা হৈয়েই আছে। লোকবিদ্যাত দেখা দিয়া বিভিন্ন প্ৰশ্নসমূহৰ ভিতৰত হাস্যৰ প্ৰকৃতি, ইয়াৰ লগত বিজৰিত মনস্তাত্ত্বিক প্ৰশ্ন আৰু লোকবিদ্যাৰ সামাজিক প্ৰকাৰ্য্যৰ প্ৰশ্ন বিশেষভাৱে উল্লেখযোগ্য।[১০]

খৃঃ পূঃ ৬ষ্ঠ শতিকাৰ এগৰাকী গ্ৰীচদেশীয় কবিৰ মতে দেৱতাসকলেও মানৱৰ নিচিনাকৈ জঘন্য অবৈধ কামবোৰ সম্পাদন কৰে। খৃঃ পূঃ চতুৰ্থ শতিকাৰ আন এগৰাকী গ্ৰীক কবিয়ে কৈছিল বোলে দেৱতাসকলে মানুহৰ মাংস ভক্ষণ কৰে।[১১] আন এগৰাকী পণ্ডিতৰ মতে মিথবোৰ স্বৰূপাৰ্থত প্ৰকৃত ঐতিহাসিক ঘটনা আৰু চৰিত্ৰক কেন্দ্ৰ কৰি উদ্ভৱ হৈছে। তেওঁৰ মতে দেৱতাসকল আদিতে মানৱেই আছিল, মৃত্যুৰ পিছত সেই মানৱসকল দেৱতা স্বৰূপে পূজিত হ'বলৈ ধৰিলে। গতিকে দেৱতাসকলৰ অপৰাধ মানে মানৱৰেই অপৰাধ।

গ্ৰীমভ্ৰাতৃদ্বয়ে পোষকতা কৰিছিল যে, ইন্দো-ইউৰোপীয় মূলজ সাধুকথা বা মিথবোৰ পুনঃ পুনঃ আবৃত্তি অথবা কোৱাৰ পৰিণতিস্বৰূপে ইয়াৰ শব্দবোৰ খণ্ড বিখণ্ড হোৱাৰ উপৰিও অৰ্থও বুজিব নোৱাৰা হৈছে। এই শব্দ আৰু বাক্যবোৰ পুনৰ্গঠন কৰিলেহে ইন্দো-ইউৰোপীয় মূলজ পৰম্পৰাগত কাহিনীবোৰৰ অৰ্থ স্পষ্ট হৈ উঠিব। মেক্সমূলাৰ-এ (Max Müller) ব্যুৎপত্তিগত কৌশলৰ সেই কাহিনীবোৰৰ শব্দ-বাক্য আদি পুনৰ্গঠন কৰিছিল; কিন্তু তেওঁৰ মিথ সম্পৰ্কীয় ভাষাতাত্ত্বিক পুনৰ্গঠন প্ৰকৃতিৰ ৰূপকলৈ ৰূপান্তৰিত হৈছিল। তেওঁ কৈছিল যে, সাধুকথা, মিথ আদিত মহত্তম ঈশ্বৰে সৰ্বপ্ৰকাৰৰ অপৰাধমূলক কামত প্ৰবৃত্ত হৈছে। মানৱ চৰিত্ৰই যেন তেওঁক প্ৰতাৰণা কৰিছে। তেওঁ যেন পত্নীক খং কৰিছে আৰু ল'ৰা-ছোৱালীক নিষ্ঠুৰ ব্যৱহাৰ কৰিছে। মেক্সমূলাৰৰ মতে "এইবোৰ ভাষাৰ ৰোগৰ বাহিৰে আন একো নহয়।"[১২]

মেক্সমূলাৰ প্ৰকৃতি-ৰূপাত্মক মতবাদি গোষ্ঠীৰ (Nature Allegorical School) পণ্ডিত আছিল। এই গোষ্ঠীৰ আৰু কেইবাজনো পণ্ডিতে ব্যুৎপত্তিৰ বিচাৰ নকৰাকৈ তুলনামূলক পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰি কৈছিল যে, অভিঘাতমূলক ঘটনাবোৰ

১০. William R Bascom, *op-cit* pp 48 – 49

১১. A Lang · *Myth Ritual and Religion*, London, 1897, p 3

১২. " to represent the Supreme God as committing every kind of crime, as being deceived by men, as being angry with his wife and violent with his children, is surely proof of a disease (of language)'
M. Müller *Contributions to the Science of Mythology* I p 69

(shocking events) বাস্তৱিকতে মধুৰ প্ৰাকৃতিক ৰূপক। সেই সময়ত এই ৰূপকবোৰৰ প্ৰকৃত অৰ্থ বুজিব পৰা হৈছিল। তেওঁলোকৰ মতে সাধুকথা অথবা মিথত কোনো ধৰণৰ অপৰাধ বা অশ্লীলতাৰ স্থান নাই।[১৩]

সাংস্কৃতিক বিবৰ্তনবাদী বৃটিছ নৃতত্ত্ববিদ আৰু লোকবিদ্যাবিদ্‌সকলৰ মতে লোকবিদ্যা আৰু আচৰণৰ মাজত পৰিদৃষ্ট হোৱা বৈপৰীত্যৰ মূলীভূত কাৰণ ব্যাখ্যাৰ বাবে আৰ্য্য সৌৰ মিথৰ মিথ্যা ব্যুৎপত্তিৰ ওপৰত নিৰ্ভৰ নকৰি নিৰ্ভৰ কৰিব লাগিব ইউৰোপুৰ্ব পূৰ্ব আৰ্য্যৰ আদিম অৱস্থাৰ প্ৰাক্ উত্তৰবৰ্তিতাৰ ওপৰত। এই অনুমানৰ সপক্ষে তেওঁলোকে কব খোজে যে, শিশুৰ মনোবিনোদনৰ বাবে কোৱা সাধুকথা (nursery tales) আৰু গঞ্চাৰাইজৰ মাজত প্ৰচলিত যুক্তিবিহীন বিশ্বাস আৰু অনুশীলনৰ সৈতে বৰ্তমান থকা অস্বাভাৱিক আৰু অবিশ্লেষ্য সমলবোৰৰ লগত পৃথিৱীৰ বিভিন্ন অঞ্চলৰ অনাসাক্ষৰ লোকৰ মাজত চলতি থকা ৰীতি-নীতি আৰু বিশ্বাসৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি।[১৪]

লোকবিদ্যাৰ বিভিন্ন উপাদান আৰু মানৱৰ চিৰাচৰিত আচৰণৰ মাজত দেখা দিয়া সঙ্গতিবিহীনতাক উদ্ভট কল্পনা বা মনোৰথ সৃষ্টিৰ উপাদানেৰে ব্যাখ্যা কৰিব পাৰি; অথবা আৰ্নেৰ (Arne) লোকবিদ্যা-পৰিৱৰ্তনৰ নিয়মৰ (Principles of folklore change) দ্বাৰাও ব্যাখ্যা কৰিব পাৰি।

দ্বিতীয়তে, মনোসমীক্ষণ পদ্ধতিৰ (Psychoanal ytical method) সহায়তো উপৰোল্লিখিত সমস্যা বিশেষ সমাধান কৰিব পাৰি। স্বৰূপাৰ্থত সাধুকথা, মিথ আৰু মানৱ-আচৰণৰ মাজত দেখা দিয়া বৈপৰীত্যৰ ব্যাখ্যা যৌন-প্ৰতীকৰ সহায়তহে কৰিব পাৰি।

দৰাচলতে বাস্তৱ জীৱনত অসম্ভৱ ব্যাপাৰবোৰাজি সাধুকথাত হয় সম্ভৱ। বাস্তৱ জীৱনত মানুহেকৰ লগত জোৱাযেকৰ যৌন সম্পৰ্ক নিষিদ্ধ আচৰণ; কিন্তু সাধুকথাত ই সম্ভৱ হ'ব পাৰে। তেনেদৰে বাস্তৱ জীৱনত পুৰোহিতক ছলনা কৰা, শাসকক বিদ্ৰূপ কৰা, অভিজাত শ্ৰেণীক ব্যংগ্য কৰা আদি নিষিদ্ধ আচৰণ; কিন্তু সাধুকথাত এনেধৰণৰ নিষিদ্ধ আচৰণে স্থান পাব পাৰে।

উপৰৰ আলোচনাৰপৰা আমি সিদ্ধান্তলৈ আহিব পাৰোঁ যে, সাধুকথাৰ জৰিয়তে

---

১৩ William R. Bascom, *op-cit* p 49

১৪ William R. Bascom, *Loc cit*

নৈতিক আৰু নিষিদ্ধ উভয় প্ৰকাৰ আচৰণ অভিব্যঞ্জিত হ'ব পাৰে।[১৪] দ্বিতীয়তে, দমন, উৎপীড়ন, নিগ্ৰহ আদিৰ বাবে লোকজীৱনে দৈনন্দিন জীৱনত মুক্তভাৱে অন্তৰৰ ভাৱানুভূতি প্ৰকাশ কৰিব নোৱাৰে। সাধুকথা, গীত-পদ আদি উৎপীড়িত আৰু দমিতসকলৰ ভাৱানুভূতি প্ৰকাশৰ বিশিষ্ট মাধ্যম। তেওঁলোকে মুক্ত মনৰ ভাৱানুভূতি, অতিৰঞ্জনৰ সহায়ত নৈতিক আচৰণৰ বিপৰীতে গৈ তথাকথিত নিষিদ্ধ আচৰণৰ ব্যঞ্জনাত অভিব্যঞ্জন কৰে। এনেধৰণৰ সাধুকথা বা গীত-পদ আদৰ্শ প্ৰধান নহ'লেও এইবোৰ তেওঁলোকৰ ভাৱনা-পদ্ধতিৰ মূৰ্ত ৰূপ প্ৰকাশক। মুঠতে সাধুকথা বা গীত-পদ আদিয়ে উৎপীড়িত, দমিত বা হতাশা পীড়িত জনক তেওঁৰ বা তেওঁলোকৰ আসন্ন পৰিস্থিতিৰপৰা সাময়িকভাৱে মুক্ত কৰে অৰ্থাৎ বাচিক-কলাই বিষাদ-বিৰেচন অৰ্থাৎ Catharsis-ৰ ভূমিকা গ্ৰহণ কৰিব পাৰে।[১৬]

ঘ. লোকবিদ্যাই আমোদ-প্ৰমোদ বা অৱসৰ বিনোদনত ভূমিকা গ্ৰহণ কৰে ঃ

লোকবিদ্যাৰ বিভিন্ন উপাদান বিশেষকৈ সাধুকথা, মিথ, লেজেণ্ড, গীত-পদ আদিয়ে কৰ্মব্যস্তলোকক আনন্দ প্ৰদান কৰে; অৰ্থাৎ লোকজীৱনক মনোৰঞ্জনৰ খোৰাক যোগাই আহিছে— সাধুকথা, গীত-পদ আদিয়ে। লোকবিদ্যাই কেৱল মনোৰঞ্জনৰ সমলহে যোগায় বুলি ইয়াৰ অন্য দিশবোৰ কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি। মনোৰঞ্জন লোকবিদ্যাৰ অন্যতম সামাজিক প্ৰকাৰ্য্য হ'লেও এই উক্তিটো সম্পূৰ্ণভাৱে সত্য বুলি কব নোৱাৰি কাৰণ, লোকবিদ্যাৰ লগত সম্পৃক্ত হাস্যৰ অন্তৰালত আছে গভীৰ অৰ্থ।[১৭] অসমৰ বিশেষকৈ নামনি অসমৰ ঢুলীয়া অনুষ্ঠানৰ লগত জৰিত ছংবোৰৰ উদ্দেশ্য হাস্যৰস সৃষ্টি; কিন্তু এই হাস্যৰ অন্তৰালত আছে তীব্ৰ ব্যঙ্গ আৰু স্থূল বিদ্ৰূপ। পুৰোহিতৰ কাৰ্য্যকলাপ, বিধায়ক-মন্ত্ৰী আদিৰ অসামাজিক কাৰ্য্যাৱলী, মৌজাদাৰ, গাঁওবুঢ়া, বিভিন্ন অনুষ্ঠান আদিৰ প্ৰতাডনা আদিক কেন্দ্ৰ কৰি এই ছংবোৰ পল্লবিত হয়। ছঙৰ লগত জৰিত অভিনয় দৰ্শন কৰি দৰ্শকে হাঁহে। এই হাঁহিৰ মুখ্য উদ্দেশ্য সমাজ সংস্কাৰ। ছঙৰ লগত সম্পৃক্ত হাস্যৰ অন্তৰালত থাকে উদ্ভট আৰু সৃষ্টিসুলভ কল্পনা। তেনেদৰে ওজাপালি, পুতলা নাচ আদিৰ জৰিয়তেও হাস্য ৰস সৃষ্টি

১৫. "...... folktales may describe sanctions and prohibited behavior or describe various types of useful behavior and strategies."
Benjamin N. Colbey : "The Analysis of culture content and the Patterning of narrative concerns in Texts" in *American Anthropologists*, p 381

১৬. "..... folktale may function as a catharsis . it may liberate one from the immediacy of his own situation." B N. Colby, *loc-cit*

১৭. William R. Bascom, *Op-cit* p. 55

কৰা হয়। এই হাস্যৰসৰো উদ্দেশ্য ব্যক্তি আৰু সমাজ সংস্কাৰ।

সাধুকথাৰ জৰিয়তেও মনোৰঞ্জনৰ ঘাই আহিলা হাস্য ৰস সৃষ্টি কৰা দেখা যায়। কোনো কোনো সমাজত সাধুকথা-কথকে পৰম্পৰাগত সাধুকথাত মাজে মাজে নতুন সমল সংযোগ কৰি অথবা সাধুকথাৰ বিষয়বস্তুত নতুনত্বৰ সমাবেশ কৰি পূৰ্বৰ কথাবস্তু কিছুপৰিমাণে বিকৃত কৰা কাৰ্য্যই লোকবিদ্যাৰ গতিশীলতা আৰু নান্দনিক দিশৰ অধ্যয়নত গুৰুত্ব আৰোপ নকৰাকৈ নাথাকে। কোনোবাই হয়তো প্ৰশ্ন কৰিব পাৰে কাহিনী-কথকেনো কিয় বিশেষ এক নতুন সমল সংযোগ কৰি কাহিনীটো বিকৃত কৰিবলৈ যত্ন কৰিছে ?

ইয়াৰ উত্তৰত বিভিন্নজনে বিভিন্ন ধৰণে ক'ব পাৰে। কোনোৱে হয়তো ক'ব পাৰে ইয়াৰ লগত ক্লাছিকেল ফ্ৰয়ডীয় মতবাদ সংমিশ্ৰণ কৰা হৈছে। কোনোৱে হয়তো যৌন প্ৰতীকবাদ আৰু অডিপাছ্-কম্প্লেক্স সংযোজনৰ সপক্ষেও কব পাৰে। এইদৰে দেখা যায় যে, লোকবিদ্যাৰ জৰিয়তে মানবৰ নিৰাশাৰ অভিব্যক্তি প্ৰতিফলিত হয়। সমাজৰদ্বাৰা আৰোপিত দমনৰ প্ৰতীকী প্ৰকাশো লোকবিদ্যাৰ বিভিন্ন উপাদানৰ সংযোগত ব্যঞ্জিত হ'ব পাৰে। এই দমন যৌনমূলক হ'ব পাৰে। অগম্যাগমনৰ নিচিনা নিষিদ্ধ কাৰ্য্যৰ পৰা অথবা চৰ্ম ৰোগৰদ্বাৰা আক্ৰান্ত বৃদ্ধ ব্যক্তিক দেখি হুঁহাৰ দৰে নিষিদ্ধ আচৰণৰ পৰাও ই উদ্ভুৱ হ'ব পাৰে। মানুহে তেওঁৰ ভৌগোলিক-পৰিপাৰ্শ্বিকতা আৰু জৈৱিক সীমাবদ্ধতাৰপৰা আত্মমুক্তি লাভৰ বাবে কৰা উদ্ভট কল্পনাৰ প্ৰতিফলন সম্ভৱ হ'ব পাৰে লোকবিদ্যাৰ বিভিন্ন উপাদানত। টেটোনে ছলনা আৰু বুদ্ধিৰ তীক্ষ্ণতাৰে তেওঁৰ শক্তিশালী লগৰীয়াসকলক পৰাজয় কৰা ঘটনাৰ অন্তৰালতো আছে পৰিবেশ আৰু জৈৱিক সীমাবদ্ধতাক অতিক্ৰম কৰাৰ উদ্ভট চেষ্টা।[১৮]

আজৰিবিহীন গাঁৱলীয়া জীৱনত সাধুকথা, মিথ, লেজেণ্ড, গীত-পদ, বিভিন্ন পৰিৱেশ্যকলা আদিয়ে মানসিক আনন্দৰ যোগান ধৰি মানাসিক আৰু শাৰীৰিক অৱসাদ দূৰ কৰে। ধৰ্মীয় কৃত্য, উৎসৱ-অনুষ্ঠান আদিয়ে শাৰীৰিক আৰু মানসিক অৱসাদ দূৰ কৰি উৎসাহ-উদ্দীপনা আৰু কৰ্মপ্ৰেৰণা যোগায়।

ঙ. লোকবিদ্যাই সংস্কৃতিৰ প্ৰমাণীকৰণ বা মান্যকৰণত ভূমিকা গ্ৰহণ কৰে ঃ

সংস্কৃতিৰ প্ৰমাণীকৰণ বা মান্যকৰণত লোকবিদ্যাৰ বিভিন্ন উপাদানবোৰৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ। বিশ্বাস বা প্ৰত্যয় (belief) কোনো আদৰ্শমূলক সিদ্ধান্তৰ বুনিয়াদ।

---

১৮. William R. Bascom, *Op-cit* p 55

প্ৰযত্ন-ত্ৰুটীৰ (trial and error) সংশ্লেষণৰ জৰিয়তে পূৰ্ববৰ্তী উপাদানৰ আধাৰত উদ্ভৱ হোৱা প্ৰতীকী আচৰণেই বিশ্বাস বা প্ৰত্যয়।[19] সাধাৰণতে বিশ্বাস বা প্ৰত্যয়ৰ আধাৰত জন্ম হয় ধৰ্মীয় কৃত্যাদিৰ। আদিম ধৰ্মই হওঁক অথবা আধুনিক ধৰ্মই হওঁক মূলতঃ ই বিশ্বাস আৰু কৃত্যৰ ওপৰত প্ৰতিষ্ঠিত।

ধৰ্মীয় কৃত্য, কৰ্মকাণ্ড, উৎসৱ-অনুষ্ঠান আদিৰ লগত মিথ জৰিত। মিথবোৰ যথাৰ্থতে মেজিক, উৎসৱ, কৃত্য আৰু কৰ্মকাণ্ড তথা সামাজিক সংযুতিৰ চনদ বা ব্যৱহাৰিক নিৰ্দেশক নাইবা হুকুমনামা। মালিনৌৱস্কিৰ ভাষাত : "Myth serves as a warrant, a charter, and often even a Practical guide."[20] পৰম্পৰাক অধিক শক্তিশালী কৰাৰ বাহিৰেও ইয়াৰ ওপৰত অত্যধিক গুৰুত্ব আৰু মৰ্য্যাদা আৰোপ কৰে মিথ-এ : "The function of myth, briefly, is to strengthen tradition and endow it with a greater value and prestige by tracing it back to a higher, better, more supernatural reality of initial events.[21]

সত্যনাৰায়ণ-পূজা, মনসা বা মাৰৈ-পূজা বা ৰৰমানী-পূজা, দূৰ্গা-পূজা আদিৰ লগত সম্পৃক্ত মিথবোৰ উক্ত পূজা সমূহৰ চনদ আৰু 'গাইড বুক' স্বৰূপ। পূজা-পৰম্পৰাক এই মিথবোৰে অধিক শক্তিশালী কৰিছে আৰু মৰ্য্যাদাও আৰোপ কৰিছে। গৃহীত বা স্বীকৃত প্ৰতিমানৰ বিৰুদ্ধেঅসন্তুষ্টি বা সন্দেহ প্ৰৱণতাই গা কৰি উঠিলে; অথবা এই প্ৰতিমানক কোনোবাই ধৰ্মীয় নে ধৰ্মনিৰপেক্ষ যুক্তি প্ৰশ্ন তুলিলে মিথ, লেজেণ্ড আদিয়ে উক্ত প্ৰতিমানৰ প্ৰণালীকৰণ বা মান্যকৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই প্ৰসঙ্গত ব্যাখ্যামূলক সাধুকথা, প্ৰাণী বিষয়ক নৈতিক সাধুকথা, প্ৰবচন আদিৰ ভূমিকাও স্বীকাৰ কৰিব লাগিব।[22]

চ. লোকবিদ্যাই আনুষ্ঠানিকভাৱে শিক্ষা প্ৰদান কৰে :

জ্ঞানৰ অভিজ্ঞাপন লোকবিদ্যাৰ বিভিন্ন উপাদানৰ এটি উল্লেখযোগ্য সামাজিক প্ৰকাৰ্য্য। বাস্তৱিকতে সংস্কৃতি অভিজ্ঞাপনিক তথ্যৰ সমষ্টি। লোকবিদ্যা বিশেষকৈ বাচিক কলা আৰু প্ৰকাৰ্য্যাত্মক (functional) লোকবিদ্যাই জ্ঞান বা আদৰ্শ বা বিশেষ বাণী অভিজ্ঞাপন কৰাৰ উপৰিও ব্যক্তিগত, সামাজিক আৰু সাংস্কৃতিক প্ৰকাৰ্য্য সাধন কৰে। জন জে. হানিংমেনৰ (John J. Honigmann) ভাষাত "Apart from pro-

---

১৯. Richard T Lapiere : *Sociology*, p. 274

২০. B. Malinowaski, *op-cit*. p. 29

২১. B. Malinowski, *op-cit* pp 91–92

২২. William R. Bascom, *Op-cit* p. 57

viding a vehicle of pure expression, art achieves functions of considerable importance for individual, society and culture."[২৩]

ধৰ্মীয়কৃত্য, কৰ্মকাণ্ড আৰু উৎসৱ-অনুষ্ঠান আদিৰ লগত আৰেখী কলা (graphic art), সুনম্য কলা (plastic art, মৃণ্ময় শিল্প, ভাস্কৰ্য্য) আদিৰ সম্পৰ্ক অস্বীকাৰ কৰিব নোৱাৰি। উৎসৱ-অনুষ্ঠানত অভিব্যঞ্জক কলা, লোকাচাৰ, বিশ্বাস-সংস্কাৰ আদি জৰিত হৈ থাকে। এই প্ৰসঙ্গত জনসাধাৰণে পৰিধান কৰা পৰম্পৰাগত পোছাক-পৰিচ্ছদ, পৰম্পৰাগত খাদ্য-দ্ৰব্য, বাদ্য-বাজনা, পৰিৱেশ্য কলা আদি বহিঃ আচৰণে অংশগ্ৰহণকাৰীসকলৰ অন্তৰত জাতীয় ভাৱ আৰু সাংস্কৃতিক চেতনা সঞ্চাৰ কৰে।

ধৰ্মীয় কৃত্য আৰু কৰ্মকাণ্ড, উৎসৱ-অনুষ্ঠান আদিৰ প্ৰসঙ্গত মহিলাসকলে বিভিন্ন গীত-পদ আবৃত্তি কৰে; পূজাৰীয়ে বিভিন্ন দেৱ-দেৱীৰ লগত জৰিত সৃষ্টিমূলক মিথ, মন্ত্ৰ আদি আবৃত্তি কৰে; ওজাপালিয়ে বিভিন্ন মিথ, জনশ্ৰুতি আদি নৃত্য-অভিনয় সহ আবৃত্তি কৰে। ওজাপালিয়ে প্ৰবচন, লোকোক্তি, সাঁথৰ আদি সাৰ্থকভাৱে প্ৰয়োগ কৰে। পুতলা নাচ, খুলীয়া ভাউৰীয়া, ঢুলীয়া আদিয়ে পৌৰাণিক কাহিনী একোটিক দৃশ্যৰূপ দিয়ে অভিনয়ৰ মাধ্যমেৰে। এইদৰে আখৰ লিখিব নজনা লোকসকলে নৈতিক, দাৰ্শনিক, ঐতিহাসিক, ধৰ্মীয়, আধ্যাত্মিক আদি নানা বিষয়ৰ শিক্ষা আৰু জ্ঞান লাভ কৰিবলৈ সক্ষম হয়।

ওজাপালিয়ে আবৃত্তি কৰা মিথ আৰু লোককাব্যৰ সংযোগত লোকজীৱনক দূৰ অতীতৰ পৌৰাণিক বীৰ পুৰুষসকলৰ শক্তি আৰু সামৰ্থ্য আদিৰ আভাস দিয়াৰ বাহিৰেও কালগ্ৰস্তা অতীতৰ সভ্যতা-সংস্কৃতি, পৰম্পৰাগত বিশ্বাসৰ মূল্যায়ন, আচৰণৰ প্ৰতিমান আদিৰ জ্ঞানো দিয়া হয়।[২৪]

জ্ঞান-অভিজ্ঞাপনৰ ক্ষেত্ৰত প্ৰবচন, ফকৰা, লোকোক্তি আদিৰ ভূমিকা সৰ্বজন বিদিত।[২৫] সন্দেহ, ইতস্ততঃবোধ, দ্বিধা, অস্থিৰ সংকল্পতা আদিৰ সম্মুখীন হোৱাৰ ক্ষণতেই একোটি প্ৰবচনৰ আবৃত্তিয়ে লোকজীৱনক অভিনৱ জ্ঞানালোকৰ সন্ধান দিব পাৰে। ড° সূৰ্য্য কুমাৰ ভূঞাৰ ভাষাত : "In moments of hesitation, dilemma, indesision or excitement, the recollection or recital of such a saying or proverb has proved to be of the highest value amongst all peoples of the

২৩. John J. Honigmann : *Understanding Culture*, p. 287

২৪. E.O. James, *The Social Function of Religion*, pp. 42–43

২৫. Archer Taylor : "Proverb" in *Standard Dictionary of Folklore*, p. 903

world."[২৬] সাঁথৰে শিশুৰ বুদ্ধি প্ৰখৰ কৰে আৰু প্ৰয়োজনীয় উপদেশ দিয়ে।

ফেঁইবলচ্ বা নীতিমূলক সাধুকথা আদিৰ জৰিয়তে আলস্য ভাব, বিদ্ৰোহসুলভতা, ভেম-অভিমান আদিৰ বিৰুদ্ধে ফলপ্ৰসূভাৱে অভিযান চলাব পাৰি। অনানুষ্ঠানিক আৰু শিশু-শিক্ষাৰ সন্দৰ্ভত সাধুকতাৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ। 'পঞ্চতন্ত্ৰ'ৰ সাধুবিলাকে বিদেহ নৃপতিৰ পুত্ৰসকলক আনুষ্ঠানিক শিক্ষাদান কৰাৰ প্ৰসঙ্গত কি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল আমি সকলোৱে জানো।

এইদৰে লোকবিদ্যাৰ বিভিন্ন সমলে মানুহক বাস্তৱজীৱনৰ উপযোগীকৈ পথ নিৰ্দেশ কৰি আহিছে।[২৭]

ছ. লোকবিদ্যাই নৈতিক শিক্ষা প্ৰদান কৰে ঃ

লোকবিদ্যাৰ বিভিন্ন সামাজিক প্ৰকাৰ্য্যৰ ভিতৰত নৈতিক শিক্ষা (ethical knowledge) প্ৰদান উল্লেখযোগ্য। ধৰ্মীয় কৃত্য, কৰ্মকাণ্ড, উৎসৱ অনুষ্ঠানাদিৰ লগত সম্পৃক্ত বিশ্বাস বা প্ৰত্যয়ৰ প্ৰভাৱ মানৱ-আচৰণ (human behaviour) আৰু সমাজ-ব্যৱস্থাত অতিকে গভীৰ। ঊনবিংশ শতিকাৰ বিৱৰ্তনবাদীসকলৰ দৃষ্টিত নিৰক্ষৰ সমাজত (non-literate) প্ৰচলিত ধৰ্মীয় কৃত্য বা উৎসৱ-অনুষ্ঠান আদিত নৈতিক শিক্ষা বা আচৰণ অন্তৰ্হিত হৈ নাথাকে। টাইলাৰ এই ক্ষেত্ৰত বিশেষভাৱে আগৰণুৱা। তেওঁৰ ভাষাত ঃ "Savage animism is almost devoid of that ethical element which to the educated modern mind is the very main spring of religion."[২৮]

টাইলাৰ-ৰ এই উক্তি নিৰ্বিচাৰে গ্ৰহণ কৰা টান, কিয়নো আদিম সমাজৰ ধৰ্মীয় কৃত্যতো নৈতিক আচৰণৰ অভিব্যক্তি প্ৰকাশ পোৱা অত্যন্ত স্বাভাৱিক। মানৱ আচৰণৰ নৈতিক মানকবোৰৰ পদ্ধতিকেই নীতিশাস্ত্ৰ আখ্যা দিব পাৰি।[২৯] পৃথিৱীৰ বিভিন্ন সমাজত অৱশ্যে এই মানকবোৰ একেধৰণৰ নহ'ব পাৰে; কিন্তু বিভিন্ন সংস্কৃতিত উদ্‌যাপিত ধৰ্মীয় কৃত্য বা উৎসৱ-অনুষ্ঠান আদিয়ে সামাজিকভাৱে গ্ৰহণযোগ্য আচৰণবাজিক সমৰ্থন কৰে; অথবা সবল (reinforce) কৰে। তেনে ক্ষেত্ৰত ধৰ্মীয় আচৰণৰ প্ৰসঙ্গত নৈতিক আৰু অনৈতিকৰ প্ৰশ্ন উত্থাপন কৰা নিশ্চিতভাৱে অযুক্তিকৰ। ডাৰখেইমৰ (Durkheim) দৃষ্টিত সমাজৰ নৈতিক সংযম আৰু ধৰ্মীয়

---

২৬. S K. Bhuyan *Studies in the Literature of Assam* pp 131

২৭. B Malinowski, *op-cit* p 19

২৮. Edward Burnett Tylor *Primitive Culture*, vol. II p 360

২৯. "Ethics is commonly defined as a system of moral standards of conduct" A.D W Malefijt, *op-cit* p 300

পদ্ধতি মূলতঃ অভিন্ন।[৩০]

জীৱনবৃত্তৰ লগত সম্পৃক্ত বিভিন্ন কৰ্মকাণ্ড উপলক্ষে অনুষ্ঠিত গীত-পদবোৰ নৈতিক শিক্ষাৰে সমৃদ্ধ; বিশেষকৈ উপনয়ন আৰু বিবাহৰ অনুষংগত গেয় গীত-পদত ব্ৰতীৰ পালনীয় কাৰ্য্যাৱলী আৰু কৰ্ত্তব্যাদি, দৰা-কইনাৰ পাৰস্পৰিক কৰ্ত্তব্য আৰু দায়িত্ববোধ, ব্ৰতী আৰু দৰা-কন্যা উভয়ৰে সমাজৰ প্ৰতি থকা দায়িত্ববোধ, বৈবাহিক জীৱনৰ নৈতিক আদৰ্শ আদিৰ শিক্ষাও এই গীত-পদবোৰৰ জৰিয়তে অনুৰণিত হোৱা দেখা যায়। শাহু-শহুৰেক আদি ঘৰৰ আন আন পৰিয়ালৰ প্ৰতি নৱবধূৰ আচৰণ কেনে হোৱা উচিত, গাৰ্হস্থ্য জীৱনত নৱবধূৰ কৰ্তব্য তথা পালনীয় কৃত্য আদিৰ সংকেৎ বিয়া গীত-পদত দিয়া হৈছে। গতিকে এই গীত-পদৰ মুখ্য উদ্দেশ্য যে, নৈতিক শিক্ষা প্ৰদান তাত সন্দেহ নাই।

ওজাপালি অনুষ্ঠানে আবৃত্তি কৰা গীত-পদৰ সংযোগত নিৰক্ষৰ গঞা ৰাইজে পাপ-পূণ্য, স্বৰ্গ-নৰক, সৎ-অসৎ, ভাল-বেয়া, সঁচা-মিছা, শান্তি-অশান্তি, ধৰ্মৰ জয় তথা অধৰ্মৰ পৰাজয়, যতে ধৰ্ম ততে জয় আদিৰ বিষয়ে নৈতিক শিক্ষা লাভ কৰিবলৈ সক্ষম হয়।

নীতি শিক্ষাদানত সাধুকথা বিশেষকৈ জীৱ-জন্তু বিষয়ক সাধুকথাবোৰে বিশেষভাৱে সহায় কৰে।

জ. লোকবিদ্যাই সমাজীকৰণত ভূমিকা গ্ৰহণ কৰে ঃ

লোকবিদ্যাৰ সামাজিক প্ৰকাৰ্য্যসমূহৰ ভিতৰত সমাজীকৰণ প্ৰক্ৰিয়া বিশেষভাৱে উল্লেখযোগ্য। সমাজীকৰণ কাক বোল ? উত্তৰ স্বৰূপে কব লাগিব যে, সমাজীকৰণ এক গুৰুত্বপূৰ্ণ সামাজিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ সংযোগত কোনো এক ব্যক্তি তেওঁৰ সমাজৰ লগত সংহতিত (integrated) হবলৈ সক্ষম হয়।[৩১] কোনো এখন সমাজৰ আচৰণৰ অনুকূলে সেই সমাজৰ অসামাজিক আচৰণ বিশিষ্ট ব্যক্তি বিশেষৰ আচৰণৰ পৰিৱৰ্ত্তন সমাজীকৰণ প্ৰক্ৰিয়াৰ বিশেষ ফলশ্ৰুতি। সমাজীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তি বিশেষৰ অপ্ৰকাশক শক্তি তুলনামূলকভাৱে জটিল আচৰণৰ লগত সম্পৃক্ত হোৱাৰ অনুকূলে পৰিৱৰ্তিত হ'বলৈ বাধ্য হয়। সামাজিক প্ৰমূল্যৰ দিশ অনুসৰি ব্যক্তিৰ শক্তি পৰিচালিত হোৱাৰ ফলস্বৰূপে সামাজিক ব্যক্তিত্ব প্ৰতিষ্ঠিত হয়। সমাজীকৰণ প্ৰক্ৰিয়াত সামাজিক হেঁচাৰ (Social Pressure) অব্যাহত প্ৰয়োগ উপলব্ধি কৰিব পাৰি। সমাজীকৰণ প্ৰক্ৰিয়াৰ ভূমিকা কোনো ব্যক্তিৰ কেৱল শিশুকালতে সীমিত বুলি

৩০. Emile Durkheim : *The Elementary Forms of the Religious Life*, pp. 236-39

৩১. H J Herskovits : *Cultural Anthropology*; p 325

ক'লে ভুল কোৱা হ'ব; কাৰণ বৃদ্ধ কাল পৰ্য্যন্ত ইয়াৰ অব্যাহত ক্ৰিয়া চলি থাকে।[৩২]

কৃত্য আৰু কৰ্ম-কাণ্ড, বিভিন্ন উৎসৱ-অনুষ্ঠান, পূজা-উপাসনা এইবোৰৰ লগত সম্পৰ্কযুক্ত বিভিন্ন গীত-পদ, অনুষ্ঠেয় কলা, সাধুকথা, মিথ আদিয়ে সমাজীকৰণ প্ৰক্ৰিয়াৰ প্ৰসঙ্গত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। কৃত্য আৰু কৰ্মকাণ্ড তথা উৎসৱ-অনুষ্ঠানৰ লগত জৰিত ধৰ্মীয় কৃত্যাদিত অংশ গ্ৰহণ কৰি মানুহে সমাজৰ প্ৰতিদৰ্শ আচৰণৰ অনুকূলে ব্যক্তিগত আচৰণৰ উত্তৰণ কৰি সমাজ-জীৱনৰ লগত একীভূত হোৱাৰ আদৰ্শ লাভ কৰে। উৎসৱ-অনুষ্ঠানৰ লগত সম্পৃক্ত ধৰ্মীয় কৃত্যাদিৰ দ্বাৰা অনেক জনজাতীয় লোক হিন্দু সমাজৰ লগত সংহতিত হৈছে। জীৱনবৃত্তৰ লগত অথবা সংস্কাৰমূলক উৎসৱ-অনুষ্ঠানত সমাজীকৰণ প্ৰক্ৰিয়াৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। চূড়াকৰণ, উপনয়ন, বিৱাহ আদি কৃত্যই ব্যক্তিক সমাজৰ লগত একীভূত কৰায়। সংস্কাৰমূলক উৎসৱ-অনুষ্ঠানৰ মাধ্যমেৰে ব্যক্তিয়ে অসামাজিক আচৰণ পৰিহাৰ কৰি সামাজিক আচৰণ গ্ৰহণ কৰি সমাজৰ লগত আত্মীয়তা স্থাপন কৰে আৰু তেনেদৰে সমাজত তেওঁ অভিনৱ ভূমিকা গ্ৰহণ কৰাৰ পথ প্ৰশস্ত হৈ পৰে।[৩৩]

ধৰ্মীয় কৰ্ম-কাণ্ড, পূজা-উপাসনা, উৎসৱ-অনুষ্ঠানত ওজাপালি, ঢুলীয়া, পুতলা নাচ, খুলীয়া ভাওৰীয়া আদি অনুষ্ঠেয় কলাই মহাকাব্য, পুৰাণ, লোককাব্য, মিথ আদিৰপৰা আদৰ্শস্থানীয় ব্যক্তিৰ জীৱন-চৰিত্ৰৰ ইতিবৃত্ত বৰ্ণনা কৰে। শিশু, ডেকা আৰু বয়সীয়াসকলৰ জীৱনৰ ওপৰত এই কাহিনী আৰু চৰিত্ৰৰ প্ৰভাৱ অতিকৈ গভীৰ। পৰিৱেশ্য কলাৰ জৰিয়তে অনুষ্ঠিত কাহিনী কথন, চৰিত্ৰৰ অভিনয় আদি ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৰে বাবে আনন্দদায়ক। গতিকে ইয়াৰপৰা মনোৰঞ্জনৰ বাবে প্ৰয়োজনীয় অনেক সমল লাভ কৰাৰ বাহিৰেও সমাজৰ অনুকূলে ব্যক্তিত্ব গঠনৰ বাবে প্ৰয়োজনীয় সমলো লাভ কৰে। এইদৰে ব্যক্তিয়ে সমাজৰ লগত একীভূত হোৱাৰ অনুকূল পৰিৱেশ লাভ কৰে।

ঝ. লোকবিদ্যাই সমাজক নিয়ন্ত্ৰণ কৰে ঃ

লোকবিদ্যাৰ সামাজিক প্ৰকাৰ্য্যৰ ভিতৰত সামাজিক নিয়ন্ত্ৰণ (অৰ্থাৎ Social control) উল্লেখযোগ্য। মানৱৰ জৈৱিক প্ৰকৃতিয়ে সময়ে সময়ে সমাজৰদ্বাৰা অনুমোদিত আচৰণৰ বিৰুদ্ধাচৰণ কৰাৰ প্ৰৱণতা প্ৰকাশ কৰা দেখা যায়। জৈৱিক অনুকূল অৱস্থাৰ পৰা বিপথগামী হৈ কোনো ব্যক্তিয়ে কেতিয়াবা নিজৰ শক্তি আৰু ক্ষমতানুসৰি লুণ্ঠন,

৩২. John J. Honigmann. *Op-cit* p 287

৩৩. Robert J Smith · "Festivals and Celebrations" in *Folklore and Folklife*, ed. R.M. Dorson . " 168

হত্যা, ধৰ্ষণ আদিৰ নিচিনা সামাজিক অপৰাধমূলক কাৰ্য্যত লিপ্ত হৈ সমাজ-জীৱনক পঙ্গু কৰিব পাৰে। অন্যহাতে সমাজৰ প্ৰত্যেকজন সদস্যই সমাজৰ পৰম্পৰা আৰু আদৰ্শ অক্ষুন্নভাৱে ৰক্ষা কৰিবৰলৈও সফল চেষ্টা চলোৱা দেখা যায়। সময়ে সময়ে দুই এগৰাকী ব্যক্তিয়ে নিজৰ আদৰ্শ, নৱ অন্তৰ্দৃষ্টি, পৰিকল্পনা আৰু নৈতিক বিধানেৰে সাংস্কৃতিক প্ৰবাহক সমৃদ্ধ কৰিবৰলৈও অশেষ যত্ন কৰে। ক্ষেত্ৰ বিশেষে ব্যক্তিৰ মৌলিক চিন্তাই সমাজ-জীৱনত পৰম্পৰাগতভাৱে প্ৰচলিত মূল্যবোধৰ সম্পূৰ্ণ বিপৰীতে কাম কৰিবৰলৈ সচেষ্ট হয়। তেওঁৰ অভিনৱ প্ৰকাশ ক্ষমতাই সমাজৰ পৰম্পৰাগত সংবেদনশীলতাক কম্পিত কৰে। মানৱ মাত্ৰেই ভুল-ক্ৰুটিৰ সন্মুখীন হোৱা স্বাভাৱিক। ভুল-ক্ৰুটিৰদ্বাৰা স্বাভাৱিকতে সমাজ-জীৱনৰ গতি আক্ৰান্ত হয়।

সামাজিক অনিবাৰ্য্যতা (Social imperative) বশতঃ সমাজত গ্ৰহণ অযোগ্য বিভিন্নতাই গা কৰি উঠিব পাৰে; যাৰদ্বাৰা সমাজত অৰাজকতাৰ সৃষ্টি হ'ব পাৰে। সেইবাবে সমাজ ব্যৱস্থাই সামাজিক বিভিন্নতাৰ পৰিমাণ হ্ৰাস কৰি সমাজৰ বিভিন্ন সংযুটিৰ মাজত ঐক্য ৰক্ষা কৰিবৰলৈ প্ৰয়াস কৰে আৰু তাৰ বাবে উপায় উদ্ভাৱন কৰে। কোনো এজন ব্যক্তিয়ে যে সমাজত কেৱল মতানৈক্য সৃষ্টি কৰিবৰলৈহে যত্ন কৰে তেনেও নহয়, কাৰণ তেওঁ অন্যহাতে সমসাময়িক সমাজৰ মূল্যবোধৰো অংশীদাৰ হোৱাৰ প্ৰৱণতা প্ৰকাশ কৰে। মানৱ সমাজ প্ৰিয় জীৱ, গতিকে সমাজ বৱস্থাৰ উত্তৰ জীৱিতাৰ বাবে তেওঁ সামাজিক সংঘৰ্ষ বা মতানৈক্য নিয়ন্ত্ৰণ কৰিবৰলৈ সচেষ্ট আৰু যত্নপৰ হ'ব লাগিব।[৩৪]

পৰিয়ালৰপৰা ৰাষ্ট্ৰলৈকে সামাজিকভাৱে উপযুক্ত আৰু গ্ৰহণযোগ্য সামাজিক ভূমিকাক (social roles) স্বীকৃতি দিয়াৰ পৰম্পৰা আমাৰ সমাজত চলি আহিছে। সামাজিক ভূমিকাৰ লগত সংগতি ৰাখি সমাজ-জীৱনৰ কল্যাণৰ বাবে সেই সমাজৰ অঙ্গীভূত সদস্যসকলৰ আচৰণত কিছুমান সামাজিক নিয়ন্ত্ৰণ আৰোপিত হয় আৰু ইয়াৰ ওপৰত দৃষ্টিপাত কৰি বিভিন্ন বিধি-বিধানৰো সৃষ্টি কৰা হৈছে।

লোকসংস্কৃতিৰ বিভিন্ন উপাদানে সমাজ নিয়ন্ত্ৰণত ভূমিকা গ্ৰহণ কৰি আহিছে। ধৰ্মীয় কৃত্য, উৎসৱ-অনুষ্ঠান, গীত-পদ, পৰিবেশ্য কলা, প্ৰবচন-সাঁথৰ আদিয়ে সামাজিক নিয়ন্ত্ৰণত অৰ্থপূৰ্ণ অৰিহণা যোগাব পাৰে। ধৰ্মীয় কৃত্য, কৰ্ম-কাণ্ড, উৎসৱ-অনুষ্ঠানৰ অন্তৰালত বিশ্বাস পুঞ্জীভূত হৈ আছে যে, অত্যাচাৰ, উৎপীড়ন, ঘৃণা, লোভ, বাসনা, অহঙ্কাৰ আদি অসামাজিক আচৰণে আই বসুমতীক বিক্ষুব্ধ কৰে আৰু ইয়াৰ পৰিণতিত অনাবৃষ্টি, আকাল, মাৰি-মাৰক আদি সংঘটিত হ'ব পাৰে। পৰিবেশ্য কলাৰ

৩৪. "Also social man must regulate conflict if his social systems are to survive."
John J. Honigmann, *Op-cit.* p. 235

জৰিয়তে অনুষ্ঠিত মিথ-বৰ্ণনে সামাজিকক আত্মনিয়ন্ত্ৰণ তথা সমাজ নিয়ন্ত্ৰণৰ প্ৰতি সজাক কৰি তোলে। মনত ৰখা উচিত হ'ব যে, সামাজিক নিয়ন্ত্ৰণত 'মিথ'ৰ ভূমিকা অবিসম্বাদিত। পাপত লিপ্ত হোৱাৰ বাবে পৌৰাণিক চৰিত্ৰৰ প্ৰসঙ্গত পৰিদৃষ্ট হোৱা পৰিণতিয়ে লোকজীৱনক সুপথে পৰিচালিত হ'বৰ বাবে অনুপ্ৰেৰণা যোগায়। সামাজিক নিয়ন্ত্ৰণত বিভিন্ন বিশ্বাস, অভিবৃত্তি, প্ৰবচন, লোকোক্তি, সাঁথৰ আদিৰ ভূমিকা সুদূৰপ্ৰসাৰী। বেচকমৰ ভাষাত ঃ ".....beliefs and attitudes, some forms of folklore are important as means of applying social pressure and excercising social control."[৩৫]

ঞ. লোকবিদ্যাত সামাজিক প্ৰতিবাদৰ ধ্বনি প্ৰতিধ্বনিত হয় ঃ

সামাজিক প্ৰতিবাদ লোকবিদ্যাৰ অন্যতম সামাজিক প্ৰকাৰ্য্য। লোকজীৱনে অন্যায়, শোষণ, উৎপীড়ন, দমন, নিগ্ৰহ, অত্যাচাৰ আদিৰ বিৰুদ্ধে প্ৰত্যক্ষভাৱে প্ৰতিবাদ কৰিবলৈ ইতস্ততঃবোধ কৰে; অথবা শক্তিশালী ব্যক্তি বা অনুষ্ঠানৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস সঞ্চয় কৰিব নোৱাৰে; কিন্তু লোকবিদ্যাৰ বিভিন্ন উপাদানৰ সহায়ত তেওঁলোকে সেই প্ৰতিবাদ ফলপ্ৰসূভাৱে প্ৰকাশ কৰি আহিছে। সাধাৰণতে টেটকুটি, টেটোনৰ সাধু, আন শ্ৰেণীৰ সাধুকথা, গীত, প্ৰবচন আদিৰ সংযোগত লোকজীৱনে নিজ নিজ অন্তৰৰ ক্ৰোধ আৰু ক্ষোভ প্ৰকাশ কৰিব পাৰে। ৰুচদেশৰ প্ৰজাসাধাৰণ জৰ্জৰিত হৈছিল জাৰৰ (Tsars) অত্যাচাৰী শাসনৰদ্বাৰা। জন-গণ-মনে জাৰৰ অত্যাচাৰৰ বিৰুদ্ধে প্ৰত্যক্ষভাৱে মাত মাতিব পৰা নাছিল; কিন্তু তেওঁলোকে সাধুকথা আৰু গীত-পদৰ জৰিয়তে জাৰৰ অত্যাচাৰ, উৎপীড়ন, শোষণ আদিৰ বিৰুদ্ধে মাত মাতিবলৈ সক্ষম হৈছিল। তেনেদৰে মাটিৰ মালিকৰ শোষণ, যাজকৰ ভণ্ডামি আদিৰ বিৰুদ্ধে কৰা জনসাধাৰণৰ সংগ্ৰামৰ বাস্তৱ ইতিহাসৰ প্ৰতিফলন ৰুচদেশৰ লোকসংস্কৃতিত পৰিস্ফুট হোৱাৰ অনুকূলে মত পোষণ কৰিব পাৰি। ৰিচাৰ্ড এম্ ডৰচন-ৰ (Richard M. Dorson) ভাষাত ঃ "I. G Prizov had recognised that folklore reflected the real life of the people in their struggle against the tsars, clergy, and land owners· I. A. Xudjakov had pursued the themes of social Protest and class satire in popular tales and historical folksongs."[৩৬]

জনসাধাৰণৰ ক্ৰোধ, বিদ্বেষ, প্ৰতিবাদ আদি মূৰ্ত হৈ উঠে গীত-পদ, সাধুকথা, লোকোক্তি আদিৰ জৰিয়তে। এই প্ৰসঙ্গত বেটিৱাঙ্গ (Betty Wang)-এ সমীচীন

৩৫. William R Bascom, *Op-cit.* p 60

৩৬. Richard M. Dorson [ed] · *Folklore and Folklife*, Intr. p. 18

মন্তব্য আগবঢ়াইছে : "The rough jokes, songs, and proverbs, the anger of the folk is vent upon the often frighteningly unassailable individual or institution."[৩৭]

বিভিন্ন ধৰ্মীয় কৃত্য আৰু কৰ্মকাণ্ডৰ অন্তৰালতো প্ৰতিবাদৰ বীজ নিহিত হৈ থকা দেখা যায়। অসামাজিক অথবা পৰম্পৰাগত সামাজিক ৰীতি-নীতি অনুসৰি অনুমোদন কৰিব নোৱাৰা বেশ-ভূষা পৰিধানকাৰী; অথবা ব্ৰতাদি পালন নকৰাকৈ ধৰ্মীয় কৃত্যত অংশগ্ৰহণ কৰিবলৈ অহা অংশগ্ৰহণকাৰীসকলৰ বিৰুদ্ধে সামাজিকভাৱে প্ৰতিবাদ কৰা দেখা যায়। সংস্কাৰমূলক কৃত্যৰ লগত জৰিত উৎসৱ-অনুষ্ঠানত সামাজিক প্ৰতিবাদৰ প্ৰৱণতা আপেক্ষিকভাৱে বেছি।

পৰিবেশ্য কলা বিশেষকৈ ওজাপালি অনুষ্ঠানে গোৱা বিভিন্ন মিথ আদিত দেৱ-চৰিত্ৰ বা মানৱ-চৰিত্ৰই কৰা অসামাজিক কৰ্মৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ মানসিকতা এনেবোৰ মিথ শ্ৰৱণৰ জৰিয়তে জনসাধাৰণে লাভ কৰে। ইয়াৰ বিপৰীতে ভাল আৰু সজ কামৰ অনুকূলে সামাজিক অনুমোদন (social approval) কৰাৰ আদৰ্শও এনেধৰণৰ মিথ আবৃত্তিৰ জৰিয়তে লোকজীৱনে লাভ কৰিবলৈ সক্ষম হয়।

বিয়া-গীত বা অন্যান্য গীততো সামাজিক প্ৰতিবাদৰ আদৰ্শ স্পষ্ট। গান্ধীৰাজাৰ বিৰুদ্ধেও গঞা আই-বাইহঁতে প্ৰতিবাদ কৰিবলৈ ভ্ৰূক্ষেপ কৰা নাই :

"গান্ধী কিনো স্বৰাজ কৰিলি
ইতাৰ দিনৰ ধীয়া গিলাকক
মূৰত কুৰেই মাৰিলি।"[৩৮]

আনকি বৃটিছ শাসকৰ অন্যায়-শাসনৰ বিৰুদ্ধে লোক মানসে প্ৰতিবাদ নকৰাকৈ থকা নাই :

গাছ লাতা ছজানা, দোণৰ মাটিত খাজানা
লবে দহ টাকা দহ আনা।
ৰাধানাথ তহছিলদাৰ, গাছ লাতা ছজানা
অতিকে অধৰ্মী।
ৰাইজক বান্ধি বান্ধি মাৰে
গাছ লাতা ছজানা।

৩৭. Betty Wang : "Folk songs as Regulators of politics" in *The Study of Folklore*, ed. Alan Dundes, p. 308

৩৮. সংবাদদাত্ৰী : শ্ৰীগিৰিবালা দেৱী (৫৮), হাতীমাৰা, নগাঁও, দৰং, ৮।৪।৯০

দোণৰ মাটিত খাজানা, লবে দহ টাকা দহ আনা।"[৩৯]

ৰাইজক সৰু দেখা চৌ-এন-লাইৰ বিৰুদ্ধেও প্ৰতিবাদ ধ্বনিত হৈ উঠিছে লোক গীতত :

"চৌ এন লাই চৌ এন লাই বাপেৰ মাৰ চৌ এন লাই
তই হলি হালৰে গৰু,
হিলৈ বৰটোপক বৰহেন দেখিলি
ৰাইজক দেখিলি সৰু।"[৪০]

ট. প্ৰচাৰ মাধ্যম স্বৰূপেও লোকবিদ্যাই ভূমিকা গ্ৰহণ কৰেঃ

লোকবিদ্যাৰ বিভিন্ন উপাদানে প্ৰচাৰ মাধ্যমৰ প্ৰকাৰ্য্যও সাধন কৰিব পাৰে। লোকবিদ্যা বিশেষকৈ প্ৰকাৰ্য্যাত্মক লোকবিদ্যাই জন-গণৰ মাজত প্ৰচাৰৰ বিশিষ্ট মাধ্যমৰূপে ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰকাৰ্য্যাত্মক লোকবিদ্যাৰ (functional folk-lore) পৰিসৰৰ ভিতৰত ওজাপালি, পুতলানাচ, ঢুলীয়া, খুলীয়াভাউৰীয়া, কুশান গান, ভাৰীগান বা ভাওগান আদি পৰে। পৰিৱেশ্য বা অনুষ্ঠেয়কলাৰ জৰিয়তে কোনো এটা বিশেষ কাৰ্য্য-সূচীৰ প্ৰতি জনসাধাৰণৰ মনোযোগ আকৰ্ষণ কৰিব পাৰি; অৰ্থাৎ এইবোৰ অনুষ্ঠানক প্ৰচাৰ মাধ্যম স্বৰূপে প্ৰয়োগ কৰিব পাৰি। পৰিয়াল-পৰিকল্পনা, সামাজিক বননিকৰণ, অধিক শস্য উৎপাদন, বিস্তৃত গো সম্পদ পালন, গোবৰ গেছৰ প্ৰয়োগ, মহামাৰীৰ বিৰুদ্ধে লব লগীয়া ব্যৱস্থা, মেলেৰিয়া নিৰ্মূলকৰণ, জাতীয় সংহতি, কুৰিদফীয়া আঁচনিৰ প্ৰয়োগ, সাম্প্ৰদায়িক প্ৰেম-প্ৰীতি আদিৰ নিচিনা কাৰ্য্যসূচীৰ প্ৰতি জন-গণ-মনক সজাগ কৰা হয় লোকবিদ্যা বিশেষকৈ পৰিৱেশ্য কলাৰদ্বাৰা।

স্বাধীনতা লাভ কৰিবলৈ হ'লে যে, মানুহে নিজহাতে সূতা কাটি কাপোৰ বব লাগিব— তাৰ আভাসো লোকগীতত পোৱা যায়। যেনে ঃ

(১) গান্ধী সূতা কাটু, গান্ধী সূতা কাটু,
শালাকাঠীৰ আৰ লাগ্‌ছি ভলণ্টেৰোক মাতু,
গান্ধী সূতা কাটু।[৪১]

(২) গান্ধী ওলে, মিটিং কৰলে, ৰাইজে আছিল চাই;
ভলণ্টেৰে ফাটাক খাটে গান্ধীও ফাটাকক যায়।

---

৩৯. প্ৰফুল্লদত্ত গোস্বামী : বাৰমাহৰ তেৰ গীত, পৃ. ১৮৪

৪০. উক্ত গ্ৰন্থ, পৃ. ১১২

৪১ উক্ত গ্ৰন্থ, পৃ. ১৮৯

ৰাইজ সকলে উঠি বোলে ইতেন হবো কি ?
চপাত কৰি গান্ধী ৰাজা স্বৰাজ কৰি দি।
ফাটাক ঘৰোৰ কাষে কাষে কলৰ পলি বাঁহে,
গান্ধীৰাজাৰ কথা শুনি চখুৰ পানী আহে।[৪২]

(৩) গান্ধী নামৰ নাউখেনি
জহৰলালৰ বৈঠা।
স্বাধীন লাগে যেদি ভন্নী
সূতা কাটি উঠা॥
একশত দুইশত তিনিশত বৰে।
গুজৰাটে জন্ম পাইছিল গান্ধী মহাবীৰে॥[৪৩]

নৈতিকতা, সত্যনিষ্ঠা, দয়া, পৰোপকাৰ, মৰম-চেনেহ, সহানুভূতি আদি মানৱীয় মহান গুণাৱলীৰ সপক্ষে আৰু অনৈতিক কাৰ্য্যাৱলী, অসত্য, হিংসা, ক্ৰোধ, লোভ, মোহ, শোষণ, অত্যাচাৰ, ব্যভিচাৰ আদি অমানৱীয় শক্তি সমূহৰ বিপক্ষে ওজাপালি, খুলীয়াভাওৰীয়া, কুশানগান, ভাৰীগান আদি অনুষ্ঠেয় কলাই উপদেশমূলক বাণী প্ৰচাৰ কৰে গীত-পদ-সংলাপ-নৃত্য আৰু অভিনয়ৰ সংযোগত।

ঠ. বৈদিকীকৰণ প্ৰকাৰ্য্যত লোকবিদ্যাৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ ঃ

লোকবিদ্যাৰ সামাজিক প্ৰকাৰ্য্যৰ ভিতৰত বৈদিকীকৰণ নিশ্চিতভাৱে উল্লেখযোগ্য। বৈদিকীকৰণ বা Sanskritization সামাজিক প্ৰক্ৰিয়া, ইয়াৰদ্বাৰা নিম্ন জাতিৰ হিন্দু বা জনজাতীয় বা অন্য গোষ্ঠীৰ লোকে বৰ্ণ হিন্দুৰ পৰম্পৰাগত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, কৰ্মকাণ্ড, ধৰ্মীয় তথা দাৰ্শনিক আদৰ্শ আৰু জীৱন পদ্ধতিৰ অনুকূলে তেওঁলোকৰ জীৱন-পদ্ধতিৰ পৰিৱৰ্তন সাধন কৰি উত্তৰিত সামাজিক মৰ্য্যাদা লাভ কৰিবলৈ সক্ষম হয়।[৪৪]

অসমৰ জনজাতীয় লোকৰ মাজত বৈদিকীকৰণ প্ৰক্ৰিয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। অনেক জনজাতীয় লোক এই প্ৰক্ৰিয়াৰ জৰিয়তে জাতিলৈ উত্তৰিত হৈছে। এই প্ৰসঙ্গত ধৰ্মীয় কৃত্য, কৰ্মকাণ্ড, উৎসৱ-অনুষ্ঠানৰ ভূমিকা সৰ্বাধিক। বৈদিকীকৰণ প্ৰক্ৰিয়াত ওজাপালি, কুশানগান, খুলীয়া ভাওৰীয়া আদিৰ নিচিনা অভিজ্ঞাপনিক কলাৰ (communicative artform) ভূমিকা অৰ্থপূৰ্ণ। ওজাপালিয়ে 'ৰামায়ণ', 'মহাভাৰত',

৪২. উক্ত গ্ৰন্থ, পৃ. ১৯০
৪৩. সংবাদদাত্ৰী ঃ শ্ৰীযাদবী বালা কলিতা (৫০), কঠালমুৰি, বাঘমাৰা, বৰপেটা, ১১।১।৮৭
৪৪. M.N. Srinivas *Social Change in Modern India*, p 6

'পুৰাণ' আদিৰপৰা বিভিন্ন মিথ, পৌৰাণিক কাহিনী আদি আবৃত্তি কৰে। জনজাতিসকল বৰ্ণ হিন্দুৰ জীৱন পদ্ধতিৰ অনুকূলে উত্তৰিত হোৱাৰ প্ৰসংগত এই কাহিনীবোৰৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি।

হিন্দুসকলৰ মাজত প্ৰচলিত পৰম্পৰাগত উৎসৱ-অনুষ্ঠান সমূহে যে, অতীতৰ পৰাই জনজাতিসকলক জাতিলৈ উত্তৰিত হোৱাৰ প্ৰসঙ্গত অনুকূল পৰিৱেশ ৰচনা কৰিছিল তাৰ নিৰ্দশন পোৱা যায় নব বৈষ্ণৱ ধৰ্ম প্ৰচাৰক ধৰ্মগুৰুসকলে জনজাতীয় এলেকাত সত্ৰ, নামঘৰ আদি স্থাপন কৰি তাত বিভিন্ন উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰি জনজাতিসকলক হিন্দু সমাজভুক্ত কৰাৰপৰা।

ঙ. লোকবিদ্যাই সমাজক সংহত কৰে ঃ

লোকবিদ্যাৰ বিভিন্ন উপাদানৰ সামাজিক প্ৰকাৰ্য্যসমূহৰ ভিতৰত সামাজিক সংহতি অন্যতম। পৰস্পৰৰ মাজত গ্ৰহণ কৰিব পৰা বিশ্বাসসমূহৰ ভিতৰত ধৰ্মীয় বিশ্বাসে বিভিন্ন শ্ৰেণীৰ লোকক একেখন মঞ্চত একত্ৰিত হ'বৰ বাবে উপযুক্ত পৰিৱেশ ৰচনা কৰে। সমাজৰ অধিক সংখ্যক সদস্যই গ্ৰহণ কৰা ধৰ্মই সমাজৰ প্ৰত্যেকজন ব্যক্তিৰ মাজত পাৰস্পৰিক বুজাবুজিৰ ভাৱ সৃষ্টি কৰিব পাৰে।[৪৫]

ধৰ্ম আৰু ধৰ্মীয় কৃত্যৰ ওপৰত প্ৰতিষ্ঠিত উৎসৱ-অনুষ্ঠান আদিয়ে সামাজিক সংহতি স্থাপনত যুগে যুগে তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সমাজৰপৰা অপশক্তি নিষ্ক্ৰমণ কৰিবলৈ, কল্যাণকামী শক্তিক আদৰিবলৈ, বৃষ্টি আনয়নৰ যাদু উৎসৱৰ মাধ্যমত প্ৰয়োগ কৰিবলৈ, আই ধৰিত্ৰীক শস্য সম্ভৱা কৰিবলৈ সমবেত সৰ্বশ্ৰেণীৰ লোকৰ মাজত ভাবৰ আদান-প্ৰদান হোৱাৰ পৰিণতিত পৰস্পৰৰ মাজত সৌহাৰ্দ্যৰ ভাৱ প্ৰতিষ্ঠিত হয় আৰু এইদৰে সমাজৰ বিভিন্নজনৰ মাজত সংহতি স্থাপিত হয়।

মুঠতে সামূহিক অনুভূতি আৰু আনুগত্য প্ৰকাশৰ বিশিষ্ট মাধ্যম স্বৰূপে উৎসৱ-অনুষ্ঠানসমূহে পাৰম্পৰিকভাৱে ভূমিকা গ্ৰহণ কৰি আহিছে। ৰবাৰ্ট ব্ৰিফল্ট-ৰ ভাষাত "Festivals are the most concrete expression of collective emotions and loyalties."[৪৬]

উপৰৰ আলোচনাৰপৰা দেখা যায় যে, লোকবিদ্যাই যুগে যুগে বিভিন্ন সামাজিক প্ৰকাৰ্য্য সাধন কৰি আহিছে।

---

৪৫. "Like all beliefs which can be shared religious beliefs provide a basis for people to unite together and form integrated groups If a society has a religion to which all or most of its members adhere, the religion will play a very important part in holding individuals to each other."
Elizabeth J Wilkins *op cit* p 267

৪৬. Robert Briffault 'Festivals' in *Encyclopaedia of the Social Sciences*, vol VI p 201

সপ্তম অধ্যায়

অসমত লোকসংস্কৃতিৰ চৰ্চা

লোকবিদ্যা বা লোকসংস্কৃতি যদিও মানৱজাতিৰ সমানেই প্ৰাচীন আৰু লোকসংস্কৃতিৰ অন্যতম অংগ লোককথা সংগ্ৰহৰ সফল প্ৰচেষ্টা যদিও খৃ. পূ. ৫ম—৬ষ্ঠ শতিকাৰপৰাই আৰম্ভ হৈছিল; তথাপি ইয়াৰ বিজ্ঞানসম্মত চিন্তা-চৰ্চা আৰম্ভ হৈছে খৃ. ১৯শ শতিকাৰপৰাহে। লোকসংস্কৃতিৰ পদ্ধতিগত চিন্তা-চৰ্চাৰ বাবে প্ৰয়োজন ক্ষেত্ৰসমূহ। গতিকে ক্ষেত্ৰলৈ গৈ জন-গণৰ মুখপৰম্পৰা প্ৰচলিত গীত-পদ, কাহিনী, প্ৰবচন, যোজোনা আদি সংগ্ৰহ কৰিব নোৱাৰিলে বাচিক কলাৰ চিন্তা-চৰ্চা সম্পূৰ্ণ নহয় আৰু বাচিক কলাৰ প্ৰসঙ্গ (context) স্বৰূপে ভূমিকা গ্ৰহণ কৰি অহা লোকজীৱনৰ (folklife)পৰা সমল সংগ্ৰহ কৰি সেইবোৰৰ পুংখানুপুংখ বিচাৰ-বিশ্লেষণ কৰিব নোৱাৰিলে লোকবিদ্যা বা লোকসংস্কৃতিৰ পৰিপূৰ্ণ চিন্তা-চৰ্চা হ'ব নোৱাৰে।

অসম, উত্তৰ-পূৰ্বাঞ্চল তথা ভাৰতবৰ্ষত লোকসংস্কৃতিৰ চিন্তা-চৰ্চাৰ বাটকটীয়া ৰূপে তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল প্ৰশাসনীয় বিষয়া অৰ্থাৎ Civil Service Officer ৰূপে এই দেশলৈ অহা বৃটিছসকল আৰু খৃষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ অহা ইউৰোপীয় মিছনাৰী বা পাদুৰী চাহাবসকলে। পাশ্চাত্যৰ পণ্ডিতসকলে দূৰ অতীতৰ পৰা উপলব্ধি কৰিব পাৰিছিল যে, ভাৰতবৰ্ষ বিশেষকৈ পুৰাণ-কথা (myth) আৰু সাধুকথাৰ ক্ষেত্ৰত অতিকৈ ধনী। খৃঃ ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত ইউৰোপৰ পণ্ডিতসকলে ভাৰতবৰ্ষৰ সংস্কৃতি বিশেষকৈ লোকসংস্কৃতিৰ প্ৰাচুৰ্য্য সম্পৰ্কে বাদ-প্ৰতিবাদত নিয়তভাৱে প্ৰবৃত্ত হৈছিল। আনকি প্ৰসিদ্ধ জাৰ্মান পণ্ডিত থিয়ডৰ বেনফি-এ (Theoder Benfey) যুক্তিসহ প্ৰমাণ কৰিবলৈ প্ৰয়াস কৰিছিল যে, ভাৰতবৰ্ষই লোককথাৰ জন্ম নীড় আৰু ভাৰতবৰ্ষৰপৰাই এচিয়া আৰু ইউৰোপৰ বিভিন্ন অঞ্চলত এই লোককথাসমূহ প্ৰসাৰিত হৈছে। এই মতবাদটোৰ নামেই ভাৰতবাদীতত্ত্ব বা Indianist Theory। মেক্সমূলাৰ-এ (Max Müller) জাৰ্মান আৰু ভাৰতীয় মিথবোৰৰ মাজত সম্পৰ্ক লক্ষ্য কৰি কৈছিল যে, মিথবোৰৰ সৃষ্টি হৈছে ভাষাৰ বিকৃতিৰপৰা। তেওঁ গ্ৰীমভ্ৰাতৃদ্বয়ৰ তুলনামূলক পদ্ধতি (Comparative method) প্ৰয়োগ কৰি ভাৰতীয় মিথৰ (Indic myths) প্ৰটো ৰূপ নিৰ্ণয় কৰিবলৈ যত্ন কৰাৰ উপৰিও আৰু এখোজ আগবাঢ়ি গৈ মিথ-সৃষ্টিৰ জটিল ব্যাপাৰটো ব্যাখ্যা দিছিল। মূলাৰ-এ মিথবোৰৰ ব্যাখ্যাত সৌৰ জগতৰ জ্যোতিষ্ক মণ্ডলীৰ সম্পৰ্ক দেখুৱাবলৈ প্ৰয়াস

কৰিছিল বাবে মেক্সমূলাৰ আৰু তেওঁৰ অনুবৰ্তীসকলক সৌৰ পুৰাণ-কথাবাদী (Solar Mythologists) আখ্যা দিয়া হয়। ইয়াৰপৰা আন নহ'লেও এটা কথা সহজে বুজিব পাৰি যে, লোককথা অৰ্থাৎ মিথ, সাধুকথা আৰু জনশ্ৰুতিৰ সৃষ্টিত ভাৰতৰ অৱদান আন্তৰ্জাতিক ক্ষেত্ৰত অনস্বীকাৰ্য্য।

বৃটিছসকলে ভাৰতবৰ্ষত তেওঁলোকৰ ৰাজনৈতিক ক্ষমতা সুপ্ৰতিষ্ঠিত কৰাৰ লগে লগে বৃটিছ বিষয়াসকলক ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰশাসনিক বিষয়া হিচাবে নিযুক্ত কৰিছিল আৰু তেওঁলোকে শাসন কাৰ্য্যত আত্ম নিয়োগ কৰাৰ বাহিৰেও নিজ নিজ অঞ্চলৰ জনসাধাৰণৰপৰা বিবিধ লোকসাংস্কৃতিক সমল সংগ্ৰহ আৰু সম্পাদন কৰি ছপাই উলিয়াইছিল। খৃঃ ১৯০৩ চনত লৰ্ড কাৰ্জন-এ ভাৰতবৰ্ষত নৃতাত্বিক জৰীপ কাৰ্য্যৰ শুভ উদ্বোধন কৰে। এই বছৰতে চাৰ জৰ্জ গ্ৰীয়াৰ্ছনে তেওঁৰ বিখ্যাত 'Linguistic Survey of India"-ৰ প্ৰথম খণ্ডটো প্ৰকাশ কৰে। বিংশ শতিকাৰ আৰম্ভণিতে বৃটিছ শাসকসকলৰ প্ৰচেষ্টাই ভাৰতীয় নৃতত্ত্ব, লোকসংস্কৃতি আৰু ভাষাতত্ত্ব অধ্যয়নৰ প্ৰসঙ্গত যে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল তাত সন্দেহ নাই। বৃটিছ প্ৰশাসনিক বিষযাসকলে ভাৰতীয় সমলৰ ওপৰত নিৰ্ভৰ কৰি সংগ্ৰহ আৰু সম্পাদন কৰা গ্ৰন্থসমূহৰ বেছিভাগেই পাণ্ডিত্যপূৰ্ণ; অৱশ্যে দুই এখন এই জাতীয় গ্ৰন্থই পদ্ধতিৰ ক্ষেত্ৰত পৰিপূৰ্ণতা দাবী কৰিব নোৱাৰিলেও তেওঁলোকৰ প্ৰচেষ্টাই ভাৰতীয় লোকসংস্কৃতি অধ্যয়নত মূল্যবান অৰিহণা আগ নবঢ়োৱাকৈ থকা নাই।

বৃটিছ প্ৰশাসনিক বিষয়াসকলৰ পিছতে ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়নত এই দেশলৈ খৃষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ অহা পাদুৰীচাহাবসকলে তাৎপৰ্য্যপূৰ্ণ অৱদান আগবঢ়াইছে। খৃষ্ট ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা এইসকল পাদুৰী চাহাবৰ বাবে বিশেষভাৱে প্ৰয়োজন আছিল স্থানীয় নৃবৃত্ত অধ্যয়ন। যি গোষ্ঠী বা যি দল মানুহৰ মাজত তেওঁলোকে খৃষ্টধৰ্মৰ বাণী প্ৰচাৰ কৰিছিল সেইসকল লোকৰ সমাজতত্ত্ব, নৃতত্ত্ব আৰু লোকতত্ত্বৰ সম্যক জ্ঞান নিতান্ত প্ৰয়োজনীয় হৈ পৰিছিল। সেইবাবে এই পাদুৰী চাহাবসকলে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজলৈ গৈ তেওঁলোকৰ পৰা ক্ষেত্ৰসমল সংগ্ৰহ কৰি নৃতত্ত্ব আৰু লোকবিদ্যা বিষয়ক বুজন সংখ্যক গ্ৰন্থ প্ৰণয়ন কৰিছিল। মুঠতে ভাল পাদুৰী চাহাব হ'বলৈ হ'লে ভাল নৃতত্ত্ববিদো হোৱা উচিত।[১] পাদুৰী চাহাবসকলে বৃটিছ শাসন যন্ত্ৰৰ সহায়ত ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ ভাষা,

---

১. "Good missionaries have always been good anthropologists"
Eugene Nida *Message and Mission The Communication of the Christian Faith*. New York, 1960, p 253

ৰীতি-নীতি, লোকাচাৰ, উৎসৱ-অনুষ্ঠান, ধৰ্মীয়-বিশ্বাস, জীৱন-নিৰ্বাহৰ পদ্ধতি, মিথ, জনশ্ৰুতি, সাধুকথা, গীত-পদ আদি অধ্যয়ন কৰিছিল । লোকবিদ্যা পদ্ধতিগতভাৱে অধ্যয়ন কৰাৰ উদ্দেশ্যেৰে ইংলণ্ডত এটি সামূহিক অনুষ্ঠান প্ৰতিষ্ঠিত হৈছিল খৃঃ ১৮৭৮ চনত। এই অনুষ্ঠানটিৰ নাম *Folklore Society of London* । লোকবিদ্যা বা লোকসংস্কৃতিৰ বিভিন্ন দিশৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণৰ উদ্দেশ্য আগত ৰাখি স্থাপিত হোৱা অনুষ্ঠানৰ ভিতৰত *Folklore Society of London*-নামৰ অনুষ্ঠানটোৱেই প্ৰাচীনতম । এই অনুষ্ঠানটোৰপৰা *Folk-Lore Record* নামৰ আলোচনী এখনো খৃঃ ১৮৭৮ চনৰপৰা প্ৰকাশ কৰা হৈছিল। *Folklore Society of London*-ৰ জৰিয়তে, লোকসংস্কৃতিৰ চিন্তা-চৰ্চাৰ নতুন চেতনাৰ আৰম্ভণি হয় আৰু এই চেতনাই ভাৰতীয় লোকসাংস্কৃতিক সমল সংগ্ৰহ, বিচাৰ-বিশ্লেষণ-সম্পাদন আদিতো অৰ্থপূৰ্ণ প্ৰভাৱ পেলাইছিল। ভাৰতীয় লোকসংস্কৃতিৰ সমল চেন্সাচ ৰিপোৰ্ট (census reports), গেজেট (gazetteers) আৰু আলোচনী এই তিনিটা মাধ্যমৰ জৰিয়তেও সংগ্ৰহ কৰা হৈছিল। চেন্সাচ ৰিপোৰ্টৰ জৰিয়তে লোকসাংস্কৃতিক সমল সংগ্ৰহ কৰা বৃটিছ প্ৰশাসনিক বিষয়াসকলৰ ভিতৰত হাৰবাৰ্ট এইছ. ৰাইজলে (Herbert H Risley 1892), উইলিয়াম ক্ৰুক (William Crooke, 1896), ছাৰ এড্‌ৱাৰ্ড এলবাৰ্ট গেইট (Sir Edward Albert Gait 1901), ৰবাৰ্ট ৱেনচ্ ৰাচেল (Robert Vance Russel, 1901), হোৰাছ আৰ্থাৰ ৰোছ (Horace Arthur Rose, 1902 1911), জেমছ টি. মাৰটন (James T Marton 1911), উইলিয়াম এইছ. ছোবাৰ্ট (William H Shoobert, 1931) আদি উল্লেখযোগ্য ।

ইম্পাৰিয়েল গেজেট (*Imperial Gazetteers*) আৰু ভাৰতৰ ডিষ্ট্ৰিক গেজেট (District Gazetteers of India) আদিৰ জৰিয়তে লোকসাংস্কৃতিক সমল সংগ্ৰহ কৰা বৃটিছ প্ৰশাসনিক বিষয়াসকলৰ ভিতৰত ওৱালটাৰ হেমিলটন (Walteer Hamilton , 1828) সৰ্বাগ্ৰণী। তেওঁ *The East India Gazetter* নামৰ গ্ৰন্থখন দুটা খণ্ডত সম্পাদন কৰে। উইলিয়াম উইলছন হান্টাৰ-এ (William Wilson Hunter, 1892, 1907-09) *The Imperial Gazetteers* নামৰ গ্ৰন্থখন এক্ৰিশ ছযটা খণ্ডত সম্পাদন কৰে। ইযাৰ পৰৱৰ্তী কালত ছাৰ হাৰবাৰ্ট এইছ ৰাইজলে (Sir Herbert H Risley)-ৰ দ্বাৰা এই গ্ৰন্থখন পৰিবৰ্ধিত আৰু সম্পাদিত হৈছিল। বুকানন হেমিলটন (Buchanon Hamilton), পাৰ্চি হেমিংওৱে (Percy Hemingway), ছাৰ চাৰ্লচ গ্ৰেন্ট (Sir Charles Grant), উইলিয়াম ফ্ৰান্সেচ (William Frances), লেফটেনেন্ট কৰ্ণেল হেনৰী মিয়াৰ্চ এলিয়ট (Lt Col Henry Miers Elliot) আদি প্ৰশাসনিক বিষয়াই

ভাৰতৰ বিভিন্ন অঞ্চলৰ ডিষ্ট্ৰিক্ট গেজেটিয়াৰ (District Gazetteers) বি[illegible]ন কৰিছিল।

ইংৰাজী ভাষাত প্ৰকাশিত ভাৰতীয় গৱেষণামূলক আলোচনীবিলাকতো লোকসাংস্কৃতিক সমল সমৃদ্ধ বিভিন্ন প্ৰবন্ধ ছপা হৈছিল। ভাৰতীয় লোকসংস্কৃতিৰ বিভিন্ন দিশত আলোক সম্পাতকাৰী এই আলোচনী সমূহৰ ভিতৰত *জাৰ্নেল অৱ দি ৰয়েল এচিয়াটিক চোচাইটি অৱ বেংগল* (*Journal of the Royal Asiatic Society of Bengal, Calcutta*, 1832-64); 'ইন্দিয়ান এন্টিকুৱাৰি' (*Indian Antiquary*, Bombay, 1872-1933); 'দি পাঞ্জাৱ নোটছ্ এণ্ড কুৱেৰিজ' (*The Punjub Notes and Queries*, 1883-87); 'জাৰনেল অৱ দি এন্থ্ৰোপোলজিকেল চোচাইটি অৱ বোম্বাই' (*Journal of the Anthopological Society of Bombay* Calcutta, 1886-1936); 'নৰ্থ ইণ্ডিয়ান নোটছ কুৱেৰিজ' (*North Indian Notes and Queries* 1891-1896); 'জাৰনেল এণ্ড প্ৰচিডিংগছ এছিয়াটিক চোচাইটি অৱ বেংগল' (*Journal and Proceedings, Asiatic Society of Bengal*, Calcutta, 1905); 'দি জাৰ্নেল অৱ দি বিহাৰ এণ্ড উৰিষ্যা ৰিচাৰ্চ চোচাইটি' (*The Journal of the Bihar and Orissa Research Society*, Government Printing, Bihar and Orissa, 1915); 'মেন ইন ইণ্ডিয়া' (*Men in India*, Ranchi 1932); আদি উল্লেখযোগ্য। ইয়াৰ বাহিৰেও প্ৰচুৰ লোকসাংস্কৃতিক সমল ভাৰতৰ বাহিৰৰ গৱেষণামূলক আলোচনীসমূহত উনবিংশ শতিকাৰ শেষাৰ্ধত আৰু বিংশ শতিকাৰ পথমাৰ্ধত ছপা হৈছিল। এই আলোচনীসমূহৰ ভিতৰত 'ফোকলৰ ৰেকৰ্ডচ' (*Folklore-Records* 1878-1882), 'ফোকল'ৰ জাৰ্নেল' (*Folklore Journal* 1883-1919), 'ফোকলৰ' (*Folklore* 1890), 'জাৰনেল অৱ আমেৰিকান অৰিয়েন্টেল চোচাইটি' (*Journal of American Oriental Society*, 1843), 'আমেৰিকান জাৰনেল অৱ ফিললজি' (*American Journal of Philology*, 1880), 'জাৰনেল অৱ আমেৰিকান ফোকল'ৰ' (*Journal of American Folklore* 1888), 'মেন' (*Man* 1901), 'প্ৰচিদিংগচ অৱ আমেৰিকান ফিলচফিকেল চোচাইটি' (*Proceedings of American Philosophical Society* 1936) ইত্যাদি।

বৃটিছ প্ৰশাসনিক আৰু পাদুৰী চাহাবসকলে ভাৰতীয় লোকসাংস্কৃতিক সমল সংগ্ৰহ আৰু বিচাৰ-বিশ্লেষণ কৰি প্ৰণয়ন কৰা গ্ৰন্থসমূহৰ গুণগত বৈশিষ্ট্যলৈ লক্ষ্য কৰি এইবোৰক চাৰিটা স্তৰত ভাগ কৰিব পাৰি : (ক) প্ৰথম স্তৰ, (খ) দ্বিতীয় স্তৰ, (গ) তৃতীয় স্তৰ আৰু (ঘ) চতুৰ্থ স্তৰ।

(ক) প্ৰথম স্তৰ : প্ৰথম স্তৰৰ সময় মোটামুটিকৈ খৃঃ ১৮৩৮ চনৰপৰা খৃঃ ১৮৭৮ চনলৈ ধৰিব পাৰি। এই সময়ছোৱাত লোকসাংস্কৃতিক আৰু নৃতাত্ত্বিক যিবোৰ সমল সংগ্ৰহ কৰা হৈছিল তাৰ পৰিসৰৰ ভিতৰত খণ্ডিত লোককাহিনী, লোকবিশ্বাস, লোকাচাৰ আৰু গীত-পদ আদিয়েই উল্লেখযোগ্য। এইবোৰে যথাৰ্থতে ৰীতিগত আৰু পদ্ধতিগত ক্ষেত্ৰ অধ্যয়নৰ পৰিচয় দিব নোৱাৰে। গতিকে এইবোৰক অপটু পণ্ডিতৰ (amateurish) সংগ্ৰহ আখ্যা দিলে ভুল কৰা নহ'ব। এই সময়ছোৱাৰ ভিতৰত ৰচিত লোকসংস্কৃতি বিষয়ক গ্ৰন্থসমূহৰ ভিতৰত বিশেষকৈ দক্ষিণ-পূৱ ভাৰতৰ বিভিন্ন জনজাতি, যেনে : চাকমা, তিপ্ৰা, লুচাই আৰু কুকিৰ সাংস্কৃতিক জীৱনৰ বিস্তৃত বৰ্ণন সমৃদ্ধ *Wild Races of South Eastern India* নামৰ গ্ৰন্থখনলৈ আঙুলিয়াব পাৰি। এই গ্ৰন্থখন প্ৰণয়ন কৰিছিল থমাছ হাৰবাৰ্ট লেৱিন-এ। তেওঁ আছিল চিটাগং হিলৰ ডেপুটি কমিচনাৰ। গ্ৰন্থখনে ৰচয়িতাৰ বিস্তৃত ক্ষেত্ৰ অধ্যয়নৰ পূৰ্ণ পৰিচয় দিব পাৰে। খৃঃ ১৮৭০ চনত লণ্ডনৰপৰা পোনতে এই গ্ৰন্থখন প্ৰকাশ হৈছিল।

(খ) দ্বিতীয় স্তৰ : দ্বিতীয় স্তৰৰ সময় সাধাৰণতে খৃঃ ১৮৭৯ চনৰপৰা খৃঃ ১৯২০ চনলৈ ধৰিব পাৰি। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, খৃঃ ১৮৭৮ চনত লণ্ডনত *Folklore Society* প্ৰতিষ্ঠিত হোৱাৰ লগে লগে বৃটিছ উপনিৱেশত লোকসংস্কৃতিৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণ পদ্ধতিয়ে অভিনৱ দিগন্তত উপনীত হয়। এই অনুষ্ঠানৰ মুখপত্ৰ *Folklore-Record*-ত এডৱাৰ্ড টাইলাৰ, মেক্সমূলাৰ, এনড্ৰিউ লেং, ৱইলিয়াম জন থমছ, উইলিয়াম ৰলষ্টন, ছেদেন ৰলষ্টন (Shedden Ralston) আদি প্ৰথিত যশা পণ্ডিতসকলে ভাৰতীয় লোকসাংস্কৃতিক বিভিন্ন সমলৰ ওপৰত নিৰ্ভৰ কৰি বিবিধ গৱেষণামূলক প্ৰবন্ধ লিখিছিল। এই সময়ছোৱাত ই. চাইদনি হাৰটলেণ্ড (E Sydney Hartland), এডৱাৰ্ড ক্লড (Edward Clodd), জেমছ জৰ্জ ফ্ৰেজাৰ (James George Frazer) আদি কৃতবিদ্য পণ্ডিতসকলৰ অক্লান্ত প্ৰচেষ্টাত লোকসংস্কৃতিৰ অধ্যয়নৰ প্ৰসংগত নতুনত্বৰ সমাৱেশ হ'বলৈ ধৰে বিস্ময়কৰভাৱে। এওঁলোকৰ লগত যোগ দিছিল ৰিচাৰ্ড কাৰনেক টেম্পল (Richard Carnac Temple), লংৱৰ্থ ডেমছ (Longworth Dames), উইলিয়ামক্ৰুক, জন ছেক্সপীয়েৰ (John Shakespear) আদি পণ্ডিতসকলে। তেওঁলোকে লোকবিদ্যাৰ তুলনামূলক অধ্যয়নত গুৰুত্ব প্ৰদান কৰিছিল। এই সময়ৰপৰাই লোকবিদ্যাৰ চিন্তা-চৰ্চা অপটুলোকৰ আনন্দদায়ক কাম ৰূপে বিবেচনা নকৰি অধ্যয়নৰ নতুন ক্ষেত্ৰ ৰূপেহে বিবেচনা কৰিবলৈ লোৱা হ'ল।

(গ) তৃতীয় স্তৰ : তৃতীয় স্তৰৰ সময় সীমা সাধাৰণভাৱে খৃঃ ১৯২১ চনৰপৰা খৃঃ ১৯৪৭ চনলৈ ধৰিব পাৰি। এই সময়ছোৱাত নৃতত্ত্ব, ভাষাতত্ত্ব আৰু লোকবিদ্যা

অধ্যয়নত বিশেষকৈ পদ্ধতিৰ ক্ষেত্ৰত অভিনৱত্ব সূচিত হ'বলৈ ধৰে। ১৯২১ চনৰ পৰা ১৯৪৭ চনলৈকে যিসকল লোকবিদ্যাবিদে লোকসাংস্কৃতিক সমল সংগ্ৰহ আৰু সম্পাদনা কৰিছিল তেওঁলোকৰ অধ্যয়ন পদ্ধতি পূৰ্বৰ পণ্ডিতসকলৰ অধ্যয়ন পদ্ধতিৰ তুলনাত আছিল উন্নতৰ আৰু ৰীতিবদ্ধ। এই সময়ছোৱাত জন হেনৰী হাটন (John Henry Hutton), জেমছ্ ফিলিপ মিল্‌ছ্ (James Philip Mills), পাউল ওলফ্ বোডিং (Poul Olaf Bodding), নৰমান মোচলে পেন্‌জাৰ (Norman Mosley Penzer) আৰু বেৰিয়াৰ এলৱিন-এ (V. Elwin) লোকবিদ্যাৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণত অভিনৱ যুগৰ সূচনা কৰে।

(ঘ) চতুৰ্থ স্তৰ : চতুৰ্থ স্তৰৰ সময় সীমা খৃঃ ১৯৪৭ চনৰপৰা খৃঃ ১৯৬০ চন পৰ্যন্ত বিস্তৃত। এই সময়ছোৱাৰ যুগান্তকাৰী ৰাজনৈতিক ঘটনা হ'ল— ভাৰতবৰ্ষই দ্বিখণ্ডত অৰ্থাৎ ভাৰত আৰু পাকিস্থান এই দুটা ভাগত বিভক্ত হৈ স্বাধীনতা লাভ কৰে। প্ৰাক্ স্বাধীনতা আৰু পূৰ্ব স্বাধীনতাৰ ঐতিহাসিক, ৰাজনৈতিক আৰু সামাজিক চেতনাৰ প্ৰবাহে এই সময়ৰ লোকবিদ্যাক জন-সাধাৰণৰ বাহিৰেও চিন্তাবিদ্‌সকলক ৰোমাণ্টিক জাতীয় প্ৰেমৰ অন্যতম উৎস ৰূপে ভাবিবলৈ বাধ্য কৰাইছিল। গতিকে এই সময়ৰ লোকবিদ্যাৰ চিন্তা-চৰ্চাত গভীৰ জাতীয় প্ৰীতিৰ আদৰ্শ পুঞ্জীভূত হৈ থকা দেখা যায়। আনকি এই সময়ৰ বৃটিছ্ নৃতত্ত্ববিদ্ আৰু লোকবিদ্যাবিদ্ সকলে ভাৰতীয় লোকৰ জাতীয় প্ৰীতিৰ প্ৰতি সন্মান জনাইছিল। বেৰিয়াৰ এলৱিন-এ ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰি পূৰ্বৰ দৰেই ভাৰতৰ লোকতাত্ত্বিক অধ্যয়ন চলাই থাকিল। ভাৰতীয় পণ্ডিতেও জাতীয় প্ৰীতিৰদ্বাৰা উদ্বুদ্ধ আৰু অনুপ্ৰাণিত হৈ নিষ্ঠা আৰু সাধনাসহ লোকসংস্কৃতিৰ পদ্ধতিমূলক অধ্যয়নত ব্ৰতী হৈ থাকিল।

উপৰত ভাৰতবৰ্ষৰ প্ৰসংগত বৃটিছ্ শাসনৰ আৰম্ভণিৰেপৰা ১৯৬০ চনলৈকে ভাৰতীয় লোকসংস্কৃতিৰ সন্দৰ্ভত হোৱা চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণৰ এটি [illegible]ম সংকেত দিবলৈ প্ৰয়াস কৰা হৈছে। কোনোবাই হয়তো এইক্ষেত্ৰত আপত্তি উঠিব পাৰে— অসমৰ লোকসংস্কৃতিৰ অধ্যয়নৰ প্ৰসংগত ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়নৰ প্ৰাসংগিকতা নাই। এই প্ৰশ্নটো তেনেই অমূলক বুলিব নোৱাৰি; কিন্তু মনত ৰাখিব লাগিব যে, অসমীয়া সংস্কৃতি বা লোকসংস্কৃতি সামাজিক ব্যাপাৰ। এই সামাজিক ব্যাপাৰ ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ লগত সম্বন্ধ প্ৰযুক্ত। অসমীয়া সমাজ জীৱন যিদৰে ভাৰতীয় সমাজ জীৱনৰ ঊৰ্দ্ধত পৰ্যাবেক্ষণ কৰিব নোৱাৰি তদ্ৰূপ অসমীয়া লোকসংস্কৃতিৰ চিন্তা-চৰ্চা আৰু অধ্যয়নৰ ইতিহাস ভাৰতীয় লোকসংস্কৃতিৰ পৰিপ্ৰেক্ষিতভতহে বিচাৰ কৰিব লাগিব। দ্বিতীয়তে, অসমৰ লোকসংস্কৃতিৰ চিন্তা-চৰ্চা

ভাৰতীয় লোকসংস্কৃতিৰ চৰ্চা-চৰ্চাৰ এটি দিশহে। গতিকে অসমৰ লোকসংস্কৃতিৰ বিচাৰ-বিশ্লেষণ সম্পৰ্কে আলোচনা কৰিব লাগিলে ভাৰতবৰ্ষৰ প্ৰাসংগিকতা অনাটো আপত্তিজনক হ'ব নোৱাৰে।

ভাৰতীয় লোকসংস্কৃতিৰ নিচনাকৈ অসমৰ লোকসাংস্কৃতিক সমল সংগ্ৰহ, বিচাৰ-বিশ্লেষণ আৰু সম্পাদনৰ শুভাৰম্ভণি সূচাইছিল বৃটিছ প্ৰশাসনিক বিষয়া আৰু পাদুৰী চাহাবসকলে। কোনোবাই হয়তো ক'ব পাৰে যে, অসমৰ মধ্যযুগীয় কবি-সাহিত্যিকসকলৰ নিৰ্মিতিৰাজিতো বিস্তৰ পৰিমাণে অসমৰ লোকসাংস্কৃতিক সমল পোৱা যায়। গতিকে বৃটিছসকলে অসমত প্ৰৱেশ কৰাৰ পূৰ্বেই আমাৰ অসমীয়া কবি-সাহিত্যিকসকলে লোকসংস্কৃতিৰ বিষয়ে চিন্তা-চৰ্চা কৰিছিল। সন্দেহ নাই মাধৱ কন্দলী, হৰিহৰ বিপ্ৰ, মনকৰ, দুৰ্গাবৰ, পীতাম্বৰদ্বিজ, সুকবি নাৰায়ণদেৱ, ষষ্ঠীবৰ, শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী, শ্ৰীধৰ কন্দলী, গোবিন্দ মিশ্ৰ, কবিৰাজ ৰামনাৰায়ণ চক্ৰবৰ্তী আদি কবিসকলৰ কৃতিত লোকসাংস্কৃতিক সমলৰ প্ৰতিফলন পোৱা যায়, কিন্তু সেইয়া প্ৰতিফলনহে পদ্ধতিগত অধ্যয়ন নহয়। দ্বিতীয়তে, লোক কবিতাই লিখিত পৰম্পৰাত প্ৰৱেশ কৰিব পাৰে; কিন্তু লোকসংস্কৃতিৰ এই দ্বিতীয় অস্তিত্বৰ উদ্দেশ্য আৰু লক্ষ্য লোকসংস্কৃতিৰ পদ্ধতিগত বিচাৰ-বিশ্লেষণ নহয়। গতিকে সন্দেহ নাই যে, অসমৰ লোকসাংস্কৃতিক সমলৰাজিৰ সুসংবদ্ধ আৰু প্ৰণালীবদ্ধ অধ্যয়নৰ পৰম্পৰা আৰম্ভ হয়- বৃটিছসকলে অসমত ৰাজনৈতিক উদ্দেশ্যৰে প্ৰৱেশ কৰাৰ পিছৰেপৰা। তৃতীয়তে, এই প্ৰসংগত আৰু এটি কথা কৈ থোৱা উচিত হ'ব যে, আমাৰ আলোচনাত উল্লেখ থকা 'অসম' শব্দৰ পৰিসীমা সাম্প্ৰতিক অসমৰ ভৌগোলিক চাৰিসীমাতে আবদ্ধ নহয়, পূৰ্বৰ বৰ অসম অৰ্থাৎ বৰ্তমানৰ অৰুণাচল, নগাভূমি, মিজোৰাম, মণিপুৰ, ত্ৰিপুৰা আৰু মেঘালয়কো ই সামৰিব।

অসমৰ লোকসাংস্কৃতিক সমল সংগ্ৰহ, বিচাৰ-বিশ্লেষণ আৰু সম্পাদন অৰ্থাৎ পদ্ধতিগত অধ্যয়ন-ইতিহাস সাধাৰণভাৱে চাৰিটা স্তৰত বিভক্ত। প্ৰথম স্তৰ অৰ্থাৎ খৃঃ ১৮৩৮ চনৰ পৰা ১৮৭৮ চনলৈকে— এই সময়ছোৱাৰ ভিতৰত লোকসাংস্কৃতিক সমল সংগ্ৰহ আৰু সম্পাদনৰ নিদৰ্শন স্বৰূপে 'ইণ্ডিয়ান এণ্টিকুৱাৰি'-ত (*Indian Antiquary*) খৃঃ ১৮৭৫ চনত প্ৰকাশ হোৱা দুটা মণিপুৰী সাধুকথালৈ আঙুলিয়াব পাৰি। এই কাহিনী দুটা সংগ্ৰহ আৰু সম্পাদন কৰিছিল জি. এইচ. ডামন্ট-এ(G H Damant)। এই আলোচনীখনৰ ১ম, ২য়, ৩য়, ৪ৰ্থ, ৬ষ্ঠ আৰু ৯ম সংখ্যাত তদানীন্তন অসমৰ বিভিন্ন অঞ্চলৰপৰা কেইবাটিও সাধুকথা সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল। এইগৰাকী বৃটিছ সংগ্ৰাহকে বিদ্ৰোহী জেমীনগাৰ হাতত প্ৰাণ শোধায়।

ইতিমধ্যে উল্লেখ কৰি অহা থমাছ হাৰবাৰ্ট লেৱিন (Lewin)- এই সময়ছোৱাৰে এগৰাকী বৃটিছ প্ৰশাসক। তেওঁ *Wild Races of South-Eastern India* (London. 1870) গ্ৰন্থখন ৰচনা কৰে লোকসাংস্কৃতিক সমলৰ ওপৰত নিৰ্ভৰ কৰি। এই গ্ৰন্থখনৰ বাহিৰেও লেৱিন-এ লুচাইসকলৰ কথিত ভাষা, শব্দ সম্ভাৰ আৰু লোককথাসমূহ সংগ্ৰহ আৰু সম্পাদনা কৰি *Progressive Colloquial Exercise in the Lushai dialect or the Dzo or Kuki Language with Vocabularies and popular tales* নামৰ গ্ৰন্থখন ৰচনা কৰে, আৰু এই গ্ৰন্থখন কলিকতাৰপৰা খৃঃ ১৮৭৪ চনত প্ৰথম ছপা হৈছিল। গ্ৰন্থখনে লেৱিন-ৰ সাৰ্থক পদ্ধতি প্ৰযোগৰ নিদৰ্শন দাঙি ধৰিব পাৰে।

মন্ট গোমেৰি মাৰ্টিন-ৰ (Montgomery Martin) দ্বাৰা ৰচিত আৰু খৃঃ ১৮৩৭ চনত প্ৰকাশিত *Eastern India* নামৰ গ্ৰন্থৰ তৃতীয় খণ্ডত গোৱালপাৰা আৰু উত্তৰ বংগৰ লোকজীৱনৰ নিৰ্ভৰযোগ্য বৰ্ণনা পোৱা যায়।

জন বুটলাৰৰ (John Butler) *A Sketch of Assam with some Accounts of the Hill Tribes* নামৰ গ্ৰন্থখন লণ্ডনৰপৰা খৃঃ ১৮৪৭ চনত ছপা হয়। গ্ৰন্থখন অসমৰ ভৈয়াম আৰু পাহাৰবাসী অধিবাসীসকলৰ লোকসাংস্কৃতিক সমলেৰে শৰদ্ধ। এই গৰাকী লেখকৰ *Travels and Adventures in the Province of Assam* নামৰ গ্ৰন্থখন খৃঃ ১৮৫৪ চনত লণ্ডনৰপৰা প্ৰকাশ হয়। এই গ্ৰন্থখনতো অসমৰ লোকজীৱনৰ সাধাৰণ পৰিচয় পোৱা যায়।

দ্বিতীয় স্তৰ খৃঃ ১৮৭৯ চনৰপৰা ১৯২০ চন পৰ্যন্ত বিস্তৃত। উত্তৰ-কাছাৰ পাহাৰী অঞ্চলৰ কছাৰীসকলৰ (ডিমাছা কছাৰী সকলৰ) নৃতাত্বিক আৰু লোকসাংস্কৃতিক সমল সংগ্ৰহ আৰু বিশ্লেষণ কৰি চি এ চপিট-এ (C A Sopitt) *A Historical and Descriptive Account of the Kachari Tribes in the North Cachar Hills with Specimens of Tales and Folklore* নামৰ মনোগ্ৰাফখন ৰচনা কৰে। খৃঃ ১৮৮৫ চনত এই গ্ৰন্থখন চিলঙৰপৰা ছপা হৈছিল। উত্তৰ-কাছাৰ পাহাৰী অঞ্চলৰ অধিবাসী ডিমাছা কছাৰীসকলৰ নৃতত্ত্ব আৰু লোকসংস্কৃতিৰ সম্যক আভাস এই গ্ৰন্থখনৰপৰা পোৱা যায়। এইগৰাকী লিখকৰ *A Short Account of the Kacha Naga Tribes* খৃঃ ১৮৮৫ চনত ছপা হয়। তেওঁৰ আন এখন গ্ৰন্থ *A Short Account of the Kuki Luchai Tribes of the N E Frontier* খৃঃ ১৮৮৪ চনত ছপা হয়।

এই সময়ছোৱাৰ ভিতৰতে প্ৰকাশ হোৱা এ.জে. প্ৰিমচোৰ-ৰ (A J Primsore) *Manipuri Grammar* ভাষাতত্ত্ব বিষয়ক গ্ৰন্থ। এইখনেই মেইতেই ভাষাৰ প্ৰথম ব্যাকৰণ। গ্ৰন্থখনত কেইটিমান মেইতেই প্ৰবচন সন্নিবেশিত হৈছে। প্ৰবচন

লোকসংস্কৃতিৰ অন্তৰ্গত একশ্ৰেণীৰ বাচিক কলা। খৃঃ ১৮৮৮ চনত চিলঙৰপৰা এই গ্ৰন্থখন ছপা হৈছিল।

ডোনাল্ড-ৰ (Donald) *Ivory Carvings in Assam* নামৰ গ্ৰন্থখন ছপা হয় খৃঃ ১৮৯৬ চনত। অসমৰ পৰম্পৰাগত লোকশিল্প আৰু লোককলাৰ সম্যক পৰিচয় এই গ্ৰন্থখনৰপৰা পোৱা যায়।

অসমৰ ভৌতিক সংস্কৃতি বিষয়ক বৰ্ণনাৰে সমৃদ্ধ এল.এইচ. চমান-ৰ (L H Samman) *Monograh on the Cotton Fabrics of Assam* গ্ৰন্থখন কলিকতাৰপৰা ছপা হৈছিল খৃঃ ১৮৯৭ চনত।

টি.ছি. হেনিকেৰ-ৰ (T.C. Henniker) *The Gold and Silver wares of Assam* নামৰ গ্ৰন্থখন খৃঃ ১৯০৫ চনত চিলঙৰপৰা ছপা হৈছিল। অসমৰ লোকশিল্প আৰু লোককলাৰ পদ্ধতিগত বৰ্ণন গ্ৰন্থখনৰ অন্যতম বৈশিষ্ট্য।

জে.ই. ফ্ৰেইণ্ড পেৰেইৰা-ৰ (J.E. Friend Pereira)দ্বাৰা ৰচিত *The Rabhas* নামৰ খণ্ডটো *Census Report of India*-ৰ তৃতীয় খণ্ডৰ প্ৰথম অংশ ৰূপে খৃঃ ১৯১১ চনত প্ৰকাশ হয়। *The Rabhas* নামৰ মনোগ্ৰাফ ধৰ্মী অংশটো অসমৰ অন্যতম নৃ-গোষ্ঠী ৰাভাসকলৰ লোকজীৱনৰ নিখুত বৰ্ণনাৰে সমৃদ্ধ।

এই সময়ছোৱাত দেশীয় পণ্ডিত দুই-এজনেও লোকবিদ্যাৰ বিভিন্ন দিশত আলোক সম্পাত কৰি গ্ৰন্থ প্ৰণয়ন কৰাৰ নিদৰ্শন পোৱা যায়— হেমচন্দ্ৰ বৰুৱাৰ Marriage Customs of the people of Assam নামৰ গ্ৰন্থখনৰ জৰিয়তে। গুৱাহাটীৰপৰা খৃঃ ১৮৯২ চনত এই গ্ৰন্থখন প্ৰথম ছপা হৈছিল। লোকাচাৰৰ অন্তৰ্গত উৎসৱ-অনুষ্ঠানৰ ভিতৰুৱা সংস্কাৰমূলক কৃত্যৰ ভিতৰত বিৱাহ অন্যতম। বৈদিক পৰম্পৰা অনুসৰি অসমৰ অজনজাতীয় লোকৰ বিৱাহ-কৃত্য সম্পন্ন হ'লেও ইয়াৰ বিভিন্ন প্ৰসংগত স্থানীয় অৰ্থাৎ লোকসাংস্কৃতিক জীৱনৰ বিবিধ সমলৰ স্থিতি লক্ষ্য কৰা যায়। হেমচন্দ্ৰ বৰুৱাই এনেবোৰ বিশেষত্বৰ প্ৰতি আঙুলিয়াই দিছে বিশ্লেষণশীল দৃষ্টিভংগীৰে। এই প্ৰসংগত বেণুধৰ ৰাজখোৱাৰ নামো উল্লেখ কৰিব লাগিব। অসমীয়া লোকজীৱনত প্ৰচলিত ভূত-প্ৰেত সম্পৰ্কীয় বিশ্বাসৰ আধাৰত তেওঁ *Assamese Demonology* নামৰ গ্ৰন্থখন প্ৰণয়ন কৰে আৰু এই গ্ৰন্থখন ১৯০৫ চনত গুৱাহাটীৰপৰা ছপা হয়। অসমীয়া সামাজিক জীৱনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰি থকা লোকবিশ্বাসসমূহ সংগ্ৰহ আৰু সম্পাদন কৰি ৰাজখোৱাই *Assamese Popular Superstitions* নামৰ গ্ৰন্থখন ৰচনা কৰে। খৃঃ ১৯২০ চনত এই পুথিখন যোৰহাটৰপৰা ছপা হয়। ১৯৭৩ চনত ড° প্ৰফুল্লদত্ত গোস্বামীৰ সম্পাদনাত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা এই পুথিখনৰ দ্বিতীয়

সংস্কৰণটি ছপা হয়। পুথিখনৰ প্ৰথম সংস্কৰণত লোকবিশ্বাস সম্পৰ্কীয় আলোচনা উপস্থাপন কৰা হোৱা নাছিল। পুথিখনৰ দ্বিতীয় সংস্কৰণত ড° গোস্বামীয়ে এই অভাৱটি কিছু পৰিমাণে দূৰ কৰিবলৈ চেষ্টা কৰিছে।

জে.ডি. এণ্ডাৰছন (J.D. Anderson) আছিল বৃটিছ প্ৰশাসনিক বিষয়া (Indian Civil Servise Officer) আৰু তেওঁ দীৰ্ঘকাল অসমত আছিল। এই সময়ছোৱাত তেওঁ কছাৰীসকলৰ মাজত প্ৰচলিত সাধুকথা আৰু ল'ৰা-ছোৱালীৰ লগত জৰিত গীত-পদ (rhymes) সংগ্ৰহ কৰি *Collection of Kachari Folk-Tales and Rhymes* নামৰএখন গ্ৰন্থ ৰচনা কৰে আৰু এই গ্ৰন্থখন খৃঃ ১৮৯৫ চনত চিলঙৰপৰা পোনতে প্ৰকাশ হয়। ১৯৮১ চনত দ্বিতীয়বাৰৰ.বাবে অসম জনসংস্কৃতি সমাজে (Folklore Society of Assam, Gauhati) এণ্ডাৰছনৰ এই গ্ৰন্থখন ছপা কৰে। গ্ৰন্থখনিত প্ৰায় ১৬ টা সাধুকথা আৰু কেবাটিও লোকগীত আৰু শিশুৰ লগত জৰিত গীত সন্নিবিষ্ট কৰা হৈছে। সাধুকথা আৰু গীতকেইটি কছাৰী (বৰো) ভাষাত আৰু সেইবোৰৰ অৰ্থ ইংৰাজীত দিয়া হৈছে। সাধুকথা কেইটিয়ে কছাৰীসকলৰ মাজত প্ৰচলিত বিভিন্ন শ্ৰেণীৰ সাধুকথাৰ প্ৰতিনিধিত্ব কৰিব পাৰে। ইয়াৰ ভিতৰত টেটোন জাতীয় "Tortoise and Monkey"ৰ লেখিয়া সাধুকথাৰ প্ৰচলন জাপানতো আছে।

এণ্ডাৰছনৰ দৰে মেজৰ ফিলিপ ৰিচাৰ্ড টি গাৰডন (Major Philip Richerd T. Gurdon) চাহাবো আছিল বৃটিছ প্ৰশাসনিক বিষয়া। তেওঁ অসমীয়া প্ৰবচন কিছুমান সংগ্ৰহ কৰি পদ্ধতিগতভাৱে বিচাৰ-বিশ্লেষণ কৰি *Assamese Proverbs* নামেৰে খৃঃ ১৮৯৬ চনত চিলঙৰপৰা ছপা কৰে। তেওঁৰ আন এখন প্ৰসিদ্ধ মনোগ্ৰাফ হ'ল *The Khasis*। এই গ্ৰন্থখনো খৃঃ ১৯০৭ চনত চিলঙৰপৰা ছপা হয়। খাচিসকলৰ নৃতাত্ত্বিক বিশ্লেষণ গ্ৰন্থখনিৰ অন্যতম লক্ষ্য। নিষিদ্ধআচৰণ, ভূত-প্ৰেত, যাদু-বশীকৰণ, সাধুকথা আদি খাচি লোসসাংস্কৃতিক সমলো গ্ৰন্থখনিত উপস্থাপন কৰা দেখা যায়। উপস্থাপিত সাধুকথাৰ ভিতৰত কেইটিমানত হিন্দুসকলৰ মাজত প্ৰচলিত পৌৰাণিক সাধুকথায়ো স্থান পাইছে। অৱশ্যে লোকবিদ্যা আৰু লোককথাৰ মাজত পাৰ্থক্য দেখুৱাবলৈ গৰ্ডন-এ মুঠেই চেষ্টা কৰা নাই।

জৰ্জ গ্ৰীয়াৰচনৰ (George Grierson) জীৱন্ত কীৰ্তি স্বৰূপ 'The Linguistic-Survey of India' এঘাৰটা খণ্ডৰ সমষ্টি। এই আটাইকেউটা খণ্ড কলিকতাৰপৰা খৃঃ ১৯০৩ চনৰপৰা খৃঃ ১৯২৮ চনৰ ভিতৰত ছপা হয়। এই খণ্ডকেইটাৰ ভিতৰত দ্বিতীয় খণ্ডটোত অসমীয়া ভাষাৰ আদিৰপৰা বৰ্তমানলৈ ঐতিহাসিক আৰু প্ৰণালীবদ্ধ আলোচনা কৰাৰ উপৰিও কেইবাটিও সাধুকথা সন্নিৱেশিত হৈছে। গ্ৰীয়াৰছন-এ

গোপীচন্দ্ৰৰ গান নামৰ মালিতাটি সংগ্ৰহ কৰি *জাৰ্নেল অৱ দি এচিয়াটিক চোচাইটি অৱ বেংগল*-ৰ ৫৬তম খণ্ডত ছপা কৰে।

এডৱাৰ্ড ষ্টেক-এ (Edward Stack) মিকিৰসকলৰ (বৰ্তমান কাৰবি) নৃতাত্ত্বিক আৰু লোকসাংস্কৃতিক উভয় দিশ সামৰি *The Mikirs* নামৰ এখন গ্ৰন্থ ৰচনা কৰে। অৱশ্যে গ্ৰন্থখন ছপা হোৱা নাছিল। চাৰ চাৰ্লছ লায়ল-এ (Sir Charles Lyall) অপ্ৰকাশিত এই গ্ৰন্থখনৰ বিষয়বস্তু সম্পাদন, পৰিবৰ্ধন, পৰিবৰ্তন আৰু সংযোজন কৰাৰ পিছতহে লণ্ডনৰপৰা খৃঃ ১৯০৮ চনত গ্ৰন্থখন ছপা হয়। এডৱাৰ্ড ষ্টেক আছিল বৃটিছ প্ৰশাসনিক বিষয়া। তেওঁ প্ৰশাসনিক বিষয়া হিচাবে মিকিৰ অধ্যুষিত অঞ্চলত ঘূৰি ফুৰি প্ৰকৃত প্ৰসংগৰপৰা ক্ষেত্ৰসমল সংগ্ৰহ কৰি আনি গ্ৰন্থখন ৰচনা কৰিছিল। *The Mikirs* গ্ৰন্থৰ Folklore শীৰ্ষক অধ্যায়টিত মিকিৰসকলৰ সমাজত প্ৰচলিত কেইটিমান সাধুকথা সংযোজন কৰা দেখা যায়। এই সাধুকথা কেইটি টেটোন, ৰোমাণ্টিক আৰু সৃষ্টিমূলক মিথ আদি বিভিন্ন শ্ৰেণীত ভাগ কৰিব পাৰি। পদ্ধতিগত দিশত এই গ্ৰন্থখন নিখুঁত বুলিব পাৰি।

মণিপুৰৰ মেইটেইসকলৰ নৃতাত্ত্বিক আৰু লোকসাংস্কৃতিক দিশৰ ওপৰত অৰ্থপূৰ্ণ আলোক সম্পাত কৰি টমাছ কলান হাডছন-এ (Thomas Callan Hodson) *The Maitheis* নামৰ গ্ৰন্থখন ৰচনা কৰে। হাডছন আছিল প্ৰশাসনিক বিষয়া। গ্ৰন্থখন খৃঃ ১৯০৮ চনত লণ্ডনৰপৰা ছপা হয়। *The Maitheis* গ্ৰন্থৰ Folklore শীৰ্ষক খণ্ডটি অতিকে মূল্যবান। এই খণ্ডটি ছয়টা লোককথাৰ সমষ্টি। 'মুমিত কপ্প' (The man who shot the sun), 'খম্বা-থোইবি' আদি লোককথাই মেইতেইসকলৰ সমাজ আৰু সাংস্কৃতিক জীৱনৰ পৰিচয় দিব পাৰে। টি.ছি. হাডছন-এ মণিপুৰৰ নগাসকলৰ সমাজ জীৱন আৰু লোকসাংস্কৃতিক জীৱনৰ লগত জৰিত বিভিন্ন সমল ক্ষেত্ৰ অধ্যয়নৰ সংযোগত সংগ্ৰহ কৰি *The Naga Tribes of Manipur* নামৰ গ্ৰন্থখন ৰচনা কৰে আৰু ১৯১১ চনত এই গ্ৰন্থখন লণ্ডনৰপৰা ছপা হয়। গ্ৰন্থখনৰ ক্ষেত্ৰ সমল সংগ্ৰহ কৰোতে হাডছনৰ প্ৰয়োজন হৈছিল দহবছৰৰ। ইয়াত পাঁচটা লোককথাও সন্নিৱেশিত হৈছে।

মেজৰ এলান প্লেফেয়াৰ (Major Alan Playfair) আছিল পূব ভাৰতৰ বৃটিছ প্ৰশাসনিক বিষয়া। তেওঁ পূৰ্ববংগ অৰ্থাৎ বৰ্তমানৰ বাংলাদেশ আৰু অসমৰ অন্যতম নৃগোষ্ঠী গাৰোসকলৰ নৃতাত্ত্বিক আৰু লোকসাংস্কৃতিক উভয় দিশতে সমানে গুৰুত্ব আৰোপ কৰি *The Garo's* নামৰ গ্ৰন্থখন প্ৰণয়ন কৰে আৰু লণ্ডনৰপৰা খৃঃ ১৯০৯ চনত গ্ৰন্থখন প্ৰকাশ হয়। গ্ৰন্থখনৰ Folklore অংশত সাতোটা লোককাহিনীয়ে স্থান

পাইছে।

ৰেভাৰেণ্ড ছিদ্‌নি এণ্ডেল-ৰ. (Rev. Sidney Endle) *The Kacharis* এই সময়ছোৱাত ৰচিত এখন উল্লেখযোগ্য মনোগ্ৰাফ। এণ্ডেল সুদক্ষ নৃতত্ত্ববিদ্ নাছিল, পাদুৰী আৰু যাজকৰূপে তেওঁ অসমত প্ৰায় ৪৩ বছৰ আছিল। বিশেষকৈ উত্তৰ অসমৰ কছাৰীসকলৰ সাংস্কৃতিক জীৱনৰ লগত তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক ৰক্ষিত হৈছিল আৰু এই অভিজ্ঞতাৰ ভিত্তিত তেওঁ *The Kacharis* গ্ৰন্থখন লিখে। লণ্ডনৰ্‌পৰা ১৯১১ চনত এই গ্ৰন্থখন ছপা হৈছিল। গ্ৰন্থখনিত মুঠতে সাতটা লোক কাহিনীয়ে স্থান পাইছে। পদ্ধতিগত দিশত গ্ৰন্থখনে পৰিপূৰ্ণতা দাবী কৰিব নোৱাৰিলেও অসমৰ কছাৰী (বৰো-কছাৰী) সকলৰ সাংস্কৃতিক জীৱনৰ পূৰ্ণ পৰিচয় দাঙি ধৰাৰ প্ৰসংগত ইয়াৰ মূল্য অস্বীকাৰ কৰিব নোৱাৰি।

জন ছেক্সপীয়েৰৰ (John Shakespear) দ্বাৰা ৰচিত *The Lushai Kuki Clans* নামৰ গ্ৰন্থখনি পূৰ্ব ভাৰতৰ নৃ-গোষ্ঠী সমূহৰ বিষয়ে লিখা মনোগ্ৰাফ সমূহৰ ভিতৰত নিশ্চিতভাবে অন্যতম। এই গ্ৰন্থখন পোনতে ছপা হৈছিল লণ্ডনত খৃঃ ১৯১২ চনত। জন ছেক্সপীয়েৰ প্ৰশাসনিক বিষয়া ৰূপে খৃঃ ১৮৮৮ চনত লুচাই পাহাৰলৈ গৈছিল আৰু তাত তেওঁ দীৰ্ঘদিন আছিল। এই সুবিধাতে তেওঁ ক্ষেত্ৰ সমল সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। গতিকে বিষয়বস্তুৰ সঠিকতাৰ কালৰপৰা তেওঁৰ গ্ৰন্থখনিৰ মূল্য স্বীকাৰ কৰিব লাগিব। খৃঃ ১৯০৯ চনৰ ১৬ জুনত অনুষ্ঠিত লণ্ডনৰ *Folklore Society*-ৰ অধিৱেশনত জন ছেক্সপীয়েৰে "Folktales of the Lushais and Their Neighbours" নামৰ গৱেষণামূলক প্ৰবন্ধ এটি পাঠ কৰি সুদক্ষ লোকবিদ্যাবিদ্ ৰূপে ইংৰাজ সমাজত প্ৰতিষ্ঠা লাভ কৰিছিল। এই প্ৰবন্ধটিত তেওঁ লুচাইসকলৰ সমাজত প্ৰচলিত জনশ্ৰুতিমূলক ১৪ টা লোককথাৰ সমল সংগ্ৰহ কৰিছে।

এণ্ডেলৰ পিছতে পাদুৰীসকলৰ ভিতৰত লোকসাংস্কৃতিক সমলৰ আধাৰত গ্ৰন্থ ৰচনা কৰা আন এগৰাকী লিখিকা আছিল শ্ৰীমতী ৰোবাৰ্টছ (Mrs. Roberts)। তেওঁ *Khasi Folk-Lore* নামৰ সৰু পুথি এখন লিখে। খৃঃ ১৯১৪ চনত পুথিখন ছপা হৈছিল লণ্ডনৰপৰা। পুথিখন ৩৬ টা লোককথাৰ সমষ্টি। লোককথা কেইটি জন্তু বিষয়ক, নৈদানিক, সৃষ্টিমূলক মিথ, জনশ্ৰুতিমূলক আদি শ্ৰেণীত বিভাজন কৰিব পাৰি :

এৱেলিন বেৰকেলে হোৱেল (Evelyn Berkelay Howell) নামৰ আন এগৰাকী বৃটিছ প্ৰশাসনিক বিষয়াই আংগামী নগাসকলৰ মাজত প্ৰচলিত ২৮ টা মালিতা সংগ্ৰহ কৰি, Border Ballads of the Angami Nagas of Assam নামেৰে 'Folk-Lore'

আলোচনীৰ ২৫তম আৰু ২৬তম সংখ্যাত প্ৰকাশ কৰিছিল।

শ্ৰীযুতা কে.বি. ৰেফি-এ (Mrs. K.V. Rafy) খাচিসলৰ মাজত প্ৰচলিত লোককথা সংগ্ৰহ কৰি *Folk-tales of the Khasis* নামৰ এখন গ্ৰন্থ ৰচনা কৰে আৰু খৃঃ ১৯২০ চনত লণ্ডনৰপৰা গ্ৰন্থখন ছপা হয়।

এই সময়ছোৱাত অসমীয়া ভাষাত ৰচিত লোকসাংস্কৃতিক বিষয়ক গ্ৰন্থসমূহৰ ভিতৰত ভদ্ৰসেন বৰাৰ *ৰামচৰিত* লৈ আঙুলিয়াব পাৰি। পুথিখন কেবাটিও দিষ্টান বা সাঁথৰৰ সমষ্টি। ১৮৯৯ চনত ডিব্ৰুগড়ৰপৰা পুথিখন ছপা হয়। এইগৰাকী লেখকেই *ফুলকোঁৱৰ* আৰু *মণিকোঁৱৰ* নামৰ মালিতা দুটা সংগ্ৰহ আৰু সম্পাদন কৰি ক্ৰমে *ফুলকোঁৱৰ* আৰু *মণিকোঁৱৰ* নাম দি ছপা কৰে ১৯০৩ চনত ডিব্ৰুগডৰপৰা। গোপাল চন্দ্ৰ দাসে মুখ পৰম্পৰা প্ৰচলিত প্ৰবচন-পটন্তৰ আদি সংগ্ৰহ, বিশ্লেষণ আৰু সম্পাদনা কৰি *অসমীয়া পটন্তৰ মালা* নাম দি ডিব্ৰুগড়ৰপৰা ১৯০০ চনত ছপা কৰে। লক্ষ্মীনাথ বেজবৰুৱাই জাতীয় প্ৰীতিৰে উদ্বুদ্ধ হৈ মুখ পৰম্পৰা প্ৰচলিত লোককথা কেইটিমান সংগ্ৰহ আৰু সম্পাদন কৰি *বুঢ়ী আইৰ সাধু* নামেৰে ১৯১১ চনত হাওৰাৰপৰা ছপা কৰে। *ককাদেউতা আৰু নাতি ল'ৰা* নামৰ পুথিতো বেজবৰুৱাই কেইটিমান মুখ পৰম্পৰা প্ৰচলিত লোককথা সংযোজন কৰে। ১৯১২ চনত কলিকতাৰপৰা এই পুথিখন ছপা হয়। যোগেশ চন্দ্ৰ তামুলী এই সময়ছোৱাৰ এগৰাকী প্ৰসিদ্ধ সংগ্ৰাহক-যি গৰাকীলোকে মুখ পৰম্পৰা প্ৰচলিত বিবিধ গীত-পদ সংগ্ৰহ কৰি *নিচুকণি* নামেৰে ১৯১৬ চনত কলিকতাৰপৰা ছপা কৰে। বিৱাহ কৃত্যৰ সৈতে সম্পৃক্ত গীত-পদবোৰ ভুবন মোহন বৰাণীয়ে সংগ্ৰহ কৰি খৃঃ ১৯১১ চনত *বিয়াৰ নাম* দি ছপা কৰে। জ্ঞানদাভিৰাম বৰুৱাই লক্ষ্মীনাথ বেজবৰুৱাৰ *বুঢ়ী আইৰ সাধুৰ* সাধুকথাবোৰ ইংৰাজীলৈ অনুবাদ কৰি *Folktales of Assam* নামেৰে১৯১৫ চনত প্ৰকাশ কৰে। পণ্ডিত সোণাবৰাৰ মন্ত্ৰৰ পুথি *অসমীয়া কৰতি* ১৯০৭ চনত ছপা হয়। লোকজীৱনৰ বিস্তৃত বৰ্ণনা বিশিষ্ট অসমৰ ডিষ্ট্ৰিক্ট গেজেটিয়াৰবোৰৰ বিভিন্ন খণ্ড বি.চি. এলেনৰ সম্পাদনাত এই সময়ছোৱাৰ ভিতৰতে পোহৰলৈ আহে। এই খণ্ড সমূহৰ ভিতৰত গোৱালপাৰা (১৯০৫), কামৰূপ (১৯০৫), লক্ষীমপুৰ (১৯০৫), শিৱসাগৰ (১৯০৬), আদিয়েই উল্লেখযোগ্য। গণেশ চন্দ্ৰ হাজৰিকাৰ *বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ* নামৰ পুথিখন ১৯২৮ চনত শিৱসাগৰৰপৰা ছপা হয়। বিহু-উৎসৱৰ আলোচনা সমৃদ্ধ গ্ৰন্থ সমূহৰ ভিতৰত এইখন উল্লেখযোগ্য। হাণ্টাৰৰ (W. W. Hunter) *Statistical Account of Assam* (Cal. 1879) গ্ৰন্থত তদানীন্তন অসমৰ লোকজীৱনৰ নিৰ্ভৰযোগ্য বৰ্ণনা সংৰক্ষিত। ওৱাডেলৰ (L. A. Waddell) দ্বাৰা ৰচিত *Tribes of the*

Brahmaputra Valley গ্ৰন্থখন ছপা হয় লণ্ডনৰপৰা ১৯০০ চনত। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন জনজাতীয় লোকৰ নৃতাত্ত্বিক আৰু লোকসাংস্কৃতিক সমলেৰে এই গ্ৰন্থখন খন্ধ।

তৃতীয় স্তৰৰ সময়-সীমা খৃঃ ১৯২০ চনৰপৰা খৃঃ ১৯৪৭ চন পৰ্যন্ত বিস্তৃত। এই সময়ছোৱাত কেইবাজনো বৃটিছ প্ৰশাসনিক বিষয়াই পূৰ্বভাৰতৰ জনজাতীয় লোকৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে গভীৰভাৱে চিন্তা-চৰ্চা কৰিছিল। এইসকল বিষয়াৰ ভিতৰত হেনৰী হাটন (Henry Hutton) সৰ্বাগ্ৰণী। তেওঁ *The Angami Nagas* (London.1921) আৰু *The Sema Nagas* (London, 1921) নামৰ দুখন গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থদুখনত ক্ৰমে আংগামী নগা আৰু চেমানগাসকলৰ নৃতাত্ত্বিক বৰ্ণনা দিয়াৰ বাহিৰে দুয়োটা গোষ্ঠীৰ লোকসংস্কৃতিৰ বিশেষ দিশৰ বিষয়েও আলোচনা কৰা দেখা যায়।

জেপি মিলছ্-এ (J.p Mills) লোহতানগা, আওনগা আৰু ৰেংগমানগাৰ সমাজ আৰু সংস্কৃতিৰ বিভিন্ন দিশৰ ক্ষেত্ৰ সমল সংগ্ৰহ কৰি ক্ৰমে *The Lhota Nagas* (London. 1922), *The Ao Nagas* (London.1826) আৰু *The Rengma Nagas* (London 1937) নামৰ তিনিখন গ্ৰন্থ প্ৰণয়ন কৰে। এই তিনিওখন গ্ৰন্থত তিনিওটা গোষ্ঠীৰ লোকবিদ্যাৰ বিষয়েও বিস্তৃত আলোচনা উপস্থাপন কৰা হৈছে।

উইলিয়াম কাৰলছন স্মিথ-এ (William Carlson Smith) *The Ao Nagas Tribe of Assasn* (London, 1925) নামৰ এখন গ্ৰন্থ লিখে। জে.পি. মিলছ্-এ তেওঁৰ গ্ৰন্থ *The Ao Nagas* ত স্মিথৰ এই গ্ৰন্থখনৰ বিষয়ে উল্লেখ কৰিছে। স্মিথৰ গ্ৰন্থত আও নগাসকলৰ লোকসাংস্কৃতিক সমল বিশেষকৈ লোককথা কেইটিমান ইংৰাজী অনুবাদসহ পৰিৱেশন কৰা দেখা যায়।

হেইমেনডৰ্ফ-ৰ (Christoph Von Furer-Haimendorf) *The Naked Nagas* নামৰ মনোগ্ৰাফখন লণ্ডনৰপৰা ১৯৩৯ চনত ছপা হয়। নগাসকলৰ জীৱন আৰু সংস্কৃতিৰ এখন প্ৰামাণিক গ্ৰন্থ ৰূপে সেই গ্ৰন্থখনৰ মূল্য অস্বীকাৰ কৰিব নোৱাৰি। *জাৰনেল অৱ এচিয়াটিক চোচাইটি অৱ বেংগল* ২৫ শ সংখ্যাত উইলিয়াম ছৱ-এ (William Show) *Notes on Thadou Kukis* নামৰ এটি গৱেষণা প্ৰসূত প্ৰবন্ধ প্ৰকাশ কৰিছিল। এই প্ৰবন্ধত অসমৰ থাডো কুকিসকলৰ সমাজত মুখ পৰম্পৰা প্ৰচলিত সাতোটা লোককথাৰ উল্লেখ কৰা দেখা যায়।

পেৰি-ৰ (N.E. Parry) *The Lakhers* (London, 1932) এই সময়ছোৱাৰ এখন নৃতাত্ত্বিক আৰু লোকসাংস্কৃতিক সমলৰাজিৰ প্ৰণালীবদ্ধ অধ্যয়নৰ ফল। থম্পচন-ৰ

(R.C.M. Thompson) *Assam Valley* (London, 1948) গ্ৰন্থত অসমীয়া লোকসংস্কৃতিৰ বিভিন্ন উপাদানৰ পৰিচয় পোৱা যায়।

এই সময়ছোৱাত ৰচিত অসমীয়া লোকসংস্কৃতি বিষয়ক গ্ৰন্থসমূহৰ ভিতৰত ডিব্ৰুগড় এজেন্সি কোম্পানীবদ্বাৰা প্ৰকাশিত *ভেকুলীৰ বিয়া* (১৯৩১); ভদ্ৰসেন বৰাৰ *কথাৰ মালিতা* (১৯২৩); প্ৰসন্নচন্দ্ৰবৰুৱাৰ *ভাউৰা-পুৰাণ, কামৰূপী বিয়াৰ গীত, মিচলীয়া লোকগীত, মৎস্য বিবাহ;* নকুল চন্দ্ৰভূঞাৰ *বহাগী* (চিলং, ১৯৬৩); সূৰ্য্যকুমাৰভূঞাৰ *বৰফুকনৰগীত* (গুৱাহাটী, ১৯২৪); ৰূপেশ্বৰ দত্তৰ *জনাগাভৰুৰগীত* (যোৰহাট, ১৯২৫); নবীন চন্দ্ৰৰ গঁগৈৰ *পীৰিতি* (জাজী, ১৯৪৭); ডিম্বেশ্বৰ নেওগৰ *আকুল-পথিক* (যোৰহাট, ১৯২২), *ভোগজৰা, বিহুৱা, নামতি, পুতলি* (যোৰহাট, ১৯৪৩); অৰ্জুনচন্দ্ৰ দাসৰ *অসমীয়া সাধু* (যোৰহাট, ১৯৪১), ত্ৰৈলোকেশ্বৰী দেৱীৰ *সন্ধিয়াৰ সাধু* (যোৰহাট, ১৯৩৭); সোণাপতি শৰ্মাৰ *টেম্টন, অদ্ভুতচোৰ* (১৯৪৬), *শিয়াল পণ্ডিত;* ইন্দ্ৰনাৰায়ণ বৰাৰ *অসমীয়া প্ৰবচন* (দিল্লী,১৯৪৩); প্ৰসন্নচন্দ্ৰবৰুৱাৰ *পটন্তৰমালা* (কমাৰকুছি, ১৯২৯); কান্তিৰাম বুঢ়াভকতৰ *ফকৰা* (১৯২৭); শ্ৰীৰামচন্দ্ৰ দাসৰ *ফকৰা যোজনা* (গুৱাহাটী, ১৯৪১); হেমচন্দ্ৰ গোস্বামীৰ *অসমীয়াসাহিত্যৰ চনেকি,* প্ৰথমখণ্ড (কলিকতা, ১৯২৮); টি.চি. ভট্টাচাৰ্য্যৰ *ঘোৰানিদান* (চিলং, ১৯৩২); গঙ্গাৰাম তহচিলদাৰৰ *বৈদ্য অমৰ* (তেজপুৰ, ১৯২৭) আদি উল্লেখযোগ্য।

চতুৰ্থস্তৰৰ সময়সীমা সাধাৰণভাৱে খৃঃ ১৯৪৭ চনৰপৰা বৰ্তমানলৈ ধৰিব পাৰি। অৱশ্যে লোকসাংস্কৃতিক সমলসংগ্ৰহ, তাৰ বিচাৰ বিশ্লেষণ আদিলৈ লক্ষ্য কৰি এই স্তৰটিক কেইবাটিও উপস্তৰত ভাগ কৰিব পাৰি : (।)১৯৪৭-১৯৬০, (॥) ১৯৬১-১৯৭১, (।॥) ১৯৭২-১৯৯৪।

চতুৰ্থস্তৰৰ অন্যতম পণ্ডিত ড° বাণীকান্ত কাকতিৰ The Mother Goddess Kamakhya (Gauhati, 1948), Visnuite Myths and Legends (Gauhati, 1952), *পুৰণি কামৰূপৰ ধৰ্ম্মৰধাৰা* (গুৱাহাটী, ১৯৫৫), *কলিতা জাতিৰ ইতিবৃত্ত* আদি গ্ৰন্থতো ভাৰতীয় সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত প্ৰাচীন কামৰূপৰ লোকসংস্কৃতিৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণ উপস্থাপন কৰিছে। এই সময় ছোৱাৰ আন এগৰাকী আন্তৰ্জাতিক খ্যাতিসম্পন্ন লোকবিদ্যাবিদ ড° বিৰিঞ্চি কুমাৰ বৰুৱাই অসমৰ লোক-সংস্কৃতিৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণত অভিনৱ যুগৰ সূচনা কৰে ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত লোক সংস্কৃতি গৱেষণা বিভাগ প্ৰতিষ্ঠাৰ জৰিয়তে। লোকসংস্কৃতিৰ চিন্তা-চৰ্চাৰ মাৰ্গ দৰ্শনকাৰী গ্ৰন্থ *অসমৰ লোক-সংস্কৃতি* নামৰ প্ৰসিদ্ধ

গ্ৰন্থ খনো ড° বিৰিঞ্চিকুমাৰ বৰুৱাই ৰচনা কৰে আৰু এই গ্ৰন্থখন ছপা হয় ১৯৫৭ চনত গুৱাহাটীৰপৰা। ইয়াৰ বাহিৰেও তেওঁৰ *ভাষা আৰু সংস্কৃতি* নামৰ গ্ৰন্থখনতো (গুৱাহাটী, ১৯৬৩) অসমৰ লোক সংস্কৃতিৰ বিভিন্ন দিশত সাৰ্থকভাৱে আলোকসম্পাত কৰা হৈছে।

